# সুদক্ষিণা

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

দ্বাত্ৰিংশত্তম সংখ্যা
২০২৪ ইং বৰ্ষ



সম্পাদিকা ঃ অনুস্মিতা দাস

## 'সুদক্ষিণা' সম্পাদনা সমিতি




ফটো তোলা তাৰিখ ঃ ... ১-২০২৫

বহি বাওঁফালৰ পৰা ঃ ড° জগন্নাথ বৰ্মন (শিক্ষক সদস্য), ড° ৰঞ্জন ভূএগ্ৰা (উপ-সভাপতি), ড° নৱকান্ত অধিকাৰী (সভাপতি), ড° প্ৰশান্ত বৰা (তত্বাবধায়ক), অনুস্মিতা দাস (সম্পাদিকা)

থিয় হৈ বাওঁফালৰ পৰা ঃ চিত্ৰলেখা ৰাভা, ৰঞ্জিতা ৰাভা, ৰুণুমা বড়ো (সদস্যা)
লিজা তালুকদাৰ, (সদস্যা) (ফটো তোলা সময়ত অনুপস্থিত)।

## মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্বাৱধায়ক- তত্বাৱধায়িকাৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যাসকল




ফটো তোলা তাৰিখ ঃ ১০-১১-২০২৫

বহি বাওঁফালৰ পৰা ঃ বন্দনা ডেকা, ড° বিপুণ দলে, ড° জগন্নাথ বৰ্মন, ড° নৱকান্ত অধিকাৰী (অধ্যক্ষ), ড° ৰঞ্জন ভূএগ্ৰা (উপাধ্যক্ষ), ড° হৰেণ চন্দ্ৰ কলিতা, শেৱালী মেধি, ড° প্ৰশান্ত বৰা

থিয় হৈ বাওঁফালৰ পৰা ঃ আজমিনা বেগম, চাহানাজ চুলতানা, অনুস্মিতা কলিতা, ভনীতা কলিতা, লিজা তালুকদাৰ, ৰুণুমা বড়ো, চেহনাজ চুলতানা, মামনী কলিতা, চেহনাজ বেগম, অনুস্মিতা দাস।

# সুদক্ষিণা

দ্বাত্ৰিংশত্তম সংখ্যা
২০২৪ ইং বৰ্ষ
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

# SUDAKSHINA

32nd ISSUE
2024

প্ৰীতি আৰু শ্ৰদ্ধাৰে—
..........................................................................
..........................................................................

তত্বাৱধায়ক
ড° প্ৰশান্ত বৰা

সম্পাদিকা
অনুস্মিতা দাস

# সুদক্ষিণা

দ্বাত্রিংশত্তম সংখ্যা

২০২৪ ইং বৰ্ষ


'সুদক্ষিণা' সম্পাদনা সমিতি

সভাপতি

ড° নবকান্ত অধিকাৰী, অধ্যক্ষ

উপ-সভাপতি

ড° ৰঞ্জন ভূঞা, উপাধ্যক্ষ

তত্ত্বাৱধায়ক

ড° প্ৰশান্ত বৰা

সম্পাদিকা

অনুস্মিতা দাস

শিক্ষক সদস্য

ড° জগন্নাথ বৰ্মন

ছাত্ৰী সদস্যা

ৰুণুমা বড়ো, ৰঞ্জিতা ৰাভা, চিত্ৰলেখা ৰাভা,

বেটুপাত পৰিকল্পনা আৰু অলংকৰণ

চিত্ৰলেখা ৰাভা আৰু তাৰজিনা বেগম

সামগ্ৰিক পৰিকল্পনা

তত্ত্বাৱধায়ক আৰু সম্পাদিকা

ছপা

চাৰু প্ৰকাশন

উপৰহালী-৭৮১১২২, কামৰূপ (অসম)


## উচৰ্গা



অসমীয়া সংগীত জগতৰ অন্যতম পৰিচয় হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ পবিত্ৰ সোঁৱৰণত 'সুদক্ষিণা'ৰ এই সংখ্যাটি উচৰ্গা কৰা হ'ল

জন্ম ঃ ১৮-১১-১৯৭২ ইং চন

মৃত্যু ঃ ১৯-০৯-২০২৫ ইং চন

—সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



হেমন্ত দত্ত
বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক
জন্ম ঃ ২৪-০৯-১৯৪১ ঃঃ মৃত্যু ঃ ১১-০৮-২০২৫



ৰতন থিয়াম
বিশিষ্ট নাট্যকাৰ
জন্ম ঃ ২০-০১-১৯৪৮ ঃঃ মৃত্যু ঃ ২৩-০৭-২০২৫



ড° বসন্ত কুমাৰ ভট্টাচাৰ্য
বিশিষ্ট সাহিত্যিক
জন্ম ঃ ০১-০২-১৯৪২ ঃঃ মৃত্যু ঃ ২৩-০৭-২০২৫



দীপক শৰ্মা
বিশিষ্ট বাঁহী বাদক
জন্ম ঃ ২৩-০৮-১৯৬৮ ঃঃ মৃত্যু ঃ ৩-১১-২০২৫



প্ৰফুল্ল গোবিন্দ বৰুৱা
বিশিষ্ট সাংবাদিক
জন্ম ঃ ২৬-০৭-১৯৩২ ঃঃ মৃত্যু ঃ ১৪-১২-২০২৫



ৰাজীব শদীয়া
বিশিষ্ট শিল্পী
জন্ম ঃ ৩১-১২-১৯৮৪ ঃঃ মৃত্যু ঃ ১৩-০১-২০২৫



অনুভৱ তুলসী
বিশিষ্ট কবি
জন্ম ঃ ০৩-১২-১৯৫৮ ঃঃ মৃত্যু ঃ ০১-০৭-২০২৫



তিমথি দাস হাংসে
বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, গীতিকাৰ
জন্ম ঃ ১৯৫৫ ঃঃ মৃত্যু ঃ ২৮-০৯-২০২৫

এই সকলৰ উপৰি জ্ঞাতে-অজ্ঞাতে বিশ্বৰ বিভিন্ন প্ৰান্তত জীৱন-বন্তি নিৰ্বাপিত হোৱা মহান ব্যক্তিসকললৈ 'সুদক্ষিণা'ৰ এই সংখ্যাটিৰ জৰিয়তে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

—সম্পাদনা সমিতি

## মহাবিদ্যালয়ৰ সংগীত

অসমা সুষমা নিৰুপমা
আমি দখিণৰ কামৰূপা
দখিণ কোলেই আজি জ্ঞান বিদ্যাৰ শতৰূপা।।

আমি দখিণৰ বালিকা
আমি জ্ঞানৰ শলিতা
পোহৰ বিচাৰি ওলাই অহা-আমি মনোৰমা।।

প্ৰজ্ঞা আমাৰ পুথিৰ আলয়
কৃষ্টি আমাৰ সংগ্ৰহ আলয়
প্ৰজ্ঞা-কৃষ্টিক লওঁ আহা আমি আকোঁৱালি।।

সাঁচিপাতত বিচাৰোঁ বতৰা
সুদক্ষিণাক দিওঁ মনৰ বতৰা
আমি সোণালী, ৰূপালী পাতোঁ আহা দীপাৱলী
আমি যে জ্যোতিৰূপা।।

সুদক্ষিণা আমাৰ মনৰ ভাষা
হাৰাঘাট আমাৰ প্ৰেৰণাৰ আশা
মনৰ সূতাৰে তৰোঁ জীৱনৰ তাঁত।।

আমি দখিণৰ ৰোৱণী শিপিনী
আমি দখিণৰ আজিৰ ছোৱালী
মহা-জ্ঞানৰ আলয় আমাৰ হিয়াত
আমি যে জ্যোতিশিখা।।

কথা ঃ জগন্নাথ বৰ্মন
সুৰ ঃ আনন্দ দাস

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ. ৭/২০২৩/৩২২৫
৯ আহিন,১৪৩২ ভাস্কৰাব্দ
২৬ ছেপ্টেম্বৰ, ২০২৫ ইং

## শুভেচ্ছাবাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ 'সুদক্ষিণা' নামৰ বাৰ্ষিক মুখপত্ৰ আৰু আলোচনীখনৰ দ্বাত্ৰিংশত্তম সংখ্যাটি প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। আলোচনীখনৰ সৈতে জড়িত সকলোলৈ মই আন্তৰিক অভিনন্দন জনাইছোঁ।

মুণ্ডক উপনিষদৰ মতে বিদ্যা হ'ল সাক্ষাৎ ঈশ্বৰ। ভৰ্তৃহৰিয়ে তেওঁৰ 'নীতি শতক'ত কৈছে—

'বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্ন গুপ্তং ধনম্
বিদ্যা ভোগকৰী যশং সুখকৰী বিদ্যা গুৰুনাং গুৰু'

জ্ঞান, প্ৰজ্ঞা আৰু সত্য আহৰণক ভাৰতীয় চিন্তা আৰু দৰ্শনে সদায় মানৱ জীৱনৰ উচ্চতম লক্ষ্য হিচাপে গ্ৰহণ কৰি আহিছে। জীৱনত আগবাঢ়িবলৈ, যিকোনো লক্ষ্যত উপনীত হ'বলৈ শিক্ষাই হৈছে আমাৰ পৰম সম্পদ। শিক্ষা সম্পৰ্কে ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল, 'শিক্ষাৰ অন্তিম ফলাফল এজন মুক্ত সৃজনীশীল ব্যক্তি হোৱা উচিত, যিয়ে ইতিহাসগত পৰিস্থিতি আৰু প্ৰকৃতিৰ ৰোষৰ বিৰুদ্ধে সংগ্ৰাম কৰিব পাৰে।' শিক্ষা নৈতিক, আধ্যাত্মিক আৰু মানৱীয় মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব। পৃথিৱীৰ অধিকাংশ মহৎ ব্যক্তিৰ সৃষ্টি আৰু নিৰ্মাণৰ অন্তৰালত শিক্ষকসকলৰ প্ৰয়াস, উৎসাহ, প্ৰেৰণা আৰু প্ৰভাৱ অন্তৰ্নিহিত হৈ আছে। সেয়েহে, তক্ষশীলা, নালন্দা আদি বিশ্বমানৰ প্ৰাচীন ভাৰতীয় শিক্ষানুষ্ঠানত উৎকৃষ্ট শিক্ষা লাভৰ বাবে দেশ-বিদেশৰ বহু শিক্ষাৰ্থীৰ আগমণ ঘটিছিল। ভাৰতীয় শিক্ষা ব্যৱস্থাই সৃষ্টি কৰিছিল চৰক, শুশ্ৰুত, আৰ্যভট্ট, বৰাহমিহিৰ, চাণক্য, পাণিনি, শংকৰদেৱ, মৈত্ৰেয়ী, গাৰ্গীৰ দৰে মহা পণ্ডিত আৰু বিদুষীৰ।

নাৰী শিক্ষাৰ বিকাশৰ উদ্দেশ্যে বহু শিক্ষানুৰাগীৰ প্ৰচেষ্টাত গঢ় লৈ উঠা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে বৃহত্তৰ অঞ্চলৰ বিদ্যায়তনিক ক্ষেত্ৰলৈ সমৃদ্ধ বৰঙণি যোগাইছে। এই শিক্ষানুষ্ঠানৰ বিদ্যাৰ্থী সমাজে সামাজিক, সাংস্কৃতিক তথা বৌদ্ধিক ক্ষেত্ৰখনলৈ যোগোৱা অৱিহণা উত্তৰ প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস। এই শিক্ষানুষ্ঠানখনৰ বাৰ্ষিক আলোচনীখন হৈছে ইয়াৰ মুখপত্ৰস্বৰূপ তথা শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু বিশেষকৈ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক কচৰৎ, সাহিত্য সাধনাৰ থলী। আশা কৰোঁ, শিক্ষাগুৰুসকলৰ তথ্য গধুৰ লেখনি আৰু শিক্ষাৰ্থীসকলৰ সৃষ্টিমূলক ৰচনাৰে প্ৰকাশ পাবলগীয়া আলোচনীখন হ'ব ভৱিষ্যতৰ এক সমৃদ্ধ দস্তাবেজ।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ আৰু আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাওঁক, মই তাকেই কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

Ranoj Pegu
Minister
Education & Tribal Affairs (P)

Block-I, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati -781006
Ph No. : +91 99547-03825 (M)
0361-2237023 (O)
E-mail : ranojpegu@gmail.com



## MESSAGE

It gives me immense pleasure to convey my heartfelt greetings to the faculty, students and staff of Dakshin Kamrup Girls' College, Mirza on the occasion of the publication of its annual magazine named "Sudakshina.

The institution stands as a beacon of hope and progress, nurturing generations of young women with knowledge, confidence and purpose. In a world that is rapidly evolving, education remains the most powerful tool to ensure equity, dignity and empowerment— especially for women. When we educate a woman, we do not merely educate an individual; we educate a family.

D K Girls' College, by fostering academic excellence and encouraging leadership among young women is contributing meaningfully towards building an inclusive and progressive society. I urge the students to dream boldly, think critically and act with compassion — for the future belongs to those who are prepared to shape it.

I extend my best wishes to the entire college fraternity for continued success and growth in the years to come.

With warm regards.

(Dr. Ranoj Pegu)

গুৱাহাটী বিশ্ববিদ্যালয়

অধ্যাপক ননী গোপাল মহন্ত
উপাচাৰ্য



## শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০২৪ ইং বৰ্ষৰ বাৰ্ষিক আলোচনী 'সুদক্ষিণা' প্ৰকাশ কৰিবলৈ পূৰ্ণ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ। শৈক্ষিক প্ৰচেষ্টোক ধৰি ৰখাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হ'ল শিক্ষানুষ্ঠানখনৰ আলোচনী প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰা কাৰ্য। আচলতে, কোনো এখন শিক্ষানুষ্ঠানৰ আলোচনীখন সেই শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক আৰু নান্দনিক চিন্তা চেতনাৰ বাহকস্বৰূপ, কিয়নো এয়া শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষ, শিক্ষক, কৰ্মচাৰী, শিক্ষাৰ্থীসকলৰ সমন্বিত ফচল। এনে ইতিবাচক প্ৰচেষ্টোক আদৰণি জনাইছোঁ। আমি আশাবাদী যাতে আলোচনীখন কাব্যশিল্প, চিন্তাশিল, অনুভৱীশিল্পৰ অপূৰ্ব সমাহাৰেৰে সমৃদ্ধ হওঁক। এয়া নতুন প্ৰজন্মৰ সুপ্ত প্ৰতিভা বিকাশৰ আধাৰ হওঁক আৰু সঠিক তথা নব্য চিন্তাধাৰাৰ মূল্যায়নৰদ্বাৰা শিক্ষাৰ্থীসকলে নিজৰ ব্যক্তিত্বৰ কৰ্ষণৰ যোগেদি সমাজ-জীৱনৰ প্ৰতি বিশেষভাৱে দায়বদ্ধ হৈ উঠক। শেষত, আলোচনীখনৰ নেপথ্যত থকা প্ৰতিগৰাকী ব্যক্তিক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ লগতে আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ হৈ সকলোতেই সমাদৃত হোৱা কামনা কৰিলোঁ।

( অধ্যাপক ননী গোপাল মহন্ত )
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

দিনাংক ঃ ১৯-০৯-২০২৫

Address : Guwahati-781014 Assam:India | E-mail: vc@gauhati.ac.in | Web : www.gauhati.ac.in

**Mr. Hemanga Thakuria,** M.Sc., LLB, MBA
MLA, 29 No. Palasbari Constituency, Assam

সত্যমেৱ জয়তে

98640-24976 / 86382-32601 (M)
E-mail : hemangat@reddiffmail.com

Ref.

Date : ......................



## শুভেচ্ছা বাণী

আমাৰ পলাশবাৰী সমষ্টিৰ লগতে সমগ্ৰ দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ উন্নত শিক্ষানুষ্ঠান মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণা'ৰ ২০২৪ বৰ্ষৰ সংখ্যাটি প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছোঁ। মই আশা কৰিছোঁ যে বিগত বৰ্ষ বিলাকত যিদৰে বহু লেখক-লেখিকাই ধনাত্মক দিশত বাস্তৱসন্মত লিখনিৰ জৰিয়তে 'সুদক্ষিশা'ৰ স্তৰ উন্নতমানৰ কৰিছিল, সেইদৰে এই বৰ্ষত প্ৰকাশিত হ'বলগীয়া লিখনিসমূহে অকল আমাৰ শিক্ষাৰ্থীসকলকে নহয়, সমগ্ৰ দক্ষিণ কামৰূপৰ সমাজ জীৱনলৈ ধনাত্মক বাৰ্তা প্ৰেৰণ কৰিব। মই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ, অভিভাৱক আৰু মহাবিদ্যালয়ৰ সমূহ শুভাকাঙ্খীক আন্তৰিক হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছোঁ।

ধন্যবাদ—

হেমাংগ ঠাকুৰীয়া

(হেমাংগ ঠাকুৰীয়া)
বিধায়ক
২৯ নং পলাশবাৰী বিধান সভা সমষ্টি

## ড° ৰমেশ চন্দ্ৰ কলিতা

সভাপতি, পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা



## শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ অঞ্চলৰ স্ত্ৰীশিক্ষাৰ অগ্ৰণী অনুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল প্ৰায় আঠত্ৰিশ বছৰ পাৰ কৰিলে। প্ৰতিষ্ঠা কালৰপৰা গতিশীল চিন্তা-ধাৰণাৰে মানৱ সম্পদ সৃষ্টি কৰি উক্ত অনুষ্ঠানে দেশক সফলভাৱে আগবঢ়াই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আনবেলিৰ দৰে এইবেলিও ছাত্ৰী একতা সভাৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণা' সফলতাৰে প্ৰকাশ হ'ব বুলি জানিব পাৰি নৌথে আনন্দিত হৈছোঁ।

প্ৰকাশ পাবলগীয়া মুখপত্ৰত বিগত বছৰটিৰ সকলো দিশৰ অগ্ৰগতিৰ খতিয়ান তথা ন-পুৰণি লেখাৰে সমৃদ্ধ হ'ব। মুখপত্ৰখনিয়ে সকলোৰে পৰা সমাদৰ পোৱাৰ কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ইতি-

(ৰমেশ চন্দ্ৰ কলিতা)
সভাপতি,
মহাবিদ্যালয় পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

*Anil Das*
Govt. Regd. Contractor [Class-I(A), R & B]
P. O. : Mirza-781125, Kamrup (Assam)

Phone : 90856-75105 (M)
e-mail : das1969anil@gmail.com
info@jonaliconstructions.com



## শুভেচ্ছাবাণী

দক্ষিণ কামৰূপৰ নাৰী শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান মিৰ্জাস্থিত 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'ৰ ২০২৪ ইং বৰ্ষৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণা' প্ৰকাশৰ বাবে প্ৰস্তুতি চলি থকা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। শিক্ষানুষ্ঠান এখনৰ বাবে বাৰ্ষিক মুখপত্ৰ এখনৰ প্ৰকাশ অতি গুৰুত্বপূৰ্ণ কথা। পূৰ্বৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণা'ৰ পাতত ছাত্ৰী আৰু শিক্ষক, কৰ্মচাৰীসকলৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক দিশৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব বুলি আশা কৰিলোঁ।

শেষত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, অনাশিক্ষক কৰ্মচাৰী আৰু ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

ধন্যবাদেৰে
অনিল দাস

# অধ্যক্ষৰ মেজৰ পৰা



'সুদক্ষিণা' দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মুখপত্ৰ। 'সুদক্ষিণা'ই ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৃষ্টিশীলতাক ধৰি ৰাখিছে। ই ধাৰকৰো কাম কৰে আৰু বাহকৰো কাম কৰে। অতীতৰ অভিজ্ঞতাৰ ভেটিত থিয় হৈ বৰ্তমানৰ গাত ভেজা দি ভৱিষ্যতৰ সপোন ৰচনা কৰে। 'সুদক্ষিণা'ই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সাহিত্য, সংস্কৃতি, কলা আদি সকলো দিশ সামৰি ভৱিষ্যতৰ লগত পৰিচয় কৰাই দিবলৈ সমৰ্থ হৈ আহিছে। বিদ্যায়তনিক প্ৰমূল্যবোধৰ বিকশিত স্বৰূপ 'সুদক্ষিণা'ৰ মাজত প্ৰকাশ পোৱাৰ লগতে এই মহাবিদ্যালয়ৰ স্বাভিমান আৰু বৈভৱ প্ৰৱাহিত কৰি আহিছে। 'সুদক্ষিণা'ই বাস্তৱিক চিত্ৰ শব্দশিল্পৰ মাধ্যমেৰে সামগ্ৰিকভাৱে অংকন কৰি আহিছে। 'সুদক্ষিণা' হ'ল এই মহাবিদ্যালয়ৰ ৰূপোৱালী অতীত আৰু বৰ্তমানক সঞ্জীৱিত তথা চিৰ যুগমীয়া কৰি ৰখা এক মহত্তম প্ৰচেষ্টা। জ্ঞানলব্ধ অধ্যাপক-অধ্যাপিকা সকল আৰু ভিন্ন ছাত্ৰী সকলৰ অন্তৰত নিহিত সুপ্ত ধ্যান-ধাৰণা, ভাব-ভাষা, চিন্তা-চেতনা, বৰ্ণিল অনুভৱ-অনুভূতিৰ অভিজ্ঞতাপুষ্ট চিন্তাগধুৰ সম্ভাৰে 'সুদক্ষিণা'ত স্থান পাই আহিছে। ৩২ সংখ্যক এই সুদক্ষিণাৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ ২০২৪-২০২৫ শৈক্ষিক বৰ্ষৰ কিছু খতিয়ান দিব বিচাৰিছোঁ।

২০২৪-২৫ শিক্ষা বৰ্ষত আমাৰ মহ্যাবিদ্যালয়ত নিয়মীয়া ছাত্ৰীৰ সংখ্যা হ'ল ১৮৮৫ গৰাকী। চলিত শিক্ষাবৰ্ষত ছাত্ৰীসমাজৰ সৰ্ব্বাংগীন বিকাশ আৰু উন্নতিৰ কাৰণে বিদ্যায়তনিক, সাংস্কৃতিক, ক্ৰীড়া, স্ব-নিৰ্ভৰশীলতা, সামাজিক সচেতনতা আদি সকলো দিশতে বিভিন্ন কাৰ্য্যব্যৱস্থা সম্পন্ন কৰা হৈছে। সেই সমূহৰ ভিতৰত কেইটামান বিশেষ বিশেষ ব্যৱস্থাপনাৰ বিষয়ে অৱগত কৰাব বিচাৰিছোঁ।

এই সময়ছোৱাতেই ছাত্ৰীসকলৰ বিদ্যায়তনিক উৎকৰ্ষ সাধনৰ প্ৰতি লক্ষ্য ৰাখি দুখনকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ (National Seminar) অনুষ্ঠিত কৰা হয়। এখন ২৪-২৫ আগষ্ট, ২০২৪ তাৰিখে ইতিহাস বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আনখন ২১-২২ ছেপ্তেম্বৰ, ২০২৪ তাৰিখে অসমীয়া বিভাগ আৰু ইংৰাজী বিভাগৰ উদ্যোগত অনুষ্ঠিত হয়। বিভিন্ন সময়ত ভাৰতৰ আন আন বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানৰ পৰা বিশেষজ্ঞ আমন্ত্ৰণ কৰি আনি বিশেষ বক্তৃতাৰ আয়োজন কৰি অহা হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল ১৯ জুলাই, ২০২৫ তাৰিখে দৰ্শন বিভাগৰ উদ্যোগত World Philosophy Day ৰ লগত সংগতি ৰাখি ICPR (Indian Council of Philosophical Research)ৰ অৰ্থ সাহায্যৰ দ্বাৰা বক্তৃতা অনুষ্ঠান অনুস্থিত কৰা হয়। মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁড়ালৰ দ্বাৰা বিগত ২০২২ ইং চনৰ পৰাই 'গ্ৰন্থালাপ' শীৰ্ষক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈ আহিছে। এই বেলিও ২৮-০২-২০২৫ ইং তাৰিখে 'গ্ৰন্থালাপ' বক্তৃতানুষ্ঠান অনুস্থিত কৰা হয়। Mass Communication and Journalism বিভাগত Photography ৰ ওপৰত বিশেষজ্ঞ ব্যক্তিক নিমন্ত্ৰণ কৰি বক্তৃতানুষ্ঠান অনুস্থিত কৰে। যোৱা ৭-৩-২০২৫ তাৰিখে অসমৰ এগৰাকী প্ৰখ্যাত গীতিকাৰ লক্ষহীৰা দাসৰ জীৱনভিত্তিক নম্ৰতা দত্তই প্ৰস্তুত কৰা তথ্যচিত্ৰ মহাবিদ্যালয়ত প্ৰদৰ্শন কৰা হয়।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ আধাৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অধীনত ছাত্ৰীসকলক বিভিন্ন উদ্যোগত, অনুষ্ঠান-প্ৰতিষ্ঠান আদিলৈ লৈ গৈ বিভিন্ন কাৰিকৰী শিক্ষা আৰু স্বাস্থ্য সম্বন্ধীয় শিক্ষা প্ৰদান কৰা হয়, যাতে ভৱিষ্যতে ছাত্ৰী গৰাকী আত্মনিৰ্ভৰশীল হ'ব পাৰে। ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিগত তিনি বছৰ ধৰি সৰস্বতী পূজাৰ দিনা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে অৰিহণা যোগোৱা প্ৰবন্ধৰে একোখনকৈ উৎকৃষ্ট মানৰ গ্ৰন্থ প্ৰকাশ কৰি উন্মোচন কৰি অহা হৈছে। ছাত্ৰীসকলৰ সৃষ্টিশীলতাৰ উৎকৰ্ষ সাধনৰ বাবে এইবেলি নিজ নিজ বিভাগসমূহৰ ছাত্ৰীসকলৰ মাজত বিভাগীয় 'প্ৰাচীৰ প্ৰত্ৰিকা' প্ৰতিযোগিতা অনুস্থিত কৰা হয়। ছাত্ৰীসকলৰ কলাসুলভ প্ৰতিভাই সকলোকে মোহিত কৰিবলৈ সমৰ্থ হৈছে। তাৰোপৰি Mass Communication and Journalism বিভাগৰ উদ্যোগত Photography প্ৰতিযোগিতা অনুস্থিত কৰা হয়।

মহাবিদ্যালয়ৰ 'মামণি ৰয়ছম গোস্বামী ছাত্ৰী-নিবাস' (Girls Hostel)ত সম্পূৰ্ণ বিনামূলীয়া (Free) কৈ ছাত্ৰীসকলক ৰখা হৈছে। ছাত্ৰী নিবাসৰ ছাত্ৰীসকলে হোষ্টেলত থকাৰ বিনিময়ত কোনো ধৰণৰ মাচুল দিব নালাগে। তাৰোপৰি ছাত্ৰীসকলক সম্পূৰ্ণ বিনীমূলীয়াকৈ কম্পিউটাৰ প্ৰশিক্ষণ দি থকা হৈছে। আকৌ বিউটিচিয়ান কৰ্চটোত সম্পূৰ্ণ বিনীমূলীয়াকৈ দি থকা হৈছে। দুখীয়া অথচ মেধাৱী ছাত্ৰীসকলক প্ৰতি বছৰে মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভৰাঁলৰ Book Bank ৰ পৰা পাঠ্যপুথি বিতৰণ কৰা হয়। আৰ্থ-সামাজিক ভাৱে পিছপৰা ছাত্ৰীসকলে যাতে সময়ৰ সতে আগবাঢ়ি যাব পাৰে তাৰবাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ICICI Foundation ৰ CSR Fund ৰ অৰ্থ সাহায্যত নিৰ্মাণ কৰা হয় চল্লিশ (৪০) টা কম্পিউটাৰ যুক্ত এটা Office Administrative Laboratory যাতে ছাত্ৰীসকলে সহজে কম্পিউটাৰ শিক্ষা লাভ কৰে। আমাৰ কাৰণে সুখৰ খবৰ যে Sun Pharma Laboratories Limited, Guwahati এ তেওঁলোকৰ CSR Fund ৰ পৃষ্ঠপোষকতাত আমাৰ মহাবিদ্যালয়ৰ 15KW ৰ Solar Panels স্থাপন কৰি দিয়ে। এই Solar Panel প্ৰকল্পটো উদ্বোধন কৰা হয় ২৮-০৬-২০২৫ ইং তাৰিখে। ইয়াৰ দ্বাৰা আমাৰ মহাবিদ্যালয়ৰ মাহিলী বিদ্যুৎ খৰছ বহুখিনি ৰাহি হ'ব। আকৌ দুটা Digital Class Room দুটা পৃথক পৃথক প্ৰতিষ্ঠানে নিৰ্মাণ কৰি দিয়াৰ পূৰ্ণ আশ্বাস দিছে।

ছাত্ৰীসকলে উচ্চমানৰ Digital শিক্ষা যাতে লাভ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সংগ্ৰহালয়ৰ ওপৰৰ দুটা মহলাত 40'x40' ফুটকৈ দুটা কোঠা নিৰ্মাণ কৰা হয়। প্ৰাক্তন ছাত্ৰীৰ কৰ্ম সংস্থাপনৰ লক্ষ্য আগত ৰাখি নতুনকৈ দুটা দোকান গৃহ নিৰ্মাণ কৰি দিয়া হয়। যোৱা বছৰ দুটা দোকান গৃহ নিৰ্মাণ কৰা হৈছিল আৰু এইবাৰ দুটা গৃহ নিৰ্মাণ কৰা হৈছে। মুঠ চাৰিটা দোকান গৃহ নিৰ্মাণ হৈছে। ইয়াৰ উপৰি বহু বছৰৰ এক অভাৱ Teachers' Common Room এটাও নিৰ্মাণ হৈ উঠিছে।

এইবেলি All India Survey on Higher Education (AISHE) ৰ প্ৰতিবেদন আমাৰ মহাবিদ্যালয়ে সফলতাৰে দাখিল কৰি প্ৰমাণ পত্ৰ পাবলৈ সক্ষম হৈছোঁ। তাৰোপৰি National Institutional Ranking Framework (NIRF) ৰ বাবেও আমাৰ মহাবিদ্যালয়ে এইবেলি আবেদন কৰিছোঁ। মহাবিদ্যালয়ৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকাই বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)ৰ দ্বাৰা আয়োজিত MMTTC আৰু Induction Programme ৰ প্ৰশিক্ষণ ল'বলৈ সক্ষম হৈছে। গৌৰৱৰ বিষয় যে এইবাৰ 'গণতন্ত্ৰ দিৱস' উপলক্ষে পলাশবাৰী সমজিলা আয়ুক্তৰ দ্বাৰা আয়োজিত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে March Past ত দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

অসম চৰকাৰৰ দ্বাৰা আয়োজিত তিনিটা ADRE পৰীক্ষা, হাইস্কুল TET পৰীক্ষা, D.EL.Ed পৰীক্ষা, Health Recruitment পৰীক্ষা আদি কৰি অনুস্থিত হয় এই শিক্ষাবৰ্ষত। চৰকাৰী অনুষ্ঠানৰ ভিতৰত বিশেষ গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল 'পঞ্চায়ত নিৰ্বাচন - ২০২৫'। কামৰূপ জিলাৰ ২০২৫ চনৰ পঞ্চায়ত নিৰ্বাচনৰ সমস্ত কাৰ্য আমাৰ মহাবিদ্যালয় প্ৰাঙ্গনতে সুকলমে সম্পন্ন হয়। তাৰোপৰি মুখ্যমন্ত্ৰীৰ 'নিযুত মইনা' আঁচনিৰ গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অনুস্থিত কৰা অনুষ্ঠানতো ছাত্ৰীসকলে সক্ৰিয়ভাৱে সহযোগ কৰে। উল্লেখনীয় যে কামৰূপ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ পৰা আমাৰ মহাবিদ্যালয়ক প্ৰথমবাৰৰ বাবে Lead College ৰ দায়িত্ব অৰ্পণ কৰিছে।

অসমৰ চৰকাৰৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উদ্যোগত আমাৰ মহাবিদ্যালয়ত এটা অত্যাধুনিক প্ৰেক্ষাগৃহ (Auditorium) নিৰ্মাণৰ প্ৰস্তুতি ইতিমধ্যে বহুখিনি আগবাঢ়িছে। আকৌ অসমৰ চৰকাৰৰ ফালৰ পৰা আমাৰ মহ্যাবিদ্যালয়ত Incubation Centre এটা প্ৰতিষ্ঠা কৰাৰ বাবে কাৰ্য্যব্যৱস্থা চলি আছে। স্বাৱলম্বীতাৰ ক্ষেত্ৰত ছাত্ৰীসকলৰ উদ্যমিতা বৃদ্ধি কৰাৰ কাৰণে চৰকাৰী আৰু বেচৰকাৰী কেইবালানীও প্ৰশিক্ষণ আৰু কৰ্মশালাৰ আয়োজন কৰা হয় এই শিক্ষাবৰ্ষত। বহুতো অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰ কৰা হয়। অভিভাৱক সন্থাৰ সভা আৰু প্ৰাক্তন ছাত্ৰী সন্মিলনীৰ সভাত অনুস্থিত কৰা হয়। Academic and Administrative Audit (AAA) সম্পন্ন কৰা হয়।

২০২৪-২০২৫ শিক্ষাবৰ্ষত আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় তৰুণ চন্দ্ৰ দাসদেৱ ২৪-২-২০২৪ ইং তাৰিখে আৰু অৱসৰী অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ দাসদেৱৰ ৩০-০৫-২০২৫ ইং তাৰিখে দেহাৱসান হয়। এই চেগতে তেখেত সকলৰ আত্মাৰ চিৰশান্তি পুনৰবাৰ কামনা কৰিলোঁ।

শেষত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলক আন্তৰিক মৰম আৰু আশীৰ্বাদ জ্ঞাপন কৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

ধন্যবাদেৰে—

(ড° নবকান্ত অধিকাৰী)
অধ্যক্ষ
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

# তত্ত্বাৱধায়কৰ একলম

দক্ষিণ কামৰূপৰ নাৰী শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান হিচাপে 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'ৰ এক সুকীয়া পৰিচয় আৰু সুনাম আছে। ১৯৮৮ চনত প্ৰতিষ্ঠা হোৱা এই শিক্ষানুষ্ঠানখনিৰ দীঘলীয়া পৰিক্ৰমাৰ অংশ হিচাপে ২০২২-২৩ ইংৰাজী শিক্ষাবৰ্ষৰ পিছত পুনৰ ২০২৩-২৪ ইংৰাজী শিক্ষাবৰ্ষৰ 'সাহিত্য আৰু আলোচনী বিভাগ'ৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালনৰ দায়িত্ব প্ৰদান কৰাৰ বাবে প্ৰথমে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'সাহিত্য আৰু আলোচনী বিভাগ'ৰ বিভিন্ন কাৰ্য সূচাৰুৰূপে পালন কৰোঁতে মহাবিদ্যালয়ৰ সন্মানীয় উপাধ্যক্ষ মহোদয় তথা অধ্যাপক-অধ্যাপিকাসকলৰ উপৰি গ্ৰন্থাগাৰিক, কৰ্মচাৰী আৰু ছাত্ৰী একতা সভাৰ উপৰি আন ছাত্ৰীসকলে আগবঢ়োৱা সহযোগিতাৰ বাবে সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২৩-২৪ ইংৰাজী শিক্ষাবৰ্ষত 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'ত সাহিত্য আৰু আলোচনী বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰীসকলৰ অংশগ্ৰহণ আছিল উৎসাহজনক। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহৰ অন্যতম 'হাৱাঘাট', 'জোনাকী' সময়মতেই প্ৰকাশিত হৈছিল। সেইদৰে সৰস্বতী পূজা উপলক্ষ্যে শিক্ষক- কৰ্মচাৰীৰ লেখা সম্বলিত প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'ও যথাসময়ত প্ৰস্তুত আৰু উন্মোচন হৈছিল।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ অন্যতম আধাৰ বাৰ্ষিক আলোচনী 'সুদক্ষিণা'খন। ছাত্ৰীসকলৰ চিন্তা-ভাৱনাকে 'সুদক্ষিণা'ৰ পাতত বিশেষভাৱে ঠাই দিয়াৰ প্ৰয়াস কৰা হৈছে। তেওঁলোকে স্ব-প্ৰতিভাক অধিক কৰ্ষণেৰে ভৱিষ্যতলৈ সাহিত্যৰ জগতত নিজকে যাতে জিলিকাই তুলিব পাৰে, সেই উদ্দেশ্য আগত ৰাখিয়েই এই সংখ্যাত ছাত্ৰীসকলে লিখা ভিন্ন দিশৰ লেখাসমূহক স্থান দিয়াৰ লগতে সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলৰ কিছুসংখ্যক লেখা প্ৰকাশ কৰি 'সুদক্ষিণা'ৰ মান আৰু সৌষ্ঠৱ বৃদ্ধিৰ যত্ন কৰা হৈছে।

'সুদক্ষিণা'ৰ বাবে একাঁজলি শুভেচ্ছাবাণী বিচাৰি আমি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মহোদয়ৰ ওচৰত আবেদন জনোৱা হৈছিল। আমাৰ আবেদনৰ প্ৰতি সঁহাৰি জনাই তেখেতে অশেষ ব্যস্ততাৰ মাজতে সময় উলিয়াই আমালৈ এটি শুভেচ্ছাবাণী প্ৰদান কৰি কৃতাৰ্থ কৰিলে। ইয়াৰ উপৰি 'সুদক্ষিণা'ৰ বাবে একাঁজলি শুভেচ্ছাবাণী বিচাৰি অসমৰ মাননীয় শিক্ষামন্ত্ৰী ড° ৰনোজ পেগু ডাঙৰীয়া মহোদয়ৰ ওচৰত আবেদন জনাইছিলোঁ। তেখেতেও ব্যস্ততাৰ মাজতে সময় উলিয়াই আমালৈ এটি শুভেচ্ছাবাণী প্ৰদান কৰি অনুপ্ৰাণিত কৰিলে। সেইদৰে 'সুদক্ষিণা'ৰ বাবে একাঁজলি শুভেচ্ছাবাণী বিচাৰি আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° ননী গোপাল মহন্ত মহোদয়ৰো কাষ চাপিছিলোঁ। তেখেতেও ব্যস্ততাৰ মাজতে সময় উলিয়াই 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

সেইদৰে 'সুদক্ষিণা'ৰ বাবে একাঁজলি শুভেচ্ছাবাণী বিচাৰি আমি পলাশবাৰী সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱৰো কাষ চাপিছিলোঁ। তেখেতেও ব্যস্ততাৰ মাজতে 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতা মহোদয়ে তেখেতৰ বহুমূলীয়া সময় খৰচ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় দাতা সদস্য তথা অসমৰ এগৰাকী বিশিষ্ট উদ্যোগপতি তথা সমাজকৰ্মী শ্ৰীযুত অনিল দাসদেৱেও আমাৰ অনুৰোধ ৰক্ষা কৰি তেখেতৰ ব্যস্ততাৰ মাজতে 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি ধন্য হৈছোঁ।

'সুদক্ষিণা'ৰ প্ৰস্তুতিৰ পৰা শেষ পৰ্যায়লৈকে দিহা-পৰামৰ্শ আৰু উৎসাহ প্ৰদান কৰি অহা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° নবকান্ত অধিকাৰী মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰীবৃন্দলৈ 'সুদক্ষিণা'ৰ সম্পাদনা সমিতিৰ ফালৰপৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'সুদক্ষিণা'ৰ সম্পাদনা সমিতিৰ সভাপতি অধ্যক্ষ মহোদয়, উপ-সভাপতি ড° ৰঞ্জন ভূঞা ছাৰ, শিক্ষক সদস্য ড° জগন্নাথ বৰ্মন ছাৰৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ। ছাত্ৰী একতা সভাৰ ২০২৩-২৪ বৰ্ষৰ বিষয়ববীয়া ছাত্ৰীসকলে আমাক সহায় সহযোগিতা কৰাৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ। চাৰু প্ৰকাশনৰ স্বত্বাধিকাৰী বিপুল মজুমদাৰ তথা আনসকল কৰ্মচাৰীক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'সুদক্ষিণা'খনৰ পৰিকল্পনাত আমাৰ অনিচ্ছাকৃতভাৱে হৈ যাব পৰা ত্ৰুটীৰ বাবে এইখিনিতে ক্ষমা প্ৰাৰ্থনা জনালোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বাবে 'সুদক্ষিণা'ৰ হেঁপাহৰ অন্য এক পৰিচয় হৈ ৰওক। পুৰণি-নতুন ছাত্ৰীসকলৰ পৰা 'সুদক্ষিণা'ৰ

প্ৰতি আন্তৰিক স্নেহ, উৎসাহ চিৰকাম্য।

ছাত্ৰীসকলক প্ৰকৃত জীৱনমুখী শিক্ষাৰ পোহৰেৰে শিক্ষিত কৰি অহা আমাৰ মৰমৰ এই মহান শিক্ষানুষ্ঠানখন প্ৰতিটো দিশতে উজলি উঠাৰ কামনাৰে সম্পাদিকা আৰু মোক সকলো সময়তে সহায় আগবঢ়োৱা প্ৰত্যেকগৰাকীলৈ যথাযোগ্য সন্মান জনাই তত্বাৱধায়কৰ একলম সামৰিছোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

ধন্যবাদেৰে—

প্ৰশান্ত বৰা

(ড° প্ৰশান্ত বৰা)

তাৰিখ ঃ ৩০ অক্টোবৰ, ২০২৫ ইং চন

# সম্পাদকীয়....



জীৱনৰ অভিজ্ঞতা আৰু চিন্তাই সাহিত্য সৃষ্টিত অৰিহণা যোগায়। সুখ-দুখ, হাঁহি-কান্দোন, পোৱা-নোপোৱাৰ সমাহাৰেই জীৱন। আমাৰ সংস্কৃতি, আমাৰ দৰ্শন ইত্যাদিয়ে আমাৰ সাহিত্যত আত্মপ্ৰকাশ কৰি মহিমামণ্ডিত হয়। সাহিত্য সৃষ্টিৰ মূলতেই হ'ল চিন্তা শক্তি। এই শক্তিক আমি চৰ্চাৰ যোগেদি মহাশক্তিলৈ ৰূপান্তৰ কৰিব পাৰোঁ।

আৰম্ভণিতেই সেইসকল শ্ৰদ্ধাশীল সুধীলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ যাৰ ঐকান্তিক প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়খনে আজিৰ এই ৰূপত পৰিগণিত হৈছে। সেইসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

অসম তথা সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ অন্যান্য নাৰী শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়' হৈছে এখন অন্যতম শিক্ষানুষ্ঠান। এনে এখন শিক্ষানুষ্ঠানৰ ২০২৩-২০২৪ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাহিত্য আলোচনী সম্পাদিকাৰ গুৰুভাৰ যিসকল ছাত্ৰী বান্ধৱী তথা অগ্ৰজ-অনুজৰ নিঃস্বাৰ্থ সহযোগত নিৰ্বাচনত জয়ী হৈ ছাত্ৰী তথা মহাবিদ্যালয়খনৰ হকে সেৱা আগবঢ়াবৰ বাবে সুবিধা পালোঁ, সেই সকলোলৈ মোৰ এবছৰীয়া কাৰ্যকালৰ শেষত আৰু প্ৰতিবেদনৰ আৰম্ভণিতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ।

মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী ছাৰ, শ্ৰদ্ধাৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ, গ্ৰন্থাগাৰিক শ্ৰদ্ধাৰ ড° কিশোৰ শৰ্মা ছাৰ, শ্ৰদ্ধাৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰ, প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা সমূহ কৰ্মচাৰীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। নিৰ্বাচনৰ আদিছোৱাত মই বহু সমস্যা আৰু অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও মোক যিসকল সহপাঠী বান্ধৱী, ২০২৩ -২৪ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সভানেত্ৰী, সাধাৰণ সম্পাদিকা, প্ৰমুখ্যে সমূহ সদস্যাবৃন্দা আৰু যিসকল সুহৃদ অগ্ৰজ-অনুজৰ উৎসাহ উদ্দীপনাৰ বাবে মই সাহিত্য আৰু আলোচনী সম্পাদিকা পদত জয়ী হৈ মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ তথা উন্নতিৰ হকে সেৱা আগবঢ়াবলৈ সুবিধা পালোঁ, তেওঁলোকলৈ মই পুনৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়' নামতেই নিহিত হৈ আছে ছাত্ৰীসকলক জ্ঞান অমৃত প্ৰদান কৰি জীৱনৰ গতিপথত আগবঢ়াই সফলতাৰ দিশত প্ৰতিষ্ঠিত কৰাৰ অৰ্থ। নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান আমাৰ মহাবিদ্যালয়খন এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। যি সকলো সময়তে পোহৰ বিলাই আহিছে আৰু এই দিশত আমাৰ মহাবিদ্যালয়খনৰ আলোচনীখন হ'ল প্ৰেৰণাৰ এক নান্দনিক ছাঁ।

সাহিত্যক এটা জাতিৰ দাপোন বুলি গণ্য কৰা হয়। লেখক আৰু পাঠকৰ অৱদানতেই সাহিত্যই পূৰ্ণতা পায়। অসমীয়া ভাষা সাহিত্যৰ জয়যাত্ৰা কামনা কৰি জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল—

"কামৰূপা মোৰ সুৱদি
সুৰীয়া অসমীয়া ভাষা
জগত সভালৈ যাব
উজ্জ্বল শুজ্জ্বল
কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।"

সময় গতিশীল। এই গতিশীলতাৰ সৈতে সকলোৰে জীৱন পৰিৱৰ্তনৰ মাজেৰে এখোজ দুখুজকৈ অতি সন্তৰ্পণে নিৰন্তৰ গতি কৰি থাকিব। তেনেদৰে সাহিত্যৰ ক্ষেত্ৰতো বিশেষ বিশেষ নতুনত্বৰ সংযোজন ঘটি আহিছে। জীৱনৰ সমগ্ৰ অনুভৱৰ ধাৰাটোক সৎ আৰু সুন্দৰভাৱে গঢ়িবলৈ মানুহে চেষ্টা কৰে। মানুহে যি একাগ্ৰতাৰে দৈনিক সংগ্ৰাম কৰিছে, সাহিত্যৰ সেয়াই আধাৰ।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰীসকল আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ আপোনত্বৰ সোণালী জৰীডাল আৰু এগুণ শক্তিশালী কৰাত অগণ্য অৱদান আগবঢ়াই আহিছে

সাহিত্য আৰু শিক্ষা একোটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। শিক্ষাই যেনেদৰে জ্ঞান দিয়ে, ঠিক তেনেদৰে সাহিত্যই জ্ঞানৰ পৰিধি

বিকশিত কৰে। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা প্ৰদৰ্শন কৰাৰ বাবে মহাবিদ্যালয়ৰ আলোচনীখন হ'ল এক সোণালী সুযোগৰ ৰূপস্বৰূপ। এই আলোচনীখনে ছাত্ৰীসকলক এক সৃষ্টিশীল মনৰ অধিকাৰী হ'বলৈ সঁহাৰি জনাইছে।

**দায়িত্ব আৰু দায়বদ্ধতাৰ এবছৰ ঃ**

মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ যিকোনো বিভাগৰ সম্পাদিকাৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হৈছে নিজৰ বিভাগীয় কাম-কাজসমূহ সূচাৰুৰূপে পালন কৰা আৰু ইয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াসকলৰ লগত মিলিজুলি এবছৰীয়া কাৰ্যকাল নিষ্ঠা আৰু সততাৰে পালন কৰা। সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত আমাৰ প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয় সপ্তাহৰ সমূহ প্ৰতিযোগিতা সূচাৰুৰূপে চলাই নিয়াৰ লগতে অন্য বিভাগৰ প্ৰতিযোগিতাসমূহো অনুষ্ঠিত কৰাত সতীৰ্থসকলক সহায়ৰ হাত আগবঢ়াইছিলোঁ। ইয়াৰ লগতে মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আৰু নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা, 'হাৰাঘাট' প্ৰথম সংখ্যা মহাবিদ্যালয় সপ্তাহত, 'শ্ৰীপঞ্চমী' সৰস্বতী পূজাত আৰু 'হাৰাঘাট' দ্বিতীয় সংখ্যা নৱাগত আদৰণী সভাত উন্মোচন কৰা হৈছিল। ইয়াৰ লগতেই ছাত্ৰী একতা সভাৰ আন আন কাৰ্যসূচী যেনে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, নৱাগত আদৰণী সভা সকলো একত্ৰিত হৈ সুকলমে অনুষ্ঠিত কৰা হৈছিল। আমাৰ কাৰ্যকালৰ সময়তে আমাৰ মহাবিদ্যালয়ত NAAC PEER Team আহে আৰু আমাৰ মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ বিষয় যে আমাৰ মহাবিদ্যালয়খনে $B^+$ স্থান পাবলৈ সক্ষম হয়।

**ছাত্ৰী একতা সভা আৰু নিৰ্বাচনী প্ৰচাৰ ঃ**

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অংগ হোৱাৰ পাছতেই আহিল ছাত্ৰী একতা সভাৰ নিৰ্বাচন। নিৰ্বাচনী বতাহে আমাকো চুই গ'ল। মোৰ সতীৰ্থৰ অনুৰোধত তথা শুভাকাংক্ষীৰ মৰমৰ তাগিদাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ 'সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰূপে মনোনীত হৈছিলোঁ। এই ছেগতে সকলো বান্ধৱী তথা অগ্ৰজ অনুজসকলক মোৰ ফালৰপৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ। নাজানো তেখেতসকলৰ বিশ্বাস আৰু ভৰসাৰ পৰীক্ষাত মই উত্তীৰ্ণ হ'ব পাৰিলো নে নাই, তথাপি মই মোৰ প্ৰয়োজনীয়খিনি পূৰাবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিলোঁ।

**সাহিত্য আৰু আলোচনী সম্পাদিকা পদ আৰু মই ঃ**

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ গৌৰৱোজ্জ্বল ইতিহাসত নিজৰ নাম খোদিত কৰিব পাৰি নিজকে ধন্য মানিছোঁ। লগতে সন্মুখত আহিবলগীয়া সমূহ প্ৰত্যাহ্বানক প্ৰতিহত কৰিবলৈ মানসিকভাৱে চেষ্টা চলাইছিলোঁ। এইক্ষেত্ৰত ছাত্ৰী একতা সভাৰ সম্পাদিকা-সভানেত্ৰী একগোট হৈ প্ৰতিটো কাৰ্যসূচীকে সফলভাৱে ৰূপায়ণ কৰিবলৈ সক্ষম হৈছিলোঁ।

**কৃতজ্ঞতা ঃ**

মোৰ কাৰ্যকালত বিভিন্ন দিশৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী ছাৰ প্ৰমুখ্যে সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰৰ লগতে অন্যান্য শিক্ষাগুৰু আৰু শিক্ষক-কৰ্মচাৰীবৃন্দক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰোপৰি সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা বাইদেউ, বান্ধৱী, ভন্টি ক্ৰমে তৃষ্ণা দাস, চেহনাজ পাৰবীন, তাৰ্জিনা বেগম, দীক্ষিতা দেৱী, পিয়াৰুল বা, প্ৰস্তুতি ৰাভা বা, পাপৰি ৰাভা বা, ৰশ্মি বা, তনু বা, ৰিতু বা, ভাস্বতি, কংকনা, অঞ্জলী, ৰুমা, বৰ্ণালী, জ্যোতিমা, তৃণা, নাৰ্গিছ, ভনীতা আৰু ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ এই চমু কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি অনাগত সময়ত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ সম্পাদকীয়ৰ একলম সামৰণি মাৰিলোঁ।

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

ধন্যবাদেৰে—
অনুস্মিতা দাস

# সূচীপত্ৰ


**প্ৰবন্ধ ঃ**

- ❑ প্ৰসংগ ঃ ধ্ৰুপদী ভাষা আৰু ধ্ৰুপদী অসমীয়া ভাষা — ✍ ড° জগন্নাথ বৰ্মন ১
- ❑ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত প্ৰকৃতি ঃ এক চমু আলোকপাত — ✍ টিনা কলিতা ৫
- ❑ Layout of Sankaradeva's Religious Philosophy — ✍ Kamaleswar Borah ৭

**শ্ৰদ্ধাৰ্ঘ বিশেষ ঃ**

- ❑ সুধাকণ্ঠলৈ মনত পৰে — ✍ ড° নৰকান্ত অধিকাৰী ৯
- ❑ ড° ভূপেন হাজৰিকাৰ গীতত লোক-সংস্কৃতিৰ প্ৰভাৱ — ✍ ড° মীনাক্ষি বৈৰাগী ১১
- ❑ ভূপেন হাজৰিকাৰ গীতত দেশাত্মবোধ — ✍ শেৱালি মেধি ১৪
- ❑ যাৰ গীতত আছিল অনামিকা মায়া — ✍ ড° প্ৰশান্ত বৰা ২০
- ❑ জুবিন গাৰ্গৰ কণ্ঠৰ কেইটিমান মন-পৰশা গীত — ✍ বিউতী দাস ২৪

**সংস্কৃতি বীথিকা**

- ❑ দক্ষিণ কামৰূপৰ লোক-সংস্কৃতিত এভুমুকি — ✍ ড° লীলাৱতী চৌধুৰী ২৫
- ❑ দক্ষিণ কামৰূপৰ বৰঝাৰ অঞ্চলৰ দক্ষিণ-পশ্চিমত থকা গাৰো জনজাতীয় লোকসকলৰ চমু পৰিচয় — ✍ পাপৰি ৰাভা ২৭
- ❑ জালি-পুতলিৰ বিবাহ-উৎসৱ — ✍ চুমী চৌধুৰী ২৯
- ❑ দৌল উৎসৱ — ✍ ৰিতাশ্ৰী কলিতা ৩০

**চিন্তন**

- ❑ মানসিক চাপ আৰু নিয়ন্ত্ৰণ — ✍ ৰীতা ভট্টাচাৰ্য্য ৩১
- ❑ পুথিভঁৰাল আৰু পুথি সংৰক্ষণৰ আধুনিক পদ্ধতি — ✍ ড° কিশোৰ শৰ্মা ৩৩
- ❑ শিকন অক্ষম শিশু আৰু তেওঁলোকৰ বাবে ল'বলগীয়া শিক্ষা ব্যৱস্থা — ✍ ড° ভূপামণি চৌধুৰী ৩৫
- ❑ ম'বাইল আৰু যুৱ-প্ৰজন্ম — ✍ বৰষা দাস ৩৮

**গ্ৰন্থ পৰ্যালোচনা**

- ❑ মামণি ৰয়ছম গোস্বামীৰ অন্যতম উপন্যাস "নীলকণ্ঠী ব্ৰজ" — ✍ সংগীতা নাথ ৩৯
- ❑ 'অসীমত যাৰ হেৰাল সীমা' ঃ এক চমু আলোকপাত — ✍ ৰিমি য়েচমিন ৪২

**প্ৰাসংগিক**

- ❑ Finding Balance : Development and Environment in Guwahati — ✍ Chinmoyee Chetia ৪৩
- ❑ ২১ শ শতিকা কিয় এছিয়া মহাদেশৰ! — ✍ ড° ৰিপুন দলে ৪৪
- ❑ Human Psychology — ✍ Namrata Pujari ৪৫
- ❑ Microplastics are more dangerous than you think — ✍ Alok Das ৪৭
- ❑ ক্ষেত্ৰ অধ্যয়ন ঃ মহান সৃষ্টিৰ মজবুত আধাৰ — ✍ নিশিতা শৰ্মা ৪৮

**সমীক্ষা**

- ❑ চলচ্চিত্ৰ কবি সত্যজিৎ ৰায় ঃ প্ৰশংসা আৰু সীমাবদ্ধতা — ✍ ডিউলী কলিতা ৫০
- ❑ ভিলেজ ৰকষ্টাৰ্চ — ✍ জুবলী তালুকদাৰ ৫৩
- ❑ জয়মতী — ✍ সুনীতা দাস ৫৪

ব্যক্তিত্ব

- সু-সাহিত্যিক, গণিতজ্ঞ শান্তিৰাম দাস ঃ জীৱন আৰু কৰ্ম ✍ কুশল কলিতা ৫৫
- কৃষ্ণকান্ত সন্দিকৈ ✍ ইচা নাথ ৫৮
- মামণি ৰয়ছম গোস্বামী ✍ দিয়া কলিতা ৫৮

ভ্ৰমণ

- মোৰ আন্দামান যাত্ৰা ✍ ইন্দ্ৰানী দেৱী ৫৯
- মানৱ জীৱনত ভ্ৰমণৰ প্ৰভাৱ ✍ ৰিম্পী দেৱী ৬১
- ইউৰোপ মহাদেশত এভূমুকি আৰু কিছু ব্যৱহাৰিক শিক্ষা ✍ ড° মনশ্ৰী দাস ৬২

ঐতিহ্য

- বিশ্ব ঐতিহ্য ঃ চমু পৰিচয় ✍ চুমি দাস ৬৪

প্ৰাসংগিক চিন্তা

- শিক্ষা আৰু গুৰু শিষ্যৰ মাজৰ সম্পৰ্ক ✍ অনুস্মিতা দাস ৬৫
- এগৰাকী নাৰীৰ বাবে সামূহিক বিজ্ঞানে কেনেধৰণৰ অৱদান প্ৰদান কৰে ✍ শিখামণি বৰা ৬৬
- Social Media in Present time. ✍ Aparna Kachari ৬৭
- আজিৰ শৈশৱ আৰু আমাৰ শৈশৱ ✍ উচমিতা কুমাৰী ৬৮

কবিতা

- Liberation from Existence ✍ Dr. Ranjan Bhuyan ৬৯
- Failure ✍ Priya Sharma ৭০
- নিস্তব্ধ আকাশ ✍ ৰিতাশ্ৰী কলিতা ৭০
- পাখি মেলি যা উৰি ✍ ড° নিবেদিতা দেৱী ৭০
- নাৰী তুমি ✍ সংগীতা ঠাকুৰীয়া ৭১
- সময় ✍ নিলাক্ষী ঠাকুৰীয়া ৭১
- মহাবিদ্যালয় ✍ ৰীমা দাস ৭১
- মহাবিদ্যালয় ✍ দিপালী কলিতা ৭২
- অনুভৱ ✍ মনালিছা দাস ৭২
- আঘোনৰ দোকমোকালি ✍ অঞ্জলী হাজৰিকা ৭৩
- জীৱন ✍ গীতাঞ্জলী বৰুৱা ৭৩
- তুমি গ'লা গৈ ✍ ৰঞ্জিতা ৰাভা ৭৩
- নাৰী ✍ ভনীতা কলিতা ৭৪
- স্পৰ্শ ✍ তৰালী কুমাৰী ৭৪
- নৱবৰ্ষলৈ স্বাগতম ✍ ধনমণি ৰাভা ৭৫
- Until We Meet Again ✍ Jupitora Das ৭৫
- জীৱন ✍ চালমা চবনম ৭৫
- Stay Wild ✍ Suman Kalita ৭৬
- Dandelion ✍ Rumi Nath ৭৬
- প্ৰতিটো ক্ষণত ✍ ৰুক্মিণী নাথ ৭৬
- মানুহ ✍ জুপিতৰা কলিতা ৭৭
- সপোন ✍ দীপশিখা দাস ৭৭
- শৰৎ ৰাণী ✍ পাপৰি ৰাভা ৭৭
- চিত্ৰৰ ✍ ৰিতুমণি পাঠক ৭৮
- What am I ✍ Nibedita Das ৭৮
- নাৰী তুমি অনন্যা ✍ অনুপমা দাস ৭৮
- খবৰ ভাল ✍ কিৰণ দাস ৭৯

অনুবাদ গল্প

- পুৰুষ সিংহ ✍ ড° ৰমেন ঠাকুৰীয়া ৮০

গল্প

- স্মৃতিৰ সুৰ এটি ✍ জুপিতৰা মালী ৮৩
- ভয় ✍ দীক্ষিতা দেৱী ৮৪
- বৰশীৰ খেল ✍ মৃদুস্মিতা দাস ৮৪

অনুভৱ আৰু চিন্তা

- অনুভৱৰ দলিচাত ... জীৱনৰ এখিলা...!! ✍ জোনমণি দাস ৮৫
- মহাবিদ্যালয়ৰ প্ৰতি মোৰ অনুভৱ ✍ আছমা বেগম ৮৬
- ধ্বংস নে উন্নতি ✍ ভনীতা দাস ৮৭
- ভাৰ্চুৱেল জগতখন ✍ পল্লৱী দাস ৮৮
- 'বন্ধু' কোন? ✍ আৰ্জিনা বেগম ৮৮
- মামণি ৰয়ছম গোস্বামী ছাত্ৰীনিবাস আমাৰ দ্বিতীয় ঘৰ ✍ মিনাক্ষী শৰ্মা ৮৯
- National Service Scheme Unit Dakshin Kamrup Girls' College Mirza ✍ Dr. Mitali Kathkatia ৯০

তথ্য সংবাদ

- যশস্বী সাহিত্যিক যেছে দৰজে ঠংচিলৈ ২০২৪ বৰ্ষৰ 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা' ✍ নাজমা বেগম ৯১
- মোৰ মানসপটত বিষ্ণু ৰাভা ✍ মল্লিকা ৰাভা ৯২
- বিষ্ণু ৰাভা ✍ নিশা দাস ৯২

২০২৩-২৪ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাত স্থান প্ৰাপ্ত লেখা

- থিতাতে লিখা বাতৰি ৯৩
- থিতাতে লিখা ৰচনা ৯৫
- থিতাতে লিখা গল্প ৯৭
- শ্লোগান ৯৯
- থিতাতে অঁকা চিত্ৰাংকণ প্ৰতিযোগিতা ১০০
- বিভাগীয় প্ৰতিবেদন ১০১
- ২০২৪ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ১১৯
- মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহ ১২৩
- Students who Successfully Completed B.A. in Major Course in the year 2022 ১২৪
- Students who Successfully Completed M.A. in Assamese in the year 2023 ১২৫
- Principal and Teaching Staff - 2023-24 ১২৫
- The Library Staff of Our College ১২৬
- The Non-Teaching Staff of Our College ১২৬
- The Union Body and The Teachers In-charge ১২৬
- Governing Body : 2023-2024 ১২৭
- Editors and In-charges of 'SUDAKSHINA' ১২৮
- President & General Secretaries of the Student's Union Since 1988 ১২৯
- Visitor Book ১৩০




"বৌদ্ধিক চাতুৰ্যসম্পন্ন আৰু গভীৰ অনুভূতিশীল বিশ্লেষণ প্ৰবন্ধৰ মূলকথা"



# ৗদী

ড° জগন্নাথ বৰ্মন
ৎথা বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

ৗক, ৰোমৰ সাহিত্যকৰ্ম বিশেষ। ইংৰাজী
শব্দ আৰ্যমূলীয় 'ধ্ৰুপদী' শব্দটো বিশেষ্য
ছে। 'ধ্ৰুপদ' শব্দটিৰ অন্তৰালত আছে—
ীয় ভাবাত 'ধ্ৰুব' এই শব্দটো 'ধ্ৰুব'
যি তৰাক আমি স্থিৰ আৰু অচঞ্চল বুলি
তকৈ প্ৰাচীন শাস্ত্ৰীয় সংগীতবিধৰ নাম
মগাণৰপৰা উদ্ভুত শৈলীৰ এটি অভিধা।
ইয়াক শাস্ত্ৰবদ্ধ কৰে। এনে কথাই
্যম ধাৰণাৰে অৱতাৰণা কৰে। আনকি
শদ বোলে। ধ্ৰুপদী শব্দৰ আভিধানিক
গৰ, মাৰ্গীয় পদ্ধতিৰ। ইয়াৰ সাধাৰণ
মান, যি যুগে যুগে অম্লান, অক্ষয়ৰূপে
শব্দক এনে কাৰণতে সাহিত্য, সংগীত,
পক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে।





# প্ৰসংগ ঃ ধ্ৰুপদী ভাষা আৰু ধ্ৰুপদী অসমীয়া ভাষা

ড° জগন্নাথ বৰ্মন
সহযোগী অধ্যাপক তথা বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

**ধ্ৰুপদী শব্দৰ তাৎপৰ্য আৰু ব্যৱহাৰ ঃ**

'ধ্ৰুপদী' শব্দটো সাধাৰণতে এটি অপৰিচিত শব্দ নহয়। ২০০৪ চনৰপৰা ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ ভাষাসমূহৰ ভিতৰত কিছুমান ভাষাক মান আৰু গুণৰ ভিত্তিত ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিবলৈ ধৰাৰ পৰা এই শব্দটিৰ গুৰুত্ব আৰু ঘনত্ব বৃদ্ধি পাবলৈ ধৰে। বিশেষকৈ ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে পালি, প্ৰাকৃত, বাংলা, মাৰাঠী ভাষাৰ লগতে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ লগে লগে অসমত এই 'ধ্ৰুপদী' কথাষাৰৰ প্ৰতি অনেকে উৎসুক হৈ পৰে। 'ধ্ৰুপদী' শব্দটো অতীতৰে পৰা প্ৰাচ্য-পাশ্চাত্য জগত ব্যাপি বিশেষকৈ সাহিত্য, কলা, সংগীত তথা ভাষা আদিক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। 'ধ্ৰুপদী'ৰ ইংৰাজী প্ৰতিশব্দ Classical। ইংৰাজী ভাষাত লেটিন 'Classical' শব্দৰপৰা উক্ত শব্দটিৰ প্ৰৱেশ ঘটে। ইয়াৰ অৰ্থ— কোনো এটা বিষয়ত সৰ্বোচ্চ আৰ্হিস্বৰূপ, গুণবিশিষ্ট কৃতি, ঐতিহ্যময় সম্পদস্বৰূপ, অতি উচ্চ মূল্যবোধসম্পন্ন, প্ৰাচীন গ্ৰীক, ৰোমৰ সাহিত্যকৰ্ম বিশেষ। ইংৰাজী 'Classical' শব্দৰ প্ৰতিশব্দ আৰ্যমূলীয় 'ধ্ৰুপদী' শব্দটো বিশেষ্য পদ ধ্ৰুপদৰপৰা নিষ্পন্ন হৈছে। 'ধ্ৰুপদ' শব্দটিৰ অন্তৰালত আছে— 'ধ্ৰুৱ' আৰু 'পদ'। ভাৰতীয় ভাৱাত 'ধ্ৰুৱ' এই শব্দটো 'ধ্ৰুৱ' নক্ষত্ৰৰপৰা লোৱা হৈছে। যি তৰাক আমি স্থিৰ আৰু অচঞ্চল বুলি জানো। ভাৰতবৰ্ষৰ আটাইতকৈ প্ৰাচীন শাস্ত্ৰীয় সংগীতবিধৰ নাম ধ্ৰুপদ। ধ্ৰুপদ সামবেদৰ সামগাণৰপৰা উদ্ভুত শৈলীৰ এটি অভিধা। ভৰত মুনিয়ে নাট্যশাস্ত্ৰত ইয়াক শাস্ত্ৰবদ্ধ কৰে। এনে কথাই প্ৰাচীনতত্বৰ লগতে সুস্থ সংযম ধাৰণাৰে অৱতাৰণা কৰে। আনকি গীতৰো স্থায়ী অংশক ধ্ৰুপদ বোলে। ধ্ৰুপদী শব্দৰ আভিধানিক অৰ্থ উচ্চ পৰ্যায়ৰ, উচ্চাংগৰ, মাৰ্গীয় পদ্ধতিৰ। ইয়াৰ সাধাৰণ অৰ্থ— চিৰসেউজ, ই এক মান, যি যুগে যুগে অম্লান, অক্ষয়ৰূপে আদৃত হৈ আহিছে। ধ্ৰুপদী শব্দক এনে কাৰণতে সাহিত্য, সংগীত, কলা, চিত্ৰ ভাস্কৰ্যৰ মান নিৰূপক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে।

**পাশ্চাত্য জগতৰ ধ্ৰুপদী ভাষা ঃ**

পাশ্চাত্য পৰম্পৰাগত ধ্ৰুপদী ভাষা অধ্যয়নৰ প্ৰেক্ষাপটত ধ্ৰুপদী ভাষা বুলিলে মুখ্যতঃ গ্ৰীক আৰু লেটিনকে সাধৰণতে বুজোৱা হৈছিল। অৰ্থাৎ হোমাৰৰ ইলিয়াদ, ওদিছী অথবা গ্ৰীকৰ ইতিহাসবিদ, নাট্যকাৰ, দাৰ্শনিকসকলে ব্যৱহাৰ কৰা ভাষাকে ধ্ৰুপদী আখ্যা দিয়া হৈছিল। সেইদৰে লেটিন ভাষাই আৰম্ভণিতে ৰোমান সাম্ৰাজ্যৰ সাৰ্বজনীন ভাষা হিচাপে মান্যতা পোৱাৰ উপৰি পশ্চিম বিশ্বৰ ৰেণেছা আৰু বেৰক যুগৰ সাক্ষী হৈ বিদ্বান শ্ৰেণীৰ যোগাযোগ তথা সৃষ্টিকৰ্মৰ মূল হিচাপে উচ্চ মৰ্যাদা পাইছিল। উক্ত দুই ভাষাৰ শব্দমূলসমূহৰ সহায়ত ইংৰাজীৰ লগতে আন বহু ইউৰোপীয় ভাষাৰ শব্দ গঠন বা সাধন কৰা হৈছিল। যেনে ইংৰাজী ভাষাত ব্যৱহৃত 'টেলিফোন' শব্দত থকা 'টেলি' আৰু 'ফোন' দুয়োটা ৰূপৰ মূল গ্ৰীক ভাষা। এই দুই ভাষাৰ ভিত্তিত পাশ্চাত্য জগতত ধ্ৰুপদী ভাষা বুলিলে অথবা মান্যতা দিয়াৰ অন্তৰালত নিম্নলিখিত বিশেষত্ব কেইটা থকা দৰকাৰ। সেই বিশেষত্বকেইটা হ'ল— প্ৰাচীনত্ব (ধ্ৰুপদী, শাস্ত্ৰীয়), এক স্বতন্ত্ৰ সাহিত্য পৰম্পৰা, প্ৰাচীন কালৰ গৌৰৱময় মৌখিক-লিখিত সাহিত্য, দীৰ্ঘকালৰ ব্যাপক প্ৰভাৱ, শব্দ সৃষ্টিৰ অথবা সাধনৰ নিমিত্তে মূল হিচাপে ব্যৱহাৰ, সাহিত্যৰ সোণালী যুগ সৃষ্টিৰ অভিলেখ, জাতিৰ বিকাশত বলিষ্ঠ সহায় তথা সভ্যতা-সংস্কৃতিৰ অৰ্থে পৰিপক্ব অন্তৰ্দৃষ্টি আদিয়ে প্ৰধান।

পাশ্চাত্য পৰম্পৰাগত ধ্ৰুপদী ভাষা ধাৰণাৰ আলমত গ্ৰীক আৰু লেটিন ভাষাকে ধ্ৰুপদী ভাষা বুলিলেও পাশ্চাত্য জগতৰ পণ্ডিতসকলৰ অনেকে এই কথাত একমত নাছিল। তাৰ ভিতৰত ১৯২১ চনত এডৱাৰ্ড চাপিৰে লিখা 'Language' নামৰ গ্ৰন্থত গ্ৰীক, লেটিন ভাষাৰ লগতে সংস্কৃত, আৰবী, চীনা ভাষাকো ধ্ৰুপদী ভাষা বুলি মত দিছিল। সেয়া এডৱাৰ্ড চাপিৰৰ বিশ্বব্যাপী সাংস্কৃতিক গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি কৰা ধ্ৰুপদী ভাষাৰ সম্প্ৰসাৰিত ৰূপ আছিল। চীনা, আৰবী, সংস্কৃত ভাষাক ধ্ৰুপদী ভাষা হিচাপে চাপিৰে কেৱল গ্ৰন্থখনিত অন্তৰ্ভুক্ত কৰা নাছিল তাৰ সমৰ্থনত যুক্তিও আগবঢ়াইছিল। যথাঃ চীনা শব্দৰ ব্যৱহাৰ অবিহনে এজন শিক্ষিত জাপানীয়ে সাহিত্যিক বাক্য গঠন কৰিব নোৱাৰে। সেইদৰে বাৰ্মিজ, কম্বোদিয়ান ভাষাই হিন্দু, বৌদ্ধ ধৰ্মৰ লগত অহা সংস্কৃত ভাষাৰ ছাপৰপৰা মুক্ত নহয়, বৰং তাৰ ছাপ বহন কৰি আছে। সংস্কৃতিৰ বাহক হিচাপে গ্ৰীক, লেটিন, সংস্কৃত, আৰবী আৰু চীনা ভাষাই এডৱাৰ্ড চাপিৰৰ মতে আপ্লুত তাৎপৰ্য্য লাভ কৰিছিল। সংস্কৃত ভাষাৰ ক্ষেত্ৰত উইলিয়াম জোনচে কালিদাসৰ অমৰ সৃষ্টি 'অভিজ্ঞান শকুন্তলম' আৰু জয়দেৱৰ 'গীত গোবিন্দ'ৰ ইংৰাজী ভাষালৈ কৰা প্ৰথম অনুবাদে বিশ্ব সাহিত্যত নতুন দীপ্তি ঢালিছিল। জাৰ্মান কবি গোটেই কালিদাসৰ 'শকুন্তলা' পঢ়ি প্ৰশংসাত পঞ্চমুখ হৈ পৰিছিল। এনে সাহিত্য জন্ম দিয়া ভাষাটিক পশ্চিমীয়া পণ্ডিতসমাজে ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ ই আন এক কাৰণ আছিল। পৃথিৱীৰ কালজয়ী চাৰিখন মহাকাব্যৰ ভিতৰত দুখন মহাকাব্য (ৰামায়ণ, মহাভাৰত) ভাৰতভূমিৰ সংস্কৃত ভাষাৰে ৰচনা হোৱা কথাটি আন এক গুণবিশিষ্ট কৃতিৰে কীৰ্তিমান।

**ভাৰতবৰ্ষৰ ধ্ৰুপদী ভাষা আৰু ধাৰণা ঃ**

ধ্ৰুপদী বা Classical শব্দটোৱে প্ৰাচ্য-পাশ্চাত্য জগতত সাহিত্য, কলা, সংগীতৰপৰা ভাষাৰ ক্ষেত্ৰলৈকে পৰিব্যাপ্ত হৈছে। প্ৰাচীনত্ব, বিশিষ্ট, স্বকীয় মহত্বৰে সমুজ্জ্বল এই উপাদানবোৰ ধ্ৰুপদী ভাষাৰো প্ৰাথমিক উপাদান হিচাপে বিবেচনা কৰা হৈছিল। কিন্তু উক্ত উপাদানবোৰেই এটা ভাষাক ধ্ৰুপদী হিচাপে চিহ্নিত কৰিবলৈ যথেষ্ট নহয়। আমাৰ দেশ ভাৰতবৰ্ষত ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় হয় কৰ্তৃত্ববাহী অনুষ্ঠান।

ভাৰতবৰ্ষত সংস্কৃত, পালি, প্ৰাকৃত, প্ৰাদেশিক ভাষা গুচ্চৰ অন্তৰ্গত তামিল, তেলেগু, উৰিয়া, বাংলা আদি ভাষা প্ৰাচীনত্ব, গুণবিশিষ্ট কৃতিৰে মহীয়ান হ'লেও ধ্ৰুপদী ভাষা নহ'ব পাৰে। ভাৰতবৰ্ষত ভাষা এটাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ কৰ্তৃত্ববাহী এটা অনুষ্ঠান আছে। অৰ্থাৎ ভাৰতবৰ্ষত এটা ভাষাক ধ্ৰুপদী ভাষা হিচাপে চিহ্নিত কৰিবলৈ অনেক লক্ষণ থাকিলেও সেয়া যথেষ্ট নহয়। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ ধ্ৰুপদী ভাষা নীতিৰ আধাৰত সাংস্কৃতিক মন্ত্ৰালয়েহে ইয়াক স্বীকৃতি প্ৰদান কৰিব পাৰে। অৱশ্যে এই স্বীকৃতি প্ৰদানৰ বাবে কিছু নীতি নিৰ্ধাৰণ কৰা হৈছে; সময়ে সময়ে তাৰ সংশোধনো কৰা হৈছে। এনে ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ অথবা স্বীকৃতিৰ ইতিহাসৰ আৰম্ভণি বৰ বেছি বছৰৰ কথা নহয়, কিন্তু ধ্ৰুপদী ভাষাৰ দাবীৰ ইতিহাস শতাধিক বছৰীয়া। অৰ্থাৎ ২০০৪ চনৰ ১৭ ছেপ্তেম্বৰত তামিল ভাষাক ভাৰত চৰকাৰে ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ লগে লগে ইয়াৰ ইতিহাস আৰম্ভ হৈছিল। আনহাতে, দাবীৰ ইতিহাস দাক্ষিণাত্যৰ তামিল অধ্যুষিত অঞ্চলৰ পৰা বৃটিছ পূৰ্বযুগৰ পৰা আৰম্ভ হৈ স্বাধীনতাৰ প্ৰথম দশকত আকৌ নতুন প্ৰাণেৰে জাতীয়তাবাদী তামিল পণ্ডিতসকলে আৰম্ভ কৰিছিল। এই দাবীৰ কাৰণ কেৱল জাতীয় আৱেগ নাছিল।

দ্ৰাবিড় মূলৰ তামিল ভাষা পৃথিৱীৰ এটি অন্যতম প্ৰাচীন তথা জীৱন্ত ভাষা। এই ভাষাই স্বাধীনতাৰ পূৰ্ববৰ্তী কালৰপৰা গুৰুত্ব লাভ কৰা নাছিল। অথচ এই ভাষা শক্তিশালী পৰম্পৰা আৰু ঐতিহ্যৰ অতীতৰ পৰা বৰ্তমানজুৰি সজীৱ, সতেজ।



স্বাধীনতাৰ পূৰ্ববৰ্তী কালত শাসকসকলে সংস্কৃত, পাৰ্ছি আৰু আৰবীক বিশেষ গুৰুত্ব তথা সা-সুবিধা আগবঢ়োৱাৰ পৰিৱৰ্তে দুই হাজাৰ বছৰীয়া ঐতিহাসিক সাহিত্য সমলেৰে সমৃদ্ধ তামিল ভাষা-সাহিত্যৰ প্ৰতি গ্ৰহণ কৰা উদাসীন মনোভাৱ, পক্ষপাতদুষ্ট, সন্মান হানিকৰ কাৰ্য হৈ পৰিছিল। "Language in India"— নামৰ এক প্ৰবন্ধত তামিল পণ্ডিত এম. এছ. তিৰুমলায়ে উল্লেখ কৰা মতে, উক্ত সময়ৰ পৰা তামিল ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ দাবী উত্থাপন হৈছিল। সেইদৰে, স্বাধীনতাৰ পিছত হিন্দী এলেকাৰ উচ্চাকাংক্ষিকাই নীতিহীনভাৱে তথাকথিত সংখ্যাৰ জোৰেৰে ৰাষ্ট্ৰ ভাষাৰূপে যি অঘোষিত প্ৰচলন ৰীতি, প্ৰাধান্য, কৰ্তৃত্বৰ বিপৰীতে অন্য ভাষাৰ প্ৰতি লোৱা অৱহেলাৰ দৃষ্টি— ধ্ৰুপদী ভাষা আন্দোলনৰ অন্যতম কাৰক আছিল। তামিলৰ নিচিনা প্ৰাচীন, উচ্চ পৰম্পৰা সমৃদ্ধ, ঐতিহ্যবাহী ভাষা এটাক সময়ে সময়ে কৰা অৱহেলাৰ বিৰুদ্ধে ভাষাৰ ভিত্তিত ধ্ৰুপদী ভাষাৰ স্বীকৃতি বিচাৰি জাতীয়তাবাদী তামিল ভাষাবিদ, পণ্ডিতসকল জাগি উঠিছিল। এই আন্দোলন শতাধিক বছৰীয়া আছিল। কুৰি শতিকাৰ সত্তৰ দশকত তামিল ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি বিচাৰি কৰা আন্দোলনক কেলফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ তামিল অধ্যয়ন (Tamil Studies) আসনৰ অধ্যাপক জৰ্জ এল হাৰ্টে বিশেষ মাত্ৰা দিছিল। আৰ্যমূলীয় বৈদিক, সংস্কৃত ভাষাতকৈ হাৰ্টৰ মতে তামিল ভাষা কোনো গুণে কম নহয়। আনকি, ধ্ৰুপদী ভাষা হিচাপে তামিল কিয় স্বীকৃতিৰ যোগ্য, তাৰ লক্ষণ, বিশেষত্ববোৰো দাঙি ধৰিছিল। অৱশেষত তামিল পণ্ডিতসকলে আগবঢ়োৱা দাবী তথা জৰ্জ এল হাৰ্টে আগবঢ়োৱা বিশেষত্বৰ আধাৰত ২০০৪ চনৰ ৫ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী মহাৰাণী চন্দ্ৰেশ কুমাৰীয়ে ৰাজ্যসভাত এক ধ্ৰুপদী ভাষাৰ আধাৰ নীতি ঘোষণা কৰিছিল। তৎকালীনভাৱে এদল তামিল পণ্ডিতৰ শতাধিক বছৰীয়া দাবীৰ প্ৰতি শ্ৰদ্ধা জনাই সেই সময়ৰ ৰাষ্ট্ৰপতি এ.পি.জে. আব্দুল কালামৰ আগ্ৰহত ২০০৪ চনৰ ১৭ ছেপ্তেম্বৰত তামিল ভাষাক ভাৰতবৰ্ষৰ প্ৰথম ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছিল।

**ধ্ৰুপদী ভাষা হিচাপে স্বীকৃত ভাষাৰ আধাৰ নীতি আৰু স্বীকৃত ধ্ৰুপদী ভাষা ঃ**

২০০৪ চনৰ পৰা ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে ধ্ৰুপদী ভাষাৰ আধাৰ নীতি নিৰ্ধাৰণ কৰে। অৱশ্যে সেয়া সময়ে সময়ে সংশোধনো কৰা দেখা গৈছে। তেনে নীতিৰ ভিতৰত নিম্নলিখিত নীতিবোৰ উল্লেখযোগ্য—

(ক) ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰা ভাষাটো প্ৰাচীন হ'ব লাগিব। অন্তত ১৫০০-২০০০ বছৰীয়া প্ৰাৰম্ভিক লেখাৰে সমৃদ্ধ প্ৰামাণিক ইতিহাস থাকিব লাগিব। (প্ৰাচীনতত্বৰ চৰ্তটো প্ৰথমতে ১০০০ বছৰ, ২০০৫ চনত ১৫০০ বছৰ, তাৰ পিছত ১৫০০ৰ পৰা ২০০০ বছৰলৈ বৃদ্ধি কৰা হয়।)

(খ) প্ৰাচীন সাহিত্যসমূহক বহু প্ৰজন্মই বছৰ বছৰ ধৰি ঐতিহ্য হিচাপে গণ্য কৰি আহিব লাগিব।

(গ) সাহিত্যৰ ইতিহাস সম্পূৰ্ণ নিজা কাৰোপৰা আমদানি কৰা হ'ব নালাগিব।

(ঘ) প্ৰাচীন ৰূপটো আৰু সাহিত্যৰ চৰিত্ৰ আধুনিক ৰূপতকৈ পৃথক হ'ব লাগিব। অৰ্থাৎ ধাৰাবাহিকতাৰ বিচ্ছিন্নতা দেখা পাব লাগিব। (যেনে প্ৰাচীন সাহিত্য ধৰ্মীয়, পৰলৌকিক আৰু আধুনিক সাহিত্য ঐহিক।)

(ঙ) পদ, শিলালিপি, তাম্ৰলিপি আদিৰ প্ৰামাণিক দৃষ্টান্ত থকাৰ উপৰি পদ্যৰ লগতে প্ৰাচীন সাহিত্যত গদ্যৰ জ্ঞান সমৃদ্ধ পাঠ থাকিব লাগিব।

উল্লিখিত নীতিৰ আধাৰত ২০০৪ চনত তামিল ভাষাই ভাৰতবৰ্ষৰ প্ৰথম ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ পিছত ২০২৪ চনৰ ৩ অক্টোবৰ পৰ্যন্ত সৰ্বমুঠ ১৩ টা ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিছে। তামিলৰ পিছতে স্বীকৃতি লাভ কৰা ভাষাসমূহ হ'ল— সংস্কৃত (২০০৫), তেলেগু, কানাড়া (২০০৮), মালায়ালম (২০১৩), উৰিয়া (২০১৪), মাৰাঠী, পালি, প্ৰাকৃত, বঙালী আৰু অসমীয়া ভাষা ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে স্বীকৃতি পাইছিল। ভাৰতবৰ্ষত পৃথিৱীৰ প্ৰধান ভাষা পৰিয়ালৰ ইণ্ডো-ইউৰোপিয়, দ্ৰাবিড়, অষ্ট্ৰিক আৰু শ্যাম-চীনা-তিব্বতবৰ্মী ভাষাকে ধৰি চাৰিটা ভাষা পৰিয়াল আছে। ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰা তামিল, তেলেগু, মালায়লম, কানাড়া, দ্ৰাবিড়মূলীয়। আনহাতে, অসমীয়াকে ধৰি বাকী সাতোটা ভাষা ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ ভাৰতীয় আৰ্য পৰিয়ালৰ অন্তৰ্গত।

**ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ স্বীকৃতিৰ প্ৰয়াস আৰু সমলৰ সন্ধান ঃ**

২০১৪ চনত উড়িয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ পিছত একে মূলীয়, সমসাময়িক কালত জন্ম লাভ কৰা অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি কিয় নাপাব এনে চিন্তাই ব্যক্তি বিশেষৰপৰা আৰম্ভ হৈ সময়ত ৰাজহুৱা আৰু চৰকাৰী বিষয় হৈ পৰিছিল। বিশেষকৈ ২০১৬ চনৰ পৰা স্বীকৃতিৰ প্ৰয়োজনীয়তা সম্পৰ্কে সময়ে সময়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা দেখিবলৈ পোৱা যায়। এই প্ৰসংগত বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ সহযোগী

ড° সংগীতা শইকীয়া, ২০১৭ চনত প্ৰতিদিন কাকতত প্ৰকাশিত সম্পাদকীয় পৃষ্ঠা, ২০১৭ চনৰ অক্টোবৰ মাহৰ 'সাতসৰী'ত প্ৰকাশিত ড° সংগীতা শইকীয়াৰ 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা লাভৰ সম্ভাৱনীয়তা' শীৰ্ষক প্ৰবন্ধ উল্লেখযোগ্য আছিল। সেইদৰে, ২০২১ চনৰ ১৯ মাৰ্চ তাৰিখে অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই প্ৰেৰণ কৰা ৩৯৪ পৃষ্ঠাৰ প্ৰতিবেদন তথা প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা পত্ৰ, বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাক স্বীকৃতি দিয়াৰ বাবে জনোৱা আহ্বান, অসম চৰকাৰৰ সমিতি গঠন, সুমন্ত চলিহাৰ নেতৃত্বত তথ্যচিত্ৰ প্ৰস্তুত, তথা মুখ্যমন্ত্ৰীৰ হাতত দাখিল, সেই তথ্যচিত্ৰ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰাৰ অন্ততঃ কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে অসমীয়া ভাষাৰ লগতে আন চাৰিটা ভাষাক ধ্ৰুপদী ভাষা মৰ্যাদাৰ স্বীকৃতি দিয়ে। ব্যক্তিগত, সামূহিক তথা চৰকাৰৰ ৰাজনৈতিক ইচ্ছাশক্তিৰ বলতেই অসমীয়া ভাষাই গত ২০১৪ চনৰ পৰা সুদীৰ্ঘ দহ বছৰৰ অন্তত ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰে।

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ ধ্ৰুপদী ভাষাৰ আধাৰ নীতিলৈ চালে এই কথা সহজে অনুমেয় অসমীয়া ভাষা ধ্ৰুপদী ভাষাৰ অনেক উপাদান আৰু সমলেৰে পৰিপূৰ্ণ। ইতিপূৰ্বে প্ৰাতঃস্মৰণীয় বহুতো ভাষাবিদ আৰু বিজ্ঞলোকে বিভিন্ন প্ৰামাণ্য লিখিত সমল, অভিলেখেৰে অসমীয়া ভাষাৰ স্বকীয় স্থিতি, প্ৰাচীনতা তথা ইযে তামিল, তেলেগু, সংস্কৃত ভাষাৰ দৰে নহ'লেও উড়িয়া আদি ভাষাৰ সমকক্ষ সেই কথা ভাষাৰ ইতিহাসত লিপিবদ্ধ কৰি থৈ গৈছে। খ্ৰীষ্টিয় ৫ম শতিকাৰপৰা প্ৰাপ্ত তথা ভাৰতীয় মূল ব্ৰাহ্মীলিপিৰ স'তে ধাৰাবাহিকতা থকা অসমীয়া ভাষাৰ ইতিহাস ১৫০০ বছৰতো অধিক। শিলালিপি, তাম্ৰলিপি, সাঁচিপতীয়া পুথিৰ মাজত ইয়াৰ ইতিহাস বিবৃত। এনে সমলে অসমীয়া ভাষাক ঐতিহাসিক আয়তন দান কৰিছে। খ্ৰীষ্টিয় ৭ম শতিকাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বকালৰ চীনা পৰিব্ৰাজকৰ ভ্ৰমণ টোকাত উল্লিখিত অসমীয়া ভাষা সম্পৰ্কীয়— প্ৰথম মন্তব্য (তেওঁলোকৰ (অসমীয়াৰ) ভাষাটো মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ), অনাৰ্য ভাষাৰ প্ৰভাৱেৰে পৰিপুষ্ট অসমীয়া ভাষাত গঢ়ি উঠা সুকীয়া ভাষিক বিশেষত্ব, প্ৰাদেশিক আৰ্য ভাষাৰ প্ৰথম অনুবাদ হিচাপে মাধৱ কন্দলিৰ 'ৰামায়ণ', সদাবন্দিত বৈষ্ণৱ সাহিত্য, গদ্যৰ জ্ঞানসমৃদ্ধ নিদৰ্শনস্বৰূপ ভট্টদেৱৰ 'কথাগীতা', 'কথাভাগৱত' আধুনিক কালত বিকশিত ভাষাৰ ছত্ৰছায়াত পল্লৱিত সাহিত্যাদিৰ মাজত ধ্ৰুপদী ভাষাৰ অনেক সমল, উপাদান জলজল পটপট হৈ আছে। এয়া মাথোঁ নমুনা। এনে কাৰণতে ভাৰত চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিছে।

সামৰিছোঁ মহাত্মা গান্ধীৰ এষাৰ কথাৰে—

বিধি অনুসৰি ভাৰত চৰকাৰে ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱা ভাষাৰ উন্নতিৰ অৰ্থে অনেক আঁচনি, সুবিধা আগবঢ়াইছে। সেইবোৰ সময়ে সময়ে লাভ কৰি থাকিব। কিন্তু এই স্বীকৃতিয়ে অসমীয়া ভাষাৰ শিপাৰ গভীৰতাক সৰ্বভাৰতীয় স্তৰত প্ৰতিপন্ন কৰাৰ এক বিশিষ্ট মাইলৰ খুঁটি, এক উপযুক্ত প্ৰমাণ হৈ ৰ'ব। ভাষাটো শক্তিশালী কৰিবলৈ হ'লে ভাষাটো পঢ়িব, ক'ব, লিখিব লাগিব। নৱ-নৱ সাহিত্য সৃষ্টিৰে সমৃদ্ধ কৰিব লাগিব। সাম্প্ৰতিক কালৰ প্ৰযুক্তি নিৰ্ভৰ সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যাপক শুদ্ধ ব্যৱহাৰৰ যত্ন কৰিব লাগিব। মহাত্মা গান্ধীয়ে কৈছিল— "মাতৃভাষাই এজন ব্যক্তিক আন এজন ব্যক্তিৰ লগত সত্যভাৱে সংযোগ কৰাত সহায় কৰে আৰু এটা জাতিৰ আত্মা তেওঁৰ ভাষাত বাস কৰে।" আমি অসমীয়া ভাষাৰ সেই আত্মাক মৰিবলৈ দিব নোৱাৰো। ■



# নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত প্ৰকৃতি ঃ এক চমু আলোকপাত

টিনা কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



প্ৰাচীন কালৰে পৰাই কবি আৰু গীতিকাৰসকলক প্ৰকৃতিৰ মনোৰম জগতখনে আকৰ্ষিত কৰিছে। সেয়েহে তেওঁলোকে প্ৰকৃতিক লৈ বিভিন্ন ধৰণে কবিতা, গীত আদি সাহিত্য ৰচনা কৰিছে। মহাকবি বাল্মীকিৰ মুখৰ পৰা 'মা নিষাদ প্ৰতিষ্ঠাং' বুলি সৰযু নদীৰ পাৰত যি কবিতা নিৰ্গত হ'ল তাৰ আধাৰত ৰচিত হ'ল ৰামায়ণ, যি মহাকাব্যত সমগ্ৰ ভাৰতৰ নদ-নদী, পাহাৰ-পৰ্বত আদি প্ৰাকৃতিক শোভা কাহিনীৰ লগে লগে বৰ্ণিত হৈছে। আমাৰ অসমৰ অপ্ৰমাদী কবি মাধৱ কন্দলীৰ ৰামায়ণতো প্ৰকৃতিৰ বন্দনা কৰিছে। সেইদৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন, অংকীয়া নাট, বৰগীত অথবা আন ৰচনাৱলীত প্ৰকৃতিৰ সাৱলীল বৰ্ণনা কৰিছে। ৰূপকোঁৱৰ, কলাগুৰু, পাৰ্বতী প্ৰসাদ বৰুৱা বা ৰুদ্ৰ বৰুৱা আদি স্বনামধন্য গীতিকাৰসকলে প্ৰকৃতিক তেওঁলোকৰ অনুভৱত মুখ্য স্থান দিছে। পৃথিৱীৰ প্ৰায় সকলো সুপ্ৰতিষ্ঠিত কবি বা গীতিকাৰ প্ৰকৃতিৰ প্ৰেমত বন্দী।

'মায়াময় ৰূপালী জোনাক
ছায়াঘন সৰলৰে পাত
জিৰ জিৰ জিৰ জুৰিৰে পাৰত
পাম নে মই পামনে তোমাক

সুগায়ক জয়ন্ত হাজৰিকাই কণ্ঠদান কৰা এই শ্ৰুতিমধুৰ গীতটোৱে শ্ৰোতাসকলক প্ৰকৃতিৰ এক অপূৰ্ব চিত্ৰকল্পৰ মাজলৈ লৈ যায়। গীতটোৰ ৰচক আমাৰ সকলোৰে অতি হেপাঁহৰ সন্মানীয় 'নীলা বাইদেউ' যি জনমানসত প্ৰথিতযশা লেখিকা নিৰ্মল প্ৰভা বৰদলৈ হিচাপে সুপ্ৰতিষ্ঠিত। নিৰ্মলপ্ৰভা বৰদলৈ একেধাৰে কবি, গীতিকাৰ, শিশুসাহিত্যিক, নৃত্য-নাটিকা ৰচয়িতা, ঔপন্যাসিক হিচাপে সমাদৃত। লোক সংস্কৃতিৰ ক্ষেত্ৰত তেখেতৰ অলেখ অৱদান। মুঠ ৫৪ খনতকৈ অধিক গ্ৰন্থ আৰু হাজাৰতকৈও অধিক সুন্দৰ সুন্দৰ গীত ৰচনা কৰি থৈ যোৱা নিৰ্মলপ্ৰভা বাইদেউৰ গীতসমূহৰ প্ৰকৃতিৰ সুন্দৰতা স্পষ্ট ৰূপত প্ৰত্যক্ষ কৰা যায়। তেখেতৰ গীতসমূহ বিভিন্ন বিখ্যাত সুৰকাৰে সুৰ দিছে আৰু গায়কৰ কণ্ঠত প্ৰাণৱন্ত হৈ উঠিছে। ড০ ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, দীপালি বৰঠাকুৰ, জ্যোতিৰ ভট্টাচাৰ্যৰ দৰে প্ৰখ্যাত গায়কে তেখেতৰ গীতত কণ্ঠদান কৰিছে।

'আগলি বতাহে কঁপালে কলৰে পাত
মন উৰণীয়া, হেৰাল বাটৰে আঁত'

জয়ন্ত হাজৰিকাৰ দ্বাৰা প্ৰথমটো বাণীবদ্ধ এই গীতটো নিৰ্মলপ্ৰভা বাইদেউৰ এটা অনন্য সৃষ্টি। জানিব পৰা মতে বাইদেৱে এই গীতটি সুকবি হীৰেন ভট্টাচাৰ্যৰ চিগাৰেট পেকেটত মাত্ৰ তিনি মিনিটৰ ভিতৰতে লিখিছিল আৰু জয়ন্ত হাজৰিকাই তিনি মিনিটতে সুৰ দি পৰিৱেশন কৰিছিল। ১৯৬০ চনত জয়ন্ত হাজৰিকাই এই গীতটো প্ৰথম নিজে বাণীবদ্ধ কৰে। গীতটোত প্ৰকৃতি জগতৰ গছ-বন, বতাহ, পক্ষীৰ কাকলি আৰু মন উৰো উৰো কৰা এখন মনোৰম চিত্ৰ প্ৰাণ পাই উঠিছে।

আকৌ 'জোনাক নিবিড় নিজম ৰাতি,
মনত উদাস উদাস ৰাগী....', বৰষা ঋতু ভাল পাওঁ
মই, প্ৰতিশ্ৰুতি আছে তাত..., নিবিড় বনে যে
মাতিছে যা, যা বা দূৰণিলৈ, হেৰুৱা সুবাসে মাতিছে
যা...' আদি

প্ৰকৃতি বিষয়ক সুমধুৰ গীতবোৰ জয়ন্ত হাজৰিকাৰ কণ্ঠত প্ৰাণ পাই উঠিছে। সত্তৰ দশকতে ৰচনা কৰা এই গীতবোৰে আজিও শ্ৰোতাক

স্নিগ্ধ কৰি ৰাখে। 'কাজল মেঘৰ সজল চকুৰ গভীৰ নীলিম ছাঁই গুবান ধৰাৰ বুকুত ফুলালে আশাৰ খৰিকাজাই' গায়িকা প্ৰণতি শইকীয়াৰ কণ্ঠত এই গীত যেন বৰষা ঋতুৰ প্ৰশস্তিহে। কাৰণ নিৰ্মলপ্ৰভা বাইদেউৰ মতে বৰষাই ধৰাৰ বুকুত স্নেহৰ মদিৰাৰে সৃষ্টিৰ জোৱাৰ তোলে।

'মেঘ উৰিল মন উৰিল কদম ফুলিল বনত
তগৰৰ সুৰভিৰে সুবাস লাগিল মনত'

গীতটোৰ গায়িকা বিনীতা গোস্বামীৰ সুললিত কণ্ঠত মেঘৰ মাদল, গছৰ কুঁহিপাত আদিৰ সুন্দৰ বৰ্ণনা বিশেষ লক্ষণীয় হৈ ধৰা দিছে।

জ্যোতিষ ভট্টাচাৰ্যৰ কণ্ঠত -

'তুমিয়ে আহিলা শেৱালি সুৰভি হৈ...'

গীতটোত শৰতৰ আগমনত কহুঁৱাবনত, নিয়ৰৰ মুকুতাত, ধাননি ডৰাত লগতে মনৰ মাজত কেনে শিহৰণৰ সৃষ্টি হয় তাৰেই অনুপম বৰ্ণনা কৰিছে। আকৌ পুলক বেনাৰ্জীৰ দৰদী কণ্ঠত প্ৰাণ পাই উঠা -

'ফুলৰে মেলাতে পক্ষীয়ে গীত গায়....'

নিৰ্মলপ্ৰভা বাইদেউৰ এক অপূৰ্ব সৃষ্টি।

ৰুনমী ভট্টাচাৰ্যই কণ্ঠদান কৰা -

'পলাশ বঙিলী ওঁঠেৰে হাঁহিলা বাটৰ কুৰঁলী
মচি' শীৰ্ষক গীতটোত কপৌ, শিমলু, কাঞ্চনকে
ধৰি বসন্তকালৰ এখন অপৰূপা ফুলনি মনত ভাহি উঠে।

'শৰত কালক ভাল পাওঁ মই, সজীৱ
সজীৱ যেন লাগে' - দিলীপ চৌধুৰীৰ কণ্ঠৰ এক সুন্দৰ গীত।

সেইদৰে অপূৰ্ব দাসৰ কণ্ঠত 'ফাগুনৰে পলাতক ৰং....' নামৰ গীতটোত ফাগুনৰ এখন সুন্দৰ ছবি প্ৰকট হৈছে। নিৰ্মলপ্ৰভা বাইদেউৰ গীতৰ আবেদন অনন্য। প্ৰকৃতিৰ আহ্বানত তেখেত সাৰ পাই উঠে। প্ৰকৃতিৰ মনোমোহা ৰূপে তেখেতক সততে আকুল কৰি তোলে। প্ৰকৃতিক অনবদ্য সৃষ্টিৰ আধাৰস্বৰূপে লৈ নিৰ্মলপ্ৰভা বৰদলৈ বাইদেৱে গীতি সাহিত্যৰ জগতখন অপৰূপ ৰূপেৰে সমৃদ্ধ কৰি থৈ গ'ল। ■





# Layout of sankaradeva's Religious Philosophy

**Kamaleswar Borah**
HoD, Deptt. of Philosophy



Sankaradeva's philosophy is inherent in his development of Vaisnavite tradition. His philosophy is not a speculative system. He is not a philosophical genius like Sankaracharya or Ramanujacharya and the like, but a religious genius who tries to posit mystical nature of God. Sankaradeva presents an absolute idealism with a pragmatic attitude. Sankaradeva describes reality with a theological aspect of mind which is comfortable to understand by the common people because of which his philosophy is known as monotheism. There is a theistic learning in Sankaradeva's world view with an absolutistic manner. He accepts that there is God for overcoming various crises of life and caring for the honest man. God is great in heaven and his direction is all in all in the world. He can perform miracles. Sankaradeva is literary person laying emphasis on his poetic and artistic expression. He has adopted the poetic writing because he thinks that it is the best means to communicate with others and to persuade them. But in his all writings there are philosophical thoughts. Although he has taken up religion as a means for social reform, it is not without definite ideology expressed in religious languages.

Sankaradeva's aim is to bring about some reforms in the society of his time. He has taken up religion as the mean to reform the society. Because at that time religion has been a dominant factor in the matter of moulding human character. As we are living in a multi-religious society, his religious philosophy i.e. Vaisnavism is relevant. This is pictured by Sankaradeva in politico-economic scenario. Vaisnavism has taken its steps on the vedic and Vedantic tradition. He has mostly relied on the Bhagavata Purana because it is regarded as the essence of the Vedanta. It depicts Vedanta by way of mythological discussion.

We can think of Sankaradeva in absolutistic frame work. At the same time we can also make an effort to understand the concepts like maya, the world, the self, God etc. Sankardeva's philosophical principle is advaitin. Advaitavada is a philosophy which holds that reality is non-dual or non-plural. His vaisnavite advaitic philosophy believes in one God rejecting many gods. In this context he synthesizes personal God of com-

mon religious people with that of Brahman of Vedantic absolutism He placed the significance of personal God as Krishna and his different incarnations on the one hand and Vedantic advaita Brahman which is borrowed from upanisadic theme "sarvam khalu idam Brahma" on the otyeh hand The whole attempt of Sankaradeva is to realize God as Brahman. Iswara is the stepping stone to Pass over to Brahman. Sankaradeva begins to ascend to the level of Brahman. Brahman is the trans-empirical reality which is highly spiritual and that is the object of intuition For a devotee God is all in all. He feels no necessity to go beyond God. So, he prefers worshipping the living God to searching for Brahman.

In his monotheism, Sankaradeva regards God or Brahman as absolute and at the same time he admits relativistic reason in support the existence of the world. In the initial stage Sankaradeva's world view is like Sankaracharya according to whom the world is mere appearance and creation is temporal. Atman or Brahman is real. The whole attempt of Sankaracharya and of Sankaradeva is to separate the spirituality from matter. But thereby, according to Sankaradeva, we cannot regard the world to be a subjective construction of the mind. There is a change of view point. From the empirical viewpoint the world is real, and from the transcendental view point it is not. The Kirtana -ghosa of Sankaradeva says that whatever you see and hear, whatever you think all are illusory and like dreams. And also he says that though the human body seems to be unreal, it is not non-existent If it would have been so we would have not come across such famous saying as 'dhanya nara tanu bhala', i e. the human body is a good and graceful thing So, he declares that when the world is seen as Brahman, it is real and when it is seen apart from Brahman it is unreal Rope is rope when it is seen in itself and is snake when the image of a snake is imposed upon it So, the world is not unreal, it is simply a place of trap in the form of maya

So, we find in Sankaradeva's vaisnavism philosophical doctrines such as non-duakism, status of the world, rebirth and history of God's decent, the way of devotion, moral principles, maya etc., Sankaradeva seems to present us an absolute idealism with a pragmatic tune But he is not a subjective idealism who thinks all existence to be mental He may be regarded as an absolute idealist rend. However, he has not constructed a complete system of absolute idealism.


1. The Bhagavad Gita
2. Dev Goswami, Kesavananda, Life and Teaching of Mahapurusa Sankaradeva.
3. Goswami, J. Kirtana-Ghosa aru nam-Ghosa, Jyoti Prakashan, Guwahati, 2007.
4. Barman, S.N Srimanta Sankaradeva, Asam Books Depot, Guwahati, 2002 5. Bezboruah, L.N., Sri Sri Sankaradeva aru Sri Sri Madhavadeva, Banalata, Dibrugarh, 2007
6. Borua, G. Sankaradeva A critical Appraisal of His Philosophy and Religion, Purbanchal prakash, Guwahati, 2014.
7. Borua, B K. Sankaradeva: Vaisnava Saint of Assam, Bina Library, Guwahati 8. Neog, M Early History of the Vaisnava Faith and Movement in Assam, LBS Publication, Gauhati and New Delhi-2008.
9. Radhakrishnan, S., The Bhagavad Gita
10. Bora, L.N. Jakeri Nahike Upam, Jyoti Prakashan, Guwahati, 2006
11. Boruah, B.C. Mahapurusha Bhakti Dharmar Darshanik Bichar, Boruah, M.D. Pub., Morigaon, 2008.
12. Radhakrishnan, Dr. Sarvepalli Indian Philosophy, Vol. I & II, Allen & Unwin, London, etc. 1977.
13. Vedanta view of Indian Philosophy, Dutta Lakshmi Trust, Pune, 1909 Saka






# শ্ৰদ্ধাৰ্ঘ বিশেষ

ড° নৰকান্ত অধিকাৰী
অধ্যক্ষ

াতিয়ে গভীৰভাৱে উপলব্ধি কৰিব
ক দেখুৱাব পাৰিলেহেঁতেন তেনেহ'লে
ওপৰলৈ যাব পাৰিলেহেঁতেন। কিন্তু
ৰকাদেৱৰ গীতসমূহক গীত বুলিহে
ৰি নেদেখুৱালো। সেয়ে আক্ষেপ কৰি

হ

...

*হ সাঁকিয়ালো*
*মাথো ল'লা।*

কাদেৱক চাৰিবাৰ প্ৰত্যক্ষভাৱে ওচৰৰ
ল আৰু বহুবাৰ মঞ্চৰ সংগীতানুষ্ঠান
য় হৈছিল আমাৰ। সুধাকণ্ঠৰ জীৱনৰ
তিক্ৰম হোৱা উপলক্ষে গুৱাহাটীৰ
ধাকণ্ঠক সম্বৰ্ধনা জনোৱা হৈছিল আৰু
ৰিছিল। সেইদিনা মই উচ্চতৰ মাধ্যমিক
ৰীক্ষা আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ত
য়ৰ ৰঙা চিটি বাহুত আহি শিলপুখুৰীত
হৈ সুধাকণ্ঠৰ সংগীতানুষ্ঠান উপভোগ
ককৈ পাহৰিলো যদিও প্ৰায় ১৮টা মান
াহে ৰাতি ১.৩০ বজাত শিলপুখুৰীৰ
জনতা নগৰলৈ অকলে খোজ কাঢ়ি
গীতানুষ্ঠান উপভোগ কৰাৰ বহু মধুৰ
হৈ আছে। ১৯৮৩, ১৯৮৭, ১৯৯৩
ওচৰৰ পৰা পাইছিলো। ১৯৯৩ চনত
মিলনৰ ৰূপালী জয়ন্তী বৰ্ষত সুধাকণ্ঠ
আমন্ত্ৰিত মুখ্য শিল্পী হিচাপে সংগীত
বা হৈছিল। সেইবাৰৰ মঞ্চ, ৰভা আৰু
এই অভাজন। মঞ্চৰ তলেৰে এজন
পৰাকৈ আৰু ১০০ জন মানুহ মঞ্চত

mon religious people with that of B
absolutism He placed the significa
as Krishna and his different incai
hand and Vedantic advaita Brahmai
from upanisadic theme "sarvam k
on the otyeh hand The whole atte
is to realize God as Brahman. Isv
stone to Pass over to Brahman. Sa
ascend to the level of Brahman. B
empirical reality which is highly
the object of intuition. For a devot
He feels no necessity to go beyond
worshipping the living God to sea

In his monotheism, Sankarad
Brahman as absolute and at the s
relativistic reason in support the ex
In the initial stage Sankaradeva's
Sankaracharya according to whon
appearance and creation is tempo
man is real The whole attempt o
of Sankaradeva is to separate t
matter. But thereby, according
cannot regard the world to be a su
of the mind There is a change of
empirical viewpoint the world is
transcendental view point it is not
of Sankaradeva says that whatev
whatever you think all are illusc
And also he says that though the
to be unreal, it is not non-existe
been so we would have not come
saying as 'dhanya nara tanu bhala'
is a good and graceful thing. So, h
the world is seen as Brahman, it i
seen apart from Brahman it is
when it is seen in itself and is sr
of a snake is imposed upon it.



# সুধাকণ্ঠলৈ মনত পৰে

**ড° নৰকান্ত অধিকাৰী**
অধ্যক্ষ

অসমৰ বাহিৰৰ পৰা যেতিয়া নিজৰ মাতৃভূমি অসমলৈ ৰাওনা হওঁ, উৰাজাহাজেৰেই হওঁক বা ৰে'লেৰেই হওঁক, প্ৰতিবাৰেই মোৰ মন-মগজুৰ কোনোবাটো কোণত এটা গানে গুণ গুণাই আহে—

*অসম আমাৰ ৰূপহী*
*গুণৰো নাই শেষ*
*ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।*

সঁচাকৈয়ে সুধাকণ্ঠৰ প্ৰতিটো গীতেই সদায়েই অন্তৰ চুই যায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ পিছত অসমীয়া সাংস্কৃতিক-সামাজিক জীৱনক যদি কোনো উপাদানে জীপাল কৰি ৰাখিছে সেয়া হ'ল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ সৃষ্টিসমূহে। অসমৰ বাহিৰত তথা বিশ্বত অসমীয়া জাতিসত্তাক পৰিচয় কৰাই দিবলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ব্যতিৰেকে অসম্ভৱ। মহাপুৰুষ গুৰুজনা আৰু সুধাকণ্ঠইহে অসমীয়াৰ পৰিচয় বিশ্বত প্ৰতিষ্ঠা কৰিব পাৰিব। হাজৰিকাদেৱৰ প্ৰতিটো গীতেই অসমীয়া সমাজ জীৱন তথা মানৱ জাতিৰ বাবে একো একোখন দলিল। কেতিয়াবা আশ্চৰ্য্য হৈ যাওঁ যে হাজৰিকাদেৱৰ যিকোনো এটা গানেই যিমানবাৰ শুনো, সিমানবাৰেই তাৰ গভীৰতালৈ গৈ থাকো আৰু প্ৰতিবাৰেই নতুন নতুন অৰ্থ বিচাৰি পাওঁ। মই সদায়েই গাড়ীখন চলাই যাওঁতে হাজৰিকাদেৱৰ গান বজাই যাওঁ আৰু সেই গীতৰ মাজেৰেই তেখেতৰ লগত কথা পাতি যাওঁ অন্তৰে অন্তৰে। মই অন্তৰতেই প্ৰশ্ন কৰোঁ হাজৰিকাদেৱে গীতেৰেই উত্তৰ দিয়ে। ক'ব নোৱাৰাকৈয়ে মই বিলীন হৈ যাওঁ তেখেতৰ গীতৰ মাজত। একোটা গান বাৰে বাৰে শুনাৰ পিছতো আকৌ শুনিয়েই থাকো। তেনেকুৱা গীতৰ উদাহৰণ দি শেষ কৰিব নোৱাৰিম। জীৱন সম্পৰ্কে, যৌৱন সম্পৰ্কে, জাতি সম্পৰ্কে, সমাজ সম্পৰ্কে, লুইত সম্পৰ্কে গীতৰ মাজেৰেই যিমান যি কৈ গ'ল আৰু সমাজক উজ্জীৱিত কৰিবলৈ যি কথা তেখেতে গীতৰ মাধ্যমেৰে দি থৈ গ'ল, হয়তো কোনো শিল্পীয়ে কৈ যোৱা নাই আৰু কোনোবা দ্বিতীয় গৰাকী ভূপেন হাজৰিকা অসম মাতৃয়ে পাব বুলি আমি নাভাবো। সুধাকণ্ঠই গীতৰ মাজেৰেই যিবোৰ কথা কৈ গ'ল সেইবোৰ যদি অসমীয়া জাতিয়ে গভীৰভাৱে উপলব্ধি কৰিব পাৰিলেহেঁতেন আৰু কৰ্মৰে তাক দেখুৱাব পাৰিলেহেঁতেন তেনেহ'লে অসমীয়া জাতি আজি বহুদূৰ ওপৰলৈ যাব পাৰিলেহেঁতেন। কিন্তু আমি অসমীয়াসকলে হাজৰিকাদেৱৰ গীতসমূহক গীত বুলিহে শুনিলো, তাক কামে-কাজে কৰি নেদেখুৱালো। সেয়ে আক্ষেপ কৰি তেখেতে গাইছে—

*অ' মোৰ দেশৰ মানুহ*
................................
*গীতৰ ভাষাৰে মই বহু সঁকিয়ালো*
*তাক গীত বুলিয়েই মাথো ল'লা।*

ব্যক্তিগতভাৱে হাজৰিকাদেৱক চাৰিবাৰ প্ৰত্যক্ষভাৱে ওচৰৰ পৰা পোৱাৰ সৌভাগ্য ঘটিছিল আৰু বহুবাৰ মঞ্চৰ সংগীতানুষ্ঠান উপভোগ কৰাৰ সুযোগ প্ৰাপ্ত হৈছিল আমাৰ। সুধাকণ্ঠৰ জীৱনৰ সংগীত যাত্ৰাৰ ৫০ বছৰ অতিক্ৰম হোৱা উপলক্ষে গুৱাহাটীৰ শিলপুখুৰীৰ নৱগ্ৰহ ফিল্ডত সুধাকণ্ঠক সম্বৰ্ধনা জনোৱা হৈছিল আৰু তেখেতে সংগীত পৰিৱেশন কৰিছিল। সেইদিনা মই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ Practical পৰীক্ষা আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ত দি উঠি বাহিৰে বাহিৰে সেইসময়ৰ ৰঙা চিটি বাছত আহি শিলপুখুৰীত নামি নৱগ্ৰহ পথাৰত উপস্থিত হৈ সুধাকণ্ঠৰ সংগীতানুষ্ঠান উপভোগ কৰিছিলো হিয়া উজাৰি। সঠিককৈ পাহৰিলো যদিও প্ৰায় ১৮টা মান গান শুনাৰ পিছত ভোকে-পিয়াহে ৰাতি ১.৩০ বজাত শিলপুখুৰীৰ পৰা নুনমাটি নিউগুৱাহাটীৰ জনতা নগৰলৈ অকলে খোজ কাঢ়ি যাওঁ। এনেদৰে সুধাকণ্ঠৰ সংগীতানুষ্ঠান উপভোগ কৰাৰ বহু মধুৰ অভিজ্ঞতা অন্তৰত স্তূপীকৃত হৈ আছে। ১৯৮৩, ১৯৮৭, ১৯৯৩ আৰু ২০০৪ চনত একেবাৰে ওচৰৰ পৰা পাইছিলো। ১৯৯৩ চনত বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ৰূপালী জয়ন্তী বৰ্ষত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱক আমন্ত্ৰিত মুখ্য শিল্পী হিচাপে সংগীত পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ কৰা হৈছিল। সেইবাৰৰ মঞ্চ, ৰভা আৰু তোৰণৰ সম্পাদক আছিলো এই অভাজন। মঞ্চৰ তলেৰে এজন মানুহ খোজ কাঢ়ি পাৰ হৈ যাব পৰাকৈ আৰু ১০০ জন মানুহ মঞ্চত

থিয় হ'ব পৰাকৈ মঞ্চ নিৰ্মাণ কৰা হৈছিল। মঞ্চত থিয় হৈ হাজৰিকাদেৱে মঞ্চৰ প্ৰশংসা কৰিছিল। অনুষ্ঠান শেষ হোৱাৰ পিছত কোন মঞ্চৰ দায়িত্বত আছিল বুলি সোধাত কোনোবা এজনে মোক পৰিচয় কৰাই দিয়াত মই হাজৰিকাদেৱক সেৱা কৰিছিলোঁ আৰু তেখেতে মোক সাৱতি ধৰিছিল। আকৌ ২০০৪ চনৰ নিৰ্বাচনৰ সময়ত বকো মজলীয়া বিদ্যালয় পথাৰত হাজৰিকাদেৱৰ মুখামুখিকৈ প্ৰায় এক ফুট/ডেৰ ফুট অন্তৰত দুয়ো একেলগে হাত চাপৰি বজাই 'মানুহে মানুহৰ বাবে, যদিহে অকনো নেভাবে' গীত জুৰিছিলো। তেখেতে কৈছিল—

"সকলো কথা বাদ দে
ভূপেনক ভোট দে"—

এইটো তেখেতে আমাক শ্লোগান দিছিল তেখেতৰ নিৰ্বাচনৰ। "শ্ৰীমন্ত শঙ্কৰ মন্দিৰ" (বৰ্তমান বকো আঞ্চলিক শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰ)ত একেলগে সেৱা কৰাৰ পৰা সমদল কৰি গাড়ীত উঠাই দিয়া লৈকে আমি লগত আছিলো। হাজৰিকাদেৱৰ মনোমুগ্ধকৰ কথা আৰু সান্নিধ্যাই সকলোকে মোহিত কৰিছিল। বহুবাৰ তেখেতৰ সংগীতানুষ্ঠান উপভোগ কৰাৰ সৌভাগ্য ঘটিছিল। মঞ্চত হাজৰিকাদেৱে যেতিয়া সংগীত পৰিৱেশন কৰিবলৈ লৈছিল তেতিয়া শ্ৰোতা-দৰ্শকৰ পৰা অনুৰোধ আহিছিল—

"ভূপেন দা আপুনি কথা কওক"—

অৰ্থাৎ তেখেতৰ কথা ইমান মনোমোহা আছিল যে তেখেতৰ অমৃত কণ্ঠৰ পৰা সকলোৱে কথা শুনিব বিচাৰিছিল, কাৰণ গানটো শুনিয়েই থাকে ৰেডিঅ' নাইবা ৰেকৰ্ডত। এয়াই আছিল তেখেতৰ ব্যক্তিত্ব। হাজৰিকাদেৱে য'তেই হাত দিছিল, সিয়েই সোণ হৈ জিলিকি উঠিছিল।

হাজৰিকাদেৱে শ্ৰোতা-দৰ্শকক কৈছিল—

*মোৰ গীতৰ হেজাৰ শ্ৰোতা!*
*তোমাক নমস্কাৰ!*
*গীতৰ সভাত তুমিয়েতো প্ৰধান অলংকাৰ।*

যি শিল্পীয়ে শ্ৰোতা-দৰ্শকক বা তেখেতৰ গুণমুগ্ধক সন্মান কৰিব নাজানে আমাৰ দৃষ্টিত সেইগৰাকী কেতিয়াও প্ৰকৃত শিল্পী হ'ব নোৱাৰে। আজিৰ সমাজত তেনেকুৱা শিল্পী আমি পাই আহিছো। কিন্তু হাজৰিকাদেৱে শ্ৰোতা-দৰ্শকক নমস্কাৰ জনাইছিল আৰু সন্মান কৰিছিল। আমি যুগসন্ধিৰ সাধাৰণ মানুহ। শ্ৰদ্ধাৰ ড° হাজৰিকাদেৱ, খগেন মহন্তকে ধৰি বহু শিল্পীক মঞ্চত গীত পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ কৰিছিলো আৰু বৰ্তমানো অসমৰ বহুতো শিল্পীক মঞ্চত গীত পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ জনাই আহিছো। আকাশ-পাতাল পাৰ্থক্য, ব্যক্তিত্বৰ তুলনা নহয় আৰু কৰাটোও ভুল হ'ব। ভূপেন হাজৰিকাদেৱৰ বিষয়ে মোৰ মনলৈ সদায়েই যিবোৰ কথা আহি থাকে সেইবোৰ কথা কৈ শেষ কৰিব নোৱাৰিম আৰু ভাষাৰে প্ৰকাশ কৰিবও নোৱাৰো, কেৱল অনুভৱহে কৰিব পাৰোঁ। ■



# ড° ভূপেন হাজৰিকাৰ গীতত লোক-সংস্কৃতিৰ প্ৰভাৱ

ড° মীনাক্ষি বৈৰাগী
সহযোগী অধ্যাপিকা তথা বিভাগীয় প্ৰধান, ইংৰাজী বিভাগ

আৰম্ভণি ঃ

পৃথিৱীৰ যিকোনো প্ৰান্তৰ লোক-সাংস্কৃতিক সম্পদসমূহে লিখিত সাহিত্যৰ সৃষ্টিত অনবদ্য অৰিহণা যোগাই আহিছে। মানৱ সমাজত পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, মৌখিক সাহিত্য আৰু লোক-জীৱনৰ স'তে গভীৰভাৱে সংপৃক্ত বস্তুগত আহিলা আৰু জ্ঞানৰ সমষ্টিয়েই লোক-সংস্কৃতি। লোক-জীৱনৰ স'তে ওতপ্ৰোতভাৱে জড়িত এই বিষয়সমূহ সাহিত্য-সংস্কৃতিৰ সৃষ্টিত এক এৰাব নোৱাৰা বিষয়। সাহিত্যই সমাজৰ প্ৰতিটো দিশ সামৰি এক কলাত্মক ৰূপত প্ৰকাশ হয়। একেদৰেই লোক-সমাজৰ বিভিন্ন দিশ বা লোক-সাংস্কৃতিক সমলসমূহে যুগ যুগ ধৰি লিখিত সাহিত্যক সমৃদ্ধ কৰিছে। লোক-সংস্কৃতি বুলিলে লোক জীৱনৰ সকলো দিশকে বুজোৱা হয়। বিশিষ্ট লোক-সংস্কৃতিবিদ ৰিচাৰ্ড এম্ ডৰচনে লোক-সংস্কৃতিক লোক-সাহিত্য, বস্তুগত সংস্কৃতি, সামাজিক লোক-প্ৰথা আৰু পৰিৱেশ্য কলা— এই চাৰি ভাগত ভাগ কৰিছে। লোক-সংস্কৃতি গতিশীল। সময় আৰু সমাজৰ পৰিৱৰ্তনৰ লগে লগে লোক-সংস্কৃতিয়ে নতুন কলেৱৰ লাভ কৰে। পুৰণি আৰু নতুনৰ সমাহাৰত লোক-সংস্কৃতিৰ পৰিৱৰ্তন হয়।



লিখিত সাহিত্যত মৌখিক সাহিত্যৰ বিভিন্ন উপাদানসমূহ— পৌৰাণিক আখ্যান, কিংবদন্তী, সাধুকথা অথবা লোক-সংগীত বহুলভাৱে ব্যৱহৃত হৈ আহিছে। ঠিক একেদৰেই লোক-জীৱনৰ আন আন দিশসমূহৰ প্ৰতিচ্ছবি লিখিত সাহিত্যত পোৱা যায়। লিখিত সাহিত্যৰ অন্যতম ভাগ গীতি-সাহিত্যও এইক্ষেত্ৰত পৃথক নহয়। আধুনিক অসমীয়া গীতি-সাহিত্যৰ এগৰাকী মহীৰূহ ড° ভূপেন হাজৰিকাদেৱৰ গীতসমূহত অসমৰ লোক-সংস্কৃতিৰ স্পন্দন সুস্পষ্টভাৱে অনুভূত হয়। ড° ভূপেন হাজৰিকাৰ শিল্পীসত্তা আছিল গণমুখী আৰু তেখেতৰ চেতনাত চিৰপ্ৰৱাহমান আছিল মানৱ প্ৰেম। স্বদেশ, স্ব-জাতি আৰু ঐতিহ্যৰ প্ৰতি অসীম শ্ৰদ্ধাশীল শিল্পীগৰাকীৰ নিজৰ ভাষাতে তেখেত এগৰাকী লোক-সংস্কৃতিৰ সংগ্ৰাহক-সংৰক্ষক আৰু ব্যাখ্যাকাৰ আছিল। পৃথিৱীৰ প্ৰান্তৰে প্ৰান্তৰে ভ্ৰমণ কৰি যাযাবৰী শিল্পীজনে সংগ্ৰহ কৰিছিল লোক-সাংস্কৃতিক উপাদান। লোক-সংগীতৰ সুৰ অথবা লোক-জীৱনৰ বিভিন্ন দিশ উদ্ভাসিত হয় তেখেতৰ গীতত। অসমৰ গণজীৱনৰ এনে এটা এটা দিশ হয়তো নাই, যি তেখেতৰ গীতত স্থান পোৱা নাই। অসম মাতৃৰ বায়ু-পানী সেৱন কৰি যুগ যুগ ধৰি বসবাস কৰি অহা বিভিন্ন জাতি, জনগোষ্ঠীৰ জীৱনগাঁথা, সাংস্কৃতিক ভিন্নতাৰ অপূৰ্ব সমাহাৰ দেখা যায় ড° হাজৰিকাৰ গীতত।

ড° ভূপেন হাজৰিকাৰ গীতসমূহৰ অধ্যয়নে অসমৰ লোক-সাহিত্যৰ লগতে লোক-জীৱনৰ অংগাংগী দিশসমূহৰ আভাস দিয়ে। যি সংগীতত পৰম্পৰাগত সংস্কৃতিৰ সুঘ্ৰাণ থাকে সেই সংগীতত অন্তৰ্লীণ হৈ থাকে পূৰ্বপুৰুষসকলৰ সাংস্কৃতিক তথা সৃজনীশীল বিৱৰ্তনৰ কাহিনী। লোক-সংস্কৃতি জনমানসমুখী আৰু সহজে বোধেয়। হয়তো সেয়ে হাজৰিকাৰ গীত সকলো শ্ৰেণীৰ শ্ৰোতা-জনগণৰ হিয়াৰ অতি ওচৰৰ। লোক সংগীতৰ সুৰ, লোক-জীৱনৰ চিত্ৰ, লোকভাষাৰ সাৱলীল আৰু কলাত্মক প্ৰয়োগেৰে তেখেতে গীতৰ বাণীসমূহ

অতি সহজে আৰু সফলভাৱে প্ৰেৰণ কৰিছিল। লোক-সাংস্কৃতিক দিশেৰে বিশ্লেষণ কৰিলেও তেখেতৰ গীতসমূহ এক অনন্য অভিজ্ঞতা।

**আলোচনা ঃ**

ড° ভূপেন হাজৰিকাৰ গীতৰ পটভূমি অসমৰ লোক-সমাজ। অসমৰ নদ-নদী, পৰ্বত-পাহাৰ, উৎসৱ-পাৰ্বণ, পৰম্পৰা সকলোৱে স্থান লাভ কৰিছে তেখেতৰ গীতত। গীতৰ চৰিত্ৰসমূহ গ্ৰাম্য সমাজৰ, সৰ্বসাধাৰণ, খাটি খোৱা জনতাৰ একো একোজন প্ৰতিনিধি। সাধাৰণ মানুহক গীতৰ আওতালৈ আনি এক ৰোমাণ্টিক ভাৱাদৰ্শৰ আভাস দিলেও গীতসমূহত মানুহৰ সুখ-দুখৰ, আশা-আকাংক্ষাৰ বাস্তৱ প্ৰতিফলন ঘটিছে। লোক-সংগীতৰ দৰেই তেখেতৰ গীতত দুখীয়া, নিচলাজনৰ জীৱনৰ জীয়া স্পন্দন অনুভৱ কৰা যায়। গীতসমূহৰ চৰিত্ৰ ৰংমন, ৰহদৈ, সৰুদৈ, ভদাই, নাজীতৰা, পানেই, লচমী, বুধু, নলবাহাদুৰ, অকণ আদি প্ৰাণ পাই উঠে শিল্পীজনাৰ যাদুকৰী পৰশত। গীতত উল্লেখ 'তেজাল গাঁৱলীয়া', 'গাঁৱৰে জীয়ৰী', 'তাঁতৰ শালৰ শিপিনী', 'হোজা চহা ডেকা' আদিৰ উল্লেখ তথা একো একোটা পৰিচিত কাহিনীয়ে অসমৰ গ্ৰাম্য জীৱনৰ চিত্ৰ দাঙি ধৰে। উদাহৰণস্বৰূপে 'এন্ধাৰ কাতিৰ নিশাতে' গীতটোত বৰ্ণিত পানেইৰ জীৱনগাঁথা নৈপৰীয়া মানুহৰ পৰিচিত। কাতি মাহটোক প্ৰতীকী ৰূপত সজাই গীতিকাৰজনে দৰিদ্ৰজনৰ অসহায় অৱস্থাক সুন্দৰভাৱে প্ৰকাশ কৰিছে। গীতটোত ব্যৱহাৰ হৈছে লোকসংগীতৰ সুৰ আৰু কথা—

"আমাৰে মইনা শুব এ
সোণালী ধাননি দাব এ"

দক্ষিণ কামৰূপ অঞ্চলৰ লোকগীত 'উপাদ্দি যায় উৰাণ জাহাজ'ৰ সুৰত তেখেতে নিজৰ ভাষাৰে লিখিছে—

"সোণৰে পুতলী বাচা মূৰ তুলি চা
শুদা পঁজাত কুটাও নাই পানীটোপা খা।"

গীতৰ শেষত সংযোজিত হৈছে এক প্ৰতিবাদ। অন্যায় আৰু শোষণৰ প্ৰতিবাদ কৰিবলৈ সৰ্বসাধাৰণৰ বুকুত সৃষ্টি হোৱা অগ্নিকন্যাৰ বাতৰি দিছে এইদৰে—

"পানেইৰ চকু দুটি হ'ল ৰঙা ফিৰিঙতি
শেষ হ'ল তপত চকুলো
চকুৰ পানীবোৰ শুকুৱাই পেলালোঁ
এইবাৰ পণ লৈ ৰণলৈ ওলালোঁ।"

এইদৰে লোক-জীৱনৰ একো একোটা দুখ-বেদনাৰ সুৰীয়া কাহিনী নিৰ্মাণৰ দ্বাৰা ড° ভূপেন হাজৰিকাই অসমীয়া গীতি-সাহিত্যক অভিনৱত্ব প্ৰদান কৰিছে।

ড° ভূপেন হাজৰিকাই গীতসমূহৰ জৰিয়তে অসম তথা ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোক-সংগীতক নতুন জীৱন প্ৰদান কৰি গৈছে। অসমৰ বিহু, বিয়াগীত, খেলৰ গীত, ম'হ খেদা গীত, শিশুৰ নিচুকনি গীত, আইনাম, জিকিৰ, চাহ বাগানৰ গীতসমূহৰ সংযোজনেৰে অসমীয়া সংগীতৰ ভেটি সুদৃঢ় কৰিছে। মাটিৰ সুগন্ধৰে উজ্জীৱিত তেখেতৰ গীতসমূহ জনজীৱনৰ স'তে একাত্ম আৰু সাৰ্বজনীন। অসমৰ বিভিন্ন লোক-সংগীতৰ সুৰ আৰু কথাৰে সজোৱা গীতৰ ভিতৰত 'অ' মোৰ গুৰু ঐ', 'বিহুৰেনো বিৰিণা', 'অ' মিচিং ডেকাটি', 'অকণ ঘৰলৈ আহিলে', 'অলৌ গুটি তলৌ গুটি', 'আই সৰস্বতী অ'', 'আমাৰে মইনা শুইছে', 'আশ্বিন মাসে দুৰ্গাপূজা', 'এ ৰাধাচূড়াৰ ফুল গুজি', 'গৌৰীপুৰীয়া গাভৰু', 'ডিফু হ'ল তোমাৰ নাম', 'চেনেহীৰ ফটা বিহা', 'পদ্মাৰ ধুমুহাই', 'ভৰা বাৰিষাৰ বানে' আদি উল্লেখযোগ্য।

অসমৰ লোক-সাহিত্যৰ ভঁৰাল চহকী কৰা লোক-আখ্যান, কিংবদন্তী আৰু সাধুকথাৰ ব্যৱহাৰে হাজৰিকাৰ গীতসমূহক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। বৰ্তমান সময়ৰ প্ৰেক্ষাপটত লোক-কাহিনীসমূহৰ ব্যৱহাৰ চমকপ্ৰদ। হিন্দু ধৰ্মৰ পৌৰাণিক চৰিত্ৰ কৃষ্ণ, ভগৱান শিৱ, ৰাধা-ৰুক্মিণীৰ উল্লেখ পোৱা যায় তেখেতৰ গীতত। 'নতুন নাগিনী' গীতত ভগৱান শিৱই সাগৰ মন্থনত উৎপন্ন হোৱা 'নীলা গৰল'ৰ উল্লেখ আছে। 'তুমিয়ে যদি ব্ৰহ্মাৰে পুত্ৰ' বুলি 'বুঢ়া লুইত'ক আহ্বান কৰিছে 'বিস্তীৰ্ণ পাৰৰে' গীতত। হাজৰিকাৰ গীত 'হে হে ঢোলে ডগৰে'ত সমন্বয়ৰ বাৰ্তা দিছে 'নাগধাৰী শিৱ'ৰ লগতে খাচীসকলৰ ভগৱান 'উব্লেই'ৰ উল্লেখেৰে। তাৰোপৰি বুৰঞ্জীমূলক আৰু কিংবদন্তী চৰিত্ৰ শংকৰ, মাধৱ, টেগ বাহাদুৰ, লাচিত বৰফুকন, জয়া, মূলাগাভৰু আদিৰ ব্যৱহাৰ দেখা যায়।

লোকভাষা লোক-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। লোকভাষা বুলিলে ঘাইকৈ সৰ্বসাধাৰণ মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষা আৰু কথন-ৰীতি বুজোৱা হয়। অঞ্চলভেদে মানুহৰ ভাষাৰ বা কথনশৈলী পৃথক হয়। লোক-সংস্কৃতিৰ দৰেই ভাষাও প্ৰৱাহমান। সময় আৰু প্ৰয়োজন সাপেক্ষে ভাষাই গ্ৰহণ বা বৰ্জন কৰি নৱৰূপ ধাৰণ কৰে। ড° হাজৰিকাৰ গীতসমূহত কথিত ভাষা বা দৈনন্দিন জীৱনত ব্যৱহৃত শব্দসম্ভাৰ আৰু ভাষাগত অভিব্যক্তি মন কৰিবলগীয়া। তেখেতৰ গীতৰ বিষয়বস্তুৰ স'তে খাপ খোৱা ভাষাৰ ব্যৱহাৰে গীতসমূহক জনপ্ৰিয় কৰিছে। নামনি অসমৰ 'মহো-হো' লোকগীতৰ সুৰৰ লগতে কথাংশ ব্যৱহাৰ কৰি ড° হাজৰিকাই গাইছিল 'অহো হো মহো-হো'। তেখেতৰ গীতসমূহত লোকসমাজত ব্যৱহৃত সম্বোধনসূচক শব্দৰ ব্যৱহাৰ অতি আকৰ্ষণীয় আৰু অভিনৱ। 'অ' ককাইটি', 'কাইটি', 'লাহৰি', 'অ' আইতা', 'অ' আইকণ', 'অ' মোৰ ভৈয়াম', 'অ' বান্ধৈ', 'জান', 'বাচা', 'পোনাকণ', 'অ' ভনিটি', 'বোলো অ' মিচিং ডেকাটি' 'অ' মাকন' আদিৰ ব্যৱহাৰৰ দ্বাৰা ড° হাজৰিকাই গীতসমূহক সংলাপধৰ্মী ৰূপ প্ৰদান কৰিছ যিটো গীতি-সাহিত্যত অথবা গীতত বিৰল।

অতি বিচক্ষণভাৱে গীতিকাৰগৰাকীয়ে তেখেতৰ গীতসমূহত ব্যৱহাৰ কৰিছে লোকসমাজত ব্যৱহৃত খণ্ডবাক্য বা বাক্যাংশ। উদাহৰণস্বৰূপে, 'গা ৰাই জাই কৰ', 'চিলনী সাঁতোৰ', 'চুক ভেকুলী', 'গচকত মাৰিলি বন', 'কঁকাল ভাগ', 'গাটো দেখোন সাতখন আঠখন', 'দলদোপ হেন্দোলদোপ', 'মূৰৰ চুলি চিঙ', 'গা চুই শপত খা', 'আলাসৰ লাডু', 'বৰশীৰ টোপ' আদিৰ উল্লেখ কৰিব পাৰি।

ড° ভূপেন হাজৰিকাই অসমৰ লোক-জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত থকা বিষয়ক শিল্পৰ আহিলাৰূপে ব্যৱহাৰ কৰিছিল। এইধৰণে তেখেতে সৃষ্টি কৰিছিল কিছুমান অবিস্মৰণীয় উপমা বা ৰূপকৰ। লুইত, ব্ৰহ্মপুত্ৰ, বিহু, ব'হাগ, গামোচা আদিৰ ব্যৱহাৰে তেখেতৰ সৃজনীশীলতাৰ পৰিচায়ক। লুইত বা ব্ৰহ্মপুত্ৰ 'মহামিলনৰ তীৰ্থ' সৃষ্টি ধ্বংসৰ কাৰণ। লুইত প্ৰতিজন অসমীয়াৰ সাহস, শক্তি, স্বাভিমান, একতা, সম্প্ৰীতিৰ প্ৰতীক। ঠিক একেদৰে 'বিহু'ৰ প্ৰয়োগো বৈচিত্ৰ্যপূৰ্ণ। বিহু 'জ্বলন্ত অৰুণ', 'গণজীৱনৰ সাহ', 'দুৰন্ত তৰুণ', 'সৃষ্টি দলিল' আৰু 'একতাৰ গামোচা'। অসমৰ জনগোষ্ঠীয় সংস্কৃতিৰ চিত্ৰ অংকন কৰা ড° হাজৰিকাৰ গীতসমূহত সেই সমাজত ব্যৱহাৰ হোৱা শব্দ সম্ভাৰ, পোছাক, বিশ্বাস, কিংবদন্তী, উৎসৱৰ লগতে খাপ খোৱাকৈ পৰিৱেশ নিৰ্মাণ কৰা হৈছে। এনে গীতসমূহৰ ভিতৰত 'অ' মিচিং ডেকাটি', 'জিগিজা গিজাও', 'এটি কলি দুটি পাত', 'অসম দেশৰ বাগিচাৰে', 'গৌৰীপুৰীয়া গাভৰু' আদি প্ৰধান। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনজীৱনৰ চিত্ৰ অংকন কৰি শ্ৰোতাৰ হৃদয় জয় কৰা গীতসমূহ হ'ল, 'চিয়াঙৰে গালং', 'অৰুণ কিৰণ', 'টিৰাপ সীমান্ত', 'কা মংগাইহ ছেঃ নিজোৰাম', 'লিয়েন মাকাও'।

**সামৰণি ঃ**

ড° ভূপেন হাজৰিকাই কৈছিল, 'মোৰ গীতত, মোৰ সুৰত, মোৰ কণ্ঠত অসমৰ মাটিৰ সুগন্ধ আছে। ইয়াৰ কাৰণেই অসমৰ বাহিৰৰ শ্ৰোতা-দৰ্শকে মোৰ সংগীতক আদৰি লৈছে। যিদিনাই সেই সুগন্ধ মোৰ কণ্ঠৰপৰা হেৰাই যাব সেইদিনাই দেশ-বিদেশৰ জনগণৰ মনৰপৰা মই হেৰাই যাম..." এই প্ৰসংগত ক'ব পাৰি যে—

ড° হাজৰিকাৰ গীতত লোক-সংস্কৃতিৰ প্ৰভাৱৰ বিষয়ে নুবুজিলে হয়তো শিল্পীজনক সম্পূৰ্ণকৈ বুজা নাযায়। কিন্তু শিল্পীজনাৰ সাগৰসদৃশ সৃষ্টিৰ আলোচনা ইমান কম পৰিসৰত সম্ভৱ নহয়। বৰ্তমানৰ এই আলোচনাত লোক-সংস্কৃতিৰ কেইটামান দিশকহে স্পৰ্শ কৰা হৈছে।

**সহায়ক গ্ৰন্থ ঃ**

ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ ঃ সম্পাদনা- সূৰ্য হাজৰিকা, ২০১০। ■

# ভূপেন হাজৰিকাৰ গীতত দেশাত্মবোধ

শেৱালি মেধি
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

**০.০০ প্ৰস্তাৱনা ঃ**

আধুনিক সংগীত জগতৰ মহাযোদ্ধাসকলৰ ভিতৰত ভূপেন হাজৰিকা অন্যতম। সুধাকণ্ঠ আৰু সুৰৰ মায়াজালেৰে বিশ্বক বিমোহিত কৰা তেওঁৰ গীতসমূহ অসম তথা ভাৰতী আইৰ অমূল্য সম্পদ। দেশ, জাতি আৰু জনতাৰ মংগল সাধন তেওঁৰ গীতৰ প্ৰধান উদ্দেশ্য। এই কথা তেওঁ গীতে-মাতে বহু ঠাইত বহুবাৰ কৈ গৈছে। তেওঁ 'লুইতৰ পৰা মিছিছিপি হৈ ভল্গা', 'অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ পেৰিছ' 'ইলোৰাৰ পৰা চিকাগো' আদি 'ধৰাৰ দিহিঙে দিপাঙে' লৰৰি যাযাবৰী জীৱন কটালেও তেওঁৰ লক্ষ্যৰ পৰা কাহানিও তিলমানো বিচ্যুত হোৱা নাছিল। সংগীতক জীৱন হিচাপে গ্ৰহণ কৰা এইগৰাকী মানৱদৰদী দেশসেৱকৰ গীতত ধ্বংসমুখী ভাৱনা নাই আছে গঠনমূলক দৃষ্টিভংগী। তেওঁ 'মানুহে মানুহৰ বাবে' গীত গোৱা শিল্পী; গণশিল্পী। মানৱপ্ৰেম তেওঁৰ গীতৰ আধাৰ। তেওঁৰ গীতৰ প্ৰতি থকা জনপ্ৰিয়তাই শিল্পী গৰাকীৰ দেশ, জাতি আৰু বিশ্বৰ প্ৰতি থকা ভালপোৱাৰ পৰিচয় দিয়ে। আমাৰ আলোচনাত ভূপেন হাজৰিকাৰ দেশপ্ৰেমোদ্বুদ্ধ দুটিমান গীতৰ আধাৰত তেওঁৰ দেশাত্মবোধৰ ছবিখন দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ব।

ভূপেন হাজৰিকাৰ গীত অসমীয়া জাতিৰ প্ৰাণস্বৰূপ। তেওঁৰ প্ৰায়বোৰ গীতেই অসমীয়া জনজীৱনৰ লগত সম্পৰ্কিত। তেওঁৰ গীতত অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ঐতিহাসিক, সাংস্কৃতিক আদি বিভিন্ন ছবি প্ৰতিফলিত হৈছে। তেওঁৰ গীতত প্ৰতিফলিত জাতীয় লোকাচাৰ, লোকগীত, উৎসৱ-পাৰ্বণ, সাজ-পাৰ, ভাষা-সাহিত্য, প্ৰবাদ-প্ৰবচন আদিয়ে শিল্পী গৰাকীৰ সমাজচেতনা, জাতীয়তাবোধ, দেশাত্মবোধ আদিৰ পৰিচয় দাঙি ধৰে।

ভূপেন হাজৰিকা মূলতঃ জনতাৰ শিল্পী। মানৱতা তেওঁৰ গীতৰ আত্মা। তেওঁৰ গীতত শোষিত, নিষ্পেষিত, নিপীড়িত শ্ৰমিক-বনুৱাৰ কঠোৰ জীৱন সংগ্ৰামৰ কৰুণ ছবি স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। এনে গীতসমূহে হাজৰিকাৰ সমাজ দায়বদ্ধতাৰ ধাৰণা দিয়ে। তেওঁ এঠাইত লিখিছে, তেওঁ হেনো ঢৌতে খৰ মাৰি দায় সাৰিবৰ বাবে কোনো দিনে কোনো এটা গীত ৰচনা কৰা নাছিল। তেওঁ নতুন সম্ভাৱনাক আকোৱালি সমাজ তথা মানুহৰ সমস্যাক আত্মোপলব্ধিৰে বিশ্লেষণ কৰি গীত ৰচনা কৰিছিল। তেওঁ গীতৰ মাধ্যমেদি এক ইতিহাস গঢ়িব বিচাৰিছিল— "মই সময়ৰ ঢৌত খৰ মাৰি কেতিয়াও গীত গোৱা নাই আৰু লিখা নাই। মোৰ সকলো গীতৰ ৰচনাৰ মূল উদ্দেশ্য হ'ল — গানবোৰ মানুহৰ গান হ'ব লাগিব। সেয়ে মই ভাবোঁ— বৰ্তমানটো এদিন যেতিয়া অতীত হৈ যাব তেতিয়াও মোৰ কিছুমান গীত প্ৰাসংগিক হৈ থাকিব আৰু কিছুমান গীত ইতিহাস হৈ যোৱা ইতিহাসৰ ভিত্তিতে মানুহক পৰিৱৰ্তনৰ বাটেৰে আগুৱাই যাবৰ বাবে সাহস যোগাব, আস্থা প্ৰদান কৰিব।"[1]

দেশাত্মবোধ ভূপেন হাজৰিকাৰ গীতৰ অন্যতম বৈশিষ্ট্য। সাহিত্যত সমাজ চেতনা, মানৱতাবোধ, জাতীয়তাবোধ আদি ভাৱনাসমূহ দেশাত্মবোধৰেই অন্তৰ্গত একো একোটা দিশ। এইবোৰৰ জৰিয়তে লেখকৰ অন্তৰাত্মাক বুজিব পাৰি, হৃদয়ৰ ধ্বনি শুনিব পাৰি। আমাৰ অধ্যয়নত ভূপেন হাজৰিকাৰ গীতত দেশাত্মবোধ প্ৰতিফলিত কিছু ছবি দাঙি ধৰা হ'ল।

**১.০০ ভূপেন হাজৰিকাৰ গীতত দেশাত্মবোধ ঃ**

'দেশাত্মবোধ' হৈছে নিজৰ দেশৰ প্ৰতি থকা এক সহজাত প্ৰেম, আনুগত্য আৰু আন্তৰিকতাবোধ। ইয়াক সাধাৰণভাৱে 'জাতীয়তাবোধ' শব্দৰেও বুজাব পাৰি। আধুনিক অসমীয়া সাহিত্যত এই ধাৰাটোৰ আৰম্ভণি হয় জোনাকী কাকতৰ জৰিয়তে। ১৮৮৯ চনত প্ৰকাশিত 'জোনাকী' কাকতে অসমীয়া সাহিত্যত পোন প্ৰথমে জীৱনক নতুন দৃষ্টিৰে চাবলৈ প্ৰয়াস কৰে। ব্যক্তি জীৱনৰ মৰ্যাদা আৰু মূল্যবোধে লেখকসকলৰ মনত নতুন জাতীয় চেতনা জগাই তোলে। ফলত অসমীয়া সাহিত্যত এটা নতুন সুৰ বাজিবলৈ ধৰে। পৰাধীনতাৰ শিকলি খুলি স্বাধীনভাৱে জীয়াই থাকিবলৈ সকলোৱে একগোট হৈ থিয় দিবলৈ পণ কৰে। দেশমাতৃক স্বাধীন কৰাৰ প্ৰৱণতাত অসমীয়া সাহিত্যত নিতে নৱ জোঁৱাৰ উঠিবলৈ ধৰে। অম্বিকাগিৰি ৰায়চৌধুৰী, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদি ব্যক্তিসকলে জাতীয় মুক্তিৰ এনে আৱেগ সৃষ্টিত দুগুণ উৎসাহেৰে কাম কৰিবলৈ ধৰে। লগে লগে বহুতো বিপ্লৱী মনীষাই তেওঁলোকক অনুসৰণ কৰি দেশসেৱাত আত্মনিয়োগ কৰে। প্ৰবল জাতীয়তাবাদী সেই অনুসৰণকাৰী সকলৰ ভিতৰত ভূপেন হাজৰিকা আছিল অন্যতম। তেওঁৰ গীতে-মাতে সকলোতে দেশাত্মবোধৰ সুৰ প্ৰতিধ্বনিত হৈছে।

বিংশ শতিকাত ভূপেন হাজৰিকাই নতুন শৈলীৰে গীত ৰচনা কৰি অসমীয়া গীতিসাহিত্যক এক গতিশীলতা প্ৰদান কৰে। গীতৰ মাধ্যমেদি তেওঁ এখন সাম্যবাদী সমাজ গঢ়াৰ সপোন দেখিছিল। এই সপোন দিঠকত ৰূপায়ণ কৰিবলৈ তেওঁ পণ কৰিছিল— "গোটেই জীৱন ধৰি বৰ্তমানলৈকে যিখিনি গীত ৰচিলোঁ তাৰ ভালেমানৰ বহুতো আলোচনা বিলোচনা বিভিন্নজনে বিভিন্ন ঠাই বিশেষে কৰিছে। সেই বিষয়ে মই একো নকওঁ। সেয়া জনতাৰ ৰায়, কিন্তু গীতৰ ৰচক হিচাপে মই মোৰ মূল বিষয় জনগণৰ সেৱাকে মোৰ গীতৰ মূল উদ্দেশ্য হিচাপে লৈ মই লিখা গীতবোৰৰ কিছুমান লিখিছোঁ তাৎক্ষণিক ব্যৱহাৰৰ বাবে, কিছুমান গীত নাটক বোলছবি বা শ্ৰব্য কেছেট, ৰেকৰ্ড, বোলছবিৰ দৃশ্য, চৰিত্ৰ বা কাহিনীৰ লগত ৰজিতা খুৱাই। কিছুমান লিখিছোঁ দেশ-জাতিৰ সমূহীয়া বিপ্লৱী মনৰ বিশ্লেষণ কৰি, দেশ আৰু সমাজৰ সমস্যাৰ সময়ত ৰাইজক জগাই তোলাৰ উদ্দেশ্যেৰে।"[2]

ভূপেন হাজৰিকাৰ গীতৰ এটা বিশ্বজনীন পৰিক্ৰমা আছে। এই পৰিক্ৰমাত অসমৰ সহজ-সৰল লোকৰ বাস্তৱ জীৱনৰ প্ৰতিচ্ছৱি, প্ৰাচ্য-পাশ্চাত্যৰ জীৱন-দৰ্শন, বিশ্ব জনতাৰ ভাষা, চেতনা, প্ৰয়োজন, সমস্যা আদিয়ে সাতোৰঙী ৰামধেনু হৈ একীভূত হৈছে।

ভূপেন হাজৰিকাই যাযাবৰী জীৱনতো দেখা পাইছে সৃষ্টিৰ সঁফুৰা। এই জীৱনৰ এটি এটি ক্ষণে মুকুতামণি হৈ অন্তৰাত্মাত ধৰা দি লহৰ তুলি তেওঁৰ গীতত প্ৰাণ সঞ্চাৰ কৰিছে— "মোৰ গীতৰ প্ৰাণ সঞ্চাৰ কৰিছে যাযাবৰী জীৱনৰ বাটে-পথে, দিহিঙে-দিপাঙে পোৱা প্ৰতিটো বিন্দুৰে।"[3] তেওঁ জন্মভূমিৰ পৰা বিশ্বৰ য'লৈকে গৈছে তাৰেই সমাজ-সভ্যতা-সংস্কৃতিৰ ছবি গীতৰ মাজত অংকন কৰিছে। অসম, অৰুণাচল, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, মেঘালয় আদি ঠাইত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ বিচিত্ৰ জীৱনৰ ৰূপ— মাত-কথা, উৎসৱ-পাৰ্বণ, সাজ-পাৰ, গীত-বাদ্য আদি তেওঁৰ গীতত জিলিকি আছে। তেওঁৰ 'টিৰাপ সীমান্ত', 'কাঃমঙাইহ চেঃ', 'দুয়োটি বাঁহী বাঁহৰে বাঁহী', 'খুবলেই শ্বিবুন', 'চিয়াঙৰে গালং', 'অ' মিচিং ডেকাটি', 'শ্বিলঙৰে মনালিছা', 'আশ্বিন মাসে দুৰ্গা পূজা', 'কহিমাৰে আধুনিকা ডালিমি' আদি গীতত এনে ৰূপে জিক্‌মিকাই আছে। হাজৰিকাৰ গীতত প্ৰকাশিত এনে ছবিয়ে দেশ, জাতি আৰু জনগণৰ প্ৰতি থকা তেওঁৰ ভালপোৱাৰ কথাকেই স্পষ্ট কৰে।

ভূপেন হাজৰিকাৰ জন্মভূমিৰ প্ৰতি আছিল অসীম শ্ৰদ্ধা। অসমভূমিত জন্মগ্ৰহণ কৰি তেওঁ নিজকে ধন্য মানিছিল, 'অসমী আইৰ সন্তান' বুলি কৈ গৌৰৱবোধ কৰিছিল। জন্মভূমিৰ প্ৰতি থকা আস্থা আৰু নিষ্ঠাক তেওঁ গীতৰ মাজেদি প্ৰকাশ কৰি তেওঁ যোৱা বাটেৰে আন সহস্ৰজনকো বাট বুলিবলৈ আহ্বান জনাইছিল —

অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব্ব দিশৰ সূৰ্য উঠা দেশ।
.................................................
গোটেই জীৱন বিচাৰিলেও অলেখ দিবস ৰাতি
অসম দেশৰ দৰে নেপাওঁ ইমান ৰসাল মাটি
.................................................
লৌহিত্যৰে বহল পাৰক প্ৰণিপাত কৰোঁ,
জন্ম ল'লোঁ ইয়াতেই, ইয়াতে যেন মৰোঁ।

'আমি অসমীয়া' বুলি দুহাত সাৱটি বুকু ফিন্দাই গপতে ওফন্দি থকা অসমীয়াসকলক ভূপেন হাজৰিকাই উপলুঙা কৰিছিল। দেশৰ কথা নুশুনি নেদেখি অসমীয়াসকলে এনেদৰে বহি থাকিলে যে এদিন অসম আৰু অসমীয়াৰ জীৱনলৈ বিপদ আহিব সেই কথা তেওঁ গীতৰ মাধ্যমেদি অসমীয়াসকলক সুন্দৰকৈ বুজাই দিছে। শিল্পী গৰাকীৰ এনে চিন্তা-চেতনা কেৱল দেশাত্মবোধৰ বাবেই ৰূপায়িত হৈছে—

'আমি অসমীয়া নহওঁ দুখীয়া'
বুলি সান্ত্বনা লভিলে নহ'ব।
আজিৰ অসমীয়া নিজক নিচিনিলে
অসম ৰসাতলে যাব।।
.................................................
নিজ হাতে শ্ৰম কৰি
দেশক নগঢ়িলে
এই দেশ হ'ব নিঃশেষ
.................................................
আজিৰ অসমীয়াই নিজক নবচালে
অসমতে মগনীয়া হ'ব।।

ভূপেন হাজৰিকাই সাম্যবাদৰ এখন সৰগ ৰচি নতুনকৈ ভাৰতক গঢ়িব বিচাৰিছিল। সাম্যবাদ হাজৰিকাৰ চিৰকাম্য হৃদয়ৰ বাণী। তেওঁ সমাজত দেখা উচ্চ-নীচ, জাতি-ধৰ্ম-বৰ্ণ, অৰ্থনৈতিক আদি বিভেদৰ ছবিসমূহ গীতৰ মাধ্যমেদি নাইকিয়া কৰিবলৈ অহৰ্নিশে চেষ্টা কৰিছিল। সমাজত সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ তেওঁ গীতক এপাত শক্তিশালী অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি এক আন্দোলন গঢ়িব বিচাৰিছিল। এনে চেতনাই শিল্পী গৰাকীৰ দেশপ্ৰেমৰ ছবিখন দাঙি

ধৰে —

(ক) অগ্নিযুগৰ ফিৰিঙতি মই / নতুন অসম গঢ়িম

.................................

নতুন ভাৰত গঢ়িম

হৰিজন, পাহাৰী, হিন্দু মুছলিমৰ/ বড়ো, কোঁচ, চুতীয়া, কছাৰী, আহোমৰ

অন্তৰে ভেদি মৌ বোৱাম/ভেদা ভেদৰ প্ৰাচীৰ ভাঙি/ সাম্যৰ সৰগ ৰচিম

নতুন ভাৰত গঢ়িম।

(খ) গিজিতা গিজাওঁ গিজিতা গিজাওঁ ৰঙাজবা ফুল

ছোট বড় গৰীব নাই, নাই জাতিকুল।।

ওপৰ মহল নীচৰ মহল কোনো বিভেদ নাই

এই আসামত যিমান আছোঁ সবেই ভাই ভাই।।

.................................

আচমান এক, এক দুনিয়া সৰৰ খুনেই লাল

সবে মিলি দুনিয়াটোক সজাই দিয়া ভাল।।

ভূপেন হাজৰিকা সম্প্ৰীতি সম্ভাৱনাৰ পূজাৰী। তেওঁ দেখিছে, প্ৰাচীন কালৰে পৰা অসমত বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ আদিৰ লোকে বসবাস কৰি আহিছে। তেওঁলোকৰ মাজত থকা ঐক্যতান হাজৰিকাই উপলব্ধি কৰে। তেওঁৰ গীতত পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ছবি ফুটি উঠিছে। তেওঁলোকৰ কলা-সংস্কৃতি, জীৱন ধাৰণৰ প্ৰণালী, খাদ্যাভাস, সাজ-পাৰ আদিৰ বিস্তৃত ছবি হাজৰিকাৰ গীতত আছে। নক্তে, ৱাঞ্চু, লুংচাং, টাংচা, খুন্‌চা, যুগলি, চাংলাং আদি জনগোষ্ঠীৰ বিভিন্ন ছবি প্ৰকাশিত তেওঁৰ এটি বিখ্যাত গীত 'টিৰাপ সীমান্ত'।

(ক) টিৰাম সীমান্ত/ কপৰ নাই অন্ত / নক্তে ৱাঞ্চু/ টাংচা যুগলিৰ দেখিলোঁ

মনৰ সেউজ দিগন্ত

.............................

(সৌৱা) ৰিণিকি ৰিণিকি/ দেখিলোঁ খুন্‌চা বস্তি

.............................

টিৰাপৰে বস্তি চাংলাং/ তাতে সবল জনজাতি লুংচাং

ভূপেন হাজৰিকাই গীতত মন্‌পা, আপাটানি, খামটি, মিচিং আদি জাতি-জনজাতিৰ ছবিও অংকন কৰিছিল। তেওঁৰ 'চিয়াঙৰে গালং', 'অ' মিচিং ডেকাটি' আদি এনে বৈশিষ্ট্যৰ গীত।

ভূপেন হাজৰিকাই অসমৰ ডেকা-গাভৰু, আবাল-বৃদ্ধ-বনিতা সকলোকে দেশপ্ৰেমৰ ভাষা শিকাইছিল। দেশপ্ৰেমৰ ভাৱেৰে উদ্বুদ্ধ কৰি দেশৰ জয়গান গাবলৈ তেওঁলোকক অনুপ্ৰেৰণা জগাইছিল। তেওঁৰ আহ্বানত জনতাৰ জাতীয় চেতনা জাগি উঠিছিল। নিৰাপত্তাৰ লক্ষ্যৰে ওলাই অহা-সু-সংগঠিত জনতাৰ পদধ্বনিত পৃথিৱী কঁপিবলৈ ধৰিছিল। জনতাৰ এই ঐক্য চেতনাই শিল্পী গৰাকীক সুখী কৰিছিল।

সমদলৰ পদধ্বনি/ আবাল বৃদ্ধ বনিতাৰ/

স্ব-নিৰাপত্তা লক্ষ্য/ আৰু আনকো জীয়াই ৰখাৰ

সহস্ৰজনৰ সাহস দেখি/ পৃথিৱী কম্পমান।

দেশৰ বাবে প্ৰাণ বলিদান দিয়া বীৰ শ্বহীদসকলৰ প্ৰতি ভূপেন হাজৰিকাৰ আছিল অসীম শ্ৰদ্ধা। দেহ ৰন্ধ্ৰে ৰন্ধ্ৰে দেশপ্ৰেম প্ৰৱাহিত হৈ থকা হাজৰিকাই শ্বহীদক দেশৰ সূৰ্য বুলি গণ্য কৰিছিল। তেওঁৰ দৃষ্টিত সূৰ্যই নিশাৰ এন্ধাৰ আঁতৰাই পৃথিৱীক পোহৰাই তোলাৰ দৰে শ্বহীদ সকলেও জন্মভূমিৰ সেৱাত জীৱন দান কৰি দেশলৈ প্ৰভাত আনে। শ্বহীদসকল দেশৰ আদৰৰ ধন, অতুলনীয় সম্পদ। তেওঁৰ গীতত আছে —

শ্বহীদ প্ৰণামো তোমাক

শ্বহীদ প্ৰণামো তোমাক

তুমিয়েতো বুকু পাতি দিলাঁ

ভাৰতীৰ নুমলী জীক বচাবলে

.....................................

তুমি শ্বহীদ হ'লাঁ/ তুমি সূৰ্য হ'লাঁ/

যি অসমলৈ প্ৰভাত আনিব।

১৯৬২ চনত চীনে কৰা ভাৰত আক্ৰমণত বহু ভাৰতীয় সৈন্য নিহত হৈছিল। এই খবৰে দেশপ্ৰেমিক হাজৰিকাৰ অন্তৰাত্মা কঁপাই তুলিছিল। শোকত জৰ্জৰিত শিল্পীজনে তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা আৰু মহানুভৱতা প্ৰকাশ কৰি 'কত জোৱানৰ মৃত্যু হ'ল' — কালজয়ী গীতটি ৰচনা কৰিছিল। গীতটিৰ জৰিয়তে তেওঁৰ হৃদয়ৰ গভীৰতাত নীৰৱে বৈ থকা দেশপ্ৰেমৰ পৰিচয় পোৱা যায় —

কত জোৱানৰ মৃত্যু হ'ল/ কাৰ জীৱন যৌৱন গ'ল/

সেই মৃত্যু অপৰাজেয়/ তেনে মৃতক নহ'লোঁ মই কিয়?

মহামানৱ মহাত্মা গান্ধীৰ বিয়োগত ভাৰতীয়সকল পিতৃহাৰা হৈছিল। নিঠৰুৱা ভাৰতবাসীৰ বেদনা আৰু ক্ৰন্দনধ্বনি ভূপেন হাজৰিকাই উপলব্ধি কৰিছিল। তেওঁলোকৰ চকুলোখিনিক তেওঁ 'তেৰশ চৌৱন্নৰ মাঘৰে মাহতে' গীতটিত সুন্দৰকৈ বোৱাই দিছিল—

তেৰশ চৌৱন্নৰ মাঘৰে মাহতে/ যোল্লৰে বিয়লি বেলা/

পৃথিৱীৰ শিৰতে বজ্ৰপাত পৰিলে/ বাপুজী ক'লৈনো গ'লা?

নিঃস্বাৰ্থ 'দেশসেৱা' আৰু 'দেশসেৱক'ক ভূপেন হাজৰিকাই গীতেৰে শ্ৰদ্ধা নিবেদিছে। অসম মাতৃৰ শ্ৰীচৰণত সেৱা আগবঢ়োৱা লাচিত বৰফুকন, মণিৰাম দেৱান, পিয়লি বৰুৱা, কুশল কোঁৱৰ আদি বীৰসকলৰ ত্যাগৰ ছবিখন তেওঁৰ গীতত সুন্দৰকৈ অংকন কৰিছে। প্ৰতি অসমীয়াই কি কৰা উচিত/ উপদেশ দিবলৈ নাই লাচিত, মণিৰাম দেৱানক ফাঁচী দি মাৰিলে/ আকাশে উৰি গ'ল জীউ, পিয়লিক সুঁৱৰি দিখৌ নৈ থমকে/ চকুপানী টুকি টুকি আদি গীতাংশই এই ছবিখন



অধিক স্পষ্ট কৰি দিয়ে।

ন্যায়ৰ পূজাৰী ভূপেন হাজৰিকা অন্যায়ৰ বিৰুদ্ধে মাত মতা এগৰাকী বিদ্ৰোহী শিল্পী। তেওঁৰ 'অগ্নিযুগৰ ফিৰিঙতি', 'দোলা হে দোলা', 'মুক্তি কামী লক্ষজনৰ', 'যায় যদি যাক জীৱনটো যাক', 'সংগ্ৰাম লগ্নে আজি', 'এন্ধাৰ কাতিৰ নিশাতে', 'ৰুদ্ধ কাৰাৰ দুৱাৰ ভাঙি', 'সূৰ্য উদয় যদি', 'মোৰ গান হওক', 'নৱ নৱ পুৰুষৰ' 'তপ্ত তীখাৰে', 'অগ্নি শক্তি', 'অ' ভাৰতীৰে' আদি গীত সমূহ এনে ভাৱসম্পন্ন গীত। বিদ্ৰোহী চেতনা পূৰ্ণ এনে গীতসমূহে হাজৰিকাক এগৰাকী প্ৰকৃত দেশপ্ৰেমিক ৰূপে প্ৰতিষ্ঠা কৰাত সহায় কৰিছে।

ভূপেন হাজৰিকাৰ স্বদেশ-স্বজাতিৰ প্ৰতি থকা প্ৰেমৰ প্ৰৱণতা অনুমান কৰিব পাৰি তেওঁৰ স্বদেশানুৰাগেৰে ৰচনা কৰা গীতসমূহৰ অধ্যয়নৰ জৰিয়তে। অসমীয়া ভাষা ৰক্ষাৰ আন্দোলনৰ সময়ত তেওঁ ৰচনা কৰা এনে ভাৱাত্মক কেইবাটাও গীতে এই পৰিচয় সুদৃঢ় কৰিছে। গীতৰ জৰিয়তে তেওঁৰ ঐতিহ্য প্ৰীতি আৰু স্বদেশ প্ৰেম প্ৰকাশ পাইছে। গীতৰ যোগেদিয়ে তেওঁ ভাষা বিৰোধী কু-চক্ৰান্তকাৰী সকলক সাৱধান বাণী শুনাইছে, 'কুলাঙ্গাৰ' বুলি কটু কথা শুনাইছে — 'কুচক্ৰী যত কুলাঙ্গাৰ'।

স্বদেশ-স্বজাতিৰ প্ৰতি দায়বদ্ধ ভূপেন হাজৰিকাৰ গীতত আন্তৰ্জাতিক প্ৰসংগয়ো স্থান পাইছে। ১৯৬৫ চনৰ ভাৰত পাকিস্তানৰ যুদ্ধৰ সময়ৰ পাকিস্তানৰ প্ৰেচিডেণ্ট আয়ুবখান, আমেৰিকাৰ বৰ্ণ বৈষম্যৰ বিৰুদ্ধে আৰু কৃষ্ণাংগসকলৰ মুক্তি আৰু সমমৰ্যদাৰ বাবে কাৰাবাস খটা নেলচন মেণ্ডেলা, কাইৰোৰ নীল' নদীৰ পাৰৰ নিগ্ৰো দুখীয়া কৃষকজনৰ মৰ্মব্যথা, ১৯৭১ চনৰ ২৫ ডিচেম্বৰত নতুন ৰাষ্ট্ৰৰূপে স্বীকৃতি লাভ কৰা বাংলাদেশক আদৰণি জনাই গীত গোৱা আদি ছবিবোৰে শিল্পী গৰাকীৰ বিশ্বপ্ৰেমৰ পৰিচয় দাঙি ধৰে।

একতাই উন্নতিৰ মূল। একতা অবিহনে এখন দেশৰ উন্নতি কল্পনা কৰিব নোৱাৰি। ৰাজনীতি, ধৰ্ম, সমাজ আদি সকলো দিশতে একতাৰ প্ৰয়োজন আছে। ভাৰতবৰ্ষৰ মহাত্মা গান্ধী শংকৰ গুৰু, মাধৱ গুৰু আদি মহান ব্যক্তিসকল একতাৰ পূজাৰী। তেওঁলোকৰ আদৰ্শত অনুপ্ৰাণিত ভূপেন হাজৰিকাও মনে-প্ৰাণে এগৰাকী একতাৰ পূজাৰী আছিল। তেওঁ গীতত মহাত্মা গান্ধী, শংকৰ, মাধৱ আদি ব্যক্তিসকলৰ গুণ-গৰিমা বখানি তেওঁলোকক সমন্বয়ৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰিছিল। গীতৰ মাধ্যমেদি অগ্ৰজ বন্দনাৰে তেওঁ দেশৰ জনগণক একতাৰ বান্ধোনেৰে বান্ধ খাই থাকিবলৈ আহ্বান জনাইছিল—

মহাত্মাই হাসি বোলে ৰাম ৰহিম

বান্ধ ৰাম ৰহিম!

একেলগে একেসঙ্গে বান্ধৰ পাতিম

.............................

মহাত্মাই হাসি বোলে গীতাকে শুনিম

বান্ধ বেদকে শুনিম

শুনি পিচে কোৰাণৰো আয়াতক বুজিম।

ভূপেন হাজৰিকাই বৰাক-ব্ৰহ্মপুত্ৰৰ মাজত এক শান্তিৰ সেতু গঢ়িব বিচাৰিছিল। এই ভাৱনা তেওঁৰ স্বদেশ-স্বজাতিৰ প্ৰতি থকা প্ৰীতিৰ চানেকি। 'ব্ৰহ্মপুত্ৰ' তেওঁৰ প্ৰাণস্বৰূপ। 'লুইত', 'বৰলুইত', 'মহাবাহু', 'লৌহিত্য', 'ব্ৰহ্মপুত্ৰ' আদি ভিন্ন নামেৰে নামকৰণ কৰি তেওঁ নৈখনক প্ৰাণ দিছিল; উচ্চ সন্মান দিছিল। তেওঁ লুইতৰ দুয়োপাৰ সদায় উজ্বলি থকাটো বিচাৰিছিল। তেওঁৰ 'জিলিকাৰ লুইতৰে পাৰ', 'মহাবাহু ব্ৰহ্মপুত্ৰ', 'মুখ উজ্বল যৌৱন উচ্ছল' আদি গীতসমূহ এই আশাবাদী মনৰ পৰিচায়ক।

(ক) জিলিকাব লুইতৰে পাৰ/ এন্ধাৰৰ ভেটা ভাঙি/

প্ৰাগজ্যোতিষত বয়/ জেউতি নিজৰাৰে ধাৰ/

শত শত বন্তিৰে/জ্বলাবে দীপালীয়ে/'জিলিকাব লুইতৰে পাৰ।

(খ) মহাবাহু ব্ৰহ্মপুত্ৰ, মহামিলনৰ তীৰ্থ /কত যুগ ধৰি আহিছে

প্ৰকাশি/ সমন্বয়ৰ অৰ্থ।

(গ) এটি পাৰে মই /এটি পাৰে তুমি/ মাজে বয় চেনেহৰ জুৰি/

হাতখনি দিয়া।

ভূপেন হাজৰিকাৰ গীতত কিছুমান 'শব্দ' আৰু 'বাক্যাংশ'ৰ প্ৰতি দুৰ্বলতা দেখা যায়। হৃদয়ৰ উপলব্ধিখিনিক গীতৰ মাধ্যমেদি জনতাৰ মাজত বিলাই দিবলৈ প্ৰয়াস কৰোঁতে কিছুমান 'শব্দ' আৰু বাক্যাংশক, তেওঁ পুনঃ পুনঃ সংযোজন কৰিছে। 'ব্ৰহ্মপুত্ৰ', 'লুইত', 'ব'হাগ', 'অসম', 'অসমীয়া', 'বিহু', 'কপৌফুল', 'উৰুকা', 'গাভৰু', 'বিহা', 'অসমী আই', 'আবাল-বৃদ্ধ' আদি শব্দ আৰু বাক্যাংশসমূহক ভূপেন হাজৰিকাই গীতত বহুবাৰ প্ৰয়োগ কৰিছে। স্ব-জাতি, স্ব-সংস্কৃতি, স্ব-দেশৰ লগত সম্পৰ্কিত এনে শব্দ আৰু বাক্যাংশ সমূহৰ প্ৰয়োগে শিল্পী গৰাকীৰ দেশাত্মবোধৰ পৰিচয় দিয়ে —

**লুইত :** লুইতত সাতুৰিবা; লুইতৰ পানে পাৰে আছে হেনো কত; লুইত বাগৰি বাগৰি গ'ল; লুইতক ভেটা দি কিমান দিন ৰাখিবা; লুইতৰ পাৰৰে গাঁৱৰে মৰিশালিত; যেন আমাৰ লুইতহে; লুইততে মোৰ ঘৰ; লুইতৰ পাৰ দুটি; লুইতৰ বলীয়া বান; লুইত পৰীয়া ডেকা বন্ধু; লুইত পৰীয়া তেজাল ডেকা; লুইত থাকিব পণ থাকিব ইত্যাদি।

**ব'হাগ :** ব'হাগৰ প্ৰথম পুৱা; নৱ নৱ ব'হাগ আহে; ব'হাগেই বতৰ কিজানি; অতিকৈনো চেনেহৰ ব'হাগৰ বিহুটিও; ব'হাগ মাথোঁ এটি ঋতু নহয়; ব'হাগতে মই আজি যাম পূজিবলে; ব'হাগত জাতিয়ে স্নান কৰে ইত্যাদি।

**অসমী আই :** অসমী আইলৈ যাচোঁ প্ৰণাম; অসমী আই ৰূপহী, গুণৰো নাই শেষ; অসমী আইকে জগাবা; অসমী আইৰে বৰঘৰ মজিয়াত; অসমী আই মোৰ ইত্যাদি।

**আবাল বৃদ্ধ :** আবাল বৃদ্ধ অবলা নাৰী; আবাল বৃদ্ধ

বনিতা ইত্যাদি।

ভূপেন হাজৰিকাৰ গীতৰ— 'মুখৰ ভাষা বুকুৰ আশা বন্ধকত থলি', 'ভেড়াৰ পালৰ দৰে আজি বাচি কিয় আছ?', 'ভেড়া ন'হৈ তেজাল ঘোঁৰা কিয় নহ'লি', 'শোষকহঁতক নাঙঠ কৰ', 'বাহুৰ শকতিৰে শোষণৰ কণাবাট', 'টিনপাত টিঙিৰি, জুইপৰে উফৰি', 'কাইলৈ পৰিবা ফান্দত', 'আমি আজি প্ৰতিনিধি ন-পুৰুষৰ', 'হ'লো আজি সৈন্য জীৱন যুঁজৰ' আজি বাক্যাংশবোৰৰ জৰিয়তে শিল্পী গৰাকীৰ দেশপ্ৰেমৰ আভাস আৰু সেই প্ৰেমেৰে দেশৰ জনতাক দেশপ্ৰেমোদ্বুদ্ধ কৰাৰ প্ৰয়াস দেখা যায়।

ভূপেন হাজৰিকাই অসম আৰু অসমীয়াক প্ৰাণ ভৰি ভাল পাইছিল। তেওঁৰ গীত শুনি ভাল পোৱা প্ৰতিজন শ্ৰোতাই এই কথা উপলব্ধি কৰে। হাজৰিকাই সুবিধা পালেই গীতত অসমৰ জনগণৰ অতিকৈ চিনাকি জীৱ-জন্তু, চৰাই-চিৰিকটি, নদ-নদী-পাহাৰ, জাতি-জনগোষ্ঠী, গছ-গছনি, লোক-সংস্কৃতিৰ ছবি আদি সমল সমূহৰ সংযোজন ঘটাইছিল। এই সমলবোৰে হাজৰিকাৰ হৃদয়ত স্তূপীকৃত দেশাত্মবোধৰ আভাস দিয়ে। তলত ভূপেন হাজৰিকাৰ গীতত সন্নিৱিষ্ট তেনে কিছু সমল দাঙি ধৰা হ'ল —

**জীৱ-জন্তু বিষয়ক :** সিংহ, শিয়াল, শৃগাল, হাতী, ঐৰাৱত, নিগনি, ম'হ, কুকুৰ আদি।

**গছ-গছনি, ফল-ফুল বিষয়ক :** মদাৰ, কচুপাত, আগলি বাঁহ, ভীম কল পুলি, বগৰী, কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, শেৱালি, কপৌফুল, চম্পাফুল, তগৰ, ডালিম,এজাৰ, কেতেকী, লেটেকু, গোলাপ, শালুক, লাজুকীলতা আদি।

**পোক-পৰুৱা বিষয়ক :** মুগা পলু, মাখি, ভোমোৰা, মকৰা আদি।

**চৰাই বিষয়ক :** কুলি, পখী, হাঁহ, পাৰ, ডাউক, কোকিল মইনা, কপৌ, শৰালি, হুদু, চিলনী, শগুণ, শেন আদি।

**মাছ-পুঠি বিষয়ক :** বৌ, কুড়ি, চেনিপুঠি, চিতল, চিতলৰ কলঠি, পুঠিমাছ, চেঙেলী আদি।

**অসমীয়া মাহ-ঋতু বিষয়ক :** ব'হাগ, কঙালী, কাতি, শ্ৰাৱন, মাঘ, ভোগালী, ভাদ, আশ্বিন, শৰৎ, বসন্ত আদি।

**নদ-নদী বিষয়ক :** ব্ৰহ্মপুত্ৰ, লুইত, লৌহিত্য, বৰলুইত, দিচাং, দিখৌ, কলং আদি। **জাতি-জনগোষ্ঠী পৰিচয় সুচক :** হিন্দু, মুছলিম, বড়ো, কোঁচ, চুতীয়া, তিৱা, হাজং, ৰাভা, কছাৰী, আহোম, মিচিং, কাৰ্বি, দেউৰী, খামটি, চাওতাল আদি।

**শাক-পাচলি বিষয়ক :** লাই, লফা, পালেং, কবি, মূলা, উৰহী, ধনিয়া, জালুক, জলকীয়া, শাক,হালধি, মাহ আদি।

**গালি-শপনি, মাৰ-কিল সুচক :** গেল্হেলা, ফেদেলা, লাথি, চৰ, ভুকু, নিলাজ আদি।

**অস্ত্ৰ-শস্ত্ৰ বিষয়ক :** হেংদান, বোমা, পিস্তল আদি

**বোৱন শিল্পৰ লগত জড়িত :** তাঁত শাল, শিপিনি, মহুৰা, সূতা, চেৰেকী, মাকো, চেলেং, ব-তোলা, বাটি কড়া, বিহুৱান, গামোচা, মেখেলা, ৰিহা, এগে, ৰিবিগাচেং আদি।

**আ-অলংকাৰ বিষয়ক :** ঢোলবিৰি, মিনাকৰা, জোনবিৰি, দুগদুগী, কেৰুমণি, থুৰীয়া গেজেৰা, আঙঠি, গামখাৰু, সোণ, জটাখাৰু, মণি-মৰকত, নোলুক, নেপুৰ আদি।

**বৃত্তি বিষয়ক :** কৃষক, খেতিয়ক, শ্ৰমিক, নাৱৰীয়া, দৰ্জ্জি, 'বা-বাগিচাৰ চা-চাকৰি', 'চিলিক মিলত মেকানিকৰ চাকৰি', 'অটোৰিক্সা চলাওঁ' আদি।

**খেল-ধেমালি বিষয়ক :** উমলা, ঘিলা— 'মাকৰি এ' ঘিলাটি', ঢোপ, 'অলৌগুটি তলৌ গুটি', লুকা-ভাকু আদি।

**পূজা-পাতল, নৃত্য-উৎসৱ বিষয়ক :** কৰম পূজা, দুৰ্গাপূজা, দেওধনীৰ উলঙ্গ নৃত্য, ঝুমুৰ, বিহু, ভাওনা, বিয়া, ন-খোৱা, উৰুকা, ৰোজা, ঈদ আদি।

**লোকগীত বিষয়ক :** টোকাৰী গীত, জিকিৰ, বিহুগীত, ঐনিতম, বিয়ানাম, মালিতা, গোৱালপৰীয়া লোকগীত, কামৰূপী লোকগীত, চাহ শ্ৰমিকৰগীত, নাওখেলৰ গীত, মহো-হো গীত আদি।

**নাম বিষয়ক :** চেনাই, মৰমী, লাহৰী, ভৈয়াই, বান্ধৈ, অকণ, ৰংমন, মইনা, কণটি, নাজিতৰা, ৰঙিলী, সৰুকণ, সৰুদৈ আইদেউ, চেনেহী, সোণ, লীলা, লছমী, চম্পা, চামেলি, বীৰবল, মালতী, আইকণ আদি।

**ঠাই বিষয়ক :** জাগীৰোড, শুৱালকুছি, অসম তেজপুৰ, গুৱাহাটী, শিৱসাগৰ, প্ৰাগজ্যোতিষপুৰ, অগ্নিগড়, জালুকবাৰী, লাচিত নগৰ, উজান বজাৰ, ফাঁচি বজাৰ, ভৰলুমুখ, নিজৰাৰ পাৰ, ধুবুৰী, ৰাজগড়, দৰং, মঙ্গলদৈ, বৰ পদুমনি গাওঁ, সৰাগুৰি, দিখৌমুখ, শিংৰা, টিহু, বৰমা, বজালী, বাক্‌চা আদি।

**যাতায়ত সম্পৰ্কীয় :** ব'ঠা, নাও, বিমান, জাহাজ, দোলা, অট'ৰিক্সা, মটৰ আদি।

**উপাসনা সম্পৰ্কীয় :** নামঘৰ, গীতা, বেদ, সত্ৰ, দেৱালয়, মন্দিৰ, শিৱ, কৃষ্ণ, কালীমন্দিৰ, কামাখ্যা, মছজিদ, কোৰাণ,আল্লা, নামাজ আদি।

**খেতি-বাতি সম্পৰ্কীয় :** 'কঠীয়া পাৰিছে', 'ভূঁইও ৰুইছে', 'লখিমী পথাৰৰ ধান আঘোণত দাইছে', 'ছেগ চাই কাটিমে ধান', 'কপাহৰ খেতিতে', 'নাঙল-যুঁৱলিৰে পৃথিৱী সজাওঁ', হলাবাৰি, এচাৰি আদি।

**সাহিত্য সম্পৰ্কীয় :** হস্তীপুথি, লৱ-কুশ, সুকনান্নী, পৃথিৱীৰ হাঁহি, গীতা, সাঁচিপাত আদি।

**কবি-সাহিত্যিক :** 'বিহগী কবি ৰঘুনাথ' নবীন বৰদলৈ, কম্বীৰ, জ্যোতি, পদ্মনাথ, নগেন্দ্ৰ চৌধুৰী, বাগ্মীবৰ, ৰাজমোহন, লুম্বেৰ দাই, ৰংবং তেৰাং, হেমাংগ বিশ্বাস, টাবু টাইদ, মালিক, নাহেন্দ্ৰ পাদুন, ভৃগুমণি, গোবিন্দ পৈৰা, বিষ্ণুৰাভা, হৰিৱৰ বিপ্ৰ, ব্যাস কলাই, ৰামসৰস্বতী, দ্বিজ দামোদৰ, জয়ৰাম সূৰ্যখড়ি, নাৰায়ণ দেউ, লক্ষ্মীনাথ, শংকৰ-মাধৱ, আজান ফকীৰ, আনন্দ, চন্দ্ৰ, হেম, ৰজনীকান্ত, অম্বিকাগিৰী, মফিজ হাজৰিকা, মোজাম্মিল, মাধৱ কন্দলী, সাৰদা বৰদলৈ, যজ্ঞেশ্বৰ শৰ্মা, নিৰ্মল প্ৰভা আদি।

**বাদ্য বিষয়ক :** ঢোল, পেঁপা, গগনা, বৰকাঁহ, ডগৰ, বাঁহী, চিফুং, গুংগাং আদি।

**খণ্ডবাক্য :** খোদৰ পচলা, চুকৰভেকুলী, 'পাৰতহে গজিলি', 'ৰ' লাগি চায়', হাতবাউলি, 'হংস খোজেৰে' আদি।

**২.০০ সামৰণি :**

ভূপেন হাজৰিকাৰ গীত এখন যুগ চেতনাৰ দলিল। তেওঁৰ গীতে অসমীয়া সংগীতৰ নতুন ভেটি স্থাপন কৰে। নতুন আংগিক আৰু ভাৱবস্তুৰে তেওঁ গীতৰ জগতত এক অভিনৱত্ব প্ৰদান কৰে, আলোড়ণৰ সৃষ্টি কৰে। তেওঁৰ গীত শোষিত, বঞ্চিত, কৃষক, বনুৱা, নিষ্পেষিত, নিপীড়িতসকলৰ জীৱন সংগ্ৰামৰ এখন জীয়া ছবি। দেশৰ কল্যাণৰ বাবে, জনতাৰ মঙ্গলৰ বাবে তেওঁ গীতৰ মাধ্যমেদি গোটেই জীৱন উৎসৰ্গা কৰিছিল। গীত লিখি, গীত গাই, গীতকেই সৰ্বস্ব জ্ঞান কৰি তেওঁ দেশ সেৱাত ব্ৰত হৈছিল। গীতৰ মাধ্যমেদি তেওঁ দেশত এখন শোষণ মুক্ত, সাম্যবাদী সমাজ গঢ়িবলৈ পণ কৰিছিল। তেওঁ বিশ্বশিল্পী। অসম, ভাৰত আৰু পৃথিৱীৰ আন দেশৰ জনগণৰ প্ৰাথমিক আৰু সামাজিক সমস্যা তেওঁৰ গীতৰ আধাৰ আছিল। স্বদেশ প্ৰেম শিল্পী গৰাকীৰ হিয়াৰ ধ্বনি। বিশ্বভাতৃত্ববোধে তেওঁৰ গীতি সাহিত্যক সোণত সুৱগা চৰাইছে। 'মানৱতা', 'মানুহ' আৰু 'মানুহে মানুহৰ বাবে' তেওঁৰ গীতৰ বাণী। তেওঁৰ মানৱ দৰ্শন যুগচেতনাৰে সমৃদ্ধ, যিয়ে তেওঁৰ গীতক নতুনত্ব প্ৰদান কৰি বিপ্লৱী চেতনা প্ৰদান কৰিছে। সম্প্ৰীতি, ঐতিহ্য প্ৰীতি আদি তেওঁৰ গীতৰ অন্যান্য বৈশিষ্ট্য। তেওঁৰ গীত উত্তৰ-পুৰুষৰ বাবে প্ৰেৰণাৰ উৎস।

**পাদটীকা :**

১. সূৰ্য হাজৰিকা (সম্পা.), ভূপেন হাজৰিকাৰ গীতসমগ্ৰ, মোৰ গীত আৰু 'গীতসমগ্ৰ'ৰ নতুন সংস্কৰণ সম্পৰ্কত যৎকিঞ্চিত........., বাণী মন্দিৰ, তৃতীয় সংস্কৰণ, ২০১০।

২. প্ৰাগুক্ত গ্ৰন্থ

৩. পূৰ্বোক্ত গ্ৰন্থ

**গ্ৰন্থপঞ্জী :**

গগৈ, ড° লীলা : অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, বনলতা,২০০৭

দত্ত, ড° দিলীপ কুমাৰ : ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, বনলতা, চতুৰ্থ সংস্কৰণ, ২০১১

পাঠক, তৰণী, ডাকুৱা,

মনোমতী পাঠক : ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ, প্ৰথম প্ৰকাশ, ২০০৯

বৰুৱা, ড°বিৰিঞ্চি কুমাৰ : অসমৰ লোকসংস্কৃতি সপ্তম সংস্কৰণ, ২০০২

হাজৰিকা, সূৰ্য (সম্পা.) : ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, বাণী মন্দিৰ, লাৱণ্য প্ৰকাশন, ১৯৯৩

**আলোচনী :**

গগৈ, হৃদয়ানন্দ (সম্পা.) : স্বৰ্ণলিপি, বৰ্ষ ৮, সংখ্যা ৪, মে, ২০১৮ ■

# যাৰ গীতত আছিল অনামিকা মায়া

ড° প্ৰশান্ত বৰা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

বিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা সাম্প্ৰতিকলৈ অসমীয়া সংগীতক বিশ্বৰ বুকুত জিলিকাই তোলা মহান শিল্পী জুবিন গাৰ্গৰ গীত মানেই অভিনৱ বিষয়, ভাব-ভাষা, আৰু অমিয়া সুৰেৰে সজোৱা অনুভূতিৰ স্পন্দন। সাংগীতিক সম্পৰীক্ষা তেওঁৰ গীতৰ উত্তৰণৰ মূলমন্ত্ৰ। পোনপটীয়াকৈ কোনো দৰ্শন বা মতবাদ প্ৰচাৰৰ বাবে জুবিন গাৰ্গে গীত লিখা নাছিল যদিও তেওঁৰ গীতত প্ৰেম, বিষাদ, প্ৰকৃতি, ঐতিহ্যৰ সন্ধান, জীৱনমুখী চেতনা, সাম্যবাদী ভাৱধাৰা, মানৱতাবাদ, প্ৰতিবাদ আৰু গভীৰ আশাবাদ আদি অনন্য বৈশিষ্ট্য প্ৰাণ পাই উঠিছিল। সেইদৰে গীতৰ মাজেৰে উচ্চ নীচ, ধনী-দুখীয়াৰ ভেদাভেদহীন এখন সমাজৰ কল্পনা তথা অৰাজক অৱস্থা কিম্বা সৰ্বতোপ্ৰকাৰৰ দাসত্বৰ পৰা মুক্তি বিচৰাটো আছিল তেওঁৰ কাম্য। গীতত এই সকলোবোৰ মুখৰ হৈ উঠিছিল পাশ্চাত্য শৈলীৰ বাদ্যযন্ত্ৰ আৰু তেওঁৰ মিঠা কণ্ঠৰ সহযোগত। প্ৰথম অৱস্থাত জুবিন গাৰ্গৰ গীত মানেই আছিল ৰোমাণ্টিক আবেদনৰ পাৰভগা প্লাৱন। অমৃতসম কণ্ঠৰ অধিকাৰী শিল্পীগৰাকীয়ে সুৰীয়া জীৱনৰ বাট কাটিছিল অতি সাধাৰণভাৱেই। মন খুলি আনৰ প্ৰশংসা কৰা মহান শিল্পীগৰাকীয়ে এবাৰ এক সাক্ষাৎকাৰত এনেদৰেহে কৈছিল - 'মই এগৰাকী মিউজিচিয়ানহে হ'ব খুজিছিলোঁ, লগৰবোৰেহে গান ভাল গাৱ, ভাল গাৱ বুলি গায়ক বনাই দিলে।' কিমান উচ্চ আদৰ্শ আৰু সৰল মনৰ হ'ব পাৰিলেহে মুখৰপৰা এনে কথা ওলাই সেয়া ভাবিবলগীয়া। জীৱনৰ বাটত লগপোৱা প্ৰতিগৰাকী বন্ধুৰ সহায়-সহযোগৰ কথা অকপটে কৈ দিব পৰা এখন আকাশৰ দৰে উদাৰ হৃদয়ৰ গৰাকী আছিল জুবিন গাৰ্গ। জীৱনৰ প্ৰথম গীতৰ কেছেট 'অনামিকা'ই তেওঁলৈ আনি দিয়া তেওঁৰ খ্যাতিৰ জখলাদালে আকাশৰ দৰে পৰিব্যাপ্তি লাভ কৰিলে। 'অনামিকা' কেছেটৰ 'অনামিকা, 'মনৰ নিজানত', প্ৰীতিৰ সুবাসে', 'গানে কি আনে', গীতৰ দৰে সহশিল্পী কবিতা কৃষ্ণমূৰ্তিৰ লগত গোৱা 'কিয় জানো আজি' আদি গীতকেইটাই অসমীয়া আধুনিক ৰোমাণ্টিক গীতৰ জগতত খলকনিৰ সৃষ্টি কৰিছিল। 'অনামিকা'ৰ পিছত মুক্তি পোৱা 'আশা', 'স্নিগ্ধ জোনাক', 'মেঘৰ বৰণ', 'শব্দ', 'বৰষুণ', 'ৰং' আদি শ্ৰব্য কেছেটসমূহৰ গীতবোৰ আছিল জুবিন গাৰ্গৰ সাংগীতিক পৰীক্ষা-নিৰীক্ষাৰ অন্যতম সৃষ্টি, যিবোৰত জীৱন যৌৱনৰ অনাবিল মাদকতাৰ কথা মায়াময় শব্দৰ প্ৰয়োগ তথা অগতানুগতিক গায়নশৈলীত উপস্থাপন ঘটাইছিল। বিশেষকৈ প্ৰেমানুভূতিৰে ৰঞ্জিত গীতসমূহত মূৰ্ত হৈ উঠিছিল হিয়াৰ অযুত বাসনাৰ ছবি, নোপোৱাৰ যন্ত্ৰণা আৰু হা-হুমুনিয়াহ, ভৱিষ্যতৰ ৰঙীন কল্পনা আদি মনোভাৱ। হিয়া মন শাত পেলোৱা এনে গীতবোৰৰ ভিতৰত - 'চকুৰে চকুৰে', 'কিনো সুৰীয়া গানেৰে', 'মনতেনো আজি', 'চুমা চুমা', 'এতিয়া জোনাকে', 'বৰষা যেতিয়া নামে বুকুলে', 'জ্বলি উঠা জুই হৈ', 'পাখি পাখি এই মন', 'কঁকাল খামুচীয়া', 'এতিয়া জোনাকে', 'I love you বুলি', 'মাইনা মাইনা', 'মনৰ নিজানত' আদি গীতবোৰৰ মাদকতাই আছিল সুকীয়া। ৰোমাণ্টিকতাৰ এনে মাদকতাৰ তীব্ৰতা মাথোঁ এইকেইশাৰী বাক্য পঢ়িলে বা গীত আকাৰে শুনিলেই গম পোৱা যায় -

জ্বলি উঠা জুই হৈ
জ্বলোৱা মোৰ কামনা
ফুলি ৰোৱা ফুল হৈ
বৈ আহক বাসনা
দূৰণি হওক বেদনা
ফুলক হাঁহিৰ ফুলনি
কুঁৱলি হওক চেতনা
জ্বলক প্ৰেমৰ অগনি... (জ্বলি উঠা জুই হৈ)

অথবা

বৰষা যেতিয়া নামে বুকুলে
এনে লাগে যেন সেয়া তুমিয়েই
সুৰে সুৰে দেহ মন নাচিলে
এনে লাগে যেন তাতো তুমিয়েই
তুমিয়েই ৰচি আছা সুৰৰে এনাজৰী
মায়াবী কবিতাতো তুমিয়েই ...( বৰষা যেতিয়া নামে...)



প্ৰেমানুভূতিৰ স্নিগ্ধ আৱেশৰ দৰে তেওঁৰ অনেক গীতত ফুটি উঠিছিল নোপোৱাৰ বিষাদ যন্ত্ৰণাৰ হা-হুমুনিয়াহৰ একো একোখন কল্পচিত্ৰ। উদাহৰণস্বৰূপে তেওঁৰ 'মনৰ নিজানত' গীতটিত যন্ত্ৰণাময় কাতৰ অনভূতি প্ৰকাশ কৰিছে এনেদৰে -

হৃদয়ে আৱেগক নোৱাৰে সহিব
চকুলো বাগৰে নীৰৱে
কিমান সাৱটিম নোপোৱাৰ সপোন
বুকুৰ উমেৰে সজোৱা
দুখৰ তৰা হৈ নাচাবা চকুলে মোৰ
ওৰে নিশা

জীৱন সুৰভি তোমাৰ মাজতে
আছিলে অকলে নীৰৱে
সঁচা প্ৰেমৰো উশাহ আছিলে
অকলশৰীয়া বুকুতে

মৰুভূৰ মায়া হৈ
নাহিবা বুকুলে মোৰ মিছাকৈয়ে...

মন কৰিবলগীয়া আন এটা দিশ এয়াও যে শিল্পীগৰাকীয়ে বিংশ শতিকাৰ শেষ দশকতে পশ্চিমীয়া ৰক মিউজিকৰ শৈলীৰে ধ্বনি-প্ৰযুক্তিৰ সমাহাৰ ঘটাই বিষাদৰ গীতবোৰো উচ্চ সুৰত প্ৰাণ টানি ধৰাকৈ গাই অসমীয়া সংগীত জগতত এক জাগৰণ আনিছিল। এনে গীতৰ ভিতৰত 'এতিয়া আছে মাথোঁ', 'ৰ'দ আজি কেনি পাওঁ' আদি অনেক গীতৰ কথাই উল্লেখ কৰিব পাৰি। 'এতিয়া আছে মাথোঁ গীতত অতীতৰ মধুৰ স্মৃতিয়ে আনি দিয়া বেদনাৰ প্ৰকাশ ঘটাইছে এনেদৰে -

এতিয়া আছে মাথোঁ
তেজৰঙা এখন নদী
মোৰ জীৱন জুৰি বয়
দুখৰে ঢৌ তুলি
নাই কোনো সীমনা

দুহাতে সানি লওঁ
তপত চকুলো
চকুৰ পতাত আজি
এন্ধাৰ আঁকিলোঁ
বুকু উজাৰি
যায় সময়
নীলাভ স্বপ্ন হৈ
বুকু আজি শিল হয়
শিল হৈ ৰয়...

পিছলৈ অসমীয়া সংগীতৰ জগতত ভোটাতৰা হিচাপে জিলিকি থকা প্ৰতিভাধৰগৰাকীৰ গীত মানেই হ'লগৈ অসম আৰু অসমীয়াৰ প্ৰাণৰ কথা, শিল্পী জুবিন গাৰ্গগৰাকী হৈ উঠিল অসমীয়াৰ হিয়াৰ আমঠু। কবি, গীতিকাৰ, সুৰকাৰ, বাদ্যযন্ত্ৰী, সংগীত পৰিচালক, চলচ্চিত্ৰ প্ৰযোজক, চলচ্চিত্ৰ পৰিচালক, ভ্ৰাম্যমান নাটৰ পৰিচালক, চিত্ৰনাট্যকাৰ তথা সুদক্ষ অভিনেতাৰ উপৰি এগৰাকী মানৱদৰদী সমাজকৰ্মী হিচাপে কালজয়ী খ্যাতি অৰ্জন কৰা শিল্পীগৰাকীৰ গানত আছিল অনামী মায়া। স্বৰচিত গীতসমূহ মন কৰিলেই বুজিব পাৰি শিল্পীগৰাকীৰ চিন্তাৰ পৰিধি কিমান উচ্চস্তৰৰ আছিল। একোটা শব্দৰ পিছত লাগি থাকিয়েই যেন তেওঁ আমোদ পাইছিল। সুৰীয়া কণ্ঠৰে বাছকবনীয়া সুমধুৰ শব্দৰে গান লিখি গাই প্ৰেমানুভূতিৰে জগত ৰঞ্জিত কৰি তোলা তেওঁৰ অলেখ গীতৰ ভিতৰত 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি হৈ পৰিছিল ৰোমাণ্টিক উচ্ছ্বাস নিগৰি উঠা অতিকৈ জনপ্ৰিয় গীত। পিছলৈ আধুনিক গীতৰ উপৰি অসমীয়া লোকগীত, বিহুগীত, টোকাৰী গীত, নাগৰা নাম, ভাগৱত পাঠ আদি সকলো দিশত নিজৰ সুৰীয়া কণ্ঠৰ যাদুৰে জনতাক মন্ত্ৰমুগ্ধ কৰি ৰখা শিল্পীগৰাকীৰ কণ্ঠত অসমৰ বহু নামজ্বলা গীতিকাৰৰ গীতবোৰও প্ৰাণ পাই উঠিছিল। এনে দিশৰ গীতসমূহৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জোনোৱালী নিশা', 'ৰূপহ কোঁৱৰ', 'লুইতৰ পানী', 'যাউতীযুগীয়া', বিষ্ণু প্ৰসাদ ৰাভাৰ 'জয়া নাই' 'পৰ জনমৰ', 'এয়ে মোৰ শেষ গান', 'মোৰ কবিতাৰ ছন্দ লাগি', পাৰ্বতী প্ৰসাদ বৰুৱাৰ 'লুইতৰ চাপৰিত', আনন্দ চন্দ্ৰ বৰুৱাৰ 'এপাহি বকুলে', আনন্দিৰাম দাসৰ 'মাতে পকা ধানে বিঙিয়াই', দেউতাক কপিল ঠাকুৰৰ 'জোনাকে কানে কানে আহি ক'লে', নৱকান্ত বৰুৱাৰ ৰচিত তথা ভূপেন হাজৰিকাই সুৰ দিয়া 'নিয়ৰৰে ফুল', অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'নিতাল নিশা আজি বাজে কি গহীন গান', হীৰেন ভট্টাচাৰ্যৰ 'আজিও যে নুবুজো', 'নিৰিবিলি গধূলি', দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ 'ফুল ফুলক ৰ'দৰে ফুল', নীলিম কুমাৰৰ 'চকুৰ লোটকেৰে', গণেশ গগৈৰ 'বেলি পৰোঁ পৰোঁ হ'ল', হেমন্ত দত্তৰ 'নায়ক হ'ব খুজি', দিগন্ত ভাৰতীৰ 'বুকুতে বুকুখন থৈ', মানস ৰবীনৰ 'গা ভৰা বয়সৰ' মৃণালকান্তিৰ 'নিদিয়া নিদিয়া', দিগন্ত কলিতাৰ 'আইনা ভঙাদি', 'দুগালতে যেন', 'দিহিঙৰ গৰা', 'লাহে লাহে' অনুপম বৰুৱাৰ 'জানিলো বুজিলো' আদি আছিল অন্যতম।

বিভিন্ন ভাষাত আঠত্ৰিশ হাজাৰৰ অধিক গান গোৱা মহান শিল্পীগৰাকীৰ গীতত ৰোমাণ্টিক প্ৰেমানুভূতি, ক্ষোভ, বিষাদ, প্ৰতিবাদ, আশাবাদ আদি দিশবোৰ সততে অনুভূত হোৱাৰ উপৰি ভাৰতীয় জ্ঞান পদ্ধতি বা পৰম্পৰাৰ পৰা উদ্ভূত চিন্তা-চেতনাৰ কেনেধৰণৰ প্ৰতিফলন ঘটিছিল সিও এক বিচাৰ্যৰ বিষয়। সাতামপুৰুষীয়া ভাৰতীয় জ্ঞান পৰম্পৰাৰ অন্যতম আধাৰ আছিল ভক্তি। ঈশ্বৰবাদী বা

ঈশ্বৰবিশ্বাসীসকলৰ মূল কথা হ'ল - সকলোৰে পৰিচালকৰূপে ভগবান আছে, তেওঁ সৰ্বময় কৰ্তা, সৰ্বশক্তিমান আৰু সৰ্বত্ৰ বিৰাজমান। তেওঁৰ ইচ্ছা মতেই বিশ্বসংসাৰ চলি আছে। প্ৰতিজন ব্যক্তি বা প্ৰতিটো প্ৰাণীৰ কৰ্তব্য তেওঁৰেই নিৰ্ধাৰিত। ঈশ্বৰেই প্ৰকৃত কৰ্তা, জীৱ নিমিত্ত মাত্ৰ। জীৱৰ কৰণীয় কাম পৰমাত্মাৰ দ্বাৰা নিৰ্দিষ্ট কৰা আছে আৰু জীৱৰ লক্ষ্য পৰমাত্মাৰ লগত বিলীন হৈ যোৱা। জুবিন গাৰ্গ গীততো এনে দৃষ্টিভংগীৰ প্ৰতিফলন নঘটাকৈ থকা নাই। তেওঁ গোৱা গীতৰ মাজত ৰোমাণ্টিক কোমল সুৰত ক্ষণস্থায়ী অৰ্থহীন জীৱনৰ কথা প্ৰকাশ পাইছিল এনেদৰে -

এই মায়াৰ ধৰাত
দুদিন মাথোঁ থাকিবা তুমি
জীৱন গলেই গ'ল
নিবলৈ একোকে নাপাবা তুমি
লোৱা লোৱা আৰু লোৱা
খোৱা খোৱা আৰু খোৱা
একো নাই
একো নাই
একো নাই
মাৰা মাৰা আৰু মাৰা
চেপি চেপি তেজ খোৱা
শূন্য হায়!
শূন্য হায়!
শূন্য হায়!
এই মায়াৰ ধৰাত দুদিন মাথোঁ থাকিবা তুমি...।

এই গীতটিৰ দৰে নিজৰ মাকৰ মৃত্যুত অসহায় এটা শিশুৰ দৰে হৈ পৰা শিল্পীগৰাকীয়ে মানৱ জীৱনৰ চিৰসত্য মৃত্যু (এন্ধাৰ)ৰ কথা উপলব্ধি কৰি হৃদয়ত উঠলি উঠা বেদনাৰ ভাব প্ৰকাশ কৰিছিল এনেদৰে -

বুকুতে গুপুতে অকলে এৰি থৈ
ক'তেনো থাকাগৈ তুমি
হিয়াৰে কোণতে অশ্ৰু বাগৰে
এতিয়া নীৰৱ নৈ তুমি।
জ্বলি জ্বলি জীৱনত
পুৰি পুৰি সপোনক
এতিয়া এন্ধাৰকে ল'লা সাৱটি
চকু মেলা সাৰ পোৱা মোলে' চোৱা
আকৌ এবাৰ কথা কোৱা মোৰ হোৱা।

শিল্পীগৰাকীয়ে কণ্ঠদান কৰা গীতিকাৰ মানস ৰবীন ৰচিত আন এটা বিখ্যাত গীত হৈছে 'মই মৰিম যিদিনা' ইহজগত আৰু পৰজগতৰ আধ্যাত্মিক ধাৰণা গীতৰ কথাত প্ৰকাশ কৰাৰ দৰে জুবিন গাৰ্গৰ কণ্ঠত অধিক আবেদনময়ী ৰূপত প্ৰকাশিত হৈছে। জীৱাত্মাই ইহলোকৰ পৰা গতি কৰি পৰলোকত পৰমাত্মাৰ লগত মিলিত হ'বলৈ আকাংক্ষা কৰে, এয়া ঈশ্বৰবাদৰে কথা। মানৱ জীৱনৰ এই চিৰসত্যকে গীতটোত উপস্থাপন ঘটাইছে এনেদৰে -

মই মৰিম যিদিনা ঐ
একেডাল বাহতে তিনি চেওঁ কৰিব ঐ
মাজৰ চেওঁ কচালিৰ কামি
চাৰিজন মানুহে কান্ধত তুলি নিব
চাৰিজন মানুহে কান্ধত তুলি নিব
নৈৰ ঘাটলৈ বুলি
মোৰ মনাই ঐ
নৈৰ ঘাটলৈ বুলি
দেহৰ ভৰষা নাই
বুজিছানে নাই
দেহৰ ভৰষা নাই
বুজিছানে নাই
আজি হাঁহি আছো
কৰটো নোৱাৰো
আজি হাঁহি আছো
কৰটো নোৱাৰো
কালি বা কি আছে হায়
কপালতে
কালি বা কি আছে হায়। (মই মৰিম যিদিনা)

আনহাতে জাঁ পল ছাৰ্ত্ৰেৰ হাতত এক গভীৰ আশাবাদী আৰু মানৱতাবাদী দৰ্শন হিচাপে গঢ় লোৱা অস্তিত্ববাদৰ প্ৰসংগও জুবিন গাৰ্গৰ ক্ষেত্ৰত প্ৰাসঙ্গিক হয় যেন বোধ হয়। সেইদৰে দাৰ্শনিক ফ্ৰেডৰিক নিৎচেৰ নাথিংনেছ দৰ্শন বা চিন্তাধাৰাও তেওঁৰ চিন্তাত পৰিস্ফূত হৈ আছে। গীতিকাৰগৰাকীয়ে এক সাক্ষাৎকাৰত নাথিংনেছ (Nothingness) দৰ্শন বা নিহিলিজম সম্পৰ্কে সূক্ষ্মভাৱে অধ্যয়ন কৰা বুলি কোৱাৰ পৰা তেওঁৰ হৃদয়ত অস্তিত্ববাদী ভাৱধাৰাৰ লগতে শূন্যতাৰ ধাৰণাও শিপাই থকাৰ উমান পাব পাৰি। জাঁ পল ছাৰ্ত্ৰেৰ মতে মানুহ কোনো পূৰ্বৰ নিৰ্দিষ্ট ধাৰণাৰ বাস্তৱায়ন নহয়। মানুহ প্ৰথমতে অস্তিত্বশীল হয়, নিজৰ অস্তিত্বৰ প্ৰতি সচেতন হয়, তাৰ পিচত তেওঁৰ চৌপাশৰ পৰিস্থিতিৰ সৈতে সংগ্ৰামত জড়িত হৈ পৰে আৰু তাৰ পাছতহে তেওঁৰ নিজৰ পৰিচয় বা সাৰসত্তা গঢ় লয়। পৰিস্থিতিৰ লগত সংগ্ৰাম কৰোঁতে তেওঁৰ সন্মুখত মুকলি হোৱা পথবোৰৰ ভিতৰত নিজে এক পথ বাছনি কৰি নিজৰ পৰিচয় গঢ়ি তোলে। নিজৰ বাচনি মতে নিজক গঢ় দিবলৈ যাওঁতে প্ৰতিটো কৰ্মই লাভ কৰে নিজা মূল্য। মানুহে নিজকে যি ৰূপত দেখিছে, সেইটো নহয়, বৰং তেওঁ কি হ'বলৈ ইচ্ছা কৰে সেইটোৰেহে তেওঁৰ সাৰসত্তা বা পৰিচয় নিৰ্ধাৰণ কৰে। শিল্পী জুবিন গাৰ্গেও মানুহৰ মাজত সাধাৰণভাৱে থাকি শিল্প সাধনাৰেই সমাজৰ পৰিবৰ্তন কৰিব খুজিছিল। সময়ৰ বিশাল পৰিসৰত জীৱন আগবঢ়াই নি থাকোঁতে সেয়ে তেওঁ সততে ঘোষণা কৰিছিল — মই মুক্ত, মই কাঞ্চনজংঘা। আকৌ কথাবোৰ ভৰামতে নোহোৱা দেখি ক্ষোভেৰে এনেদৰেও লিখি গাইছিল -

দিয়া ঘূৰাই দিয়া, পৃথিৱী আমাৰ আমাক
আইতাৰে সাধু, তৰালি ভৰা চোতাল
সেয়াই লাগে আমাক
নালাগে ওলোটা পৃথিৱী
অ' আমিয়েই চোন
পৃথিৱী ভঙা আৰু গঢ়াৰ সপোন নতুন।

(দিয়া ঘূৰাই দিয়া)

অথবা

অন্ধ আকাশ, ৰুদ্ধ বতাহ, ত্ৰস্ত ৰাতিৰ স্তব্ধ জোনাক
অন্ধ মনৰ বন্ধ কোঠাত,হিংস্ৰ প্ৰেমৰ মুক্ত প্ৰকাশ
মুকুতি আজি দেখোঁ দিশহাৰা হৈ বয়
দিশে দিশে চলে মাথোঁ মৃত্যুৰ ৰথ
মৃত্যু এতিয়া সহজ. মৃত্যু এতিয়া উছৱ
মৃত্যু যদি শিল্প হয়, মৃত্যু কিদৰে সুলভ,
মৃত্যু এতিয়া সহজ।

( অন্ধ আকাশ...)

আমাৰ এই আলোচনাত কেইটিমান গীতৰ মাজেদি প্ৰকাশ পোৱা শিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় দৃষ্টিভংগী সম্পৰ্কে কিছু দিশহে ভূমুকিয়াই চাবলৈ যত্ন কৰা হৈছে। শিল্পীগৰাকীৰ চিন্তাৰ সাগৰসম বিশাল পৰিধিত অৱগাহন কৰিব খোজাটো এক ডাঙৰ প্ৰত্যাহ্বান। তেওঁৰ গীতবোৰ চিৰদিন জনতাৰ প্ৰাণৰ সম্পদ হৈ ৰওক। জগতত নজহা নপমা হৈ ৰওক সেই যাদুকৰী কণ্ঠৰ অনুৰণন।। ■



# জুবিন গাৰ্গৰ কণ্ঠৰ কেইটিমান মন-পৰশা গীত

**বিউতী দাস**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

অসমৰ সংগীত জগতৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ কণ্ঠত আছিল অনামী যাদু। তেওঁ অনেক গীতিকাৰৰ গীত প্ৰাণ ঢালি গাইছে।

'মই মৰিম যিদিনা' গীতিকাৰ মানস ৰবিন ৰচিত গীতটোৰ অৰ্থ হ'ল 'এক গভীৰ প্ৰেমৰ অনুভৱ'। এই গীতটোৰ জৰিয়তে মৃত্যুৰ কথা, তেওঁৰ মৃত্যুৰ পিছতো তেওঁৰ স্মৃতি চিৰদিনৰ বাবে সংৰক্ষণ হৈ ৰোৱাৰ কথা, গভীৰ প্ৰেম আৰু ত্যাগৰ কথা পায়। স্মৃতি, প্ৰেম, আশা আৰু সপোন এইখিনি হ'ল গীতটোৰ মূল।

গীতিকাৰ গনেশ গগৈ ৰচিত 'বেলি পৰো, পৰো হ'ল' এই গীতটিৰ অৰ্থ হ'ল 'সূৰ্য অস্ত যোৱাৰ এক ধুনীয়া দৃশ্য। সূৰ্য অস্ত যোৱাৰ সময়ত নদীৰ ঢৌবোৰে এক সোণালী দৃশ্য। সূৰ্য অস্ত যোৱাৰ সময়ত নদীৰ কাষতে থমকি ৰয়। এই গীতটোত নদীৰ বুকুত জীৱন-যাপন কৰা অসমীয়া মানুহৰ এক সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। প্ৰাকৃতিক সৌন্দৰ্যৰ, বিশেষকৈ সূৰ্যাস্তৰ সময়ত লুইতৰ বুকুত নাও বাই থকা এক মনোমোহা দৃশ্য গীতটোত ফুটি উঠিছে।

গীতিকাৰ অজয় ফুকন ৰচিত 'জনম জনম তোমাৰে হৈ ৰ'ম' এই গীতটো এটা ৰোমাণ্টিক গীত। এই গীতটোত এজন প্ৰেমিকৰ নিজৰ প্ৰেমিকাৰ প্ৰতি থকা গভীৰ প্ৰেম প্ৰকাশ পাইছে। প্ৰেমিকজনে নিজৰ প্ৰেমিকাজনীক এই জন্মতে নহয় জনম জনম তেওঁলৈ বাট চাম বুলি কল্পনা কৰিছে। চিৰন্তন অনুভূতি প্ৰকাশ পোৱা গীতটো সুন্দৰ।

বিজিত তামুলী ৰচিত 'বাটৰে শেষতে' এই গীতটো জুবিন গাৰ্গে গোৱা শেষ গীত। এই গীতটো সামাজিকভাৱে জনপ্ৰিয় গীত। তেওঁৰ মৃত্যুৰ আগতেই এই গীতটি গাইছিল যাৰ বাবে এই গীতটো অতি বিশেষ হৈ ৰৈছে।

জুবিন গাৰ্গৰ ৰচিত 'এন্ধাৰ হ'ব নোৱাৰো' গীতটি জীৱনৰ কঠিন সময়ৰ আশা, স্মৃতি আৰু ভৱিষ্যতৰ বাবে এক গভীৰ অনুভূতি প্ৰকাশক গীত। কিছুমান স্মৃতি আৰু অনুভৱ আছে যাক তেও নিজৰ পৰা আঁতৰাই নাৰাখে, বৰঞ্চ সূৰ্যৰ পোহৰৰ দৰে জীয়াই ৰাখিব বিচাৰে। এই গীতটিত অতীতৰ দুখ, সুখৰ স্মৃতি প্ৰকাশ পাইছে। সেই স্মৃতিসমূহক আঁতৰ কৰিব বিচৰা নাই, বৰং সেয়া এক অংশ হিচাপে জীয়াই ৰাখিব বিচাৰে। এই গীতটোত তেওঁৰ নিজৰ জীৱনৰ আশা আৰু ভৱিষ্যতৰ গভীৰ অনুভৱ প্ৰতিফলিত হয়।

গীতিকাৰ আৰ এফ আকাশ ৰচিত "মই নথকাৰ অনুভৱ" গীতটো অতি দুখলগা আৰু গভীৰ আৱেগ ভৰা। দেউতাকৰ অভাৱত গীতিকাৰে লিখা গীতটি কৰুণ। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত অনুৰাগীসকলে তেওঁৰ অনুপস্থিতিৰ কথা যেন গীতটোত বিচাৰি পাইছে।

গীতিকাৰ জংকী বৰঠাকুৰ ৰচিত 'আঁউসীৰ জোন মোৰ' গীতটোত এজন প্ৰেমিকৰ মনৰ গভীৰ অনুভূতিৰ প্ৰকাশ ঘটিছে। এই গীতটোত 'আঁউসীৰ জোন'ক প্ৰেমিকাৰ সৈতে তুলনা কৰা হৈছে। যি প্ৰেমিকৰ বাবে এক বিশেষ আকৰ্ষণৰ বিষয়। গীতটোৱে প্ৰেমৰ গভীৰতা আৰু প্ৰেমিকাৰ অপূৰ্ব সৌন্দৰ্যৰ বৰ্ণনা দিছে। অমাৱস্যাত চন্দ্ৰ দেখা নাযায় যদিও, এই গীতত 'আঁউসীৰ জোন' প্ৰেমিকৰ বাবে এক বিশেষ তাৎপৰ্য বহন কৰে। ইয়াৰ দ্বাৰা প্ৰেমিকাৰ অনুপম সৌন্দৰ্যৰ ওপৰত বিশেষ গুৰুত্ব দিছে।

গীতিকাৰ তিমথি দাস হাঙ্গে ৰচিত 'জীৱনৰ ৰংবোৰে' এই গীতটোত জীৱনৰ কঠিনতা আৰু নিৰাশাৰ মাজতো আগুৱাই যোৱাৰ বাবে এক দীপশিখাৰ দৰে কাম কৰাৰ অৰ্থ প্ৰকাশ পাইছে। গীতটোত বুজাইছে যে, জীৱনৰ ৰংবোৰে যদি লুকা-ভাকু খেলে আৰু আশা যদি নাইকিয়া হ'ব ধৰে তেন্তে সেই দুখ লগা বা কষ্ট পোৱা সময়খিনি উভতি চাব নালাগে আৰু সময়ৰ লগে লগে আগুৱাই যাব লাগে।

'জোনমণি ৰুণজুন তেতিয়া চকুত জোন' এই গীতটি তেওঁ কৈশোৰ কালতে ভাল লগা ছোৱালী দুজনীৰ ওপৰত লিখিছে। এজনী 'জোনমণি' আনজনী 'ৰুণজুন'। তেওঁৰ জোনমণি নামৰ এই সহপাঠী গৰাকী আছিল তেওঁৰ জীৱনৰ গুৰুত্বপূৰ্ণ অংশ। গীতটোৰ বিশেষ মুহূৰ্তবোৰ স্মৰণ কৰি তেওঁ ছোৱালী দুগৰাকীৰ প্ৰতি থকা ভাল পোৱা আৰু আঘাত তেওঁৰ মনত জীয়াই ৰাখিছে।

'মায়াবিনী ৰাতিৰ বুকুত' গীতটোৰ অৰ্থ হ'ল যাদুপূৰ্ণ বা Mystical নিশা। মায়াবিনী গীতটোৱে এক যাদুপূৰ্ণ নিশাৰ মাজত Mystical belovedৰ বাবে থকা এক তীব্ৰ প্ৰেম আৰু মিলনৰ আকাংক্ষা প্ৰকাশ পাইছে। এই গীতটো কেৱল এটি গীত নহয়, ইটোৱে জুবিন গাৰ্গৰ বাবে এক সাংস্কৃতিক পৰিঘটনা। তেওঁৰ মৃত্যুৰ পিছত এই গীতটো সমগ্ৰ অসমত বজাব আৰু সমগ্ৰ অসমবাসীয়ে গাব বুলি ইচ্ছা তেওঁ আশা প্ৰকাশ কৰিছিল আৰু সেয়ে হৈছিল আখৰে আখৰে।

'মুগ্ধ হিয়া মোৰ' গীতটোত এজন প্ৰেমিকৰ বা কোনো গুণী ব্যক্তিৰ বাবে অধিক অপেক্ষাৰ কথা বৰ্ণনা কৰিছে। যাৰ উপস্থিতিয়ে ব্যক্তিৰ হিয়া মুগ্ধ কৰিব, দুচকুত ৰং ভৰাব, আৰু বুকুখন মৰমেৰে উপচাই পেলাব। ব্যক্তিজনৰ উপস্থিতিৰ বাবে তেওঁৰ হিয়া মুগ্ধ হ'ব। যাৰ ফলত তেওঁৰ হৃদয়ত এক প্ৰকাৰৰ আনন্দৰ অনুভূতি বিয়পি পৰিব। জুবিন গাৰ্গ, তেওঁৰ ভণ্টি জংকীয়ে একেলগে গোৱা বাবে ই গীতটো বিশেষভাৱে জনপ্ৰিয়। ■






"অসমৰ লোকসংস্কৃতি সমন্বয়ৰ সমাহাৰত সৃষ্ট। বিভিন্ন নৈ-উপনৈৰ জলৰাশিয়ে বৰলুইত সৃষ্টি হোৱাৰ নিচিনাকৈ বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমন্বয়ত বৰলুইত স্বৰূপ অসমীয়া লোক-সংস্কৃতিৰ জন্ম।"

ড° লীলাৱতী চৌধুৰী
তথা বিভাগীয় প্ৰধান, শিক্ষা বিভাগ

-সঁজুলি নিজেই সাজি লৈছিল। কাৰণ
পৰা বাঁহ, বেত, কাঠ আদিৰে পৰিপূৰ্ণ
বিলাকৰ পৰিমাণ যথেষ্ট কমি আহিছে।
বে প্ৰয়োজনীয় সঁজুলিবিলাকো সজাই
ঞ্চলৰ জনসাধাৰণৰ জীৱন বাঁহৰ লগত
বাবে ই লোকগীতৰ লগতো সাঙোৰ

ৰেঁা কাঠি কামি

চিনা কাঠৰ ব্যৱহাৰো সমানেই আছিল।
পৰা, ঢেকী, উৰল আদি নিত্য ব্যৱহাৰ্য
। দক্ষিণ কামৰূপ অঞ্চলটো সৰু সৰু
য়াত শিল যথেষ্ট পোৱা গৈছিল, সেয়ে
বলগীয়া। প্ৰতিগৰাকী গৃহিণীৰ বাবে
আছিল পটা-পাটকু। যদিও বৰ্তমানত
ৗন্দৰ্য কিছু পৰিমাণে লাঘৱ কৰিছে।
আৰু পুৰণি আঢ্যৱন্ত পৰিয়ালবিলাকত
ছ। ঠিক সেইদৰে কাপোৰ ধোৱা পটা,
পছাৰ পদশিলা হিচাপেও ইয়াত শিল

দক্ষিণ কামৰূপ অঞ্চলটোৱে গুৰুত্বপূৰ্ণ
য়াৰ লগত বেছিভাগ পৰিয়ালৰ জীৱন
পৰিয়ালে তাঁত শিল্পৰ সহায়ত ভাতমুঠি

# জুবিন গাৰ্গ

অসমৰ সংগীত জগতৰ হিয়াৰ আ
আছিল অনামী যাদু। তেওঁ অনেক গীতি
গাইছে।

'মই মৰিম যিদিনা' গীতিকাৰ মানস
অৰ্থ হ'ল 'এক গভীৰ প্ৰেমৰ অনুভৱ'।
মৃত্যুৰ কথা, তেওঁৰ মৃত্যুৰ পিছতো তেওঁ
সংৰক্ষণ হৈ ৰোৱাৰ কথা, গভীৰ প্ৰেম
স্মৃতি, প্ৰেম, আশা আৰু সপোন এইখিনি

গীতিকাৰ গনেশ গগৈ ৰচিত 'বেলি
গীতটিৰ অৰ্থ হ'ল 'সূৰ্য অস্ত যোৱাৰ এক
যোৱাৰ সময়ত নদীৰ ঢৌবোৰে এক
যোৱাৰ সময়ত নদীৰ কাষতে থমকি ৰ
বুকুত জীৱন-যাপন কৰা অসমীয়া মানুহ
দাঙি ধৰিছে। প্ৰাকৃতিক সৌন্দৰ্যৰ, বিশে
লুইতৰ বুকুত নাও বাই থকা এক মনোমে
উঠিছে।

গীতিকাৰ অজয় ফুকন ৰচিত 'জ
ৰ'ম' এই গীতটো এটা ৰোমাণ্টিক গীত।
প্ৰেমিকৰ নিজৰ প্ৰেমিকাৰ প্ৰতি থকা গভী
প্ৰেমিকজনে নিজৰ প্ৰেমিকাজনীক এই জ
তেওঁলৈ বাট চাম বুলি কল্পনা কৰিছে।
পোৱা গীতটো সুন্দৰ।

বিজিত তামুলী ৰচিত 'বাটৰে শেষ
গাৰ্গে গোৱা শেষ গীত। এই গীতটো
গীত। তেওঁৰ মৃত্যুৰ আগতেই এই গীতটি
গীতটো অতি বিশেষ হৈ বৈছে।

জুবিন গাৰ্গৰ ৰচিত 'এন্ধাৰ হ'ব
কঠিন সময়ৰ আশা, স্মৃতি আৰু ভৱিষ্যতৰ
প্ৰকাশক গীত। কিছুমান স্মৃতি আৰু অ
নিজৰ পৰা আঁতৰাই নাৰাখে, বৰঞ্চ সূৰ্য
ৰাখিব বিচাৰে। এই গীতটিত অতীতৰ
পাইছে। সেই স্মৃতিসমূহক আঁতৰ কৰিব
এক অংশ হিচাপে জীয়াই ৰাখিব বিচাৰে
নিজৰ জীৱনৰ আশা আৰু ভৱিষ্যতৰ গ
হয়।

গীতিকাৰ আৰ এফ আকাশ ৰচিত
গীতটো অতি দুখলগা আৰু গভীৰ অ
অভাৱত গীতিকাৰে লিখা গীতটি কৰুণ।





# দক্ষিণ কামৰূপৰ লোক-সংস্কৃতিত এভুমুকি

ড° লীলাৱতী চৌধুৰী
সহযোগী অধ্যাপিকা তথা বিভাগীয় প্ৰধান, শিক্ষা বিভাগ

'লোক-সংস্কৃতি' শব্দটোৱে কোনো জাতি বা গোষ্ঠীৰ সাংস্কৃতিক দিশৰ এক বিশাল সমষ্টিক বুজায়। লোক-সংস্কৃতি শব্দটোত দুটা শব্দৰ সংযোগ ঘটিছে। এটা হৈছে 'লোক' আনটো হৈছে 'সংস্কৃতি'। 'লোক' শব্দৰ অৰ্থ হৈছে জনসাধাৰণ আৰু সংস্কৃতি শব্দৰ অৰ্থ হৈছে কৃষ্টি, বিদ্যা-বুদ্ধি, শিল্প-কলা, শিক্ষা-দীক্ষা, ৰীতি-নীতি আদিৰ চৰ্চা কৰা। অৰ্থাৎ জনসাধাৰণৰ দ্বাৰা জনসাধাৰণৰ মাজত প্ৰচলিত কৃষ্টি, বিদ্যা-বুদ্ধি, শিল্প-কলা, শিক্ষা-দীক্ষা, ৰীতি-নীতি আদিকে লোক-সংস্কৃতি বুলি ক'ব পাৰি। জাৰ্মান পণ্ডিতসকলৰ মতে, লোক-সংস্কৃতি হৈছে জনসাধাৰণৰ কবিতা। আনহাতে ফৰাচী পণ্ডিতসকলৰ মতে, লোক-সংস্কৃতি হৈছে জনসাধাৰণৰ ঐতিহ্য মাথোঁন।

এই লোক-সংস্কৃতিৰ ক্ষেত্ৰত দক্ষিণ কামৰূপ অঞ্চলটোৱে এক বিশাল স্থান অধিকাৰ কৰি আহিছে। দক্ষিণ কামৰূপৰ লোক-সংস্কৃতি বুলি ক'লে এক আকৰ্ষণীয় প্ৰতিচ্ছবিয়ে আমাৰ মাজত ভূমুকি মাৰে— যিবিলাক এই অঞ্চলৰ জনসাধাৰণৰ সুখ-দুখ, জ্বালা-যন্ত্ৰণা, ভয়-ভীত আদিৰ লগত একাত্মভাৱে জড়িত হৈ আছে। সাধাৰণতে মানুহৰ জীৱন আৰু সংস্কৃতি এটা মুদ্ৰাৰ দুটা পিঠি। এই কথাশাৰী দক্ষিণ কামৰূপৰ জনসাধাৰণৰ মাজত প্ৰতিফলিত হোৱা দেখা যায়।

দক্ষিণ কামৰূপ অঞ্চলটো সৰু সৰু পাহাৰ, বননি, নৈ-বিল, জান-জুৰিৰে ঢাক খোৱা; য'ত প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্য আচ্ছাদিত। ইয়াৰ জনসাধাৰণৰ জীৱন-গাঁথনি কৃষিৰ লগত বিশেষভাৱে জড়িত। সেয়ে তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা অতি উন্নত নাছিল যদিও দুখলগা বিধৰো নাছিল। অৰ্থাৎ আকালো নাছিল, ভঁৰালো নাছিল। খেতিৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি নিজেই সাজি লৈছিল। কাৰণ এই অঞ্চল সুদূৰ অতীতৰ পৰা বাঁহ, বেত, কাঠ আদিৰে পৰিপূৰ্ণ আছিল, যদিও বৰ্তমান এইবিলাকৰ পৰিমাণ যথেষ্ট কমি আহিছে। আনকি দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় সঁজুলিবিলাকো সজাই লৈছিল। দক্ষিণ কামৰূপ অঞ্চলৰ জনসাধাৰণৰ জীৱন বাঁহৰ লগত নিবিড়ভাৱে জড়িত হোৱা বাবে ই লোকগীতৰ লগতো সাঙোৰ খাই পৰিছে।

বাৰীৰে পিছৰে
জাতি বাঁহ জুপি
সিয়ো সোদৰৰ ভাই,
জীয়াই থাকোমানে কৰোঁ কাঠি কামি
মৰিলে লগতে যায়।

এই অঞ্চলৰ বাঁহৰ নিচিনা কাঠৰ ব্যৱহাৰো সমানেই আছিল। এই কাঠেৰেই ঘৰ-দুৱাৰ, পিৰা, ঢেকী, উৰল আদি নিত্য ব্যৱহাৰ্য সঁজুলিসমূহ সজাই লৈছিল। দক্ষিণ কামৰূপ অঞ্চলটো সৰু সৰু পাহাৰেৰে পৰিপূৰ্ণ বাবে ইয়াত শিল যথেষ্ট পোৱা গৈছিল, সেয়ে শিলৰ ব্যৱহাৰো মন কৰিবলগীয়া। প্ৰতিগৰাকী গৃহিণীৰ বাবে পাগঘৰৰ দৰকাৰী সঁজুলি আছিল পটা-পাটকু। যদিও বৰ্তমানত মিক্সিৰ ব্যৱহাৰে ইয়াৰ সৌন্দৰ্য কিছু পৰিমাণে লাঘৱ কৰিছে। তথাপিও ই গাঁও অঞ্চলত আৰু পুৰণি আঢ্যৱন্ত পৰিয়ালবিলাকত নিজৰ স্থায়িত্ব বজাই ৰাখিছে। ঠিক সেইদৰে কাপোৰ ধোৱা পটা, উধান, দুৱাৰৰ ডাং, পানীপছাৰ পদশিলা হিচাপেও ইয়াত শিল ব্যৱহাৰ কৰা হয়।

তাঁত শিল্পৰ ক্ষেত্ৰতো দক্ষিণ কামৰূপ অঞ্চলটোৱে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। ইয়াৰ লগত বেছিভাগ পৰিয়ালৰ জীৱন সাঙোৰ খাই আছে। বহুতো পৰিয়ালে তাঁত শিল্পৰ সহায়ত ভাতমুঠি

উলিয়ায়। অৱশ্যে ইয়াত এৰী, কঁপাহ, মুগা, পাট উৎপাদন কৰাৰ সকলো সুবিধা আছিল, যদিও সময়ৰ সোঁতে ইয়াৰ মানদণ্ড বহু পৰিমাণে হ্ৰাস কৰিছে। কঁপাহ ধুনা, সূতা কটা নিত্য কৰ্ম আছিল। ইয়াত উৎপাদিত এৰী কাপোৰৰ সুনাম এতিয়াও বিৰাজমান। লগতে দৈনন্দিন জীৱনৰ বাবে লাগতিয়াল সকলো পোছাক উৎপাদন কৰিছিল। এই অঞ্চলৰ মহিলাসকলে হাতেবোৱা কাপোৰ বিক্ৰী কৰি পৰিয়ালৰ জীৱিকা উলিয়াইছিল।

তাঁত শিল্পৰ নিচিনা মৃৎ শিল্পইও দক্ষিণ কামৰূপৰ দুটা সম্প্ৰদায়ৰ জীৱিকাৰ পথ সুগম কৰি দিছে। এই অঞ্চলত বসবাস কৰা হীৰা আৰু কুমাৰ সম্প্ৰদায়ে মাটিৰ পাত্ৰ গঢ়ি পেটৰ ভাতমুঠি উলিয়াইছিল। অৱশ্যে বৰ্তমান মৌলিক প্ৰয়োজন পূৰণৰ বাবে এওঁলোকে আন আন কৰ্মৰ লগতো জড়িত হোৱা দেখা যায়। কুমাৰসকলে 'চাক' যন্ত্ৰত পাত্ৰ সজাৰ লগতে পোৱা পদ্ধতিও বেলেগ আছিল। এওঁলোকে কাটা, চৰু, লুকি, কলহ, ভেটুৱা, ঘট, ধূনাদানি, চিলিম আৰু নানা ধৰণৰ পুতলা সাজে। আনহাতে হীৰাসকলে গঢ়া পাত্ৰবোৰ হ'ল থালী, কলহ, ডাবাৰ।

দক্ষিণ কামৰূপৰ লোক-সংস্কৃতিত ৰন্ধনকলাৰ স্থান অন্যতম। এই অঞ্চলৰ ৰান্ধনিৰ জুতি-বিধি শলাগিবলগীয়া। তেওঁলোকে প্ৰতি সাজতে ভাপত দিয়া, পাতত দিয়া, খাৰ জাল দিয়া, পোৰা, উহোৱা আদি ব্যঞ্জনৰ জৰিয়তে ভাতৰ কাঁহীখন চকুত লগা কৰি তুলিছিল। সেয়ে ৰন্ধনকলাক লোক গীতৰ মাজেৰেও প্ৰকাশ কৰা হৈছিল—

এ আপি কিহেদি খালি ভাত  
কিহেদি খালি ভাত  
নুন জালুকা বাখাৰ বটা  
.কাকিৰালৰ পাত  
আপি সেইদি খালু ভাত  
সেইদি খালু ভাত।  
('দক্ষিণ কামৰূপৰ লোক কলা'— ভৱানীকান্ত চৌধুৰী)

আনকি পিঠা-পনা, লাড়ু তৈয়াৰ কৰাৰ ক্ষেত্ৰতো এই অঞ্চলৰ মহিলাসকল পাকৈত আছিল। বেছিভাগেই হাতে সজোৱা বস্তুৰে আলহী-অতিথি সুধিছিল।

এই অঞ্চলৰ নাৰী সমাজত প্ৰসাধন শিল্পৰ স্থান অন্যতম। তেওঁলোকে অলংকাৰক 'গহণা' বুলিছিল। গহনাৰ ভিতৰত ফুটি, চৰতীয়া, খাৰু, বাজু, মুঠিখাৰু, পিপিলিলতা, নাকফুল, ঢোলমাদলি ব্যৱহাৰ কৰিছিল। দক্ষিণ কামৰূপৰ অঞ্চলটোৱে পৰিৱেশ্যকলাৰ ক্ষেত্ৰতো সুনাম লাভ কৰিছিল। সুদূৰ অতীতৰ পৰা গীত-নৃত্য-অভিনয়ে এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। এই অঞ্চলৰ যাত্ৰাপাৰ্টি, ঢুলীয়া, ওজাপালি, বিভিন্ন প্ৰকাৰৰ নাম আদি অনুষ্ঠানে অঞ্চলটোক পৰিৱেশ্যকলাৰ ক্ষেত্ৰত উচ্চ আসন লাভ কৰাত সহায় কৰি আহিছে।

চিকিৎসা কলাৰ ক্ষেত্ৰতো দক্ষিণ কামৰূপৰ জনসাধাৰণৰ স্থান মন কৰিবলগীয়া। তেওঁলোকে আসুৰিক চিকিৎসাত বিশ্বাস কৰিছিল। যেনে— তেলজৰা, মন্ত্ৰ, পানীজৰা, মুখ ভঙোৱা, তাবিজ-মাদলি ব্যৱহাৰ কৰিছিল। মানুহৰ নিচিনা জীৱ-জন্তুৰ ক্ষেত্ৰতো এনেকুৱা আসুৰিক চিকিৎসা গ্ৰহণ কৰিছিল। এনেকুৱা ভিন ভিন দিশলৈ লক্ষ্য কৰি ক'ব পাৰি যে লোক-সংস্কৃতিত দক্ষিণ কামৰূপ অঞ্চলটোৰ স্থান অন্যতম।

সাধাৰণতে এনেকুৱা সংক্ষিপ্ত লিখনিৰ মাজেৰে দক্ষিণ কামৰূপ অঞ্চলৰ লোক-সংস্কৃতি প্ৰকাশ কৰা সম্ভৱ নহয়। তথাপিও এই চমু লিখনিৰ মাজেৰে এই অঞ্চলৰ সংস্কৃতি সম্বন্ধে সামান্য আভাস দিয়াৰ চেষ্টা কৰিলোঁ। পাহৰণিৰ গৰ্ভত হেৰাই যাব খোজা এই সাংস্কৃতিক সমলসমূহ সংগ্ৰহত সকলোৱে আগভাগ লোৱা উচিত, যাতে উত্তৰ পুৰুষে নিজৰ থলুৱা সংস্কৃতিৰ লগত চিনাকি হোৱাৰ সুবিধা পায়।

অৰ্থ ভাঙনি ঃ  
কিহেদি— কিহেৰে  
নুন— নিমখ  
কাকিৰাল— তিতা কেৰেলা। ■



# দক্ষিণ কামৰূপৰ বৰঝাৰ অঞ্চলৰ দক্ষিণ-পশ্চিমত থকা গাৰো জনজাতীয় লোকসকলৰ চমু পৰিচয়

**পাপৰি ৰাভা**  
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

অসম বহু জাতি আৰু বহু ভাষিক লোকৰ সমন্বয় স্থল। অসমত বাস কৰা বড়ো, কাৰ্বি, মিচিং, তিৱা, ৰাভা আদিৰ দৰে এটা অন্যতম জনজাতি হৈছে গাৰো লোকসকল। উত্তৰ-পূৱ ভাৰতৰ মেঘালয়, অসম, ত্ৰিপুৰা নাগালেণ্ড ৰাজ্য আৰু বাংলাদেশৰ কিছুমান চুবুৰীয়া অঞ্চলত এওঁলোকৰ বসতি পোৱা যায়। গাৰো লোকসকল হৈছে চীনা-তিব্বতীয় জনগোষ্ঠীৰ লোক। ১৯৯১ চনৰ লোকপিয়লৰ তথ্য অনুযায়ী অসমৰ ১,১৪,৭৭৯ জন আৰু ভাৰতত ৬,৭৫,৬৪২ জন গাৰো ভাষী লোক আছিল। ২০০১ চনত ভাৰতৰ গাৰোভাষী লোকৰ সংখ্যা বঢ়ি ৮,৮৯,৪৭৯ জন হৈছেগৈ।



জনজাতীয় লোকসকল সেউজীয়া পাহাৰৰ নামনিত বাস কৰা সমৃদ্ধিশালী লোক। দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলসমূহত জনজাতীয় লোকৰ বসতিপ্ৰধান। বৰদুৱাৰ অঞ্চলৰ দক্ষিণ-পশ্চিম অংশত এটা বৃহৎ অংশ ৰাভা জনজাতি লোকে বাস কৰে যদিও ইয়াৰ মাজত 'গাৰো' জনবসতি আছে। তলত এই 'গাৰো' জনজাতীয় লোকসকলৰ জীৱন আৰু সংস্কৃতি সম্পৰ্কে চমু আভাস দিবলৈ চেষ্টা কৰা হ'ল।

দক্ষিণ কামৰূপৰ অতি পৰিচিত পৰ্যটনস্থলী 'চানডুবি' বিলৰ পৰা দক্ষিণ-পশ্চিমে প্ৰায় ৮ কিঃমি নিলগত অৱস্থিত নিৰিবিলি দুখন গাঁও 'বাৰৈগাঁও' আৰু 'সোণাপুৰ'। এই দুয়োখন গাঁৱতে গাৰো ভাই-ভনীসকলে বসতি কৰি আহিছে। বাৰৈগাঁও আৰু ইয়াত বাস কৰা লোকসকলৰ পৰিচয় সম্পৰ্কে এটা জনশ্ৰুতি প্ৰচলিত আছে। কোৱা হয় পূৰ্বতে অন্য জনজাতীয় লোকসকলৰ দৰে ইয়াত বাস কৰা লোকসকলৰ পূৰ্বপুৰুষসকলেও দেৱতা পূজা কৰিছিল। সেই সময়ত তেওঁলোকে বাৰৈগাঁৱৰ পৰা পূবে কিছু দূৰৈত পাহাৰৰ মাজত অৱস্থিতি 'বাজাখুমাই' নামে অঞ্চলৰ 'চৰাই খৰুং' নামৰ ঠাইত বাস কৰিছিল। ১৮৭২ চনত মাইলচ ব্ৰনচন চাহাবে পোনপ্ৰথমে চৰাইখৰুংত খ্ৰীষ্টধৰ্মৰ পাতনি মেলে। খ্ৰীষ্ট লোকৰ জনবিশ্বাস অনুসৰি কোৱা হয় যে খ্ৰীষ্টধৰ্মত লীন হোৱা নিষ্পাপ লোকে পবিত্ৰ আত্মা (Holy Spirit) লাভ কৰে। এনে লোকে নিজৰ ঐশ্বৰিক শক্তি তথা চিত্তৰ সহায়ত সাধাৰণ মানুহে নেদেখা সকলো দেখা পায়। এনে এজন পবিত্ৰ আত্মা থকা লোকে হাবি, জংঘলেৰে ভৰা 'চৰাই খৰুং' জনবসতিৰ বাবে উপযোগী নহয় বুলি তেওঁলোকৰ বাবে দক্ষিণ মায়াং পাহাৰৰ দাঁতিত বসতি সুচল ঠাই নিৰ্বাচন কৰিছিল আৰু তেওঁলোকক তাতে থাকি জীৱন-যাপন কৰিবলৈ উপদেশ দিছিল। সেইমৰ্মে ১৮৮৪ চনত 'চৰাইখৰুং' অঞ্চলৰ পৰা বাৰ ঘৰ মানুহ আহি দক্ষিণ মায়াং পাহাৰৰ দাঁতিত গাঁও পাতি থাকিবলৈ লয়। বাৰঘৰ মানুহৰ পৰা গাঁওখনৰ নাম বাৰঘৰ হয় আৰু পিছলৈ ক্ৰমে বাৰৈগাঁও হয়গৈ। সোণাপুৰ গাঁওখন বাৰৈগাঁৱৰে অংশবিশেষ। ই ১৯৪৭ চনত বাৰৈগাঁৱৰপৰা বিভাজিত হৈ সোণাপুৰ নাম লয়।

সহজ-সৰল ভাব-ভংগী আৰু অতিকৈ মৰমীয়া স্বভাৱ এওঁলোকৰ এটা প্ৰধান বিশেষত্ব। এওঁলোকে মাতৃপ্ৰধান সমাজ প্ৰতিধিত্ব কৰে। অঞ্চলটোৰ সৰহভাগ লোক কৃষিপ্ৰধান হোৱা বাবে এওঁলোকৰ সৰহভাগ লোক কৃষিৰ লগত জড়িত। ঘৰুৱা পৰিৱেশ বুলিবলৈ প্ৰত্যেক ঘৰৰ চোতালৰ আগত এখন সৰুকৈ বাগিছা

থাকে। ঘৰবোৰ বাহ, মাটিৰে পৰিপাটিকৈ সজা। অৱশ্যে কিছু কিছু ক্ষেত্ৰত আধুনিকতাৰ পৰশ সু-স্পষ্ট। সহজ-সৰল মানুহবোৰৰ ওচৰ-চুবুৰীয়া গাঁওবোৰৰ লগতো ওতপ্ৰোত সম্পৰ্ক আছে। প্ৰত্যেক উৎসৱ-পাৰ্বণত তেওঁলোকৰ পৰা চুবুৰীয়া গাঁৱৰ কুতুম্বলৈ সান্দহ, পিঠা-পোণা আদি আদান-প্ৰদানে এটা সুকীয়া বৈশিষ্ট্য দাঙি ধৰে। একেদৰে বিবাহ সম্পৰ্কত যদিও চুবুৰীয়া গাঁওবোৰ ৰাভা জনজাতীয় মানুহে বাস কৰে তথাপি কোনো জাতি-ধৰ্ম ভেদাভেদ নাৰাখি বিবাহকাৰ্য সম্পন্ন হোৱা দেখা যায়। আৰু দুটা জনজাতি মিলাপ্ৰীতিৰে বাস কৰি আহিছে। এওঁলোকৰ মহিলাসকলে লুখা বা ৰাংচাত কচু, আলু, পাণ, তামোল, শুকান মাছ, পোণা আদি বেচিবলৈ বজাৰলৈ কঢ়িয়াই নিয়াৰ দৃশ্য অতি মনোৰম।

ভাষাৰ ক্ষেত্ৰত তেওঁলোকৰ মাতৃভাষা হৈছে 'গাৰো' ভাষা। সংযোগী ভাষা হিচাপে অসমীয়া (ৰাভামিজ), ইংৰাজী, গাৰো, হিন্দী, কাচী আদি ভাষা ব্যৱহাৰ কৰে। তেওঁলোকৰ নিজা লিপি নাই বাবে ৰোমান লিপি ব্যৱহাৰ কৰে। শিক্ষা ক্ষেত্ৰত তেওঁলোকৰ সুবিধাৰ অৰ্থে ইংৰাজী মাধ্যমৰ স্কুলত ল'ৰা-ছোৱালীবোৰে শিক্ষাগ্ৰহণ কৰে আৰু উচ্চ শিক্ষাৰ বাবে শ্বিলং, তুৰা আদি ঠাইলৈ যায়। অৱশ্যে কিছুসংখ্যক ল'ৰা-ছোৱালী স্থানীয় অসমীয়া মাধ্যমৰ মহাবিদ্যালবোৰতো শিক্ষা গ্ৰহণ কৰে।

ৰাভা জনজাতীয় লোকসকলৰ মাজত থকা ভাগ বা গোট (মাহাৰী)ৰ দৰে গাৰো জনজাতীয় লোকসকলৰ মাজতো বহুকেইটা গোট (মাহাৰী) আছে। তাৰে ভিতৰত নোমবাক (Nombak), খামা (Khama), জোংশী (Jongshey), গাবেল (Gabil), চিনাল (Sinal) আদি গোট বাৰৈগাঁৱৰ গাৰো লোকসকলৰ মাজত প্ৰধান। তেওঁলোকে গোটসমূহৰ পৰিচয় ক্ৰমে নামৰ শেষত এন. চাংমা (N. Sangma), কে. মাৰাক (K. Marak), জে. চাংমা (J. Sangma), জি. চাংমা, এচ. চাংমা আদি উপাধি ব্যৱহাৰ কৰে।

উৎসৱ পাৰ্বণ ঃ ৰোল কোল সোভা (Roll coll Sobha) ঃ স্থানীয় গাঁৱৰ সভা, জানুৱাৰী মাহত পালন কৰা হয়।

ক্ৰিমা সোভা (Krima Sobha) ঃ অঞ্চলবিশেষে জানুৱাৰী মাহত  পালন কৰা হয়।

বাদ্যযন্ত্ৰ ঃ তেওঁলোকে বাদ্যযন্ত্ৰৰ ভিতৰত প্ৰধানতঃ ড্ৰাম (Stand Dram), কি, ব'ৰ্ড (Keyboard), গীটাৰ (Guiter) আদি ব্যৱহাৰ কৰে।

খাদ্যাভ্যাস ঃ গাৰো জনজাতীয় লোকসকলৰ শুকান মাছৰ গুৰি (সিন্দল) এবিধ প্ৰিয় আৰু প্ৰধান ব্যঞ্জন, ইয়াক তেওঁলোকৰ ভাষাত নাখাম (Nakham) বুলি কয়। শুকান মাছ তেওঁলোকৰ ভাষাত Nasep, বাঁহগাজৰ পৰা প্ৰস্তুত কথা এবিধ টেঙা সোৱাদ জাতীয় খাদ্য 'গাজা টেঙা' (Mlea meseng)। আদিৰ দৰে বৈচিত্ৰ্য সোৱাদপূৰ্ণ খাদ্য তেওঁলোকে খায়। তেওঁলোকৰ মাজত তেল নিদিয়াকৈ পানীত মাংস, শাক সিজাই খোৱাৰ অভ্যাসো দেখা যায়। সাধাৰণতে যিটো ৰন্ধন প্ৰণালীক 'উহাই' খোৱা বুলি কয়।

সাজপাৰ ঃ সাজপাৰৰ ক্ষেত্ৰতো তেওঁলোকৰ বৈচিত্ৰ্যতা মন কৰিবলগীয়া। প্ৰধানকৈ মহিলাসকলৰ ক্ষেত্ৰত। মহিলাসকলে পিন্ধা সাজপাৰক (১) দাকমান্দা (Dakamanda) আৰু (২) দাকসেৰা (Daksera) নামে জনা যায়। দাকসেৰা সাধাৰণতে ঘৰত ব্যৱহাৰ হোৱা মেখেলাসদৃশ কাপোৰ।

আ-অলংকাৰ ঃ

১। ৰিখ্‌গিটোক (Rikhgitok) এবিধ ডিঙিত পিন্ধা অলংকাৰ।

২। চৌকি (Sengki) কাণৰ অলংকাৰ।

৩। নাতাপসি (Natapsi)

৪। দোমে (Dome) মূৰত পিন্ধা গহনা।

এই গাৰো ভাই-ভনীসকলৰ কথা লিখি শেষ কৰিব নোৱাৰি। তেওঁলোকৰ মাজত থকা স্বকীয় বৈশিষ্ট্যবোৰে তেওঁলোকৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন আৰু সংস্কৃতিৰ পৰিচয় দাঙি ধৰে। শেষত ক'ব পাৰি যে, এই জনজাতীয় লোকসকলে ফুলনি এখনত ফুলি থকা ৰং-বিৰঙৰ ফুলবোৰৰ দৰে অসমখনকো সজাই ৰাখিছে।


সহায়ক গ্ৰন্থপঞ্জী ঃ

ৰাভা হাকাচাম, উপেন ঃ অসমীয়া আৰু অসমৰ ভাষা-উপভাষা।


বিঃদ্ৰঃ- বাৰৈগাঁও তথ্য সম্পৰ্কে স্থানীয় লোকৰ সহায় লোৱা হৈছে। ■



# জালি-পুতলিৰ বিবাহ উৎসৱ


**চুমী চৌধুৰী**
স্নাতক চতুৰ্থ ষাণ্মাসিক


দক্ষিণ কামৰূপৰ প্ৰসিদ্ধ আমৰাঙ্গা গাঁৱৰ জগলীয়া নৈৰ দক্ষিণ পূব দিশত অৱস্থিত এটা সৰু চুবুৰী হৈছে চৌধুৰীপাৰা।

প্ৰধানকৈ কৃষি নিৰ্ভৰ এই অঞ্চলৰ বাসিন্দাসকল অসমীয়া কলা-কৃষ্টি আৰু পৰম্পৰাৰ প্ৰতি সদা সচেতন। গাঁওবাসীৰ উদ্যোগতেই প্ৰতিবছৰে মাঘ বিহুত নামঘৰৰ বাকৰিত অনুষ্ঠিত কৰা হয় পৰম্পৰাগত 'জালি-পুতলিৰ বিবাহ' উৎসৱ। এই উৎসৱৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল সেই সম্পৰ্কে কোনোধৰণৰ সঠিক তথ্য পোৱা নাযায় যদিও মাঘ বিহুৰ দোমাহিৰ দিনটোত প্ৰতিবছৰে অতি আগ্ৰহেৰে গাঁওবাসীয়ে এই পুতলা বিবাহ উৎসৱটো পালন কৰি আহিছে। এই উৎসৱটোত বিশেষকৈ মহিলাসকলে আগভাগ লয়। বিবাহ অনুষ্ঠিত কৰা কাঠৰ দৰা-কইনাৰ মূৰ্তি দুটা হৰ-গৌৰী অৰ্থাৎ শিৱ আৰু পাৰ্বতী দেৱী হিচাপে ধৰা হয়। ৰাইজৰ দান-বৰঙণিত এই বিবাহ-পৰ্ব অনুষ্ঠিত কৰা হয়। বিবাহ উৎসৱৰ দিনটোত আয়তীসকলৰ মতে দৰা-কইনাক বেলেগ বেলেগ স্থানত ৰখা হয়। জনবিশ্বাস অনুসৰি বিবাহৰ উপযুক্ত ল'ৰা বা ছোৱালী থকা ঘৰত দৰা-কইনাক ৰখা হয়। তেতিয়া সেই ঘৰখনৰ ল'ৰা-বা ছোৱালীয়ে হৰ-গৌৰীৰ কৃপা লাভ কৰে। বিবাহৰ আগত দৰা-কইনাক গা-ধুওৱাৰ উদ্দেশ্যে আয়তীসকল ওচৰৰ বিল, পুখুৰী, বা নামঘৰ প্ৰাংগণৰ দমলকলৰ পৰা পানী তুলিবলৈ যায়। পানী তোলা কলচীত পৰম্পৰাগত বিয়াৰ আৰ্হিৰে সেন্দূৰৰ ফোঁট, আমৰ ডাল দিয়া হয় আৰু গীত গোৱা হয়। লগতে ঢুলীয়া বা বেণ্ডপাৰ্টিও নিয়া হয়।

পানীতোলা পৰ্ব সমাপ্ত হোৱাৰ পাছত দৰা ৰখা গৃহস্থৰ ঘৰলৈকে দৰাক আদৰি আনিবলৈ যোৱা হয়। দৰা ৰখা গৃহস্থই চাহ-পিঠা-পনাৰে ৰাইজক আপ্যায়িত কৰে। গৃহস্থৰ চোতালত নৈবেদ্য আগবঢ়োৱা হয় আৰু কলপুলি পুতি অসমীয়া সমাজৰ সকলো নিয়মৰ মাজেৰে দৰা ধুওৱা হয়। এই সময়খিনিত মহিলাসকলে বিভিন্ন গীত গাই দৰা ধুওৱা গৰাকীক কল-আটা লগাই ধেমালি কৰে। ইয়াৰ পিছত দৰাক নতুন কাপোৰ পিন্ধোৱা হয় আৰু মাহ-প্ৰসাদ বিতৰণ কৰি দৰাক মন্দিৰলৈ অনা হয়।

একদৰে কইনাকো নামঘৰৰ প্ৰাংগণতে কলপুলি পুতি ধুওৱা হয়। কইনাৰ গাত মাহ-হালধি ঘঁহি দিয়া হয় আৰু নতুন বস্ত্ৰ পৰিধান কৰাই লগতে শিৰত সেন্দূৰ দিয়া হয়। এই পৰ্বখিনি হৈ যোৱাৰ পিছত নামঘৰৰ এক নিৰ্দিষ্ট স্থানত দৰা-কইনাক একেলগে স্থাপন কৰি সকলোৱে আশীৰ্বাদ লয় যাতে গাঁওবাসীসকল বছৰটোৰ সকলো বিপদৰপৰা হাত সাৰি থাকিব পাৰে। বিবাহ সম্পূৰ্ণ হোৱাৰ পিছত ৰাইজৰ মাজৰ পৰাই উচৰ্গা কৰে। ৰাইজে নিজ ইচ্ছা অনুসৰি যি টকা উচৰ্গা কৰে সেয়া নামঘৰৰ কাৰ্যত ব্যৱহাৰ কৰে। সকলো সমাপ্ত হোৱাৰ পিছত দৰা-কইনাক গৃহ প্ৰৱেশ অৰ্থাৎ নামঘৰৰ ভিতৰত প্ৰৱেশ কৰোৱাই বিবাহ সমাপ্ত কৰে। ■



# দৌল উৎসৱ

ৰিতাশ্ৰী কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ঋতুৰাজ বসন্তৰ আগমন ঘটাৰ লগে লগে প্ৰকৃতিয়ে যেন নতুন ৰূপ ধাৰণ কৰে। চাৰিওফালে গছত কুঁহিপাত মেলে। ফুলে ফুলে ভ্ৰমৰৰ গুঞ্জন, পখীৰ কলকলনিৰে মুখৰিত প্ৰকৃতিৰ চৌদিশ। পূৰ্ণিমাৰ ভৰুণ জোনেৰে মায়াময় আকাশ। এইহেন মহান দিনত মানৱৰূপী ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ প্ৰেমাপ্লুত ভক্তিত গদ্‌গদ্ গোপীসকলৰ সৈতে যমুনাৰ বালিত আনন্দৰ আধাৰ অৱতাৰণা কৰিছিল। তেতিয়াৰে পৰা যুগে যুগে সমগ্ৰ ভাৰতবৰ্ষৰ তথা অসমতো ফল্গুৎসৱৰ আনন্দই এই বিশেষ দিনটোত সকলোৰে মন অধিকাৰ কৰি আহিছে। পৰমপুৰুষ শ্ৰীকৃষ্ণই ৰাধাৰ প্ৰেমতে মতলীয়া হৈ বসন্তকালৰ প্ৰাৰম্ভতে শ্ৰীকৃষ্ণই ষোড়শ গোপীনীৰ সৈতে বৃন্দাবনত ফাঁকু খেলিবলৈ ধৰিলে।

ভগৱান শ্ৰীবিষ্ণুৰ একান্ত ভক্ত প্ৰহ্লাদক পিতৃ দৈত্যপতি হিৰণ্যকশিপুৱে বধ কৰিবলৈ ভগ্নী হোলিকাক নিৰ্দেশ কৰিছিল। হোলিকাই প্ৰহ্লাদক ভষ্মীভূত কৰিব নোৱাৰি নিজৰ শৰীৰৰ জুইত নিজে ভষ্মীভূত হৈ নিজৰ ভুল বুজিব পাৰি প্ৰহ্লাদৰ ওচৰত ক্ষমা খোজে।

ভাৰতবৰ্ষৰ কোনো কোনো ঠাইত ফাঁকুৱাৰ আগদিনা ৰাতি মেজি সাজি নৃত্য-গীত গাই আনন্দ প্ৰকাশ কৰে।

বসন্ত কালত পালন কৰা উৎসৱসমূহৰ ভিতৰত দৌল যাত্ৰা উৎসৱ অন্যতম। মূলতে ফাঁকুৱা বা দৌল উৎসৱ বা হোলী হৈছে একতা, ভাতৃত্ববোধৰ বান্ধোনেৰে গঢ়া অসমীয়াৰ অনন্য উৎসৱ। ইয়াত জাত-পাত, সৰু-বৰ একোৰে ভেদাভেদ নাথাকে। এনে লাগে যেন আবিৰৰ ৰঙেই বসন্ত কালত ধৰালৈ আগমন ঘটা উৎসৱসমূহক আদৰণি জনোৱা হয়। ■






"মানৱীয় প্ৰমূল্যৰ সৈতে শিল্প-সাহিত্যৰ গভীৰ সম্পৰ্ক যুগে-যুগে বিৰাজমান।"

া

ৰীতা ভট্টাচাৰ্য্য
কাৰী অধ্যাপিকা, শিক্ষা বিভাগ

2024" শীৰ্ষক প্ৰতিবেদন দুখনত
মহামাৰীৰ ফলত অগণন লোকে
হামাৰীত নিকটাত্মীয়ক হেৰুৱাই
বলৈ লৈছে। একাংশৰ জীৱিকালৈ
মানসিক চাপ আৰু উদ্বেগজনিক

জীৱন-যাত্ৰাৰ অংশস্বৰূপ হৈ পৰা
চ সংবেদনশীল আলোচ্য বিষয়।
ৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ

সমাজৰ সকলো শ্ৰেণীৰ মানুহে
চ ভোগে, কোনো ব্যক্তিয়ে কোনো
পৰিৱেশ আৰু পৰিস্থিতিৰ কাৰণে
ৱাৰে তেতিয়া ব্যক্তিজনে মানসিক
প হৈছে এক অনুভৱ, যাৰ হেঁচাত
তিৰ সৈতে ভালদৰে মোকাবিলা
মাণৰ মানসিক চাপ আমাৰ বাবে
চাপে আমাক কোনো কাম গুৰুত্ব
য় আৰু আমাৰ বাঞ্চিত লক্ষ্যত
গমটো সুকলমে হৈ যোৱাৰ পিছত
যায়। কিন্তু দীঘলীয়া সময়ৰ বাবে
াপত ভোগে, তেতিয়াহ'লে তেওঁৰ
ইয়াৰ প্ৰভাৱ পৰে। এই ধৰণৰ
ভ্যন্তৰীণ আৰু বাহ্যিকভাৱে তেওঁক
নগত সুস্থভাৱে সমাযোজন কৰাত
চ ভুগিলে ব্যক্তিৰ মানসিক স্বাস্থ্যৰ
হয়। মানসিক চাপৰ বাবেই আজি
সমস্যাই এক ভয়াৱহ ৰূপ ধাৰণ
লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে।
বাবে প্ৰাণঘাতকো হৈছে। মানসিক
জীৱন-যাত্ৰাৰ ক্ষেত্ৰত এক শত্ৰু
সিক চাপৰ ক্ষেত্ৰত ব্যক্তি বিভিন্নতা



ঋতুৰাজ বসন্তৰ আগমন ঘটাৰ
নতুন ৰূপ ধাৰণ কৰে। চাৰিওফালে
ফুলে ভ্ৰমৰৰ গুঞ্জন, পখীৰ কলকলনি
পূৰ্ণিমাৰ ভৰুণ জোনেৰে মায়াময় অ
মানৱৰূপী ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ
গোপীসকলৰ সৈতে যমুনাৰ বালিত
কৰিছিল। তেতিয়াৰে পৰা যুগে যু
অসমতো ফম্মুৎসৱৰ আনন্দই এই বি
অধিকাৰ কৰি আহিছে। পৰমপুৰুষ শ্ৰীবৃ
হৈ বসন্তকালৰ প্ৰাৰম্ভতে শ্ৰীকৃষ্ণই
বৃন্দাবনত ফাঁকু খেলিবলৈ ধৰিলে।

ভগৱান শ্ৰীবিষ্ণুৰ একান্ত ভক্ত





# মানসিক চাপ আৰু নিয়ন্ত্ৰণ

বীতা ভট্টাচাৰ্য্য
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

সাম্প্ৰতিক বিশ্বত মানুহৰ মাজত বিভিন্ন ধৰণৰ মানসিক সমস্যা বৃদ্ধি পাইছে বুলি বিশ্ব-স্বাস্থ্য সংস্থা (WHO)ই এক প্ৰতিবেদনত প্ৰকাশ কৰিছে। আমাৰ দেশৰ নাগৰিকসকলৰ মাজতো হতাশা, উদ্বেগ, অৱসাদ, দুঃশ্চিন্তা আদিৰ দৰে সমস্যা বৃদ্ধি পাবলৈ ধৰিছে। মানসিক স্বাস্থ্যৰ যত্ন লোৱাৰ ক্ষেত্ৰত নাগৰিকসকল যথেষ্ট পিছপৰি আছে। ৰাষ্ট্ৰীয় পৰ্যায়ত চলোৱা 'মেণ্টেল হেলথ-'ৰ এক অনলাইন সমীক্ষাত উল্লেখ কৰা মতে, ভাৰতীয় সকলৰ মাজত বিভিন্ন ধৰণৰ মানসিক সমস্যা বাঢ়িছে যদিও সৰহসংখ্যক ভাৰতীয় লোকে এনেবোৰ মানসিক সমস্যাৰ পৰা নিজক মুক্ত কৰিবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলত এনেবোৰ কাৰকে মানসিক স্বাস্থ্যৰ যথেষ্ট ক্ষতি কৰিছে। শাৰীৰিক সমস্যা সমাধানৰ ক্ষেত্ৰত আমি যিমান যত্নবান হওঁ, সাধাৰণতে মানসিক সমস্যা সমাধানৰ ক্ষেত্ৰত আমি একেই তৎপৰতা গ্ৰহণ নকৰোঁ।

মানসিক স্বাস্থ্য হৈছে স্বাস্থ্যৰ এক অতি প্ৰয়োজনীয় উপাদান। মনৰ আবেগ অনুভূতিবোৰৰ মাজত ভাৰসাম্য ৰক্ষা কৰি মানসিক সুস্থতা বজাই ৰাখিব পৰা অৱস্থাটোকে মানসিক স্বাস্থ্য বুলি কোৱা হয়। শাৰীৰিক স্বাস্থ্য সুস্থ হোৱাৰ লগতে মানসিক স্বাস্থ্যৰ সুস্থতাও সকলোৰে কাম্য।

বৰ্তমান সমাজত সকলো ক্ষেত্ৰতে প্ৰতিযোগিতা বাঢ়ি গৈছে। প্ৰতিযোগিতাৰ দৌৰত মানুহে যিমানেই দৌৰিবলৈ লৈছে মানুহৰ মানসিক শান্তি সিমানেই বিনষ্ট হৈছে। আজিৰ পৃথিৱীত মানসিক স্বাস্থ্যৰ সুস্থতা বজাই ৰাখি এক সুন্দৰ আৰু সুখী জীৱনৰ পৰিশীলন কৰাটোও বহু সময়ত জটিল হৈ পৰিছে। বৰ্তমান আধুনিক জীৱনশৈলী, প্ৰতিযোগিতামূলক মনোভাৱ, পৰিৱৰ্তিত কৰ্মক্ষেত্ৰ, পাৰিবাৰিক সংঘাত, শাৰীৰিক অসুস্থতা, বিত্তীয় সংকট, কেৰিয়াৰৰ প্ৰতিযোগিতা, বন্ধু-বান্ধৱীৰ সৈতে মতানৈক্য, সমনীয়াৰ হেঁচা, প্ৰেমৰ সম্পৰ্ক, ডিজিটেল ডিভাইচৰ অত্যাধিক ব্যৱহাৰ আদিয়ে মানুহৰ মনোজগতত অহৰহ চাপৰ সৃষ্টি কৰে।

WHO-ৰ শেহতীয়া "World Mental Health Today" আৰু "Mental Health Atlas-2024" শীৰ্ষক প্ৰতিবেদন দুখনত প্ৰকাশ পাইছে যে বিগত কৰ'ণা মহামাৰীৰ ফলত অগণন লোকে সংস্থাপন হেৰুৱায়, একাংশই মহামাৰীত নিকটাত্মীয়ক হেৰুৱাই জীৱনত অসুৰক্ষিত অনুভৱ কৰিবলৈ লৈছে। একাংশৰ জীৱিকালৈ আমূল পৰিৱৰ্তন আহিছে, ফলত মানসিক চাপ আৰু উদ্বেগজনিত সমস্যা বৃদ্ধি হ'বলৈ ধৰিছে।

বৰ্তমান আমাৰ আধুনিক জীৱন-যাত্ৰাৰ অংশস্বৰূপ হৈ পৰা বিভিন্ন প্ৰকৃতিৰ চাপ হৈছে এক সংবেদনশীল আলোচ্য বিষয়। কাৰণ ইয়াৰ বৰ্ধিত প্ৰভাৱে মানুহৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে।

ছাত্ৰ-ছাত্ৰীকে আদি কৰি সমাজৰ সকলো শ্ৰেণীৰ মানুহে দৈনন্দিন জীৱনত মানসিক চাপত ভোগে, কোনো ব্যক্তিয়ে কোনো এটা কাম যিভাৱে কৰিব বিচাৰে, পৰিৱেশ আৰু পৰিস্থিতিৰ কাৰণে যদি আশা কৰা মতে কৰিব নোৱাৰে তেতিয়া ব্যক্তিজনে মানসিক চাপ অনুভৱ কৰে। মানসিক চাপ হৈছে এক অনুভৱ, যাৰ হেঁচাত পৰিলে মানুহে কোনো পৰিস্থিতিৰ সৈতে ভালদৰে মোকাবিলা কৰিবলৈ অসমৰ্থ হয়। কম পৰিমাণৰ মানসিক চাপ আমাৰ বাবে উপকাৰীহে, কাৰণ এই সীমিত চাপে আমাক কোনো কাম গুৰুত্ব সহকাৰে কৰিবলৈ প্ৰেৰণা দিয়ে আৰু আমাৰ বাঞ্ছিত লক্ষ্যত উপনীত হোৱাত সহায় কৰে। কামটো সুকলমে হৈ যোৱাৰ পিছত এই মানসিক চাপ নোহোৱা হৈ যায়। কিন্তু দীঘলীয়া সময়ৰ বাবে যদি এজন ব্যক্তি তীব্ৰ মানসিক চাপত ভোগে, তেতিয়াহ'লে তেওঁৰ দৈনন্দিন জীৱনৰ কাম-কাজত ইয়াৰ প্ৰভাৱ পৰে। এই ধৰণৰ মানসিক চাপে এজন ব্যক্তিক আভ্যন্তৰীণ আৰু বাহ্যিকভাৱে তেওঁক নিজৰ লগত আৰু পৰিৱেশৰ লগত সুস্থভাৱে সমাযোজন কৰাত বাধা দিয়ে। তীব্ৰ মানসিক চাপত ভুগিলে ব্যক্তিৰ মানসিক স্বাস্থ্যৰ লগতে শাৰীৰিক স্বাস্থ্যৰো ক্ষতি হয়। মানসিক চাপৰ বাবেই আজি দেশত মানসিক স্বাস্থ্যজনিত সমস্যাই এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দেশত আত্মহত্যা কৰা লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। বহু সময়ত মানসিক চাপ মানুহৰ বাবে প্ৰাণঘাতকো হৈছে। মানসিক চাপ বৰ্তমান মানুহক স্বাভাৱিক জীৱন-যাত্ৰাৰ ক্ষেত্ৰত এক শত্ৰু হিচাপে পৰিগণিত হৈছে। মানসিক চাপৰ ক্ষেত্ৰত ব্যক্তি বিভিন্নতা

পৰিলক্ষিত হয়। অৰ্থাৎ ব্যক্তিৰ চাপ বেলেগ বেলেগ হয়। মানসিক চাপবিহীন জীৱনৰ কথা আমি ভবাটো অসম্ভৱ হৈ পৰিছে। ব্যক্তিভেদে মানসিক চাপৰ লক্ষণসমূহ বেলেগ বেলেগ হ'ব পাৰে। ইয়াৰ সাধাৰণ কিছুমান লক্ষণ হ'ল এনেধৰণ—

**শাৰীৰিক লক্ষণ :**

বুকুৰ বিষ, উশাহ-নিশাহত কষ্ট পোৱা, উচ্চ ৰক্তচাপ, মূৰৰ বিষ, নিদ্ৰাহীনতা, গাঠিৰ বিষ, পাচন ক্ৰিয়াৰ সমস্যা, ছালৰ সমস্যা আদি।

**আবেগিক লক্ষণ :**

সঘনাই মুড সলনি হোৱা, খং বেছি হোৱা, হতাশা আৰু উদ্বেগ বৃদ্ধি পোৱা, সৰু সৰু কথাত আতংকিত হৈ থকা, আত্মবিশ্বাস কমি যোৱা আদি।

**মানসিক লক্ষণ :**

কোনো কথা ভালদৰে চিন্তা কৰিব নোৱাৰা বা মনোযোগ দিব নোৱাৰা, নেতিবাচক চিন্তা কৰা, অভিৰোচনৰ অভাৱ, ইচ্ছাশক্তিৰ লগতে কৰ্মোদ্যম হ্ৰাস পোৱা, স্মৃতিশক্তিৰ সমস্যা হোৱা ইত্যাদি।

**আচৰণগত লক্ষণ :**

আন মানুহৰ পৰা নিজক আঁতৰাই ৰাখা, নিঃসংগতা ভাল পোৱা, ৰাগিয়াল দ্ৰব্যৰ প্ৰতি আসক্তি বৃদ্ধি পোৱা আদি।

বৰ্তমান বিশ্বত মানসিক চাপ এক জটিল সামাজিক সমস্যাৰূপে পৰিগণিত হৈছে। মানসিক চাপৰ ফলত জীৱনৰ কেতবোৰ মূল্যৱান সময় উপভোগৰ পৰা আমি বঞ্চিত হ'বলগীয়া হৈছোঁ। সেয়েহে আমি কেনেদৰে মানসিক চাপ, অশান্তি আঁতৰাব পাৰোঁ তাৰ বাবে চেষ্টা কৰিব লাগে। এই ক্ষেত্ৰত আমি কেতবোৰ ব্যৱস্থা হাতত ল'ব পাৰোঁ। সেইবোৰ এনেধৰণৰ—

১। আত্মবিশ্বাস আৰু ইতিবাচক চিন্তাধাৰাই মানসিক চাপ দূৰ কৰে। সেয়েহে নিজৰ ওপৰত বিশ্বাস দৃঢ় কৰিব লাগে। ইয়ে ৰোগ প্ৰতিৰোধ ক্ষমতাও বৃদ্ধি কৰে। সেইদৰে ইতিবাচক দৃষ্টিভংগীৰে জীৱনৰ সকলো কথা গ্ৰহণ কৰিব লাগে। তেতিয়া মানসিক অশান্তি দূৰ হয়।

২। মানসিক চাপ বৃদ্ধি কৰাৰ কাৰকবোৰ চিনাক্ত কৰিব লাগে। প্ৰয়োজনসাপেক্ষে পৰিয়ালৰ লোকৰ সহায় ল'ব লাগে। চাপ সৃষ্টি কৰিবপৰা কাৰকসমূহৰ পৰা দূৰত থাকিব লাগে।

৩। মানসিক চাপ দূৰ কৰাত আমি গ্ৰহণ কৰা আহাৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। যিবোৰ খাদ্য গ্ৰহণ কৰিলে আমাৰ শৰীৰত ৰোগ প্ৰতিৰোধ প্ৰণালী শক্তিশালী হয়, মন শান্ত আৰু সংযমী হয় তেনে খাদ্য গ্ৰহণ কৰিব লাগে। খাদ্যত ফল-মূল, শাক-পাচলি অধিক খাব লাগে আৰু পুষ্টিকৰ খাদ্যই শৰীৰটোক আৰু মনক সুস্থ কৰি ৰাখে।

৪। নিয়মীয়াকৈ ব্যায়াম, যোগাসন আৰু ধ্যান কৰিব লাগে। শাৰীৰিক ব্যায়ামৰ ফলত দৈহিক কৰ্মদক্ষতা বৃদ্ধি হোৱাৰ লগতে মানসিক স্থিৰতাও লাভ কৰিব পাৰে। মনৰ উদ্বেগ দূৰ কৰাৰ ক্ষেত্ৰত যোগাসন আৰু ধ্যান যথেষ্ট উপকাৰী। এই ক্ষেত্ৰত অভিজ্ঞ ব্যক্তিৰ সহায় লোৱাটো প্ৰয়োজনীয়। প্ৰাৰ্থনা কৰিলেও মানসিক চাপ হ্ৰাস পায়।

৫। মানসিক চাপ হ্ৰাস কৰাৰ বাবে আমি কৰিবলগীয়া কামবোৰ পৰিকল্পনা কৰি ল'ব লাগে। পৰিকল্পিতভাৱে কাম কৰিলে কামৰ বোজা লাঘৱ হয় আৰু কাম সফলতাৰে সম্পাদন হয়। ফলত মানসিক চাপ কম হয়। ইয়াৰ বিপৰীতে অপৰিকল্পিতভাৱে কৰা কামে কামৰ বোজাও বৃদ্ধি কৰে আৰু পৰিণতিত ভয়ৰ ফলস্বৰূপে চাপ বৃদ্ধি হয়।

৬। পাৰ্যমানে নিজৰ চখবোৰ পূৰাবলৈ যত্ন কৰিব লাগে। সংগীত শুনা, ভাল লগা কিতাপ পঢ়া, চিনেমা চোৱা বা অন্যান্য কাম যিবোৰে মনলৈ প্ৰশান্তি আনে, তেনে কামত নিজকে ব্যস্ত ৰাখিব লাগে।

৭। পৰিয়াল, আত্মীয়-স্বজন, বন্ধু-বান্ধৱীৰ সৈতে সময় অতিবাহিত কৰিব লাগে। নিজৰ সমস্যাবোৰ কেৱল নিজৰ লগতে নাৰাখি বিশ্বাসযোগ্য কোনো আপোনজন বা বন্ধুৰ সৈতে আলোচনা কৰিলে মন পাতল হয়। ইতিবাচক দৃষ্টিভংগীৰ লোকৰ সান্নিধ্যই মানসিক চাপ হ্ৰাস কৰাত সহায় কৰে।

৮। সন্তুলিত আহাৰৰ লগতে পৰ্যাপ্ত পৰিমাণৰ টোপনিৰ প্ৰয়োজন। টোপনি কম হ'লে মানসিক চাপ বৃদ্ধি হয়। সেয়েহে দৈনিক ৭-৮ ঘণ্টা যাতে ভালদৰে টোপনি হয় তাৰ প্ৰতি ব্যক্তিয়ে গুৰুত্ব দিব লাগে। পৰ্যাপ্ত পৰিমাণৰ টোপনিয়ে ব্যক্তিৰ দেহ-মন সুস্থ কৰি ৰাখে।

৯। সদায় হাঁহিমুখে থাকিব লাগে। হাঁহিয়ে মানসিক চাপ হ্ৰাস কৰে। নিজে পোৱাখিনিক লৈ সন্তুষ্ট হ'বলৈ শিকিব লাগে। অত্যধিক আকাংক্ষাই মনলৈ দুঃচিন্তাহে কঢ়িয়াই আনে। আনৰ লগত কৰা অসুস্থ প্ৰতিযোগিতাৰ দৌৰৰ পৰা নিজকে আঁতৰাই ৰাখিব লাগে। প্ৰয়োজনমতে আনক সহায় কৰিব লাগে। আনক সহায় কৰি পোৱা আনন্দই নিজৰ মনক শান্তি দিয়ে।

১০। কোনো কাৰণতে নেতিবাচক চিন্তাক মনত প্ৰশ্ৰয় দিব নালাগে। এই ধৰণৰ চিন্তা মনলৈ আহিলে লগে লগে তাৰ পৰা মনটো আঁতৰাই অন্য কামত নিজকে ব্যস্ত ৰাখিব লাগে। প্ৰয়োজন সাপেক্ষে পৰামৰ্শদাতাৰ সহায় ল'ব লাগে।

মানসিক চাপ মানুহৰ দৈনন্দিন জীৱনৰ এক স্বাভাৱিক অংশ হ'লেও, ইয়াক সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব পাৰিলে জীৱন আৰু অধিক মধুৰ আৰু সুখী হৈ পৰে। সেয়েহে আমি এক সুস্থ জীৱনশৈলী গঢ়ি তুলি নিয়াৰীকৈ জীৱনটো পৰিচালনা কৰিবলৈ আমাৰ অভ্যাস, চিন্তাধাৰা আৰু কাম-কাজৰ কিছু পৰিৱৰ্তন কৰিব লাগিব। আৰু তেতিয়াহে আমি মানসিক চাপ হ্ৰাস কৰি সুস্থ দেহ-মন গঢ়ি তুলি জীৱনৰ মূল্যৱান মুহূৰ্তবোৰ উপভোগ কৰিবলৈ সক্ষম হ'ম। ■



# পুথিভঁৰাল আৰু পুথি সংৰক্ষণৰ আধুনিক পদ্ধতি

ড° কিশোৰ শৰ্মা
গ্ৰন্থাগাৰিক

পুথিভঁৰাল অথবা গ্ৰন্থাগাৰ সমূহ হ'ল অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ যোগসূত্ৰ স্থাপনৰ এক সামাজিক সংস্থা। অতীতত পুথিভঁৰাল আছিল যদিও সেই পুথিভৰাঁলসমূহ প্ৰধানকৈ কিতাপ সংৰক্ষণৰ কাৰণেহে ৰখা হৈছিল। ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃপুৰুষ ড° এছ আৰ ৰংগনাথৰ ভাষাৰ-"গ্ৰন্থাগাৰ হল অধ্যয়ন কৰিবৰ কাৰণে পুথি যোগান ধৰাৰ উপৰি এখন বহল পটুৱৈ সমাজ গঠন কৰা অনুষ্ঠান"। অৱশ্যে বৰ্তমান পুথিভঁৰালৰ সেৱা কেৱল পুথিভঁৰালৰ চাৰিবেৰ আৰু সময়ৰ সীমাবদ্ধতাৰ মাজত আবদ্ধ নহয়। তথ্য প্ৰযুক্তিৰ উন্নয়নৰ লগে লগে পুথিভঁৰাল সেৱাৰো পৰিবৰ্তন হৈছে। মুঠতে এখন সমাজ তথা দেশৰ সাহিত্য, সংস্কৃতি, সভ্যতাৰ নিদৰ্শন আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক হৈছে এই পুথিভঁৰালসমূহ। সভ্যতাৰ প্ৰতীক, সমাজ বিকাশৰ পথ প্ৰদৰ্শক, মানৱ সভ্যতাৰ আপুৰুগীয়া সম্পদ পুথিভঁৰালক বাদ দি এজন মানুহ পূৰ্ণাঙ্গ হ'ব নোৱাৰে। যুগ যুগ ধৰি মানুহৰ সৃষ্টিসমুহ গ্ৰন্থলৈ ৰূপান্তৰ হোৱাৰ পৰাই পুথিভঁৰালৰ আৱিষ্কাৰ বুলি কব পাৰি। সভ্যতাৰ পোহৰ নোপোৱা সময়তো মানুহে প্ৰাচীন কালত নিজৰ মনৰ কথা শিলত খোদিত কৰি সভ্যতাৰ পোহৰ বিলোৱাৰ উমান দিছিল। কাগজ, কলম আৰু বৰ্তমান তথ্য-প্ৰযুক্তিৰ আবিষ্কাৰে বৰ্তমানৰ পুথিভঁৰালসমূহক দিছে এক নতুন মাত্ৰা।

পুথিভঁৰাল ইতিহাসৰ ক্ষেত্ৰত মত ভিন্ন যদিও বাগদাদৰ পুৰাতাত্বিক সংগ্ৰহালয়ত থকা মাটিৰ ফলক দুখনেই পৃথিবীৰ প্ৰথম কিতাপৰ দুটা পৃষ্ঠা বুলি ধৰা হয়। ছিৰিয়াৰ 'এবলা' পুথিভঁৰাল খৃঃপূঃ ২২৫০ তে স্থাপন কৰা পৃথিবীৰ প্ৰথম পুথিভঁৰাল বুলিব পাৰি। প্ৰথম আধুনিক পুথিভঁৰালটো খৃষ্টীয় প্ৰথম শতিকাত ৰোম নগৰত স্থাপন কৰা হৈছিল বুলি জনা যায়। ইয়াৰো প্ৰথমে মহামতি আলেকজেণ্ডাৰে আলেকজেন্দ্ৰিয়া নগৰত পৃথিবীৰ অন্যতম প্ৰাচীন পুথিভঁৰালটো স্থাপন কৰিছিল খৃঃপূঃ ৩৩২ ত। ১৮০০ চনৰ ২৪ এপ্ৰিলত আমেৰিকাৰ ৱাশ্বিংটনত প্ৰতিষ্ঠা কৰা 'দ্যা লাইব্ৰেৰী অব কংগ্ৰেছ' নামৰ পুথিভঁৰালটোৱে হ'ল বৰ্তমান পৃথিবীৰ ,সৰ্ববৃহৎ পুথিভঁৰাল। অসমত তেৰ শতিকাৰ পৰা ৬০০ বছৰ শাসনকাৰ্য চলোৱা আহোম ৰাজত্ব কালতে বিভিন্ন পুথিভঁৰাল গঢ় লৈ উঠিছিল। আহোম ৰজাই তেওঁলোকৰ বুৰঞ্জী আৰু ৰাজকাৰ্য্যৰ বিভিন্ন নথি-পত্ৰৰ সংৰক্ষণৰ বাবে 'গন্ধীয়া ভঁৰাল' স্থাপন কৰিছিল। প্ৰাচীন কামৰূপ যে শিক্ষা, গ্ৰন্থ আৰু পুথিভঁৰালৰ প্ৰতি অনুৰাগী আছিল সেই কথা সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ টোকাত স্পষ্ট আভাস পোৱা যায়। বানভট্টৰ হৰ্ষচৰিতত উল্লেখ কৰা কামৰূপ অধিপতি কুমাৰ ভাস্কৰ বৰ্মনে সম্ৰাট হৰ্ষবৰ্ধনলৈ গ্ৰন্থ উপহাৰ পঠোৱাৰ কথাই সেই কালত কামৰূপত পুথিভঁৰালৰ অস্তিত্ব প্ৰতিপন্ন কৰে। অতীজৰে পৰা অসমৰ সত্ৰ আৰু নামঘৰ সমূহেও সমাজৰ ৰাজহুৱা পুথিভঁৰাল আৰু গৱেষণা কেন্দ্ৰৰূপে গৌৰৱৰ স্থান অধিকাৰ কৰি আহিছে। এইক্ষেত্ৰত মাজুলীৰ আউনীআটী সত্ৰৰ পুথিভঁৰালটো বিশেষভাৱে উল্লেখনীয়। অসমত প্ৰাক স্বাধীনতা কালত বৃটিছ চৰকাৰৰ দ্বাৰা প্ৰথম ৰাজহুৱা পুথিভঁৰাল গঠন গৈছিল শ্বিলং চহৰত ১৯০৩ চনত। ১৯০৩ চনত গুৱাহাটীতো 'কাৰ্জন হ'ল' নামেৰে এটি পুথিভঁৰাল গঠন কৰা হৈছিল আৰু এই পুথিভঁৰালটোকে ১৯৫৩ চনত 'নবীন চন্দ্ৰ বৰদলৈ পুথিভঁৰাল' নামেৰে নামাকৰণ কৰা হয়। অসমত এতিয়াও বিভিন্ন অঞ্চলত থকা গ্ৰাম্য পুথিভঁৰাল সমূহে জনহিতকৰ বহুতো কাৰ্যসূচীৰ লগতে সাহিত্য উৎসৱ, গ্ৰন্থমেলা আদিৰ দৰে বহুতো সুন্দৰ পদক্ষেপ গ্ৰহণ কৰি সমাজখনক আগুৱাই নিয়াৰ কামত ব্ৰতী হৈ আহিছে।

**পুথি সংৰক্ষণৰ আধুনিক পদ্ধতি ঃ ডিজিটেল সংৰক্ষণ ব্যৱস্থাপনা**

আধুনিক প্ৰযুক্তি আৰু যোগাযোগ ব্যৱস্থাই পুথি অথবা তথ্যৰ সংৰক্ষণৰ ক্ষেত্ৰত অভুতপূৰ্ব বৰঙণি আগবঢ়াছে। আধুনিক ছ'ফটৱেৰ বিশিষ্ট কম্পিউটাৰৰ সহায়ত ডিজিটেল পদ্ধতিত পুথি সংৰক্ষণ তথা সৰবৰাহ ব্যৱস্থাৰ মাধ্যমত দীৰ্ঘদিনৰ বাবে পুথি সংৰক্ষণ কৰিব পাৰি আৰু ইয়াক বিশ্বজনীন কৰিব পৰা যায়। বৰ্তমান সময়ত পুথিভঁৰালসমূহত কেইবাদশক ধৰি থকা মূল্যবান পুথিসমুহৰ সুৰক্ষা, উপলব্ধতা আৰু ব্যৱহাৰৰ যোগ্যতা নিশ্চিত কৰিবৰ বাবে ডিজিটেল সংৰক্ষণৰ ওপৰত যথেষ্ঠ গুৰুত্ব আৰোপ কৰা হৈছে। ডিজিটেল সংৰক্ষণ নীতিৰ ফলত আমি পুথিভঁৰালসমূহৰ পুথিসমূহৰ ক্ষতি আৰু অপ্ৰচলন ৰোধ কৰিব পাৰিম।

ডিজিটেল সংৰক্ষণৰ সুবিধাসমূহ ঃ

ক) পুথিভঁৰাল সমূহে ডিজিটেল সংৰক্ষণৰ জৰিয়তে নিজৰ গৱেষণা ভিত্তিক বা মূল্যবান গ্ৰন্থ বিশ্বজনীন কৰিব পাৰে।

খ) ডিজিটেল সংৰক্ষণৰ দ্বাৰা কৰ্মস্থানত দীৰ্ঘদিনলৈ গুৰুত্বপূৰ্ণ কিতাপ বা সম্পদ সংৰক্ষণ কৰিব পাৰি।

গ) ডিজিটেল সংৰক্ষণে গ্ৰন্থ বা কিতাপ সমূহ ব্যৱহাৰকাৰীক সহজ আৰু সুলভভাৱে পোৱাৰ সুবিধা প্ৰদান কৰে।

ঘ) ডিজিটেল সংৰক্ষণৰ দ্বাৰা গ্ৰন্থসমূহ সহজে পুনৰুদ্ধাৰ কৰিব পাৰি।

ঙ) ডিজিটেল সংৰক্ষণৰ ফলত একেখন গ্ৰন্থ একে সময়তে কেইবাজনো ব্যৱহাৰকাৰীয়ে একেলগে চাব পাৰে।

চ) ডিজিটেল সংৰক্ষণৰ ফলত গ্ৰন্থৰ গুণগত মানদণ্ডৰ কোনো ক্ষতি নোহোৱাকৈ এটি সঠিক প্ৰতিলিপি কেইবাবাৰো পাব পাৰি।

ডিজিটেল সংৰক্ষণৰ অসুবিধাসমূহ

ক) ডিজিটেল সংৰক্ষণত ব্যয়ৰ পৰিমাণ বেছি, কিয়নো ডিজিটেল সংৰক্ষণ যন্ত্ৰ নিৰ্ভৰশীল।

খ) ডিজিটেল সংৰক্ষণৰ ক্ষেত্ৰত আন এটি ডাঙৰ সমস্যা হৈছে প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীৰ অভাৱ।

গ) ডিজিটেল সংৰক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰীসকলৰ মাজত যদি সজাগতাৰ অভাৱ হয় তেতিয়াহ'লে তথ্যৰ সঠিক প্ৰয়োগত কেতিয়াবা কেতিয়াবা বাধাপ্ৰাপ্ত হোৱা দেখা যায়।

ঘ) বৰ্তমান সময়ত প্ৰযুক্তিৰ সঘনাই পৰিবৰ্তন হৈ আছে যাৰ ফলত প্ৰযুক্তি উপাদান আৰু নতুন প্ৰযুক্তি ক্ৰয় কৰিব লগা হয়।

প্ৰযুক্তিৰ সঘনাই পৰিবৰ্তনে ব্যৱহাৰকাৰী সকলকো অসুবিধাত পেলায়।

অতীজৰে পৰা পুথিভঁৰাল সমূহে ব্যক্তিৰ জ্ঞানলাভ বা শিক্ষণ প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ডিজিটেল পৃথিৱীখনত পুথিৰ সংৰক্ষণ, প্ৰচাৰ আদি কামবোৰ কিছু প্ৰত্যাহ্বানমূলক যদিও বৰ্তমান সময় আৰু পৰিস্থিতিত ডিজিটেল সংৰক্ষণ পদ্ধতিয়ে পুথিভঁৰাল সেৱাত এক নতুন দিগন্তৰ সূচনা কৰিছে। ■



# শিকন অক্ষম শিশু আৰু তেওঁলোকৰ বাবে ল'বলগীয়া শিক্ষা ব্যৱস্থা

ড° ভূপামণি চৌধুৰী
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতত ২.১৯ কোটি বিশেষভাৱে সক্ষম ব্যক্তি আছে যি ভাৰতৰ মুঠ জনসংখ্যাৰ ২.১৩ শতাংশ। এই লোকসকলৰ মাজত মাত্ৰ ৪৯%হে স্বাক্ষৰ আৰু মাত্ৰ ৩৪ শতাংশইহে কৰ্মসংস্থাপন লাভ কৰে। ভাৰতত মূলতঃ পাঁচ প্ৰকাৰৰ অক্ষমতা দেখা যায়— দৃষ্টিগত, শ্ৰৱণগত, কথনগত, অস্থিগত আৰু মানসিক দিশত।



শিকন (Learning) এক সমন্বয়ধৰ্মী প্ৰক্ৰিয়া য'ত এক বা একাধিক মানসিক প্ৰক্ৰিয়া জড়িত হৈ থাকে। এই মানসিক প্ৰক্ৰিয়াৰ কোনো এক দিশৰ অসম্পূৰ্ণতা বা ত্ৰুটিৰ ফলত শিকন প্ৰক্ৰিয়া বাধাগ্ৰস্ত হ'ব পাৰে। আৰু তেতিয়াই শিকন অক্ষমতাই দেখা দিয়ে। শিকন অক্ষমতা (Learning disability) হৈছে ব্যক্তিৰ এক স্নায়ুজনিত বিকাৰ যিয়ে মগজুৰ তথ্য গ্ৰহণ, সংগঠিতকৰণ বা প্ৰক্ৰিয়াকৰণ, সংৰক্ষণ আৰু তথ্যৰ ব্যৱহাৰ আৰু প্ৰকাশ কৰাৰ ক্ষমতাক বাধাগ্ৰস্ত কৰে। শিকন অক্ষমতা যে কেৱল প্ৰতিবন্ধী শিশুৰ মাজতে দেখা যায় এনে নহয়। সাধাৰণতে এই শিশুসকলৰ বুদ্ধিমত্তা (IQ) সাধাৰণ শিশুৰ বুদ্ধিমত্তাৰ গড় বা গড়ৰ ওপৰত হোৱা দেখা যায়। এই শিশুসকলৰ অনেকেই অন্যান্য ক্ষেত্ৰত সম্পূৰ্ণ স্বাভাৱিক, কেৱল মাত্ৰ নিৰ্দিষ্ট শিকন দক্ষতা আহৰণৰ ক্ষেত্ৰতহে তেওঁলোক সমস্যাযুক্ত। সেয়ে শিকন অক্ষমতাক "লুকাই থকা অক্ষমতা" (Hidden disability) বুলি কোৱা হয়। কাৰণ শিশুজন দেখাত স্বাভাৱিক আৰু বুদ্ধিমান যেন লাগে, কিন্তু একে বয়সৰ আন শিশুৰ তুলনাত তেওঁৰ শিকন পাৰদৰ্শিতা নিম্নমানৰ হোৱা দেখা যায়। এই অক্ষমতাই শিকনৰ লগত জড়িত বিভিন্ন বৌদ্ধিক প্ৰক্ৰিয়াক নঞৰ্থকভাৱে প্ৰভাৱিত কৰে। সহজভাৱে ক'বলৈ গ'লে এই শিশুসকলে কোনো এটা বিষয় বা বস্তু বেলেগ ধৰণেৰে দেখে, শুনে বা বুজে। প্ৰধানতঃ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ বিকলতাৰ ফলতহে এই সমস্যাৰ উদ্ভৱ হয় যি গোটেই জীৱনজুৰি থাকে। এইখিনিতে উল্লেখযোগ্য যে কোনো শিশুৱে প্ৰধানতঃ দৰ্শন, শ্ৰৱণ, সঞ্চালনমূলক, মানসিক, আৱেগিক বা বৌদ্ধিক বাধাগ্ৰস্ততাৰ ফলত শিক্ষাগ্ৰহণত যি সমস্যা অনুভৱ কৰে তেওঁলোকক শিকন অক্ষম বুলি ক'বপৰা নাযায়। শিকন অক্ষম শিশু হ'ল তেওঁলোক যি গড় বুদ্ধিমত্তা, ইন্দ্ৰিয় সংবেদনশীলতা আৰু পৰ্যাপ্ত সুযোগ-সুবিধা পোৱাৰ পিছতো শিকনৰ কোনো এক বা একাধিক দিশত ব্যৰ্থ হ'বলগা হয়। ই শিকনৰ লগত জড়িত এক সমস্যা য'ত শিশুসকলে শুনা, কোনো ভাষা কোৱা, লিখা-পঢ়া বা গণনা কৰা আদিত অসুবিধা পায়। অৱশ্যে ব্যক্তিভেদে এই

লক্ষণবোৰৰ ক্ষেত্ৰত ভিন্নতা দেখা যায়।

শিকন অক্ষমতাৰ কাৰণবোৰ জানিবৰ বাবে মনোবিজ্ঞানীসকলে অতীজৰেপৰাই চেষ্টা কৰি আহিছে। যদিও জন্মৰেপৰাই শিকন অক্ষমতাৰ কাৰকবোৰ উপস্থিত থাকেই, কিন্তু এইবোৰ দৃষ্টিগোচৰ হয় শিশুৰ স্কুলীয়া কালতহে। যেতিয়া শিশুটিয়ে সমনীয়াৰ তুলনাত শিকনৰ ক্ষেত্ৰত যথেষ্ট নিম্ন অগ্ৰগতি দেখুৱাবলৈ আৰম্ভ কৰে, তেতিয়াহে এই অক্ষমতাবোৰ চকুত পৰে। বিশেষজ্ঞসকলে এইক্ষেত্ৰত ভিন ভিন কাৰকৰ কথা উনুকিয়াইছে—

→ ভিন ভিন গৱেষণাৰপৰা প্ৰাপ্ত তথ্য অনুসৰি শিকন অক্ষমতাৰ ক্ষেত্ৰত বংশগতি বা জিনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জিনীয় সংমিশ্ৰণৰ ক্ষেত্ৰত অথবা ক্ৰ'ম'জ'মৰ অস্বাভাৱিকতাৰ বাবে এই সমস্যাৰ সৃষ্টি হয়।

→ গৰ্ভাৱস্থাত মাতৃ শাৰীৰিক আঘাতপ্ৰাপ্ত হ'লে অথবা চিগাৰেট, মদ, ড্ৰাগছ বা অন্যান্য মাদক দ্ৰব্য অত্যধিক সেৱন কৰিলে সি গৰ্ভস্থ সন্তানৰ মগজু আৰু গ্ৰহণাংগৰ স্বাভাৱিক বিকাশত নঞৰ্থক প্ৰভাৱ পেলায়।

→ জন্মৰ সময়ত বা তাৰ পিছত শিশুৱে মগজুত আঘাত পালেও মস্তিষ্কৰ কাৰ্যক্ষমতা লোপ পাব পাৰে। যাৰ ফলত পৰৱৰ্তী সময়ত শিকন প্ৰতিবন্ধকতা সৃষ্টি হ'ব পাৰে।

→ জন্মৰ পিছৰেপৰা দীৰ্ঘদিন ধৰি স্নায়ুতন্ত্ৰৰ অসুস্থতাত ভুগিলে বা স্নায়বিক দুৰ্বলতা থাকিলে পৰৱৰ্তী সময়ত তেনে শিশুৰ শিকন অক্ষমতা দেখা দিব পাৰে।

→ থাইৰয়ড গ্ৰন্থিৰ দ্বাৰা নিঃসৰণ হোৱা মাইৰ'ক্সিন হ'ৰমনৰ মাত্ৰা কম হ'লে স্মৃতি দুৰ্বল হয়, বুদ্ধিমত্তা আৰু চিন্তাশক্তিৰ অভাৱ ঘটে। আকৌ অত্যধিক থাইৰ'ক্সিনৰ ফলত খিংখিঙিয়া স্বভাৱ আৰু একাগ্ৰহীনতা বাঢ়ে যি শিকন অক্ষমতাৰ প্ৰধান কাৰণ।

→ ব্ৰেয়াৰ আৰু স্কট নামৰ শিক্ষাবিদ দুজনে মতপোষণ কৰে যে শিকন প্ৰতিবন্ধকতা আৰু নিম্ন আৰ্থ-সামাজিক অৱস্থাৰ মাজত এক শক্তিশালী সম্পৰ্ক আছে। অৰ্থাৎ শিশুৱে জন্মৰ পাছত সুস্থ পৰিৱেশ নাপালে তেওঁলোকৰ শিকন ক্ষমতা দুৰ্বল হ'ব পাৰে।

সাধাৰণতে শিশুৰ শিকন অক্ষমতাবোৰ ভিন্ন শৈক্ষিক দিশৰ লগত জড়িত হৈ থাকে। সততে পৰিলক্ষিত হোৱা কিছুমান শিকন অক্ষমতা হৈছে—

→ পঠন অক্ষমতা বা ডিছলেক্সিয়া (Dyslexia) ঃ ই হৈছে প্ৰধানতঃ পঠনৰ লগত জড়িত সমস্যা। ডিছলেক্সিয়াত ভোগা শিশুৰ প্ৰধান সমস্যা হৈছে তেওঁলোকে লিখিত শব্দ সু-সংগঠিত কৰি পঢ়াত অসুবিধা পায়, শব্দ এটাৰ বানান কৰিবলৈ বা অৰ্থ বুজিবলৈ অসুবিধা পায়, বাক্যত শব্দৰ স্থানান্তৰ কৰি পঢ়ে ইত্যাদি। তাৰোপৰি এনে শিশুৱে আখৰ ওলোটাকৈ পঢ়ে, যেনে— d ক p বুলি ভবা, boyক doy বুলি ভবা ইত্যাদি। তেওঁলোকে লাহে লাহে পঢ়ে অথবা উচ্চাৰণৰ অস্পষ্টতা দেখা যায়।

→ লিখন অক্ষমতা বা ডিচ্‌গ্ৰাফিয়া (Dysgraphia) ঃ ডিচ্‌গ্ৰাফিয়া হৈছে লিখনৰ লগত জড়িত সমস্যা। ইয়াত ভোগা শিশুৱে অনুপযুক্ত আকাৰ আৰু ব্যৱধানত আখৰ লিখে, ভুল বা বিসংগতিপূৰ্ণ বানান আৰু শব্দ লিখে। এই প্ৰকাৰ শিশুৰ হাতৰ সঞ্চালন কাৰ্যৰ অক্ষমতা থকাৰ উপৰি তেওঁলোকৰ মগজু, চকু আৰু হাতৰ সামঞ্জস্য (Co-ordination) নাথাকে। ফলত তেওঁলোকে কাগজত পোনকৈ শব্দ, আখৰ আৰু সংখ্যাত লিখাত অসুবিধা পায়। তেওঁলোকে এটা শব্দৰ ওপৰত আন এটা শব্দ, ওপৰৰ শাৰীৰ শব্দ তলৰ শাৰীত লিখা আদি ধৰণৰ কাৰ্য কৰে।

→ গাণিতিক অক্ষমতা বা ডিচ্‌কেলকুলিয়া (Dyscalculia) ঃ এনে সমস্যাত ভোগা শিশুৱে গাণিতিক সমস্যা সমাধান কৰাত অসুবিধা পায়। গাণিতিক প্ৰক্ৰিয়া যেনে- যোগ, বিয়োগ, পূৰণ, হৰণ, ভগ্নাংশ, গণিতৰ চিহ্ন, সূত্ৰ আদি প্ৰয়োগ অথবা সংখ্যা সংগঠিত কৰাত সমস্যাত ভোগে। ডিচ্‌কেলকুলিয়াৰ প্ৰধান লক্ষণ হৈছে ব্যক্তিৰ বয়স আৰু বুদ্ধি অনুপাতে গাণিতিক সামৰ্থ আহৰণৰ অক্ষমতা। সমবয়সীয়া আন শিশুৰ তুলনাত এওঁলোক সাংখ্যিকভাৱে দুৰ্বল।

→ সঞ্চালন অক্ষমতা বা ডিচ্‌প্ৰেক্সিয়া (Dyspraxia) ঃ ডিচ্‌প্ৰেক্সিয়া হৈছে সঞ্চালনমূলক কাৰ্যৰ সৈতে জড়িত অক্ষমতা। আমি যিকোনো কাৰ্য সম্পাদন কৰোঁতে দেহৰ অংগৰ লগত মগজুৰ সমন্বয়ৰ প্ৰয়োজন হয়। মগজুৱে নিৰ্দেশ দিলেহে আমাৰ দেহে কাৰ্য সম্পাদন কৰে। এই শিশুসকল সেই ক্ষেত্ৰত অক্ষম বাবে কোনো কাম কৰা যেনে— দৌৰা, জপিওৱা, লিখা আদি বিভিন্ন সঞ্চালনমূলক কাৰ্যত সমস্যা অনুভৱ কৰে।

→ এফেচিয়া (Aphasia) ঃ এইবিধ অক্ষমতাই শব্দৰ ব্যৱহাৰ বা শব্দ বুজি পোৱাৰ ক্ষমতাৰ সীমাবদ্ধতাক বুজায়। এই শিশুসকলে মানুহ বা বস্তুৰ নাম মনত ৰখাত অসুবিধা পায়। এওঁলোকে কাহিনী



বৰ্ণনা কৰাত সমস্যা হয়, সাৱলীলভাৱে কথা কোৱা, শব্দৰ অৰ্থ বুজা বা মৌখিক নিৰ্দেশনা বুজি পোৱাত সমস্যা হয়। এই অক্ষমতাত গুৰুতৰভাৱে আক্ৰান্ত হ'লে তেওঁলোকৰ কথা কোৱাৰ ক্ষমতা দুৰ্বল হৈ পৰে।

→ শ্ৰৱণ প্ৰক্ৰিয়াকৰণৰ অসুবিধা (Audiotory processing disorder) ঃ শ্ৰৱণ প্ৰক্ৰিয়াকৰণৰ অসুবিধাত ভোগা শিশুসকলে শুনা কথাখিনি বুজাত অসমৰ্থ হয়। এওঁলোকৰ শ্ৰৱণ ক্ষমতা স্বাভাৱিক, কিন্তু এওঁলোকে জটিল বা কোলাহলপূৰ্ণ পৰিস্থিতি কথিত বাৰ্তা বুজিবলৈ অসুবিধা পায়। এই সমস্যাত ভোগা শিশুৰ মনোযোগ সহজে ব্যাহত হয় আৰু তেওঁলোকে শুনা কথাবোৰ মগজুৱে সঠিকভাৱে গ্ৰহণ আৰু ব্যাখ্যা কৰিব নোৱাৰে।

→ দৰ্শন প্ৰক্ৰিয়াকৰণৰ অক্ষমতা (Visual processing disorder) ঃ এই সমস্যাত ভোগা শিশুৱে দৰ্শনেন্দ্ৰিয়ৰদ্বাৰা লাভ কৰা অভিজ্ঞতাৰ অৰ্থ বুজি পোৱাত সমস্যা হয়। যদিও এওঁলোকৰ দৃষ্টিশক্তিত সীমাবদ্ধতা নাথাকে, কিন্তু এওঁলোকে দুটা দৃশ্যমান বস্তুৰ আকৃতিৰ পাৰ্থক্য বুজাত অসুবিধা পায়, আখৰ বা সংখ্যা বিপৰীতমুখী দেখে, বাক্য পঢ়োতে শব্দ এৰি যায়, দূৰত্ব ভুলকৈ প্ৰত্যক্ষ কৰে, বস্তুৰ স্থান বুজি লোৱাত অসুবিধাৰ সন্মুখীন হয়।

যিহেতু শিকন অক্ষম শিশুসকলে বিদ্যায়তনিক ক্ষেত্ৰত ভিন্ন অসুবিধাৰ সন্মুখীন হয়, সেয়ে তেওঁলোকক শিক্ষা দিয়াৰ ক্ষেত্ৰতো অধিক সজাগ আৰু সচেতন হোৱা দৰকাৰ। এইক্ষেত্ৰত তলত উল্লেখিত ব্যৱস্থাবোৰ গ্ৰহণযোগ্য বুলি বিবেচনা কৰিব পাৰি—

→ যিহেতু শিকন অক্ষম শিশুসকল শ্ৰেণীৰ সাধাৰণ শিশুতকৈ পৃথক, সেয়ে এই শিশুসকলক শ্ৰেণীৰ আন শিশু লগত একেলগে শিক্ষাদানত সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়ে এওঁলোকৰ বিশেষ শ্ৰেণী (Special Class)ৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে বিশেষজ্ঞ শিক্ষকৰ দ্বাৰা বিশেষ পদ্ধতি বা কৌশলৰ মাধ্যমত অধিক যত্ন আৰু মনোযোগেৰে একে পাঠ্যক্ৰমৰ শিক্ষা লাভ কৰিব পাৰে।

→ নিৰ্দিষ্ট শিশু এজনৰ কোনটো দিশত অসমৰ্থতা আছে তাক চিনাক্ত কৰি সেই অক্ষমতাৰ প্ৰকৃতি আৰু জটিলতাৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি প্ৰতিকাৰমূলক শিক্ষণ (remedial class)ৰ ব্যৱস্থা কৰিব পৰা যায়। এই ব্যৱস্থা সাধাৰণ বিদ্যালয়ৰ পৰিৱেশতে ব্যৱহাৰ কৰিব পাৰি।

→ শিকন অক্ষমতাজনিত প্ৰত্যাহ্বানসমূহ দূৰ কৰিবৰ বাবে আধুনিক সহায়ক প্ৰযুক্তি যেনে— Text-to-speech software, Braille smart watch, Sound amplification apps, Augmentative & alternative communication technologies আদিৰ ব্যৱহাৰ কৰিব পৰা যায়। এই সঁজুলিবোৰে প্ৰত্যাহ্বানৰ লগত মোকাবিলা কৰাত সহায় কৰে।

→ এই শিশুসকলে যিহেতু ভৱিষ্যতে উচ্চ পৰ্যায়ৰ শৈক্ষিক কাৰ্যাৱলী সম্পাদন কৰিব নোৱাৰিব, গতিকে এওঁলোকৰ বাবে বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা কৰিবপৰা যায় যাতে ভৱিষ্যতে উপাৰ্জনক্ষম হৈ এক সুস্থ জীৱন-যাপন কৰিব পাৰে।

ইতিমধ্যে এই কথা স্পষ্ট হৈছে যে শিকন অক্ষমতাৰ এক কাৰণ ত্ৰুটিপূৰ্ণ ভৌতিক, সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক পৰিৱেশ। এইক্ষেত্ৰত প্ৰত্যেকে বুজি উঠা দৰকাৰ যে এই শিশুসকল কোনো 'সমস্যা' নহয়। এওঁলোকৰ দুৰ্বলতাবোৰ সদায় ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিব পাৰিব লাগে। এইক্ষেত্ৰত তেওঁলোকৰ বাবে এক উপযুক্ত শৈক্ষিক বাতাৱৰণ সৃষ্টি কৰিব লাগিব। আৰু তাত পূৰ্ণ সহযোগিতা লাগিব পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক, সমাজ আৰু চৰকাৰৰ। তেতিয়াহে এই শিশুসকলেও সমাজৰ মূল সুঁতিৰ সৈতে আগুৱাই গৈ এক সুস্থ জীৱন-যাপন কৰিব পাৰিব। ■



# ম'বাইল আৰু যুৱ-প্ৰজন্ম

বৰষা দাস
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক

বৰ্তমান সময়ত গোটেই বিশ্বই ইলেকট্ৰনিক মাধ্যমৰ ওপৰত নিৰ্ভৰশীল। ম'বাইল ফোন হৈছে এবিধ ইলেক্‌ট্ৰনিক সামগ্ৰী। ম'বাইল ফোনে বৰ্তমান যুৱ-প্ৰজন্মৰ ওপৰত বহু প্ৰভাৱ পেলাইছে। বৰ্তমান সময়ত ম'বাইল ফোন সকলো জনসাধাৰণৰ মাজত যিদৰে এক অপৰিহাৰ্য অংগ হৈ পৰিছে ঠিক সেইদৰে ইয়াৰ অধিক প্ৰচলনে নৱ-প্ৰজন্মৰ মাজত এখন বিপৰীত চিত্ৰ অংকন কৰিছে। সাধৰণতে ক'বলৈ গ'লে, ম'বাইল ফোনৰ যেনেকৈ কিছুমান ভাল দিশ আছে ঠিক তেনেদৰে তাৰে কিছুমান বেয়া দিশো আছে। ম'বাইল ফোনৰ জৰিয়তে লাভ কৰা কিছুমান তথ্যই নৱ-প্ৰজন্মক আগুৱাই যোৱাত সহায় কৰে ঠিক তেনেদৰে ম'বাইল ফোনৰ পৰা পোৱা বহু অজ্ঞানতাৰ তথ্যই নৱ-প্ৰজন্মক ধ্বংসৰ ফাললৈ ঠেলি দিয়ে। ম'বাইলে ল'ৰা-ছোৱালীৰ মস্তিষ্কৰ ওপৰতো প্ৰভাৱ পেলায়। অত্যধিক ম'বাইল ফোনৰ ব্যৱহাৰে যুৱ-প্ৰজন্মৰ মাজত এক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিছে।

**ম'বাইল ফোনৰ ফলত হোৱা উপকাৰিতাসমূহ ঃ** ম'বাইল ফোনে আমাৰ দৈনন্দিন জীৱনৰ বহুতো দৰকাৰী কাম অতি কম সময়ৰ ভিতৰত সম্পন্ন কৰাত সহায় কৰে। ঘৰতে বহি দেশ-বিদেশৰ খবৰ লোৱাৰ উপৰিও ম'বাইলৰ জৰিয়তে ঘৰতে বহি যিকোনো ঠাইলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰি। ম'বাইলৰ জৰিয়তে আমি কম সময়ৰ ভিতৰতে থকা আত্মীয়সকলৰ লগত কথা পাতিব পাৰোঁ। দোকানলৈ নোযোৱাকৈয়ে প্ৰয়োজনীয় বস্তুখিনি অৰ্ডাৰ কৰি ঘৰতে লাভ কৰিব পাৰি।

**ম'বাইল ফোনৰ ফলত হোৱা অপকাৰসমূহ ঃ** ম'বাইলটো যেনেদৰে বহু উপকাৰী ঠিক তেনেদৰে বহু অপকাৰীও। অত্যধিক ম'বাইলৰ ব্যৱহাৰে মানুহৰ শাৰীৰিক-মানসিক দিশত প্ৰভাৱ পেলায়। চকুৰ সমস্যা, মূৰৰ বিষ, মূৰৰ কামোৰণি আদি শাৰীৰিক সমস্যাৰ লগতে অন্যমনস্কতা, জ্যেষ্ঠজনৰ প্ৰতি সৌজন্যবোধৰ অভাৱ, নৈতিক স্খলন আদি বদ-অভ্যাসেও গা কৰি উঠে। বৰ্তমান সময়ত হোৱা অনলাইন শিক্ষাৰ ফলত স্কুলীয়া-কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ম'বাইল অতি জনপ্ৰিয় হৈ পৰিছে। ক'বলৈ গ'লে মহামাৰীৰ বাবে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক অনলাইন পাঠদানৰ বাবে হাতত ম'বাইল গুজি দিব লগা হৈছিল। যিসকলে তাৰ আগলৈকে ম'বাইলৰ ব্যৱহাৰ নাজানিছিল, সেইসকলেও বাধ্যত পৰি ম'বাইলৰ জৰিয়তে পাঠ গ্ৰহণ কৰিব লগা হৈছে। গোটেই দিনটো কেৱল ম'বাইলৰ লগত লাগি থাকি বহুতো শিশুৱে এতিয়া ম'বাইল অবিহনে আন একোৱেই কৰিব নিবিচাৰে। এই শিক্ষাৰ ফলত বহুতো ফলপ্ৰসূ হোৱা বুলি ভবা হয় যদিও ফলপ্ৰসূ হোৱা নাই। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল ম'বাইলৰ প্ৰতি অধিক আসক্তি হোৱাহে দেখা গৈছে। বৰ্তমান বহুতো ম'বাইতে উপলব্ধ বিভিন্ন গেমসমূহে নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকলক ধ্বংসৰ পিনে ঠেলি দিছে আৰু কত ল'ৰা-ছোৱালী মৃত্যুমুখত পৰিছে। ম'বাইল ফোনৰ অত্যধিক ব্যৱহাৰে মনোযোগৰ ক্ষমতা, টোপনিৰ অভ্যাস, সামাজিক দক্ষতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে।

**সামৰণি ঃ** যুৱক-যুৱতীসকলৰ ওপৰত ম'বাইলৰ প্ৰভাৱ ইতিবাচক আৰু নেতিবাচক দুয়োটা কথাই এক জটিল বিষয়। ■



# গ্ৰন্থ পৰ্যালোচনা



"প্ৰকৃত সমালোচকৰ সান্নিধ্যই আমাক অন্তৰ্দৃষ্টি আৰু শক্তি প্ৰদান কৰিব পাৰে।"

# মানণি বয়ছম গোস্বামীৰ অন্যতম উপন্যাস "নীলকণ্ঠী ব্ৰজ"

সংগীতা নাথ
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা আন এক উপাদান হ'ল উপন্যাস। এই উপন্যাস সমূহ ৰচনা কৰাৰ বিভিন্ন বিষয় সমূহ হ'ল যে সমাজৰ বাস্তৱিকতা, কল্পনাৰ ৰহণেৰে অতীতক স্মৰণীয় কৰা, কোনো কোনো মহৎ ব্যক্তিৰ জীৱনধাৰা, ৰাজনৈতিক পন্থা আদি। এনেধৰণৰ বিষয়বস্তুৰে অসমীয়া সাহিত্যত বিভিন্ন ঔপন্যাসিক বা ঔপন্যাসিকাসকলে উপন্যাস ৰচনাত মনোনিৱেশ কৰিছিল। উপন্যাস ৰচনাৰ বিভিন্ন বিষয়ৰ ভিতৰত সমাজৰ বাস্তৱিকতাৰ ওপৰত দৃষ্টি নিৰূপণ কৰা অসমীয়া সাহিত্যৰ এগৰাকী অন্যতম ঔপন্যাসিকা হ'ল ড° মামণি ৰয়ছম গোস্বামী (১৯৪২-২০১১)। ড° গোস্বামীয়ে অসমীয়া সাহিত্যৰ ভঁৰাললৈ বহুতো অমূল্য অৱদান আগবঢ়াইছে যদিও, তাৰে ভিতৰত অন্যতম হ'ল উপন্যাস। তেওঁ ৰচনা কৰা উপন্যাস কেইখনমান হ'ল— চেনাবৰ স্ৰোত (১৯৭২), নীলকণ্ঠী ব্ৰজ (১৯৭৬), অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস (১৯৮০), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮)। ড° গোস্বামীৰ উপন্যাসৰ পটভূমি বিচাৰ কৰিলে তাত দেখা পোৱা যায় সমাজৰ বাস্তৱিকতা। কিয়নো, তেওঁ য'লৈকে গৈছে তাত দেখা পোৱা সমাজখনৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, লুণ্ঠন আদিবোৰক উপন্যাসৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰি তাত কেৱল চৰিত্ৰকেইটিক কল্পনাৰ ৰহণেৰে বোলাই অংকণ কৰা দেখা যায়। এনে এক বাস্তৱিক ঘটনাৰে ৰচনা কৰা এখন উপন্যাস হ'ল 'নীলকণ্ঠী ব্ৰজ'। এই উপন্যাসখনত বাস্তৱিক ঘটনাৰ উপৰিও নামকৰণ কৰাৰ ক্ষেত্ৰত এক তাৎপৰ্য্য জড়িত থকা দেখা পোৱা যায়। সেয়ে তাৰ বিষয়ে তলত চমু বিশ্লেষণ আগবঢ়োৱা হ'ল—

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখন ড° গোস্বামীয়ে দেৱৰো দেৱ মহাদেৱৰ আন এটা নামেৰে অৰ্থাৎ নীলকণ্ঠ নামেৰে ৰচনা কৰিছে। তেওঁ কেৱল পুংলিংগৰ ঠাইত উপন্যাসখনত স্ত্ৰীলিংগৰ ব্যৱহাৰ কৰাৰ ফলত নীলকণ্ঠৰ ঠাইত নীলকণ্ঠী হৈছে। দেৱাসুৰে সমুদ্ৰ মন্থন কৰোঁতে অমৃত ওলোৱাৰ আগতে সমুদ্ৰৰ ভিতৰৰ পৰা বিষ উদ্‌গীৰণ হয়। বিষ্ণু আৰু আন আন দেৱতাসকলৰ স্তুতি, অনুৰোধমৰ্মে মহাদেৱে সেই বিষপাণ কৰে। সেই মাৰাত্মক বিষপাণ কৰাৰ ফলত তেওঁৰ ডিঙিত ক'লা দাগ পৰে। সেয়েহে তেওঁৰ নাম নীলকণ্ঠ হয়। ঠিক তেনেদৰে উপন্যাসখনত কৃষ্ণৰ লীলাভূমি ব্ৰজধামক যুগ যুগ ধৰি চলি অহা ব্যভিচাৰ, অত্যাচাৰ, ক্ষুধাৰ আৰ্তনাদ আদি হাহাকৰময় বিষাক্ত অৱস্থাক হজম কৰি পবিত্ৰ ব্ৰজধাম নীলকণ্ঠী হৈ পৰিছে।

দৰিদ্ৰ, পূজাৰী আৰু মন্দিৰ কৰ্তৃপক্ষৰ দুৰ্নীতি, যৌন ব্যভিচাৰ আদিৰ মাজত বিকৃত হৈ পৰা একালৰ পবিত্ৰ তীৰ্থস্থান ব্ৰজধামত কটাবলৈ অহা ব্ৰতচাৰিণী নাৰীসকলৰ কাৰুণ্যই হ'ল উপন্যাসখনৰ বিষয়বস্তু। এই উপন্যাসখনত থকা প্ৰধান চৰিত্ৰ সৌদামিণীৰ লগতে আন দুটি চৰিত্ৰ শশী আৰু মৃণালিনী আহিছিল পবিত্ৰ তীৰ্থস্থান কৃষ্ণৰ লীলাভূমি ব্ৰজধামলৈ দৈহিক কামনা-বাসনাৰ পৰিৱৰ্তে কৃষ্ণভক্তিত নিমজ্জিত হ'বলৈ। কিন্তু এই কাৰ্য সিদ্ধি নহ'ল। তাৰ বিনিময়ত তেওঁলোকে ব্ৰজধামত থকা দৈত্য-দানৱৰূপী পাণ্ডাবিলাকৰ ব্যভিচাৰ, সমাজত থকা মানুহবিলাকৰ তুচ্ছতা, বৈধব্য ব্ৰতচাৰিণীসকলৰ সৈতে ঘটা নিত্য-নৈমিত্তিক ঘটনা-উপঘটনা আদিবোৰে তেওঁলোকৰ জীৱনত আনিছিল এক বিষাক্তৰূপী কাৰুণ্য। যি কাৰুণ্য তেওঁলোকৰ জীৱনলৈ কেনেদৰে আহিছিল তাক গম পাইছিল যদিও তাৰ পৰা নিজকে আঁতৰাবলৈ কোনো পথকে বিচাৰি নোপোৱাত, অৱশেষত অন্তিম কাৰ্যপন্থা হিচাপে মৃত্যুক সাৱটি ল'বলগা হৈছিল।

উপন্যাসখনৰ প্ৰধান চৰিত্ৰ সৌদামিনী ডাঃ ৰায় চৌধুৰী আৰু অনুপমা দেৱীৰ একমাত্ৰ সন্তান আছিল। অতি কম বয়সতে বৈধব্য জীৱন-যাপন-পালন কৰাৰ উপৰিও এজন খ্ৰীষ্টান যুৱকৰ প্ৰতি আসক্ত থকাৰ কথা গম পোৱাত মাক-দেউতাকে তাইক ব্ৰজধামলৈ লৈ আহিছিল। কৃষ্ণৰ লীলাভূমি ব্ৰজধামত থকা মঠ-মন্দিৰবিলাক পৰিদৰ্শন কৰি কৃষ্ণভক্তিৰ একাগ্ৰতাচিত্তে তাইৰ দৈহিক কামনা-বাসনাৰ পৰিৱৰ্তন আনিব বুলি মাক-দেউতাকে আশা কৰিছিল। এই আশাৰ পৰিৱৰ্তে সৌদামিনীৰ চিন্তাধাৰাৰ এক অন্ধকাৰময় জীৱনলৈকেহে প্ৰত্যাৱৰ্তন কৰিছিল। ব্ৰজধামত আহিয়েই তাই এটা বন্ধ কোঠালীত থাকিবলগীয়া হৈছিল আৰু তাৰ খিৰিকীৰ

ফাঁকেৰে দেখা পোৱা এজন পূজাৰীয়ে কেনেকৈ মৃত মানুহ গৰাকীৰ দেহত মূল্যৱান সামগ্ৰী থকা বুলি হাতেৰে খেপিয়াই খেপিয়াই চোৱা দৃশ্যটো তাইৰ বাবে ভয়ানক হৈ পৰিছিল। এনেদৰে ব্ৰজধামত তাইৰ নতুন জীৱনৰ পাতনি মেলিছিল।

উপন্যাসখনত মথুৰাত সেই সময়ত অৰ্থাৎ আগষ্ট মাহত ঝুলন, ৰাধা, অষ্টমী আদি উৎসৱ-পাৰ্বন হৈছিল। যাৰ বাবে ব্ৰজধামত মানুহৰ সংখ্যা অধিক হোৱা দেখা পোৱা যায়। ব্ৰজধামত আহিয়েই সৌদামিনীয়ে প্ৰথম দিনা মন্দিৰৰ চৌহদ ঘূৰি ফুৰোঁতে তাত এজাক বিধৱা ব্ৰতচাৰিণীক লগ পাইছিল। এই ব্ৰতচাৰিণীবিলাকে এই ব্ৰজধামত কেনেকৈ জীৱন নিৰ্বাহ কৰি আছে তাৰ আলম বিচাৰি যাওঁতে একো একোগৰাকী ব্ৰতচাৰিণীয়ে কৈ উঠিল—

"তোমালোক খাবৰ বাবে জীয়াই আছা; আমাক জীয়াই থাকিবৰ বাবে খাব দিয়া।" (পৃষ্ঠা-২১)

এনেধৰণৰ মন্তব্য শুনা মাত্ৰকেই তাইৰ গাটো শিৰশিৰাই যোৱা যেন অনুভৱ কৰিছিল আৰু সিহঁতৰ কথাৰপৰা গম পাইছিল যে ব্ৰজধামত কেনেকৈ চলিব লাগে। ব্ৰতচাৰিণীবোৰে ভালদৰে দুবেলা-দুমুঠি খাবলৈ নাপাই একো একোজনী প্ৰেতাত্মাৰ দৰে দেখা গৈছিল।

'নীলকণ্ঠী ব্ৰজ' উপন্যাসৰ জৰিয়তে ঔপন্যাসিক ড° গোস্বামীয়ে উপস্থাপন কৰা সৌদামিনী চৰিত্ৰটিয়ে যেন এটি এটি সৰু-ডাঙৰ কাহিনীৰে কেৱল তাই সমাজৰ মানুহৰ পৰা পোৱা তুচ্ছতা, গ্লানিতাৰ বিষকে পাণ কৰিছিল এনে লাগে। মন্দিৰৰ নৃত্যৰতা কৰি থকা সময়ত তাইৰ যেতিয়া বিৱৰ্ণ চুলিবোৰ ঘঁহি পৰাৰ লগতে চামেলীৰ মালাধাৰি আঁতৰি যোৱাত তাই ভাবিছিল—

"অদ্ভুত, অনন্য এই প্ৰেম। দুৰ্ভাগ্য আৰু সৌভাগ্যক সমানে তুচ্ছ কৰি পেলোৱা এই প্ৰেম।" (পৃষ্ঠা-২৪)

এনেদৰেই জীৱনৰ গভীৰলৈ সোমাই যোৱা পথত তাই কেতিয়াবা পথভ্ৰষ্ট পথিক হ'বলগীয়া হৈছিল যদিও তাই কেতিয়াও থমকি যোৱা নাছিল আৰু বাস্তৱ জীৱনত তাই এইবোৰ পাণ কৰিয়েই আগবাঢ়ি যোৱাৰ বাবে দৃঢ়সংঘবদ্ধ হৈছিল—

"সত্যৰ পিছে পিছে আগবঢ়া আৰু তাতেই শেষ হৈ যোৱা... এয়ে মোৰ জীৱনৰ পৰম সত্যৰ কাহিনী।" (পৃষ্ঠা-৪৭)

উপন্যাসখনত সৌদামিনী চৰিত্ৰটিয়ে যেনেকৈ প্ৰতি পদে পদে সমাজৰ পৰা নিগৰি অহা বিষপান কৰিবলগা হৈছিল। তেনেকৈ আন দুটি চৰিত্ৰ মৃণালিনী আৰু শশীয়েও অতি কম পৰিমাণে হ'লেও বিষপান কৰিবলগা হৈছিল। মৃণালিনীৰ মাক-দেউতাক বুঢ়া বয়সত চলি-ফুৰি খাব নোৱাৰা অৱস্থাত বজ্ৰধামত থিতাপি লৈছিল। ব্ৰজধামত থকা সিহঁতৰ বিহাৰীকুঞ্জক বিক্ৰী কৰিবলগীয়া হোৱাত তাই দুখ পাইছিল যদিও অভাৱৰ দুখ-দৈন্যতা, বাপেকৰ যৌৱন কালত চলা অত্যাচাৰৰ বাবে তেওঁলোকে এই পন্থা অৱলম্বন কৰিছিল। যাৰ বাবে বুঢ়া মাক-বাপেকক পেট পূৰাই খুৱাবলৈকে তাই মন্দিৰৰ দুৱাৰ মুখে মুখে ভিক্ষা পাত্ৰ ধৰিছিল। সেয়ে আবিয়ে ছোৱালীজনীয়ে বিধৱাসকলৰ লগত থাকিবলগীয়া হৈছিল আৰু ৰাধেশ্যামী বিলাকতকৈ তাই নিজকে দুৰ্ভগীয়া বুলি ভাবিছিল।

"...কি কাৰণে মই দুটা প্ৰেতাত্মাৰ প্ৰহৰী হৈ থাকিবলগীয়া হ'ল? গোটেই জীৱন দুটা প্ৰেতাত্মাৰ প্ৰহৰী। হৈছেনে তহঁতৰ এনে অৱস্থা, তহঁত থুপুৰী বাসী, দৰিদ্ৰ-ৰাধেশ্যামী হৈছেনে তহঁতৰ এনে অৱস্থা" (পৃষ্ঠা-১০০)

উপন্যাসখনত উপস্থাপিত হোৱা মৃণালিনী চৰিত্ৰটিৰ নিচিনাকৈ শশীও এগৰাকী দুৰ্ভগীয়া কুৰি বয়সীয়া বিধৱা তিৰোতা। বিধৱা হোৱাত তাইও সৌদামিনীৰ দৰে কৃষ্ণ প্ৰেমত নিজকে নিমজ্জিত কৰিবলৈ ব্ৰজধামলৈ আহিছিল যদিও তাত থকা দৈত্যাকৃতিৰ মানুহৰপৰা নিজকে বচাবলৈ পূজাৰী আলমগড়ীৰ আশ্ৰয় লৈছিল। যাৰ বাবে তাই কেতিয়াবা কেতিয়াবা হয়তো কষ্ট উপভোগ কৰিছিল যদিও আলমগড়ীৰ লগত থাকিলে তাই ঔৰ্ধ্বদৈহিক পাব বুলি ভাবিছিল। কিন্তু মৃণালিনীৰ ভৱা কথা নহ'ল সিদ্ধি। অৱশেষত আলমগড়ীৰ মৃত্যুৱে তাইক আকৌ অন্ধকাৰ জীৱনলৈ লৈ গৈছিল যদিও ব্ৰজধামৰ জুপুৰিত তাই বসবাস কৰিবলৈ লৈছিল শশীৰ লগত। আলমগড়ীৰ মৃত্যুৱে তাইক বহুতো মনোকষ্ট দিছিলে যদিও; ব্ৰজধামত ব্ৰজৰ মানুহৰ মুখে মুখে গোৱা সংগীতে তাইক আকৌ জীয়াই থকাৰ প্ৰেৰণা দিয়া বুলি ক'ব পৰা যায়—

"বিকেইটা দিন জীয়াই থাকা, এনেভাৱে জীয়াই থাকা যেন সমগ্ৰ পৃথিৱীখনেই তোমাৰ।" (পৃষ্ঠা-৯৫)

এনেদৰে মৃণালিনীয়ে জীৱন জীয়াই থকাৰ প্ৰেৰণা পাইছিল যদিও তাত থকা কিছুমান কুকুৰনেচীয়াই তাইক প্ৰতি পদে-পদে পথভ্ৰষ্ট কৰিব বিচাৰিছিল।

ঔপন্যাসিকাই এই উপন্যাসখনত মৃণালিনী আৰু শশী চৰিত্ৰৰ যোগেদি ব্ৰজধামৰ তুচ্ছতা, গ্লানিতা আদিবোৰ দেখুৱাইছিল। তাৰোপৰি, সৌদামিনী চৰিত্ৰৰ যোগেদি অতি স্পষ্টভাৱে এইবোৰ প্ৰকাশিত হোৱা দেখা গৈছিল। সৌদামিনীয়ে ব্ৰজধামত দৈহিক কামনা-বাসনাবোৰ সুপ্ত কৰি কৃষ্ণ প্ৰেমত নিমজ্জিত হ'বলৈ বিচাৰিছিল। কিন্তু এই কাৰ্য একেবাৰে হৈ নুঠিল। তাই মৃত স্বামীৰ মুখৰ প্ৰতিচ্ছবি কেতিয়াবাই পাহৰি গৈছিল যাৰ বাবে তাই এজন খ্ৰীষ্টান যুৱকৰ সৈতে আসক্ত আছিল। এইবোৰ কাৰণতে মাক অনুপমাই লৈ আহিছিল তাইক ব্ৰজধামলৈ। তাত থকা পবিত্ৰভূমিবোৰ মাকে তাইক দেখুৱাইছিল লগতে তাৰ পবিত্ৰতাবোৰৰ বিষয় সোঁৱৰাই দিওঁতে মনটো একান্ত কৰি ৰাখিব নোৱাৰিলে। যাৰ ফলত তাই মাকক সম্বন্ধি কৈছিল—



"মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়াপৰৱশ হৈ কটাব নোৱাৰো— মই মহীয়সী নহওঁ যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো... তোমালোকে যদি মই সলনি হোৱা বুলি ভাবিছা, তেতিয়াহ'লে..." (পৃষ্ঠা-৫৪)

এনেদৰে মাক-দেউতাকৰ নীতি-নিয়মক ভ্ৰূক্ষেপ কৰি কৈছিল যদিও তাইও এই নিয়ম-নীতিৰপৰা আঁতৰি আহিবপৰা নাছিল। যাৰ ফলত তাই দিনক-দিনে এজনী বুঢ়ী তিৰোতাৰ দৰে হোৱা যেন তাই অনুভৱ কৰিছিল। যদিও অতীতক স্মৰণ কৰিলে তাইক এসময়ত মানুহে শাৰীৰিক লাৱণ্যৰে উচ্চ প্ৰশংসা কৰিছিল। কিন্তু সময় পৰিৱৰ্তন হোৱাৰ লগে লগে তাইৰ মনৰো পৰিৱৰ্তন হৈছিল। তাৰ লগতে অন্ধকাৰে যেন সৌদামিনীৰ গোটেই জীৱন গ্ৰাস কৰিবলৈকে আহিছিল—

"কিছুদিন ধৰি এনে এক অদ্ভুত অন্ধকাৰে মোৰ সমস্ত জীৱন গ্ৰাস কৰিবলৈ আগবাঢ়ি অহা যেন দেখোঁ... অথচ কেতিয়াবা ভাব হয় এই অন্ধকাৰ পোহৰতো অধিক।" (পৃষ্ঠা-৫৯)

সমাজৰ গ্লানিতা, অভাৱগ্ৰস্ততা, ৰাধেশ্যামীসকলৰ কৰুণ কাহিনীৰে আৱৰ্তিত হৈ থকা ড° গোস্বামীৰ উপন্যাসখনে এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ব্ৰজধামত এই অভাৱগ্ৰস্ততা ৰাধেশ্যামীসকলে দুবেলা-দুমুঠিৰ বাবে মঠ-মন্দিৰৰ দুৱাৰ মুখে মুখে ভীক্ষাৰ পাত্ৰ ধৰিছিল। তাৰ বাহিৰেও সিহঁতৰ দেহবিলাক চৰ্মৰোগত আক্ৰান্ত হ'লেও পেটৰ ভোক পূৰণৰ বাবে কৃষ্ণপ্ৰেমৰ গীতবোৰ আওৰাইছিল।। কাৰণ তেওঁবিলাক একো একোগৰাকী বৈধব্য ব্ৰতচাৰিণী আছিল। এনেধৰণে ৰাধেশ্যামীবিলাকে জীৱন-ধাৰণ কৰাৰ ফলত সিহঁতৰ মৃত্যুবোৰ দ্ৰুতগামী হৈ আহিছিল—

"মৃত্যু ইয়াত যেন দ্ৰুতগামী। অনেক চিনাকি মুখ এই অলপ সময়ৰ ভিতৰত অন্তৰ্ধান হৈ পৰিছে, মৃত্যু আৰু জীৱনে ব্ৰজৰ আশে-পাশে যেন হাতত ধৰাধৰিকৈ দিন অতিবাহিত কৰে।" (পৃষ্ঠা-১০৫)

এনেদৰেই উপন্যাসত থকা সৌদামিনীৰ চৰিত্ৰৰ জৰিয়তে ব্ৰজধামৰ বহুতো দৰিদ্ৰতাক্লিষ্ট মানৱৰূপীসকলৰ জীৱন-ধাৰণৰ প্ৰণালীবোৰৰ এক প্ৰতিচ্ছবি দেখা পোৱা যায়। কিন্তু এইবোৰ দিশত তাই পৰিবলগা হোৱা নাছিল, কেৱল বৈধব্য ব্ৰতচাৰিণী হোৱা দিশটোৱে তাইক জীয়াই জীয়াই দগ্ধ কৰি তুলিলে যাৰ পৰা মুকলি হোৱাৰ কোনো পথকে তাই উদ্ধাৰ কৰিবপৰা নাছিল। তেনে পৰিস্থিতিত নিজকে তাই সান্ত্বনা দিছিল—

"ধৈৰ্য্য যাৰ মিত্ৰ, বুদ্ধি যাৰ পথ-প্ৰদৰ্শক আৰু আত্মবল যাৰ চিৰসহায়ক... এনে এক পৰিচ্ছন্ন পথত অহৰহ বিচৰণ কৰা"। (পৃষ্ঠা-১১৮)

উপন্যাসখনৰ জৰিয়তে ঔপন্যাসিকা গোস্বামীয়ে সৌদামিনী চৰিত্ৰক এনে ভাৱে অংকন কৰিছে যাতে, তাই জীৱনৰ অভাৱগ্ৰস্ততাখিনি পূৰ্ণ কৰি ল'ব পাৰে। সেয়ে, বিধৱা ব্ৰতচাৰিণী হৈও এজন খ্ৰীষ্টান যুৱকৰ সৈতে প্ৰায় আসক্ত আছিল। এই কথা গম পোৱা মাত্ৰকে মাক-অনুপমাই বাধা আৰোপ কৰিছিল যদিও, অৱশেষত পিতৃ ডাঃ ৰায়চৌধুৰীয়ে তাইৰ মনবেদনাৰ অন্তৰ্দ্বন্দ্ব হৈ থকা বুলি গম পোৱাত সেই খ্ৰীষ্টান যুৱকটিৰ ওচৰলৈ যাবলৈ আদেশ দিছিল। সেই অনুবোধমৰ্মে তাইও সমাজৰ বৈধব্য ব্ৰতচাৰিণী নিয়মৰ পৰা মুক্তি কামনাৰে অৰ্থাৎ সধবাৰ দৰে জীৱন-যাপন কৰিব বিচাৰিছিল—

"আজিৰ দিনটোৱে মোৰ জীৱনৰ গতিপথ এটিৰ কথা আঙুলিয়াই দেখুৱাব, সকলো দ্বিধা, সকলো আড়ষ্টতা আজিৰ এই দিনটোৱে মষিমূৰ কৰি পেলাব। আহা আৰু আগবাঢ়ি আহা, বাহিৰৰ সেই ধুমুহা আৰু মোৰ মনৰ এই ধুমুহা আজি চৰ একাকাৰ হৈ গৈছে। মই ৰাক্ষসী হৈ গৈছোঁ। সেই উত্তাপৰ বাবে আজি মই ৰাক্ষসী হৈ গৈছোঁ। তুমি খ্ৰীষ্টান, মই হিন্দু আৰু আমাৰ মাজত সেই অদ্ভুত ৰহস্যময় উত্তাপ।"। (পৃষ্ঠা-১২৩)

এনেদৰে দুয়ো মিলনৰ নদীৰ ঘাটত জীৱনৰ নাও চপাব বিচাৰছিল যদিও অৱশেষত সৌদামিনীয়ে মাতৃৰ স্নেহৰ আকুলতাৰ বাবে তাই তাৰ সৈতে যাবলৈ মান্তি নহ'ল যদিও আকৌ ব্ৰজধামলৈকে গুছি যাবলৈকে সাহ নকৰিলে। তাত গ'লে কেৱল জীৱনৰ দুখ-দৈন্যতা, পূজাৰীসকলৰ অশালীন ব্যৱহাৰ, প্ৰতাৰণা, আড়ষ্টতা আদিবোৰে আকৌ তাইক জীৱনত হেঁচা দি ধৰিব। তাৰোপৰি, মাক অনুপমাই সমাজৰ নিয়মৰ প্ৰতি থকা বিশ্বাস জয়ী হ'ব বুলি সৌদামিনীয়ে ভাবিছিল। যাৰ বাবে তাই উভতি যোৱাৰ পৰিৱৰ্তে যমুনা নৈতে জীৱনৰ সকলো আশা-আকাংক্ষাৰ সৈতে চিৰদিনৰ বাবে জাহ গৈছিল।

ওপৰোক্ত আলোচনাৰ অন্তত ক'ব পৰা যায় ড° মামনি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনে নামকৰণৰ তাৎপৰ্য্যৰ অৰ্থ বহন কৰিছে। কিয়নো, কৃষ্ণৰ লীলাভূমি ব্ৰজধাম আনেক পাপেৰে কলুষিত। কিন্তু ই ধ্বংস নহয়, পবিত্ৰ ব্ৰজধাম হৈয়ে ৰৈ যাব। ই হলাহল বিষ মহাদেৱৰ দৰে পাণ কৰিবলগীয়া হৈছে, ইয়াৰ মৃত্যু নাই। পাপৰ হলাহল বিষপাণ কৰি ই হৈছে নীলকণ্ঠী। ■

# 'অসীমত যাৰ হেৰাল সীমা' ঃ এক চমু আলোকপাত

ৰিমি য়েচমিন
স্নাতক তৃতীয় ষাণ্মাসিক

**আৰম্ভণি ঃ**

অসমীয়া সাহিত্য জগতত সাৰ্থক সৃষ্টিৰ অন্যতম নজিৰৰূপে পৰিগণিত, সকলো প্ৰজন্মৰ প্ৰিয় এখন উপন্যাস 'অসীমত যাৰ হেৰাল সীমা'। প্ৰয়াত ভুবন মোহন বৰুৱাই কাঞ্চন বৰুৱা ছদ্মনামত লিখা প্ৰথমখন উপন্যাস। কালজয়ী উপন্যাসখনৰ প্ৰথম প্ৰকাশ হৈছিল ১৯৪৫ চনত। তেতিয়াৰ পৰা আজিলৈকে উপন্যাসখনৰ জনপ্ৰিতা কিঞ্চিতমানো হ্ৰাস হোৱা নাই। আজিও উপন্যাসখনৰ যাদুৰে পাঠক সমাজক সমানেই মুগ্ধ কৰি ৰাখিছে।

**কাহিনীৰ আভাস ঃ**

উপন্যাসখনৰ আৰম্ভণিতে কাহিনীকাৰৰ নিজাকৈ এটা সৰু সপোন। বিয়াৰ বান্ধোনত বান্ধ খাব নোখোজা এজন ডেকা ল'ৰা। মাকৰ চকুপানী, পৰিয়াল-পৰিজনৰ দিহা-পৰামৰ্শ, আদেশ-উপদেশ শিৰোধাৰ্য কৰি তেওঁ বিয়াত বহিল। বিয়াৰ পাছতো ন-কইনাৰপৰা পলাই ফুৰিছিল যদিও পিছলৈ তেওঁলোকৰ সংসাৰ ৰং-ৰূপেৰে গঢ়ি উঠিছিল। ...এই আধৰুৱা সপোনটোৱে পূৰ্ণতা পোৱাৰ আগতেই তাত কাহিনীকাৰৰ বাস্তৱ জীৱনৰ চাৰি বন্ধুৱে দখল দিয়ে (বন্ধুবৰ্গৰ এজন প্ৰফেছৰ, এজন কবি, এজন ডাক্তৰ আৰু আনজন কাহিনীকাৰৰ দৰেই কেৰাণী)। উদ্দেশ্য— পাঁচ বন্ধুৱে লগ হৈ এক অভিনৱ অৱসৰ বিনোদন উপভোগ কৰিব। জনসমাগম এৰি দিহিঙৰ বুকুৰেদি নাৱেৰে উজাই গৈ কোনোবা অজান মুলুকলৈ ঢাপলি মেলাৰ প্ৰয়াস। প্ৰায় পোন্ধৰ দিন পাৰ হোৱাৰ পিছত তেওঁলোক উপস্থিত হয় জনপ্ৰাণহীন অটব্য অৰণ্যত আৰু তাতেই সাক্ষাৎ পায় আধুনিকতাৰ স্পৰ্শ নপৰা কিছুমান আদিম আদিবাসীৰ। কৌতুহল দমাব নোৱাৰি নাৱৰ পৰা নামি যায় আৰু খোৱা-বোৱা কৰি ৰাতিটো তাতেই কটায়। পিছদিনা পুনৰ যাত্ৰা আৰম্ভ কৰিব ওলোৱাত নাৱৰীয়াকেইজনে বিদ্ৰোহ কৰে যে তেওঁলোকে আৰু আগুৱাই নাযায়। কিয়নো তেওঁলোকে অনুমান কৰিছে যে আগলৈ যাত্ৰা কৰিলে হ'ব পৰা বিপদৰ কথা। তথাপিও পাঁচ বন্ধুলে জেদত নাও মেলি দিলে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰি গৈ থাকোঁতেই নিশাৰ আন্ধাৰত কোবাল ধুমুহা-বতাহে উটুৱাই নি কোনোবা এক অজান ঠাইত পেলালেগৈ। দিনৰ পোহৰৰ নিশাৰ ভয়াবহতাৰ কথা পাহৰি অলপ সুস্থ হ'ব খোজোতেই প্ৰফেছৰে অন্য এক চমক দেখুৱাই, ধুমুহাৰ তাণ্ডৱে তেওঁক অতীত সোঁৱৰাই ওভতাই লৈ যায় তেৰশ বছৰ পুৰণি তেওঁৰ অতীত জীৱনলৈ।

তেৰশ বছৰ পুৰণি প্ৰফেছৰৰ অতীত জীৱন আৰম্ভ হৈছিল কমলনগৰত আৰু তাৰ মাজেৰে বৈ যোৱা নৈখনৰ নাম আছিল কাঞ্চনমতী। ৰঙাটিলাৰ বাসিন্দা লক্ষ্মীনাৰায়ণ প্ৰধান ৰাজবিষয়া। অশোক দ্বিতীয় ৰাজবিষয়া। অশোকৰ পত্নী উমা আৰু দুই কন্যাঃ মণি-আৰতি। অশোকৰ আবাসস্থলীৰ নাম 'ৰূপালীনাম'। লক্ষ্মীনাৰায়ণৰ একমাত্ৰ গৌৰী আৰু আটায়ে লগ হৈ মাঘ বিহু উপলক্ষে খেলমাটিত হোৱা ম'হযুঁজ চাবলৈ যায়। ইপিনে কৈশোৰৰ অভিন্ন লগ চন্দনক লগত লৈ অশোকেও বকুপুৰৰ পৰা বাহিৰে বাহিৰে খেলমাটিত ভৰি দিয়েগৈ। তাতেই গৌৰীৰ সৈতে মুখামুখি হয় চন্দনৰ। সেই প্ৰথমৰ পৰাই চন্দন আৰু গৌৰীৰ মাজত আহে নকুল সম্পৰ্ক। কিন্তু দিন বাগৰাৰ লগে লগে ভালপোৱাৰ সুবাসে দুয়োকে আৱৰি আনে। তেনেতে তাত বিধি-পঠালি দিয়ে শুকুলাই। শুকুলা হ'ল চন্দনৰ মৰমৰ ঘোঁৰাজনীৰ নাম। ইফালে আত্মগৌৰৱতেই হওক বা অহংকাৰতে গৌৰীয়ে সুধিব নোৱাৰে শুকুলাৰ কথা। আনহাতে চন্দনৰ প্ৰেমৰ জুইকুৰাক ইন্ধন যোগায় চম্পাই। চম্পা হ'ল চন্দৰ আজন্মা লগৰী। কমলনগৰৰ আটাইতকৈ ৰূপৱতী ছোৱালী চম্পা। চন্দনৰ প্ৰতি চম্পাৰ বুকুত বৈ থাকে এখন নেদেখা কাঞ্চনমতী। এনেদৰে দিনবোৰ সুকলমে গৈ থাকে। এনেতে ৰাজধানীৰ পৰা বাতৰি আহে যে দেশখন মহা পৰাক্ৰমী শত্ৰুৰ কবলত পৰাৰ। তাতোকৈ মৰ্মান্তিক খবৰটো হ'ল এই যে এটা শক্তিশালী দল আগবাঢ়িছে কমলনগৰৰ ফালে। কমলনগৰৰ ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৱে শত্ৰুৰ স'তে যুঁজ দিয়ে। যুঁজত লক্ষ্মীনাৰায়ণৰ লগতে ন-বছৰীয়া শ্যামৰো মৃত্যু হয়। চন্দন চিৰজীৱনলৈ ঘূণীয়া হ'ল। শত্ৰুৰ বাণে বুকু বিন্ধি যোৱা চম্পাই কাল নিয়তিৰ ওচৰত হাৰ মানিলে। কিন্তু মৃত্যুৰ আগেয়ে চন্দনে উপলব্ধি কৰে চম্পাৰ বুকুত নীৰৱে গঢ়া আপুৰুগীয়া প্ৰেম। কালৰ কুটিল গতিয়ে নিঃশেষ কৰি পেলায় কমলনগৰৰ অস্তিত্ব।

**সামৰণি ঃ**

প্ৰিয় গ্ৰন্থৰ বিষয়ে এনেকৈ কম শব্দৰে লিখা কেতিয়াও সম্ভৱ নহয়। তথাপিও মনৰ অনুভৱবোৰ লিখিছোঁ। পঢ়ি থাকোঁতে এনে লাগিছিল যেন, এইখন গ্ৰন্থ নহয় এক জীয়া কাহিনীহে, নাৱত বহি যেন ময়ো গৈ আছোঁ সুদূৰলৈ, চকুৰে দেখিছোঁ যেন কমলনগৰৰ সৌন্দৰ্য, অনুভৱ কৰিছোঁ যেন কমলনগৰবাসীৰ সৰলতা আৰু মই যেন সেই কালনিশাৰ সন্মুখীন হৈ উপলব্ধি কৰিছোঁ যেন কমলনগৰৰ প্ৰতিজন ডেকা-গাভৰু, ল'ৰা-বুঢ়াৰ নিজ দেশৰ প্ৰতি থকা ভালপোৱা আৰু বীৰত্বৰ কথা। ভৱিষ্যতৰ সাহিত্যপ্ৰেমী মানুহৰ মনৰ মাজত যেন আজীৱন জিলিকি ৰওঁক—

"অসীমত যাৰ হেৰাল সীমা'।। ■






"মানৰ সভ্যতাৰ ক্ৰমবিকাশত কথা-সাহিত্যই সমকালীন লোক-মানসৰ বৈশিষ্ট্যৰাজি পৰিগ্ৰহণেৰে উজ্জীৱিত।"

## Environment

Ms. Chinmoyee Chetia
ssor, Department of History

; or environmental safeguards, cological harm. In Guwahati, n has resulted in the destruc- isruption of natural drainage incidents of urban flooding. n negatively affected by dust, egetation.

al theme for World Environ- June 5, 2025, is "Beat Plastic calls for urgent action to ad- of plastic waste. It highlights ts, industries, and individuals ircular economy by reducing sumption of single-use plas- ainable alternatives.

any growing cities, faces the plastic waste effectively. The ong streets, in drains, and in Bharalu River is increasingly that both public and private o adopt environmentally re- luding waste segregation, re- reness campaigns.

le Guwahati continues to de- s growth be aligned with sus- practices. Authorities must onmental regulations, conduct ents, and involve local com- g process.

responsibility to support eco- educe their own environmen-

med, responsible choices, balance between development ervation. In doing so, the city eeds of its present population tural heritage for future gen-

## 'অসীমত যা

**আৰম্ভণি :**

অসমীয়া সাহিত্য জগতত
নক্ষিৰূপে পৰিগণিত, সকলো প্ৰজ
'অসীমত যাৰ হেৰাল সীমা'। প্ৰয়াত
বৰুৱা ছদ্মনামত লিখা প্ৰথমখন উপন্যা
প্ৰথম প্ৰকাশ হৈছিল ১৯৪৫ চনত।
উপন্যাসখনৰ জনপ্ৰিতা কিঞ্চিতমানো
উপন্যাসখনৰ যাদুৰে পাঠক সমাজক

**কাহিনীৰ আভাস :**

উপন্যাসখনৰ আৰম্ভণিতে কাহি
সপোন। বিয়াৰ বান্ধোনত বান্ধ খাব নে
মাকৰ চকুপানী, পৰিয়াল-পৰিজনৰ দিহ
শিৰোধাৰ্য কৰি তেওঁ বিয়াত বহিল। বি
পলাই ফুৰিছিল যদিও পিছলৈ তেওঁ
গঢ়ি উঠিছিল। ...এই আধৰুৱা সপোনটে
তাত কাহিনীকাৰৰ বাস্তৱ জীৱনৰ চাৰি
এজন প্ৰফেছৰ, এজন কবি, এজ
কাহিনীকাৰৰ দৰেই কেৰাণী)। উদ্দে
এক অভিনৱ অৱসৰ বিনোদন উপভো
দিহিঙৰ বুকুৰেদি নাৱেৰে উজাই গৈ
ঢাপলি মেলাৰ প্ৰয়াস। প্ৰায় পোন্ধৰ
তেওঁলোক উপস্থিত হয় জনপ্ৰাণহীন
সাক্ষাৎ পায় আধুনিকতাৰ স্পৰ্শ নপৰা
কৌতূহল দমাব নোৱাৰি নাৱৰ পৰা
কৰি ৰাতিটো তাতেই কটায়। পিছদি
ওলোৱাত নাৱৰীয়াকেইজনে বিদ্ৰোহ
আগুৱাই নাযায়। কিয়নো তেওঁলোকে
যাত্ৰা কৰিলে হ'ব পৰা বিপদৰ কথা।
নাও মেলি দিলে। প্ৰকৃতিৰ অপৰূপ
থাকোঁতেই নিশাৰ আন্ধাৰত কোবা
কোনোবা এক অজান ঠাইত পেলা
ভয়াবহতাৰ কথা পাহৰি অলপ সুস্থ
অন্য এক চমক দেখুৱাই, ধুমুহাৰ তা
ওভতাই লৈ যায় তেৰশ বছৰ পুৰণি

তেৰশ বছৰ পুৰণি প্ৰফেছৰৰ
কমলনগৰত আৰু তাৰ মাজেৰে বৈ



# Finding Balance: Development and Environment in Guwahati

**Ms. Chinmoyee Chetia**
Assistant Professor, Department of History

Guwahati, the largest urban center in Northeast India, is undergoing rapid development. This progress has brought several advantages, including improved infrastructure, enhanced transportation systems, and increased employment opportunities. However, alongside these positive developments, the city is also facing significant environmental challenges that demand immediate and thoughtful attention.

One of the most pressing issues is the deteriorating condition of the Bharalu River. Historically a crucial part of Guwahati's drainage and ecological system, the river has now become heavily polluted. It is frequently clogged with plastic waste, garbage, and untreated sewage. This not only degrades the natural environment but also poses serious health risks to nearby communities. Once a symbol of natural flow and life, the Bharalu now functions more as an urban drain than a river.

Another concern is the removal of large, mature trees around Dighalipukhuri, a historic water body located in the heart of the city. In recent months, several trees have been felled to make way for the construction of a new flyover. While this infrastructure project may help ease traffic congestion in the future, the loss of tree cover has caused distress among local residents. These trees were not only part of the city's landscape but also contributed to its environmental stability by providing shade, reducing heat, and improving air quality.

At the same time, it is important to recognize the benefits that construction and development can bring. New roads and flyovers can reduce traffic bottlenecks and improve connectivity. Modern buildings provide space for housing, education, commerce, and healthcare, all of which contribute to the city's economic growth and quality of life. Such development is essential for a growing urban population.

Nevertheless, when development is carried out without proper planning or environmental safeguards, it can lead to serious ecological harm. In Guwahati, unregulated construction has resulted in the destruction of green spaces, disruption of natural drainage systems, and increased incidents of urban flooding. Air quality has also been negatively affected by dust, debris, and the loss of vegetation.

This year, the global theme for World Environment Day, observed on June 5, 2025, is "Beat Plastic Pollution." This theme calls for urgent action to address the growing crisis of plastic waste. It highlights the need for governments, industries, and individuals to transition toward a circular economy by reducing the production and consumption of single-use plastics and promoting sustainable alternatives.

Guwahati, like many growing cities, faces the challenge of managing plastic waste effectively. The sight of plastic litter along streets, in drains, and in water bodies such as the Bharalu River is increasingly common. It is essential that both public and private sectors work together to adopt environmentally responsible practices, including waste segregation, recycling, and public awareness campaigns.

In conclusion, while Guwahati continues to develop, it is vital that this growth be aligned with sustainable environmental practices. Authorities must implement stricter environmental regulations, conduct regular impact assessments, and involve local communities in the planning process.

Citizens also have a responsibility to support eco-friendly initiatives and reduce their own environmental footprints.

By making informed, responsible choices, Guwahati can achieve a balance between development and environmental preservation. In doing so, the city will not only meet the needs of its present population but also safeguard its natural heritage for future generations. ■

# ২১শ শতিকা কিয় এছিয়া মহাদেশৰ!

ড° ৰিপুন দলে
সহকাৰী অধ্যাপক তথা বিভাগীয় প্ৰধান, ইতিহাস বিভাগ

ইতিহাস গভীৰ পৰিৱৰ্তনৰ ফালে ধাৱমান। বিশ্বৰ ক্ষমতাৰ কেন্দ্ৰ পশ্চিমৰ দীৰ্ঘদিনীয়া আধিপত্যৰ পৰা পূব দিশলৈ ববলৈ ধৰিছে। শতিকাজুৰি ইউৰোপ আৰু আমেৰিকাই নতুনত্ব আৰু বিজয়ৰ জৰিয়তে বিশ্বক নিয়ন্ত্ৰণ কৰি আহিছিল, কিন্তু ২০২৫ চনত এছিয়া ২১শ শতিকাৰ স্বাভাৱিক উত্তৰাধিকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে। চীন আৰু ভাৰতৰ দৰে দুখন শক্তিশালী দেশৰ নেতৃত্বত এছিয়াই বিপুল জনসংখ্যা, তৰুণ শক্তি আৰু ডিজিটেল দক্ষতাৰ সহায়ত অৰ্থনীতি, প্ৰযুক্তি আৰু ভূ-ৰাজনীতিক নতুন সংজ্ঞা দিছে। এয়া হৈছে এছিয়াৰ শতিকা-য'ত বিশ্বৰ অৰ্ধেকৰো অধিক জনসংখ্যাই নিজৰ ঐতিহাসিক গৌৰৱ পুনৰুদ্ধাৰ কৰি প্ৰত্যাহ্বানসমূহক অসীম সম্ভাৱনাত পৰিণত কৰাৰ দিশত।

তথ্যই আকৰ্ষণীয় কাহিনী সমূহ উন্মোচন কৰে। ২০০০ চনত এছিয়াৰ মুঠ জিডিপি উত্তৰ আমেৰিকা আৰু ইউৰোপৰ তুলনাত পিছপৰি আছিল। ২০২০ চনলৈ ই ৩২.৮ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধিৰে শীৰ্ষ স্থান দখল কৰিছে। তথ্য অনুসৰি ২০৫০ ৰ ভিতৰত চীন, ভাৰত আৰু ইণ্ডোনেছিয়াই বিশ্বৰ বৃহত্তম অৰ্থনীতিৰ তালিকাত আধিপত্য বিস্তাৰ কৰিব। চীনৰ ই-কমাৰ্চৰ বিস্ফোৰণে এই পৰিৱৰ্তনৰ উদাহৰণ যত এক দশক আগতে বিশ্বৰ বিক্ৰীৰ ১% বো কম পৰা এতিয়া ই ৪০% তকৈ অধিক অংশ দখল কৰিছে। আলিবাবা আৰু জেডি.কমৰ দৰে প্লেটফৰ্মে প্ৰায় একবিলিয়ন ক্ৰেতাক সেৱা প্ৰদান কৰিছে-যিটো আমেৰিকাৰ বজাৰৰ তুলনাত তিনিগুণ। ভাৰতৰ ৰিলায়েন্স জিঅ' টেলিকমৰ উত্থানে গুগল আৰু ফেচবুকৰ পৰা বিলিয়ন ডলাৰৰ বিনিয়োগ আকৰ্ষণ কৰিছে। এই দুয়ো দেশে একেলগে পশ্চিমৰ উৎপাদন কেন্দ্ৰক এছিয়ালৈ স্থানান্তৰিত কৰিছে।

এই ৰূপান্তৰৰ কেন্দ্ৰত চাৰিটা গতিশীল শক্তি বা চাৰিটা 'এম' বিশেষ ভূমিকা লৈছে—

প্ৰথমে, এছিয়াত ৮০০ মিলিয়ন মিলেনিয়েল আছে, যিটো আমেৰিকাৰ ৬৬ মিলিয়নৰ তুলনাত বহু বেছি। আশাবাদী আৰু উচ্চাকাংক্ষী এই গোটৰ ৬৫% উদীয়মান বজাৰত নিজৰ পিতৃ-মাতৃৰ তুলনাত অধিক সমৃদ্ধিৰ আশা কৰে।

দ্বিতীয়তে, ব্ৰুকিংছ ইনষ্টিটিউটৰ মতে, পৰৱৰ্তী এক বিলিয়ন মধ্যবিত্ত শ্ৰেণীৰ প্ৰায় নটাৰ ভিতৰত আঠটা এছিয়াৰ পৰা আহিব। ২০২৫ চনৰ ভিতৰত এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ মধ্যবিত্তৰ ব্যয় বিশ্বৰ বাকী অংশক অতিক্ৰম কৰিব পাৰে। চীনত গ্ৰাহকৰ পছন্দ স্থানীয় ব্ৰেণ্ডৰ দিশে স্থানান্তৰিত হৈছে, যেনে বৈদ্যুতিক সঁজুলিৰ ক্ষেত্ৰত, যিয়ে স্বাস্থ্যসেৱা আৰু গ্ৰাহক প্ৰযুক্তিৰ দৰে খণ্ডক উৎসাহিত কৰিছে।

তৃতীয়তে, নগৰায়নে বৃদ্ধিৰ গতিক ত্বৰান্বিত কৰে। এছিয়াত ১০ লাখৰো অধিক জনসংখ্যাৰ ৩০০ৰো অধিক নগৰ আছে ইয়াৰ বিপৰিতে আমেৰিকাৰ মাত্ৰ ১০খন নগৰহে আছে। এই ঘনত্বই নতুনত্বৰ জন্ম দিয়ে।

চতুৰ্থতে, ৪ বিলিয়ন মোবাইল ফোন চাবস্ক্ৰিপচন আৰু ২ বিলিয়ন ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সৈতে এছিয়াই ডিজিটেল সেৱাসমূহৰ সংখ্যাত বহু ওপৰত। উইচেটৰ দৰে ছুপাৰ-এপে ই-কমাৰ্চ, মেছেজিং আৰু বীমা সেৱাৰ চাহিদা বৃদ্ধি কৰিছে, একেদৰে ভাৰতত পেটিএম আৰু ফ্লিপকাৰ্টে দ্ৰুত গতিত নিজৰ সেৱা বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

এই নতুনত্বই অত্যাধুনিক ঘৰুৱা বজাৰৰ সেৱা বিশ্বৰ বিনিয়োগকাৰীক আকৰ্ষণ কৰে। চীনে ১১৮টা ইউনিকৰ্ণ (১ বিলিয়ন ডলাৰৰ অধিক মূল্যৰ ষ্টাৰ্ট-আপ) তৈয়াৰ কৰিছে, যিটো আমেৰিকাৰ মুঠ সংখ্যাৰ প্ৰায় আধা, আনহাতে ভাৰতে ২৪টা ইউনিকৰ্ণৰে তৃতীয় স্থানত আছে।

আমেৰিকা-চীন বাণিজ্যিক উত্তেজনা আৰু ২০২৫ চনৰ আগষ্টত ভাৰতৰ ওপৰত আমেৰিকাৰ ৫০% শুল্ক (যিটো ২৭ আগষ্টৰ পৰা কাৰ্যকৰী হ'ব) নীতিয়ে ভাৰত আৰু চীনৰ সম্পৰ্ক শক্তিশালী কৰাৰ দিশে ঠেলি দিছে। ২০২৫ৰ চাংগহাই সহযোগিতা সংগঠন (SCO) শীৰ্ষ সন্মিলনৰ আগতে পুনৰ আৰম্ভ হোৱা প্ৰত্যক্ষ বিমান সেৱা আৰু বাণিজ্য আলোচনা ই দুয়ো দেশৰ মাজত সম্পৰ্ক শক্তিশালী কৰিছে। চীনৰ বেল্ট এণ্ড ৰোড ইনিচিয়েটিভে ১৫০ খন দেশত ৰ ট্ৰিলিয়ন ডলাৰৰ বিনিয়োগৰ সৈতে বাণিজ্যৰ পথ পুনৰ সংজ্ঞায়িত কৰিছে। ভাৰতৰ ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিড'ৰ (আইএমইচি) এটা স্বচ্ছ বিকল্পৰ জৰিয়তে এছিয়াক ইউৰোপৰ সৈতে সংযোগ কৰিছে।

এছিয়াৰ জয়যাত্ৰাই পশ্চিমীয়া দেশসমূহৰ বাবে ডাঙৰ প্ৰত্যাহ্বান। বিশেষকৈ আমেৰিকাৰ ডলাৰ আৰু আমেৰিকাৰ আধিপত্যক প্ৰত্যাহ্বান জনাই এই স্থান চীন আৰু ভাৰতে সন্মিলিত ভাৱে দখল কৰা পূৰ্ণ সুযোগ আছে যদিহে দুয়োখন দেশৰ মাজৰ সীমা আৰু বাণিজ্যক বিবাদ সঠিকভাৱে আলোচনাৰ জৰিয়তে সমাধান কৰিব পাৰে। ■



# Human Psychology

Namrata Pujari
B.A. 3rd Sem.

A journey through the mind's labyrinthine corridors reveals the fascinating intricacies of human psychology, a field that illuminates the fascinating intricacies of human psychology, intricacies of human psychology, a field that illuminates that very essence of our throughts, emotions, and behaviours. It's a realm where the ordinary becomes extraodinary and the mindare transforms into a captivating tapestry of mental process. As we embork on this exploration, will uncover the hidden depths of our psyche and gain a deeper understanding of what makes us uniwuely human.

Human psychology, in its broadest sense, is the scientific study of the human mind and behaviour. It's a field that seeks to unrovel the mysterines of our thoughts, feelings and actions, Providing insights that can help us navigate the complexities of life. But it's so much more than just a dry academic pursuit. It's a journey of self discovery, a tool for personal growth and a lens through which we can better understand overselves and others.

The roots of psychology stretch back to ancient civilizations, with early philosophers pondering the nature of the mind and soul. However, it wasn't until the late 19th century that psychology emerged as a distinct scientistific discipline. Pioneers like William Wundt, William James and Sigmund Freud laid the groundwork for what would become a rich and diverse field of study.

Today, Human Behabiour Psychology Study. Unveiling the complexities of the Mind touches every aspect of our lives. From the way we percive the world around us to the decisions we make from our relationship with others to our innermost thoughts and feelings, Psychology offers valuable insights that can enhance our understanding and improve our quality of life. At its core, human psychology is built upon a foundation of principles and theories that attempt to explain the intricacies of the mind. These fundamental concepts serve as the building blocks for understanding human behaviour and mental processes.

One of the most enduring debates in psychology is the nature versus nurture controversy. This age-old question asks: Are we primorily shoped by our genes (nature) of by our environment and experiences (narture)? The answer, as it turns out, is not a simple either or Modern research suggests that both nature and nurture play crucial roles in shoping who we are, interacting in complex ways through out our lives.'Our cognitive function, those mental processes that allow us to think, reason and perceive are intimately tied to the structure and function of our brains. The human brain, with its billions of neurons and trillions of connections, is a marvel of biological engineering.

It's the seat of our consciousness, the source of our emotions and the driver of our behavious.

But the brain isn't just a static organ. It's incredibly plastic, Capable of changing and adopting through out our lives. Throughout our lives. This neuroplasticity is one of the most exciting areas of psychological research, offering hope for everything from treating mental illnesses to enhancing cognitive abilities.

Why do we do the things we do? What drives our actions and reactions? These are questions that have puzzled philosophers and scientists for centuries and they lie at the heart of Human Nature Psychology: Unraveling the complexities of our Minds.

Motivation and emotion are two key factors that influence our behaviour. Whether it's the basic drive to satisfy our hunger or the complex desire to achive personal goals, motivation propels us forward. Emotions. On the other hand, color our experiences and often guide our descision, sometimes in ways we'e not enev aware of.

Our personality, that unique combination of traits that makes us who we are, develops through a complex interplay of genetic predisposition and environmental inluences. From the sky introvest to the outgoing extriovert from the meticulous planner to the spontaneous free spirit, our personilities shape how we interact with the world around us.

But we don't exist in isolation. We're social creatures and our behaviour is profoundly influences by the people and society around us. Social Psychology explored how our thoughts, feelings and behaviours are affected by the actual, imagined or implied presence of others. ■





# Microplastics are more dangerous than you think

**Alok Das**
Environment Science

Microplastics are small plastic particles less than 5mm in size that come from a variety of sources, including the breakdown of larger plastics, the shedding of fibers from synthetic clothing, and the use of microbeads in personal care products. They are now widespread in the environment, found in the air we breathe, the water we drink, and the food we eat.

Microplastics are formed by the degradation of plastics caused by the oxidation and chain scission of polymers, leading to changes in chemical composition, appearance and texture, physicochemical and mechanical properties of the plastic also leading to weight loss and gases like $CO_2$, $CH_4$ evolution. Deterioration of plastics and subsequent mechanical surface ablation during degradation leads to fragmentation and microplastics of various characteristics get generated.

The potential health effects of microplastics are a growing concern. While research is still ongoing, there is evidence that microplastics can enter the human body through ingestion, inhalation, and skin contact. Once inside the body, they can cause a variety of adverse effects, including:

* **Inflammation:** Microplastics can trigger inflammation in the body, which has been linked to a variety of chronic diseases, such as heart disease, cancer, and autoimmune disorders.

* **Oxidative stress:** Microplastics can cause oxidative stress, which can damage cells and DNA.

* **Endocrine disruption:** Some microplastics contain chemicals that can disrupt the endocrine system, which can lead to a variety of health problems, such as reproductive problems, developmental problems, and metabolic disorders.

It is important to note that the research on the health effects of microplastics is still in its early stages. More research is needed to fully understand the potential risks. However, the current evidence suggests that microplastics may pose a significant threat to human health.

Here are some things one can do to reduce the exposure:

* **Using water purifiers containing microplastics filters :** A ceramic filter with a micron rating of less than 2.5 can reduce levels of microplastics in water. The smaller the micron rating, the more effective the filter will be at filtering out microplastics.

* **Reducing the use of plastic:** This is the most important thing one can do. We should try to avoid single-use plastics, such as plastic water bottles and straws.

* **Using a microfiber filter in washing machines :** This can help to capture microfibers before they are released into the environment.

* **Avoid using personal care products that contain microbeads:** Microbeads are tiny plastic beads that are often used in personal care products, such as facial scrubs and toothpaste. ■

# ক্ষেত্ৰ অধ্যয়ন ঃ মহান সৃষ্টিৰ মজবুত আধাৰ

**নিশিতা শৰ্মা**
স্নাতক ষষ্ঠ যাণ্মাসিক

শিক্ষা মানৱ জীৱন গঢ় দিয়া ভেটি। জ্ঞান, নীতি আৰু সঞ্চয়ৰ ফচল হ'ল শিক্ষা। কিন্তু কেৱল পাঠ্যপুথিত পঢ়া জ্ঞানহে যদি থাকে, তেন্তে সেই শিক্ষা অপূৰ্ণ হৈ পৰে। শিক্ষাৰ সঠিক মূল্য তেতিয়াহে উপলব্ধি হয়, যেতিয়া আৰ্জিত জ্ঞানক জীৱনৰ বাস্তৱ পৰিস্থিতিত প্ৰয়োগ কৰিব পৰা যায়।

ক্ষেত্ৰভিত্তিক অধ্যয়নক চমুকৈ 'ব্যৱহাৰিক বিজ্ঞান' বুলি ক'ব পৰা যায়। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীয়ে পাঠ্যপুথিৰ বিষয়বস্তু বাস্তৱৰ অভিজ্ঞতাৰ দ্বাৰা উপলব্ধি কৰে। উদাহৰণস্বৰূপে, ইতিহাসৰ ক্ষেত্ৰত ঐতিহাসিক জ্ঞান পৰিদৰ্শন, বিজ্ঞানৰ ক্ষেত্ৰত প্ৰায়োগিক কাৰ্য, ভূগোলৰ ক্ষেত্ৰত ক্ষেত্ৰসমীক্ষা— এই সকলোবোৰে শিক্ষাৰ প্ৰকৃত অৰ্থ প্ৰকাশ কৰে। এনেকৈ, প্ৰতিটি বিষয়ৰ ক্ষেত্ৰভিত্তিক অধ্যয়নে শিক্ষাৰ্থীৰ জ্ঞানক দৃঢ়, সুগভীৰ আৰু জীৱন্ত কৰি তোলে।

এই অধ্যয়নে শিক্ষাৰ্থীৰ ভিতৰত বাস্তৱিক চিন্তাধাৰা, সমস্যা সমাধান কৰাৰ ক্ষমতা আৰু সঠিক সিদ্ধান্ত গ্ৰহণৰ যোগ্যতাৰ বিকাশ কৰে। ইয়াৰ ফলত শিক্ষাৰ্থীয়ে কেৱল পুস্তকীয় জ্ঞানত সীমাবদ্ধ নহৈ জীৱনৰ কিছু ক্ষেত্ৰত ব্যৱহাৰিক আৰু আত্মনিৰ্ভৰশীল হ'ব পাৰে।

ক্ষেত্ৰভিত্তিক অধ্যয়ন অবিহনে শিক্ষা-জীৱন আধৰুৱা। শ্ৰেণীকোঠাত পঢ়া কথাবোৰ যদি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব নোৱাৰি, তেন্তে সেই জ্ঞান নিঃশেষ শুকান হৈ থাকে। শিক্ষাৰ সঠিক লক্ষ্য হ'ল জনা, বুজা আৰু ব্যৱহাৰ কৰা। এই প্ৰক্ৰিয়াই ব্যক্তিৰ ব্যক্তিত্বত পূৰ্ণ বিকাশ ঘটায় আৰু তেওঁক সমাজৰ বাবে সজাগ, দায়িত্বশীল আৰু সৃজনীশীল নাগৰিক হিচাপে গঢ়ি তোলে।

এযাৰ প্ৰবাদ আছে, শুনি শিকা আৰু দেখি শিকা। অৰ্থাৎ কেৱল শুনি বা পঢ়ি জানিলে শিক্ষা সম্পূৰ্ণ নহয়, চকুৰে দেখি থকা অভিজ্ঞতাৰ দ্বাৰা শিকিলে শিক্ষা অধিক দৃঢ় আৰু জীৱন্ত হয়। উদাহৰণস্বৰূপে, ইতিহাসৰ জীয়া খবৰ আমি কেৱল পাঠ্যপুথিত পঢ়িল সি একপ্ৰকাৰ নিৰস তথ্য হৈ পৰে। কিন্তু ক্ষেত্ৰ অধ্যয়নৰ মাধ্যমেৰে সেই স্থান, সেই নিদৰ্শন, সেই পৰিৱেশ দেখিলে অতীতৰ জীৱন্ত ছবি আমাৰ মনত ফুটি উঠে। ই সত্যক বুটলি ল'বলৈ সহায় কৰে।

মানুহৰ জ্ঞান আহৰণৰ প্ৰাচীন পদ্ধতিটো আছিল শুনি শিকা। সমাজত পুৰণি মানুহৰ কাহিনী শুনি, মিতা-স্বজনৰ উপদেশ শুনি, গুৰুৰ পৰা পাঠ শুনি মানুহে জ্ঞান সঞ্চয় কৰিছিল। কিন্তু শুনিব পৰা জ্ঞানৰ সীমা বহুত। যি শুনি পেলোৱা হয়, সেই বুজাৰ ক্ষেত্ৰত কেতিয়াবা অসম্পূৰ্ণ হৈ পৰে। সেয়েহে মানুহৰ শিক্ষা যাত্ৰাত সৰ্বাধিক গুৰুত্বপূৰ্ণ হ'ল দেখি শিকিব পৰা পদ্ধতি।

পাঠ্যক্ৰমৰ সীমা ভাঙি নতুন ঠাই, নতুন মানুহৰ সৈতে কথা পাতি, নতুন ভাষা, আচাৰ-ব্যৱহাৰ, সংস্কৃতিৰ লগত পৰিচিত হ'লেহে শিক্ষাৰ উচিত মানদণ্ড প্ৰকাশ পায়। সমাজৰ বিষয়ে তত্ত্বীয় লেখা পঢ়ি বুজি উঠা কঠিন। কিন্তু ক্ষেত্ৰত গৈ লোৱাত জীৱনস্বৰূপ সুখ-দুখ, আশা-আকাংক্ষা আৰু সমস্যাবোৰৰ সৈতে পৰিচিত হ'ব পাৰি। ক্ষেত্ৰত নামিলেহে নৃত্য, সংগীত, উৎসৱ, ধৰ্মীয় আচাৰ, লোকবিশ্বাস সজীৱৰূপে দেখা যায় আৰু অনুভৱ কৰা যায়। মানুহে প্ৰকৃতিৰ সৈতে বাস কৰাৰ বন্ধন উপলব্ধি কৰে। শিক্ষাই জীৱন্ত প্ৰাণ পাবলৈ সক্ষম হয়।

অসমীয়া বুৰঞ্জী সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ মামণি ৰয়ছম গোস্বামী। তেখেতৰ সাহিত্যকৰ্মত বাস্তৱতা, সমাজ সচেতনতা আৰু মানৱ জীৱনৰ গভীৰ অনুধাৱন স্পষ্টভাৱে প্ৰতিফলিত হৈছিল। তেখেতৰ উপন্যাস চেনাবৰ সোঁত, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল আদি কিতাপসমূহত



গ্ৰামীণ জীৱনৰ দুঃখ-কষ্ট, খেতিয়কৰ কাহিনী, মহিলাৰ বেদনাময় জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। এই বিষয়বোৰ তেখেতে কেৱল কল্পনাৰে নিলিখি, ক্ষেত্ৰ ভ্ৰমণ কৰি, কৃষক, শ্ৰমিক, সাধাৰণ মানুহৰ জীৱন নিজ চকুৰে পৰ্যৱেক্ষণ কৰি তেখেতে সাহিত্যৰূপ দিছিল। সেয়েহে তেখেতৰ ৰচনাত বাস্তৱৰ আভা অতি প্ৰবল।

ড° ভূপেন হাজৰিকাই চীন-ভাৰতৰ যুদ্ধৰ সময়ত কামেং সীমান্তত উপস্থিত হৈ তেখেতে সৈনিকসকলৰ বলিদান, যুঁজৰ ভয়ংকৰতা আৰু লোকৰ জীয়াই থকা ছবি স্ব-চকুৰে দেখিছিল। সেই অভিজ্ঞতাৰ ফলত জন্ম হৈছিল যুগমীয়া গীত ঃ

"আজি কামেং সীমান্ত দেখিলোঁ
দেখি শত্ৰুৰ পশুত্ব চিনিলোঁ
আৰু মৃত মৌন শত জোৱানলৈ মোৰ
অশ্ৰু অঞ্জলি যাচিলোঁ।"

এয়া কেৱল গীত নহয়, ই হ'ল ইতিহাস, এটা বাস্তৱ অভিজ্ঞতাৰ প্ৰতিচ্ছবি।

অসমীয়া সাহিত্যৰ জনক লক্ষ্মীনাথ বেজবৰুৱাই বহু ঠাই ভ্ৰমণ কৰি সমাজক নিজ চকুৰে পৰ্যৱেক্ষণ কৰি সাহিত্যৰ সৃষ্টি কৰিছিল। 'বুঢ়ী আইৰ সাধু' তেওঁৰ অন্যতম সৃষ্টি য'ত গাঁও অঞ্চলত ঘূৰি, মুখে মুখে চলি অহা সাধুসমূহ সংগ্ৰহ কৰি লিখিত ৰূপত সংৰক্ষণ কৰিছে। সমাজৰ মানুহ, জীৱন-পদ্ধতি, দুখ-দুৰ্দশা, আশা-আকাংক্ষা এই সকলোবোৰ তেখেতে নিজ চকুৰে পৰ্যৱেক্ষণ কৰিছিল। তেখেতৰ কাব্য আৰু ৰচনাত সমাজত অনিয়ম, লোকৰ সুখ-দুখ আৰু সমাজৰ বাস্তৱ চিত্ৰ সৰহ পৰিমাণে প্ৰকাশ পাইছে। এইবোৰ কেৱল কল্পনাৰে ফল নহয়, ক্ষেত্ৰ অধ্যয়নৰ অভিজ্ঞতাই ইয়াৰ মূল আধাৰ।

অসমীয়া লোক সাহিত্যৰ অন্যতম সাধক অমৃত প্ৰসাদ বৰুৱাই তেওঁৰ কৰ্মদ্বাৰা স্পষ্টকৈ দেখুৱাইছিল ক্ষেত্ৰ অধ্যয়ন অবিহনে লোকসাহিত্যৰ সঠিক তথ্য সংগ্ৰহ অসম্ভৱ। তেওঁ গাঁৱে-ভূঁঞে ভ্ৰমণ কৰি লোকগীত, লোককাহিনী, প্ৰবাদ-প্ৰবচনৰ লগতে আখ্যানসমূহ সংগ্ৰহ কৰি সেই উপাদানসমূহ কেৱল সংৰক্ষণ নকৰাকৈ বৈজ্ঞানিকভাৱে বিশ্লেষণ আৰু সম্পাদন কৰিছিল।

একেদৰেই, সাহিত্যিক, চিন্তাবিদ আৰু ইতিহাস প্ৰেমী জৱাহৰলাল নেহৰুই তেওঁৰ বিখ্যাত গ্ৰন্থ "The Discovery of India"ৰ দ্বাৰা দেশৰ পৰম্পৰা, সংস্কৃতি, ইতিহাস আৰু সমাজৰূপক নিজ চকুৰে পৰিদৰ্শন কৰি তাক জীৱন্ত ৰূপত চিত্ৰিত কৰি সমাজৰ আগত দাঙি ধৰিছিল।

প্ৰথম কথা হ'ল, ক্ষেত্ৰভিত্তিক অধ্যয়ন কেৱল এটা শিক্ষা-পদ্ধতি নহয়, ই হৈছে জীৱনত সত্যৰ সৈতে পৰিচিত হোৱা পথ। কিতাপত লিখা তথ্যবোৰে মূল ভিত্তি প্ৰদান কৰে, কিন্তু সেই তথ্যক সঁচাকৈ উপলব্ধি কৰিব পাৰি তেতিয়াহে, যেতিয়া আমি বাস্তৱতাত গঢ় লৈ থকা পৰিস্থিতি পৰ্যৱেক্ষণ কৰোঁ। শুনি শিকিলে জ্ঞান মগজুত সীমাবদ্ধ থাকে, কিন্তু দেখি শিকিলে সেই জ্ঞান মন-মগজুত চিৰস্থায়ী হয়।

দ্বিতীয়তে, এই তথ্য অধ্যয়ন পদ্ধতিয়ে সমাজ-সংস্কৃতি, ইতিহাস, প্ৰকৃতি ইত্যাদি ভিন্ন দিশৰ প্ৰকৃত ৰূপ উন্মোচন কৰে। মাটিৰ গোন্ধ, মানুহৰ কণ্ঠত সজীৱ ইতিহাস, প্ৰকৃতিৰ সান্নিধ্যই সকলোবোৰ একত্ৰিত কৰি শিক্ষা প্ৰক্ৰিয়াক অধিক সজীৱ আৰু ফলপ্ৰসূ কৰি তোলে। ই জ্ঞানক কেৱল তত্ত্বৰ স্তৰত সীমাবদ্ধ নাৰাখে, বাস্তৱ অভিজ্ঞতাৰ সৈতে জড়িত কৰে।

তৃতীয়তে, ক্ষেত্ৰ অধ্যয়ন সাহিত্য, সংগীত, সমাজ সংস্কাৰ, বিজ্ঞান অথবা শিক্ষাৰ যিকোনো ক্ষেত্ৰতে সৃষ্টিৰ আখৰ হিচাপে দেখা যায়। কল্পনাৰ ওপৰত নিৰ্ভৰ কৰা সৃষ্টিত সীমাবদ্ধতা থাকিব পাৰে, কিন্তু বাস্তৱৰ ওপৰত ভিত্তি কৰা সৃষ্টিয়ে গভীৰতা আৰু বিশ্বাসযোগ্যতা লাভ কৰে।

শেষত, আমি ক'ব পাৰোঁ ক্ষেত্ৰভিত্তিক অধ্যয়নেই শিকাৰ সত্যপথ। ক্ষেত্ৰ অধ্যয়নে মানুহক শিকায়, কাগজত লিখা তথ্যৰ পিছত কিমান গভীৰ সত্য লুকাই আছে। ই হৈছে মহান সৃষ্টিৰ মজবুত আধাৰ, যি জ্ঞানক জীৱন্ত কৰে, অভিজ্ঞতাক সৃষ্টিশীলতালৈ ৰূপান্তৰ কৰে, আৰু মানুহক শিকায়— "শুনি শিকা, দেখি শিকা, আৰু জীৱনত প্ৰয়োগ কৰি শিকা। ■

# সমীক্ষা

# চলচ্চিত্ৰৰ কবি সত্যজিৎ ৰায় ঃ প্ৰশংসা আৰু সীমাবদ্ধতা

ডিউলী কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

চলচ্চিত্ৰৰ ৰূপালী পৰ্দাত যেতিয়া আলোকৰেখাই নাচি উঠে তেতিয়া সৃষ্টি হয় এক অনন্য শিল্পৰ। এই শিল্পৰ মাজেৰে আমি দেখো জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা আৰু নীৰৱ বেদনাৰ বৰ্ণাঢ্য যাত্ৰা। আলোচনাৰ এই পথচলাত আহক গভীৰভাৱে সোমাওঁ মোৰ আটাইতকৈ প্ৰিয় চলচ্চিত্ৰকাৰ, মোৰ আদৰ্শ, মোৰ অনুপ্ৰেৰণা— সত্যজিৎ ৰায়ৰ শিল্পবিশ্বৰ মাজলৈ। এইজনা মহান চলিচ্চত্ৰ কৰ্তা সত্যজিৎ ৰায়ৰ অসামান্য কলাকৃতিৰ সুগভীৰ সমুদ্ৰত আজি আমি ডুব দিম— এক অনন্য শিল্প অনুভৱৰ সন্ধানত।

চলচ্চিত্ৰ সমালোচনাৰ অৰ্থ ঃ

চলচ্চিত্ৰ সমালোচনা (Film Critism) কেৱল ছবি এখনৰ গল্প বা অভিনয়ৰ প্ৰশংসা বা সমালোচনা নহয়, বৰঞ্চ ই চলচ্চিত্ৰৰ প্ৰতিটো উপাদানৰ গভীৰ বিশ্লেষণ। ই এক সাহিত্যৰ দৰে গভীৰ বিশ্লেষণ, য'ত ছবিৰ কাহিনী, দৃশ্যপট, সংগীত, আলোচক, অভিনয়, শব্দ আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ ছবিখনৰ অন্তৰ্নিহিত বাৰ্তাক একেলগে বিশ্লেষণ কৰা হয়। সমালোচনাৰ মূল লক্ষ্য হ'ল— চলচ্চিত্ৰক শিল্পৰ স্বৰূপত ধৰি ইয়াৰ সামাজিক অৰ্থবোধ উন্মোচন কৰা।

চলচ্চিত্ৰ সমালোচনাৰ ক্ষেত্ৰত কেইবাটাও তাত্বিক দৃষ্টিভংগী আছে। যেনে ঃ আনুষ্ঠানিক দৃষ্টিভংগী (Feminist Approach) যিয়ে ছবিৰ অন্তৰ্গত উপাদানসমূহৰ বিশ্লেষণ কৰে। যেনে— কাহিনীৰ গাঁথনি, চৰিত্ৰ, চিত্ৰণ, মনোবিশ্লেষণাত্মক দৃষ্টিভংগীয়ে ফ্ৰয়েড বা জুংৰ মানসিক তত্ত্বৰ আধাৰত ছবিৰ অৰ্থ উদঘাটন কৰে। নাৰীবাদী দৃষ্টিভংগী (Forminost Approach)এ ছবিত নাৰীৰ উপস্থাপত বিচাৰ কৰে। মাৰ্ক্সবাদী দৃষ্টিভংগীয়ে শ্ৰেণীসংগ্ৰাম আৰু অৰ্থনৈতিক শোষণৰ দিশসমূহ বিশ্লেষণ কৰে। এই সকলো দৃষ্টিভংগীৰ আলোচনাৰ পিছত ক'ব পাৰি যে, সত্যজিৎ ৰায়ৰ শিল্পস্বত্বক বুজিবলৈ এই সমূহ দিশ অত্যন্ত সহায়ক। তেওঁৰ চলচ্চিত্ৰসমূহক বিশ্লেষণ কৰোঁতে এই দৃষ্টিভংগীসমূহেই আমাৰ সূত্ৰপাত দিব, কাৰণ প্ৰতিখন ছবিৰ অন্তৰত সমাজ-সংস্কৃতি আৰু মানৱতাৰ এক গভীৰ সংযোগ দৃশ্যমান হয়।

সত্যজিৎ ৰায় ঃ বিশ্বমানৱতাৰ দৃষ্টিৰে তেওঁৰ চলচ্চিত্ৰ ঃ

সত্যজিৎ ৰায়ৰ ছবি যেন এক জীৱন্ত কবিতা, য'ত প্ৰতিটো দৃশ্যই আমাৰ হৃদয়ৰ গভীৰতম অনুভূতিক স্পৰ্শ কৰে। তেওঁৰ চলচ্চিত্ৰ যেন এক দাপোন। য'ত আমি নিজৰ জীৱনৰ প্ৰতিচ্ছবি, আমাৰ সমাজৰ বাস্তৱতা আৰু মানৱ জৱনৰ শাৰীৰিক আৰু মানসিক জটিলতাবোৰক চিনি পাওঁ। ৰায়ৰ কেমেৰাই যেন সকলো বস্তুকে জীৱন্ত কৰি তোলে। তেওঁৰ শিল্পৰ মাজতেই আমি মানুহক দেখো, আৰু মানুহৰ মাজতেই জীৱনৰ সুন্দৰতম কথন শুনি পাওঁ।

ৰায়ৰ মতে চলচ্চিত্ৰ বাস্তৱ জীৱনৰ এক প্ৰতিচ্ছবি হ'ব লাগে। তেওঁ ইটালীয়ান নিঅ' ৰিয়েলিজিম (Italian Neo-Realsim), বিশেষকৈ ভিট'ৰিঅ' দে চিচাৰ (Vittorio de Sica) Bicycle Thives ছবিৰ পৰা গভীৰ প্ৰভাৱিত হৈছিল। সেয়েহে তেওঁৰ চলচ্চিত্ৰত অতিনাটকীয়তা নাছিল, প্ৰাকৃতিক পৰিৱেশ, সাধাৰণ মানুহৰ জীৱন আৰু সূক্ষ্ম মনোবিজ্ঞানীয় দিশ তেওঁৰ চলচ্চিত্ৰৰ সবল বৈশিষ্ট্য আছিল। তেওঁৰ চলচ্চিত্ৰসমূহ কেৱল কাহিনী বৰ্ণনা কৰাৰ মাধ্যম নহয়, ই জীৱনৰ গভীৰ সত্য আৰু মানুহৰ অন্তৰাত্মাৰ প্ৰতিফলন। তেওঁ চলচ্চিত্ৰত সংগীত আৰু শব্দ ব্যৱহাৰ অত্যন্ত সূক্ষ্মভাৱে কৰিছিল। সংলাপৰ সলনি দৃষ্টিভংগী, নীৰৱতা আৰু প্ৰাকৃতিক শব্দৰ মাজেৰে অনুভূতি প্ৰকাশ কৰিছিল। তেওঁৰ চলচ্চিত্ৰৰ প্ৰতিটো দৃশ্য যেন এক নীৰৱ কলিতা, প্ৰতিটো সুৰ যেন এক অন্তৰংগ হৃদয়ৰ স্পন্দন।

ৰায়ৰ চলচ্চিত্ৰত বিশেষত্ব আছিল তেখেতৰ প্ৰাকৃতিক আৰু ন্যূনতম নাটকীয়তাৰ সংমিশ্ৰণ। সত্যজিৎ ৰায়ে চলচ্চিত্ৰত আলোক ব্যৱস্থাপনাৰ এক বিশেষ শৈলীৰ অৱলম্বন কৰিছিল। ৰায়ৰ ছবিৰ অন্তৰংগ সৌন্দৰ্যৰ পিছত এক গুৰুত্বপূৰ্ণ অৱদান আছিল সুব্ৰত মিত্ৰৰ। তেওঁ আছিল ৰায়ৰ বিশ্বাসযোগ্য চলচ্চিত্ৰ গ্ৰাহক আৰু বহু চলচ্চিত্ৰৰ দৰ্শনীয় দৃশ্যসমূহৰ মূল নিৰ্মাতা। তেওঁৰ সৈতে মিলি সত্যজিৎ ৰায়ে তেওঁৰ চলচ্চিত্ৰত বাউন্স লাইটিঙৰ ব্যৱহাৰ আৰম্ভ কৰিছিল। এই পদ্ধতি অনুসৰি পোহৰ কোনো বগা পৃষ্ঠত পৰি তাৰপৰা উভতি আহি এক কোমল আকৰ্ষণীয় পোহৰৰ সৃষ্টি কৰে। ইয়াৰ ফলত দৃশ্যসমূহ অতিশয় উজ্জ্বল বা কৃত্ৰিম অনুভৱ নহয়, বৰঞ্চ ই প্ৰাকৃতিক দিনৰ ৰশ্মিৰ দৰে অনুভৱ হয়। সত্যজিৎ ৰায়ৰ 'অপৰাজিতা' চলচ্চিত্ৰত এই পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছিল, ইয়াৰ ফলত ছবিখনত এক বাস্তৱিক আৰু সুন্দৰ দৃশ্যপটৰ আৱিষ্কাৰ হৈছিল, যিয়ে আধুনিক চলচ্চিত্ৰত এক নতুন মানদণ্ডৰ সৃষ্টি কৰিছিল। সত্যজিৎ ৰায়ৰ চলচ্চিত্ৰক যাত্ৰাৰ আৰম্ভণি ঘটাইছিল 'পথেৰ পাঞ্চালি'ৰ সৈতে। এই ছবিখনে কেৱল তেওঁৰ চলচ্চিত্ৰ জীৱনৰ আৰম্ভণি কৰা নাছিল, বৰঞ্চ ভাৰতীয় চলচ্চিত্ৰৰ এক নতুন ধাৰাৰ সূচনা কৰিছিল। অপূৰ ত্ৰিলজি— 'পথেৰ পাঞ্চালি', 'অপৰাজিতা' আৰু 'অপূৰ সংসাৰ'— এই তিনিখন ছবিয়ে মানৱ জীৱনৰ জন্মৰপৰা মৃত্যুলৈকে জীৱনযাত্ৰাৰ সম্পূৰ্ণ চিত্ৰ দাঙি ধৰিছে। মোৰ ব্যক্তিগত মতামত অনুসৰি, অপুৰ চৰিত্ৰটো কেৱল এটা কাল্পনিক চৰিত্ৰ নহয়, ই প্ৰতিটো ভাৰতীয়ৰ ভিতৰত থকা স্বপ্নদ্ৰষ্টা আৰু বাস্তৱবাদী মনটোৰ প্ৰতিফলন। ৰায়ে অপুৰ চৰিত্ৰটিৰ জৰিয়তে দেখুৱাইছে যে জীৱনত সফলতা আৰু বিফলতাৰ মাজেৰে কেনেকৈ এজন ব্যক্তিয়ে নিজৰ পৰিচয় বিচাৰি উলিয়ায়। অপুৰ জীৱনযাত্ৰাৰ প্ৰতিটো স্তৰ-মাতৃবিয়োগৰ বেদনা, পিতৃৰ আৰ্থিক কষ্ট, জ্ঞানপ্ৰাপ্তিৰ জ্বলন্ত আকাংক্ষা, হৃদয়ৰ প্ৰথম প্ৰেমানুভূতি, দাম্পত্য জীৱনৰ মধুৰতা আৰু অন্তিমত একাকীত্বৰ গভীৰ অন্ধকাৰ— এই সকলোবোৰ দিশে মানুহৰ জীৱনৰ সংগ্ৰামৰ ছবি ৰচিত কৰিছে।

সত্যজিৎ ৰায়ৰ 'পথেৰ পাঞ্চালি' কেৱল এখন চলচ্চিত্ৰ নহয়, ই এক সাংস্কৃতিক বিপ্লৱৰ সূচনা। ১৯৫৫ চনত মুক্তি পোৱা এই ছবিখনে ভাৰতীয় চলচ্চিত্ৰৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূত্ৰপাত কৰে। বিভূতিভূষণ বন্দোপাধ্যায়ৰ অমৰ উপন্যাসৰ ভিত্তিত নিৰ্মিত এই কৃতিয়ে প্ৰমাণ কৰে যে ভাৰতীয় মাটিৰ সৰল কাহিনীয়ে বিশ্বব্যাপী দৰ্শকৰ হৃদয় স্পৰ্শ কৰিব পাৰে। 'পথেৰ পাঞ্চালি'ৰ কাহিনী আচলতে এটা পৰিয়ালৰ সংগ্ৰাম আৰু স্বপ্নৰ গাঁথা। ছবিখনৰ প্ৰত্যেকটো চৰিত্ৰ যেন আমাৰ চিনাকি, যেন আমাৰ দৰে সাধাৰণ একো একোজন লোক। ছবিখনৰ আটাইতকৈ মৰ্মস্পৰ্শী দিশটো হৈছে ইয়াৰ প্ৰকৃতিৰ সৈতে গভীৰ সংযোগ। বৰষুণৰ প্ৰথম টোপালৰ পৰা আৰম্ভ কৰি ৰেলগাড়ীৰ আবিৰ্ভাৱৰ ৰোমাঞ্চ. ধানখেতিৰ মাজেৰে বৈ যোৱা বতাহৰ নৃত্য, বা দুৰ্গা আৰু অপুৰ পুখুৰীত সাঁতোৰৰ দৃশ্য, প্ৰতিটো মুহূৰ্তই প্ৰকৃতিৰ সৈতে থকা মানুহৰ নিবিড় সম্পৰ্কক প্ৰতিফলিত কৰে। ৰায়ৰ চলচ্চিত্ৰই আন্তৰ্জাতিক পৰ্যায়ত যি স্বীকৃতি লাভ কৰিছে সেয়া কেৱল তেওঁৰ ব্যক্তিগত সফলতা নহয়। বৰঞ্চ ভাৰতীয় চলচ্চিত্ৰৰ গৌৰৱ। কা চলচ্চিত্ৰ মহোৎসৱত 'পথেৰ পাঞ্চালি' স্বীকৃতিৰপৰা আৰম্ভ কৰি অস্কাৰৰ দৰে সন্মানীয় পুৰস্কাৰ লাভ কৰালৈকে ৰায়ে প্ৰমাণ কৰিছে যে ভাৰতীয় সংস্কৃতিৰ গভীৰতাৰে সৃষ্টি হোৱা শিল্পই বিশ্বব্যাপী দৰ্শকৰ হৃদয় স্পৰ্শ কৰিব পাৰে।

ৰায়ৰ চলচিত্ৰত চৰিত্ৰায়ণৰ ক্ষেত্ৰত যি বিশেষত্ব পৰিলক্ষিত হয়, সেয়া হৈছে তেওঁৰ প্ৰতিটো চৰিত্ৰৰ মানবিক দুৰ্বলতা আৰু শক্তিৰ সমানুপাতিক উপস্থাপন। "নায়ক" ছবিখনৰ অৰিন্দম মুখাৰ্জীৰ চৰিত্ৰটোত এইক্ষেত্ৰত এক উৎকৃষ্ট উদাহৰণ। এজন প্ৰতিষ্ঠিত অভিনেতাৰ ভিতৰুৱা সংগ্ৰাম, তেওঁৰ অতীতৰ ক্ৰটি আৰু ভৱিষ্যতৰ প্ৰতি অনিশ্চয়তা - এই সকলোবোৰ দিশ ৰায়ে এনেদৰে উপস্থাপন কৰিছে য'ত দৰ্শকে চৰিত্ৰটোৰ লগত একত্ম অনুভৱ কৰে। ৰায়ৰ চলচিত্ৰত নাৰীৰ চৰিত্ৰৰ উপস্থাপন বিশেষভাৱে উল্লেখযোগ্য। দেৱী ছবিখনৰ "দয়াময়ী" "চাৰুলতাৰ চাৰুলতা", "মহানগৰৰ আৰতি - এই সকলো নাৰী চৰিত্ৰই তৎকালীন সমাজত নাৰীৰ অৱস্থান আৰু তেওঁলোকৰ সংগ্ৰামৰ এক প্ৰামাণিক ছবি দাঙি ধৰে। "দেৱী" ছবিখনত ৰায়ে ধৰ্মীয় কুসংস্কাৰৰ বিৰুদ্ধে থিয় দিছে। দয়াময়ী চৰিত্ৰটোৰ জৰিয়তে তেওঁ দেখুৱাইছে যে কেনেকৈ সমাজে এগৰাকী নাৰীক দেৱী বুলি প্ৰতিষ্ঠা কৰি তেওঁৰ ব্যক্তিত্বক ধ্বংস কৰি পেলায়, অন্ধবিশ্বাসৰ কবলত পৰি। ছবিখনৰ জৰিয়তে ৰায়ে নাৰীৰ ব্যক্তিত্বৰ স্বতন্ত্ৰতাৰ পকত যুক্তি আগবঢ়াইছিল। এইখিনিতে মই সত্যজিৎ ৰায়ৰ এটি সাক্ষাৎকাৰত তেওঁ তেখেতৰ 'দেৱী' চলচ্চিত্ৰখনৰ ওপৰত সমালোচনা কৰা ব্যক্তিসকলক কেনেদৰে প্ৰত্যুত্তৰ দিছিল সেয়া ইয়াতে সন্নিবিষ্ট কৰিব বিচাৰিম। ১৯৮৯ চনত ফৰাচী সাংবাদিক পিয়েৰ এন্দ্ৰি বৌটাংৰ সৈতে এক সাক্ষাৎকাৰত তেওঁ দেৱী ছবিখনৰ বিষয়ে সমালোচনাৰ প্ৰত্যুত্তৰত স্পষ্টভাৱে মন্তব্য কৰিছিল এনেদৰে—

I once made a film called Goddes. Devi, it dealt with religious dogamstism, it didnot attact religion as such, it attacked dogmatism the extreme form of religion. But people writing in the papers that Mr. Ray is not a Hindu, he is making such films against Hinduism. This happens in India all the time. We have fairly background audience here. in spite of the film society anouncement, if we consider the audiance, exposed to commercial Hindi Cinemas more than anything else. (ৰায়ৰ নিজ ভাষ্য)।

ৰায়ৰ এই মন্তব্যৰ সৈতে মই সম্পূৰ্ণৰূপে সহমত পোষণ কৰো। কাৰণ 'দেৱী' ছবিখনে ধৰ্মীয় কুসংস্কাৰ আৰু অন্ধবিশ্বাসক সমাজৰ প্ৰতি এক গুৰুত্বপূৰ্ণ সতৰ্কবাণী হিচাবে আগবঢ়াইছে। যদিও

কিছু সমালোচকে তেখেতৰ এই চিন্তা ভিন্নদৃষ্টিৰে ললে, কিন্তু তেখেতৰ মূল উদ্দেশ্য আছিল সমাজত বৰ্তি থকা অন্ধবিশ্বাস দূৰ কৰা। তেখেতৰ মতে ভাৰতৰ দৰ্শক এতিয়াও অধিকাংশয়ে আধুনিক চিন্তাধাৰাৰ পৰা দূৰাত থাকে আৰু বৰ্তমান বাণিজ্যিক হিন্দী চলচিত্ৰৰ প্ৰভাৱত থকা বাবে এইধৰণৰ চিন্তাক বুজিবলৈ সদায় সজাগ নহয়।

"চাৰুলতা" হৈছে ৰায়ৰ অন্য এক মহান সৃষ্টি। এই চলচিত্ৰখন ৰবীন্দ্ৰনাথ ঠাকুৰৰ উপন্যাস "নষ্টনীড়"ৰ ওপৰত বঙালী ঘৰত জন্ম লোৱা এগৰাকী সাহসী যুৱতী 'চাৰুলতা'। চলচিত্ৰখনত পুৰুষতান্ত্ৰিক বন্ধনৰ ভিতৰত থকা মহিলা এগৰাকীৰ গভীৰ মানসিক অৱস্থাক ৰায়ে অত্যন্ত সূক্ষ্মভাৱে প্ৰতিফলিত কৰিছে। প্ৰতিটো আচৰণৰ পিছত লুকাই থকা অনুভূতি, প্ৰতিটো শব্দৰ অন্তৰংগতা - এইবোৰে তেওঁৰ চলচিত্ৰক কেৱল বিনোদন নহয়, এক দাৰ্শনিক অভিজ্ঞতা, এক সামাজিক দলিল আৰু এক মানৱিকবোধৰ দৃষ্টিভংগী ৰূপে প্ৰকাশ কৰে। মাধৱী মুখাৰ্জীৰ অভিনয়ত চাৰুলতা এক জীৱন্ত ভিক্টোৰিয়ান যুগৰ নায়িকা হিচাপে উজ্জ্বলভাৱে ফুটি উঠিছে। ছবিখনত দেখুওৱা হৈছে যে, এগৰাকী বুদ্ধিমতী নাৰীয়ে সমাজিক বন্ধনৰ মাজতো কেনেদৰে নিজৰ স্বতন্ত্ৰৰ পৰিচয় বিচাৰি উলিয়ায়। সাহিত্যচৰ্চা আৰু লেখা-মেলাৰ জৰিয়তে। তেওঁৰ অন্যান্য চলচিত্ৰ যেনে— 'মহানগৰ', 'জলসাগৰ', 'অৰণ্যৰ দিন-ৰাতি' আদি ছবিসমূহে বিশ্বদৰবাৰত এক উল্লেখযোগ্য স্থান দখল কৰিবলৈ সক্ষম হৈছে।

সত্যজিৎ ৰায়ে ১৯৯২ চনত ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ আগতে ১৯৮৪ চনত তেওঁ ভাৰতীয় চিনেমাৰ সৰ্বোচ্চ পুৰস্কাৰ দাদা চাহে ফাল্কে বঁটাও লাভ কৰিছিল। জাপানৰ মহান চলচিত্ৰকাৰ আকিৰা কুৰচাৱাই ৰায়ৰ ওপৰত এক খুব সুন্দৰ মন্তব্য আগবঢ়াইছিল—

- 'Not to have seen the cinema of Ray means existing in the worlds without seeing the sun or the moon.'

ৰায়ৰ ছবিসমূহ অধিক উচ্চস্তৰীয় আছিল যদিও তাত কিছুমান ত্ৰুটি নথকাও নহয়। বহু সমালোচকৰ মতে— ৰায়ৰ চলচ্চিত্ৰৰ এক মূল সমস্যা হৈছে তেওঁৰ মধ্যবিত্তীয় দৃষ্টিভংগী। 'চাৰুলতা', 'মহানগৰ' আদি ছবিত তেওঁ কেৱল উচ্চ মধ্যবিত্ত পৰিয়ালৰ সমস্যাক বেছি প্ৰাধান্য দিছে। প্ৰকৃত দৰিদ্ৰতা, কৃষক সমাজৰ যন্ত্ৰণা আৰু শ্ৰমিকৰ শ্ৰেণীৰ সংগ্ৰামক তেওঁ প্ৰায়েই উপেক্ষা কৰিছে। যদিও তেওঁৰ ছবিসমূহত দৰিদ্ৰতাৰ চিত্ৰ আছে কিন্তু তাত প্ৰকৃত দৰিদ্ৰতাৰ কঠোৰ বাস্তৱতা, সামাজিক নিৰ্যাতনৰ চিত্ৰ তেওঁৰ ছবিত প্ৰায়েই অনুপস্থিত। যদিও ৰায়ক নাৰীবাদী চলচিত্ৰকাৰ বুলি প্ৰশংসা কৰা হয়, কিন্তু তেওঁৰ নাৰীৰ চৰিত্ৰসমূহ গভীৰভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে সেইবোৰ পুৰুষ দৃষ্টিভংগীৰেই সৃষ্টি। 'চাৰুলতা'ৰ চাৰু হওক বা 'মহানগৰ'ৰ আৰতি— সকলোৱেই পুৰুষৰ পৰিচয় আৰু অনুমোদনৰ ওপৰত নিৰ্ভৰশীল। ৰায়ৰ ছবিৰ আন্তৰ্জাতিক প্ৰশংসা যদিও উল্লেখযোগ্য কিন্তু এই প্ৰশংসা মূলতঃ পাশ্চাত্য বুদ্ধিজীৱী সমাজৰ পৰা আহিছে। এটা কথা লক্ষণীয় যে 'পথেৰ পাঁচালি'ৰ দৰিদ্ৰতাৰ কাব্যিকীকৰণে পাশ্চাত্যৰ ওৰিয়েণ্টেলিষ্ট দৃষ্টিভংগীক সমৰ্থন কৰে নেকি? ৰায়ৰ শিশু চৰিত্ৰসমূহ যদিও স্মৰণীয় কিন্তু সেইবোৰ প্ৰায়েই অতিৰিক্ত আদৰ্শায়িত। অপুৰ দৰে চৰিত্ৰবোৰ ইমান নিৰ্দোষ আৰু পৰিপক্ক যে সেইবোৰ প্ৰকৃত শিশুৰ পৰিৱৰ্তে এক ৰোমাণ্টিক কাল্পনিক ধাৰণাৰ চৰিত্ৰৰ নিচিনা লাগে। ৰায়ে সদায়ে 'আৰ্ট ছবি' আৰু 'বাণিজ্যিক ছবি'ৰ মাজত এক কৃত্ৰিম বিভাজন কৰি ৰাখিছিল। তেওঁৰ দৃষ্টিভংগী আছিল যে বাণিজ্যিক ছবি মানে নিম্নমানৰ ছবি। এই মানসিকতাই তেওঁক ব্যাপক দৰ্শকৰ সৈতে সংযোগ স্থাপন কৰাত বাধা দিয়ে।

উপসংহাৰ ঃ সমালোচনাৰ মাজেৰে প্ৰশংসা ঃ

সত্যজিৎ ৰায়ৰ চলচিত্ৰসমূহ কেৱল চলচ্চিত্ৰ নহয়, সেয়া ভাৰতীয় সমাজৰ এক দাপোণ, মানুহৰ অনুভূতিতকৈও বৃহৎ এক মহাকাব্য। প্ৰকৃত শিল্পী কেৱল নিৰ্দোষ শিল্পী নহয়, বৰঞ্চ নিজৰ সীমাবদ্ধতাৰ মাজতো যিয়ে অসাধাৰণ সৃষ্টি কৰিব পাৰে, তেঁৱে হৈছে প্ৰকৃত শিল্পী। তেওঁৰ নাৰীৰ চৰিত্ৰত পুৰুষৰ দৃষ্টিভংগী থাকিলেও চাৰুলতা আজি নাৰী শক্তিৰ প্ৰতীক। তেওঁৰ ৰাজনৈতিক অৱস্থান অস্পষ্ট থাকিলেও 'হীৰক ৰাজাৰ দেশে' পৰিৱেশ সচেতনতাৰ ক্ষেত্ৰত এক বিশেষ ভুমিকা পালন কৰিছে। সেয়েহে, আমাৰ সমালোচনা হওক গঠনমূলক, আমাৰ বিশ্লেষণ হওক ভালপোৱাৰে পৰিপূৰ্ণ। চলচিত্ৰ সমালোচনাৰ প্ৰকৃত শিক্ষা হৈছে অন্ধ প্ৰশংসা নকৰি সমালোচনামূলক বিশ্লেষণৰ মাজেৰে শিল্পৰ প্ৰকৃত মূল্য উপলব্ধি কৰা। ৰায়ৰ ক্ষেত্ৰটো এই নীতি প্ৰযোজ্য। ■



# ভিলেজ ৰকষ্টাৰ্চ

জুবলী তালুকদাৰ
স্নাতক পঞ্চম ষাণ্মাসিক

ৰীমা দাস এগৰাকী ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতা। ১৯৮২ চনত কামৰূপ জিলাৰ ছয়গাঁৱৰ এক মধ্যবিত্ত পৰিয়ালত তেওঁৰ জন্ম হয়। ৰীমা দাসে তেওঁৰ প্ৰাথমিক শিক্ষা ছয়গাঁৱত গ্ৰহণ কৰে। পিছত তেওঁ গুৱাহাটীৰ কটন কলেজৰ পৰা সমাজ শাস্ত্ৰ বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিছত তেওঁ পুণে বিশ্ববিদ্যালয়ৰ পৰা সমাজ শাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। সৰুৰে পৰা ৰীমা দাস অভিনয়ৰ প্ৰতি আকৰ্ষিত আছিল।




অসমলৈ আহি তেওঁ পোনপ্ৰথমে 'প্ৰথা' নামৰ চুটি ছবি নিৰ্মাণ কৰে। এই ছবিখনে চুটি ছবি মহোৎসৱ এখনত প্ৰদৰ্শিত হোৱাত উৎসাহ পাই তেওঁ তেওঁৰ প্ৰথম ছবি 'অন্তদৃষ্টি' নিৰ্মাণ কৰে। এই ছবিখনে প্ৰাগ চিনে বঁটাত শ্ৰেষ্ঠ অসমীয়া ছবি আৰু প্ৰথম গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠ অসমীয়া ছবিৰ বঁটা লাভ কৰিছিল। তেওঁ নিজেই অভিনয় কৰা এই বোলছবিখনকলৈ তেওঁ সন্তুষ্ট নহ'ল আৰু তেওঁৰ দ্বিতীয় ছবি 'ভিলেজ ৰকষ্টাৰ্ছ' নিৰ্মাণৰ কাম আৰম্ভ কৰিলে।

২০১৭ চনত মুক্তি পোৱা ভিলেজ ৰকষ্টাৰ্ছ চলচ্চিত্ৰখনত অসমীয়া গাঁৱৰ সাধাৰণ জীৱন আৰু এজন সপোন দেখা কিশোৰীৰ কাহিনী চিত্ৰিত হৈছে।

বোলছবিখনত ধুনু নামৰ এগৰাকী কিশোৰীৰ কাহিনী দেখুওৱা হৈছে। ধুনুৱে গাঁৱৰ দৰিদ্ৰ পৰিৱেশত জীৱন অতিবাহিত কৰিলেও এগৰাকী গায়িকা হোৱাৰ সপোন দেখে। এখন গীটাৰ ক্ৰয় কৰি নিজৰ বন্ধু-বান্ধৱীৰে এটি ৰকষ্টাৰ বেণ্ড গঢ়াৰ আশাৰে তেওঁৰ জীৱনৰ কষ্ট, গাঁৱৰ বানপানী আৰু সামাজিক বাধা-বিঘিনিকো উপেক্ষা কৰি নিজৰ সপোনলৈ আগুৱাই যায়।

ছবিখনে স্থানীয় লোকসকলৰ জীৱন, তেওঁলোকৰ স্বপ্ন আৰু কঠিন পৰিস্থিতিতো এক আশাৰ কিৰণ তুলি ধৰিছে।

'ভিলেজ ৰকষ্টাৰ্ছ' ছবিখনে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মহোৎসৱত অংশ লৈ 'শ্ৰেষ্ঠ চলচ্ছিত্ৰ', 'স্বৰ্ণকমল' আদিকে ধৰি মুঠ ৪৪ টা বঁটা লাভ কৰিছিল। অস্কাৰলৈও মনোনীত হৈছিল ছবিখন।

ৰীমা দাসৰ উল্লেখযোগ্য চলচ্চিত্ৰবোৰ হৈছে— 'আহ ৰে মহ', 'Bully Boy', 'ত'ৰাছ হাজবেণ্ড', আৰু 'ভিলেজ ৰকষ্টাৰ্ছ-২'। ■

# জয়মতী

সুনীতা দাস
স্নাতক চতুৰ্থ ষাণ্মাসিক




জয়মতী ১৯৩৫ চনত মুক্তি পোৱা প্ৰথমখন অসমীয়া কথাছবি। লক্ষ্মীনাথ বেজবৰুৱাৰ ১৭ শতিকাৰ অসমৰ সতী জয়মতী নাটকৰ ওপৰত ভিত্তি কৰি, জ্যোতিপ্ৰসাদ আগৰৱালাই এই ছবিখন প্ৰযোজনা আৰু পৰিচালনা কৰিছিল। আইদেউ সন্দিকৈয়ে এই ছবিত মূল নায়িকাৰ চৰিত্ৰত অভিনয় কৰিছিল। ১৯৩৩ চনত ছবিখনৰ কাম আৰম্ভ কৰা হয় আৰু মুক্তি দিয়া হয় ১৯৩৫ চনত। এই ছবিৰ মূল শ্বুটিং ভোলাগুৰি চাহ বাগিচাত জ্যোতি প্ৰসাদে সজাই লোৱা চিত্ৰবন ষ্টুডিঅ'ত কৰা হৈছিল। ১৯৩৫ চনত চিত্ৰলেখা মুভিটোনৰ বেনাৰত এই ছবিখন মুক্তি দিয়া হয়। এতিয়া আংশিক ভাৱহে পোৱা এই ছবিখন ভাৰতৰ তৃতীয়খন সবাক ছবি আৰু প্ৰথমখন ৰাজনৈতিক আৰু বাস্তৱবাদী ধাৰাৰ ছবি বুলি অভিহিত কৰা হৈছে। ছবিখনক আংশিক ভাৱে আলটাফ মজিদে উদ্ধাৰ কৰিছে।

ইংলেণ্ডৰপৰা উভতি অহাৰ সময়ত জ্যোতিপ্ৰসাদে ৬ মাহৰ বাবে ইউ.এফ.এ. ষ্টুডিঅ'ত চলচ্চিত্ৰ নিৰ্মাণৰ কলা-কৌশল শিকি লয়। অসমলৈ আহি তেওঁ নিজৰ ছবিৰ বাবে জয়মতীৰ কাহিনীটো সমল কৰি ভোলাগুৰি চাহ বাগিচাত চিত্ৰবন ষ্টুডিঅ' স্থাপন কৰে। তাতেই দুটা কেম্পত পুৰুষ আৰু মহিলাৰ বাবে পৃথকে চলচ্চিত্ৰত অভিনয়ৰ কলা-কৌশল আহিছিল। চলচ্চিত্ৰৰ ফিল্ম পৰিস্ফুটনৰ বাবে কলিকতাৰ বাবে বৰফ অনোৱা হৈছিল। ঢাকাত ছবিখনৰ সম্পাদনৰ কাম কৰা হয় আৰু তাতেই জ্যোতিপ্ৰসাদে জানিবলৈ পায় যে শ্বুটিংৰ সময়ত বাণীবদ্ধ কৰা শব্দবিলাক অহা নাই। জ্যোতিপ্ৰসাদে তেতিয়া শব্দ ষ্টুডিঅ' ভাবালৈ লৈ নিজেই কেবা গৰাকীও শিল্পীৰ মাত কথা বাণীবদ্ধ কৰে। তেখেতে হেনো এদিনতে ছ হাজাৰ ফুট ৰীল বাণীবদ্ধ কৰিছিল। ■



ব্য
ক্তি
ত্ব

"এই পৃথিৱীলৈ কেতিয়াবা এনে কিছু লোকৰ আগমন ঘটে যাৰ ভাবাদৰ্শ, ধ্যান-ধাৰণা আৰু সৃষ্টিশীল কৰ্মৰাজিৰে ইতিহাস গঢ়িবলৈ সক্ষম হয়। মেধা আৰু প্ৰজ্ঞাই তেওঁলোকক চিৰস্মৰণীয় কৰি তোলে।"

## ন আৰু কৰ্ম

কুশল কলিতা
কাৰ্যালয় সহায়ক

ৰীয়াৰ কেশৱ মেধি (ওজা)ৰ জীয়ৰী
।। বাল্যকালৰ দৰে যুগ্ম জীৱনতো
দি ফুৰিছিল। বিয়াৰ কিছুকাল পিছতে
ঘটে। দুখৰ ধুমুহাত হালি নপৰা
ত উত্তৰ গুৱাহাটীৰ বিখ্যাত মজুমদাৰ
ৰ জীয়ৰী ব্ৰজোবালা বৰুৱাক বিবাহ
দাস কাকতি, কনলতা দাস কাকতি,
দাস কাকতি, ড° প্ৰীতিলতা কাকতি,
দাস কাকতি হ'ল তেওঁৰ সুযোগ্য
পুলিন দাস কাকতি সৈন্য বাহিনীৰ
বসৰ গ্ৰহণ কৰে। তৃতীয় পুত্ৰ ড°
হু সময় বাহিৰত অধ্যাপনা কৰাৰ
ত উপাচাৰ্যৰ দৰে সন্মানীয় পদ
মধাৰী আছিল। প্ৰৱেশিকা (হাইস্কুল
ও বিষয়ত লেটাৰ সহ প্ৰথম স্থান
জীয়ৰী ড° প্ৰীতিলতা কাকতি কটন
ৰ গ্ৰহণ কৰে। চতুৰ্থ পুত্ৰ ৰামদাস
জেক্ট ইঞ্জিনিয়াৰ ৰূপে কাৰ্যনিৰ্বাহ
ষ্ঠ পুত্ৰ ডাঃ ৰণজিৎ দাস কাকতি
ৰা আগবঢ়াই আহিছে।
তাৰিখে দীৰ্ঘদিনীয়া এজ্মা ৰোগৰ
জনা লোকৰ পৰলোকপ্ৰাপ্তি ঘটে।
এটা কথা ক'ব লাগিব যে শান্তিৰাম
চোলি কৰি জীৱনে এনেদৰে তেওঁৰ
ইভাগ সময়ে তেওঁ অশান্তিত জীৱন
গৰি অহা মৃত্যুৰ বিভীষিকাৰ উপৰিও
৮ বছৰ বয়সতে জীৱনৰ বন্তি নুমাই
কেনেদৰে আঘাত কৰিছিল সেই
'অনাথিনী'ৰ স্মৃতি তৰ্পণ নাম দি
অনুমান কৰিব পাৰি—

জয়মতী ১৯৩৫ চনত মু
কথাছবি। লক্ষ্মীনাথ বেজবৰুৱাৰ ১৭
নাটকৰ ওপৰত ভিত্তি কৰি, জ্যোতিপ্র
প্রযোজনা আৰু পৰিচালনা কৰিছিল।
মূল নায়িকাৰ চৰিত্রত অভিনয় কৰিছি
আৰম্ভ কৰা হয় আৰু মুক্তি দিয়া হয়
শ্বুটিং ভোলাগুৰি চাহ বাগিচাত জ্যোতি
ষ্টুডিঅ'ত কৰা হৈছিল। ১৯৩৫ চনত
এই ছবিখন মুক্তি দিয়া হয়। এতিয়া
ছবিখন ভাৰতৰ তৃতীয়খন সবাক ছ
আৰু বাস্তৱবাদী ধাৰাৰ ছবি বুলি অ
আংশিক ভাৱে আলটাফ মজিদে উদ্ধ



# সু-সাহিত্যিক, গণিতজ্ঞ শান্তিৰাম দাস ঃ জীৱন আৰু কৰ্ম

**কুশল কলিতা**
কাৰ্যালয় সহায়ক

প্ৰাক্ স্বাধীনতা কালৰ অসমৰ এগৰাকী কৃতবিদ্য ব্যক্তি আছিল শান্তিৰাম দাস। পাল্লীৰ সু-সন্তান অসমৰ এজন বিশিষ্ট গণিতজ্ঞ লেখক শান্তিৰাম দাসৰ জন্ম ১৮৯৫ চনত। তেওঁৰ পিতৃৰ নাম ধৰ্মদাস কাকতি (নাউমান), মা দীনবালা কাকতি। পিতৃ-মাতৃৰ উপৰিও দাসদেৱৰ পৰিয়ালত আছিল এজন ভাই আৰু এজনী ভনী। শান্তিৰাম দাস দেৱে কৃষক পিতৃ আৰু ভায়েক সিদ্ধিৰাম কাকতিক সৰুকালতে হেৰুৱাই অসহায় হৈ পৰিছিল যদিও নিজকে সোঁতত উটি যাবলৈ নিদি গভীৰ প্ৰত্যয়েৰে অধ্যয়নত ব্ৰতী হৈছিল। অত্যন্ত মেধাৱী দাসে এম. ই. পৰীক্ষা জলপানি লৈ পাছ কৰি গুৱাহাটীৰ কলেজিয়েট স্কুলত নাম লগায়। প্ৰৱেশিকা পৰীক্ষাতো তেওঁ বৃত্তি পায়। ১৯২০ চনত তেওঁ কটন কলেজৰ পৰা সুখ্যাতিৰে বি. এছ. চি. পাছ কৰাৰ পিছত ঢাকাৰ পৰা বি. টি. পাছ কৰে। এইখিনিতে এটা কথা উনুকিয়াব লাগিব যে পিতৃহীন অত্যন্ত দুখীয়া পৰিয়াল এটাত জন্ম পায়ো দাসদেৱৰ অধ্যয়নত অৰ্থই বাধাৰ জন্ম নিদিয়াৰ কাৰণ আছিল— তেওঁ মেধাৰ গুণত ছাত্ৰজীৱনৰ গোটেই কালছোৱাত চৰকাৰৰ পৰা বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছিল।

পৰৱৰ্তী কালত তেওঁ কটন কলেজিয়েট স্কুলত গণিত শিক্ষক হিচাপে যোগ দান কৰে। গোটেই জীৱন তেওঁ শিক্ষকতা কৰি কটাইছিল। এজন কৃতী শিক্ষক হিচাপে তেওঁৰ নাম সদায় প্ৰাতঃস্মৰণীয় হৈ ৰ'ব। অসমৰ এজন বিশিষ্ট চিন্তাবিদ, পণ্ডিত ড° হীৰেন গোহাঁইয়ে কটন কলেজিয়েট স্কুলত সহঃ প্ৰধান শিক্ষকৰূপে পোৱা শান্তিৰাম দাসদেৱৰ প্ৰখৰ ব্যক্তিত্ব আৰু শিক্ষক জীৱনৰ দক্ষতা দেখি শ্ৰদ্ধা অনুভৱ কৰিছিল। এই কথা তেওঁ জীৱন সোঁৱৰণিত উল্লেখ কৰিছে। বিশিষ্ট লেখক মেদিনী চৌধুৰীৰ আত্মজীৱনী 'ডুমডুমা ডুমডুমা'তো এইজনা মহান শিক্ষকৰ নানা গুণ-গৰিমাৰ কথা উল্লেখ আছে। অন্যহাতে ড° দিলীপ কুমাৰ দত্তৰ প্ৰান্তিক আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা 'মোৰ শিক্ষা আৰু মোৰ শিক্ষক' নামৰ আত্মকথাতো দাসদেৱৰ মেধা আৰু গৰিমাক নানাধৰণে সোঁৱৰণ কৰিছে। এনে এজন কৃতী, গুণী লোক পোৱা নাযাব যিজনে শান্তিৰাম দাসদেৱৰ ছাত্ৰ হিচাপে নিজকে ধন্য নামানি পাৰে।

এইজনা কৃতী শিক্ষকে শিক্ষক হিচাপে যোগ দিয়াৰ কিছুকাল পিছতে পাল্লীৰ ওচৰৰ সৰু কুকুৰীয়াৰ কেশৱ মেধি (ওজা)ৰ জীয়ৰী পদ্মা মেধিৰ পাণি গ্ৰহণ কৰে। বাল্যকালৰ দৰে যুগ্ম জীৱনতো মৃত্যুৰ বিভীষিকাই তেওঁক খেদি ফুৰিছিল। বিয়াৰ কিছুকাল পিছতে তেওঁৰ প্ৰথমা পত্নীৰ বিয়োগ ঘটে। দুখৰ ধুমুহাত হালি নপৰা শান্তিৰাম দাসদেৱে পৰৱৰ্তীকালত উত্তৰ গুৱাহাটীৰ বিখ্যাত মজুমদাৰ বংশৰ সন্তান লোকনাথ বৰুৱাৰ জীয়ৰী ব্ৰজোবালা বৰুৱাক বিবাহ কৰায়। হেমলতা দাস, পুলিন দাস কাকতি, বনলতা দাস কাকতি, প্ৰিয়লতা দাস কাকতি, ড° দেৱ দাস কাকতি, ড° প্ৰীতিলতা কাকতি, ৰামদাস কাকতি, ডাঃ ৰঞ্জিত দাস কাকতি হ'ল তেওঁৰ সুযোগ্য সন্তান। তেওঁৰ দ্বিতীয় পুত্ৰ পুলিন দাস কাকতি সৈন্য বাহিনীৰ ডেপুটি কমাণ্ডেণ্ট হিচাপে অৱসৰ গ্ৰহণ কৰে। তৃতীয় পুত্ৰ ড° দেৱ দাস কাকতি জীৱনৰ বহু সময় বাহিৰত অধ্যাপনা কৰাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উপাচাৰ্যৰ দৰে সন্মানীয় পদ অলংকৃত কৰে। এওঁ অত্যন্ত মেধাৱী আছিল। প্ৰৱেশিকা (হাইস্কুল শিক্ষান্ত) পৰীক্ষাত কেইবাটাও বিষয়ত লেটাৰ সহ প্ৰথম স্থান পাবলৈ সক্ষম হয় এওঁ। সৰু জীয়ৰী ড° প্ৰীতিলতা কাকতি কটন কলেজৰ ডীন হিচাপে অৱসৰ গ্ৰহণ কৰে। চতুৰ্থ পুত্ৰ ৰামদাস কাকতি মেঘালয় চৰকাৰৰ প্ৰজেক্ট ইঞ্জিনিয়াৰ ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে কনিষ্ঠ পুত্ৰ ডাঃ ৰণজিৎ দাস কাকতি ইংলেণ্ডত থাকি চিকিৎসা সেৱা আগবঢ়াই আহিছে।

১৯৫৮ চনৰ ২৮জুলাই তাৰিখে দীৰ্ঘদিনীয়া এজ্মা ৰোগৰ অন্তত অসমৰ সু-সন্তান এইজনা লোকৰ পৰলোকপ্ৰাপ্তি ঘটে। এইখিনিতে আমি পৰম দুখেৰে এটা কথা ক'ব লাগিব যে শান্তিৰাম দাসদেৱৰ নামক (শান্তি) ভেঙুচালি কৰি জীৱনে এনেদৰে তেওঁৰ স'তে খেল খেলিছিল যে বেছিভাগ সময়ে তেওঁ অশান্তিত জীৱন কটাইছিল। ইতিমধ্যে উল্লেখ কৰি অহা মৃত্যুৰ বিভীষিকাৰ উপৰিও তেওঁৰ প্ৰথম পুত্ৰ ফুলুৰ আঢ়ৈ বছৰ বয়সতে জীৱনৰ বন্তি নুমাই গৈছিল। সেই যন্ত্ৰণাই তেওঁক কেনেদৰে আঘাত কৰিছিল সেই কথা তেওঁৰ এখন উপন্যাস 'অনাথিনী'ৰ স্মৃতি তৰ্পণ নাম দি উছৰ্গা কৰা কবিতাংশৰ পৰাই অনুমান কৰিব পাৰি—

ফুলু বাপ,
সৰগৰ ফুল তই,

আহিছিলি মৰতলৈ
ফুলো বুলি মোৰ্ এই ক্ষুদ্ৰ ফুলনিত;
কিন্তু হায়!
নিৰ্দয়, নিঠুৰ সেই কঠুৰা মালীয়ে
নিদিলে ফুলিব তোক
নিলে ছিঙি দুদিনতে মোহাৰি সামৰি!

গুৱাহাটী-ৰিহাবাৰী
ফুলু কুটীৰ দুৰ্ভগীয়া পিতাৰ
১২/০৭/১৯৩৮

ফুলু কুটীৰ নাম দিয়া দাসদেৱৰ বাসভৱনৰ ফলকে আজিও ভাৰ বহন কৰি আছে ফুলুৰ অকাল মৃত্যুৰ বিচ্ছেদৰ হুমুনিয়াহ। আনহাতে তেওঁৰ ভগ্নীৰ অকাল মৃত্যুয়েও যেন শান্তিৰ সকলো হুতাহ কাঢ়ি লৈ গৈছিল।

দাসদেৱে শিক্ষকতাকে প্ৰধান ব্ৰত কৰি লৈছিল আৰু তাৰ বাবে অধ্যয়নৰ প্ৰয়োজনীয়তাক তেওঁ পুৰামাত্ৰাই গ্ৰহণ কৰিছিল। শিক্ষকতা আৰু অধ্যয়নৰ উপৰিও লিখাৰ প্ৰতি আগ্ৰহৰ ফলত তেওঁ ভালেকেইখন গ্ৰন্থ ৰচনা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভিতৰত ১। উজু গণিত, ২। ন- পাটী গণিত, ৩। বীৰকুমাৰ, ৪। উজু নেওতা, ৫। জ্যামিতি প্ৰবেশ (১ম-৪ৰ্থ খণ্ড), ৬। জ্যামিতি প্ৰৱেশ (৫ম খণ্ড), আৰু ত্ৰিকোণমিতি প্ৰৱেশ, ৭। মিলন মন্দিৰ, ৮। অনাথিনী, ৯। জানিবলগীয়া কথা, ১০। বৈৰাগী, ১১। ছদ্মবেশিনী আদিয়ে প্ৰধান।

উজু নেওতাখন 'ক' মানৰ পৰা তৃতীয় মানৰ বাবে যুগুত কৰা হৈছে যদিও ইয়াৰ পৰিসৰ বহল। ইয়াত গণ্ডা নেওতা, পাই নেওতা, অনা বা পোণ নেওতা, সিকি বা চোক নেওতা, তোলা নেওতা, সেৰ নেওতা, কাণি নেওতা, লেছা আৰু কোঠা নেওতা আদি বিভিন্ন নেওতা আছে। এই নেওতাখনত চকুত পৰা তৃতীয় মানৰ বাবে থকা চোৱা (১।) নেওতা, দেড়ীয়া (১।।) নেওতা, আঢ়ৈয়া (২।।) নেওতা আমি পঢ়া নেওতাত পোৱা মনত নপৰে। অন্যহাতে পূৰণ নেওতাৰ আজিৰ পদ্ধতিতকৈ দাস দেৱৰ উজু নেওতাৰ পদ্ধতিটো যথেষ্ট চুটি। ফলত ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক সুবিধাজনক আছিল বুলি মনে ধৰে।

১৯৫১ চনত শিক্ষা বিভাগৰ নতুন কেৰিকুলাম অনুসৰি ইতিমধ্যে প্ৰকাশিত শান্তিৰাম দাসদেৱৰ ন-পাটীগণিত প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগ নামৰ তিনিখন কিতাপত একলগ কৰি চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ মানৰ বাবে যুগুত কৰি উলিওৱা হৈছিল ১৯৫৩ চনত 'ন-পাটীগণিত' নাম দি। এই কিতাপখন ১৯৬১ চনলৈ মুঠ সাতবাৰ সংস্কৰণ হয়। কিতাপখনত মুঠ ৩৪৬টা পৃষ্ঠা আছে। প্ৰথম আধ্যা আৰম্ভ হোৱাৰ আগতে ধন পৰিমাণ, বৈখিক পৰিমাণ, ওজন পৰিমাণ, কাল পৰিমাণ, বৈখিক পৰিমাণকে ধৰি মুঠ পাঁচখন আৰ্য্যা সন্নিবিষ্ট কৰা হৈছে।

'বীৰকুমাৰ' নামৰ কিতাপখন এটা সময়ত হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথি আছিল। কিতাপখনত লিখকে লৱ-কুশ, বভ্ৰুবাহন আৰু হাচান হুছেইনৰ বীৰত্ব বৰ্ণনা কৰিছে। সাৱলীল ভাষা, সাৰ্থক বৰ্ণনা আৰু বীৰত্বৰ মহিমা কিতাপখনৰ মূল উপজীব্য।

চাৰ্লচ্‌ৰিড্‌ চাহাবৰ 'দি ক্লইষ্টাৰ এণ্ড দি হাৰ্থ' সংসাৰ সন্যাস নামৰ বিখ্যাত উপন্যাসখনৰ অসমীয়া অনুবাদ 'মিলন মন্দিৰ'। শান্তিৰাম দাসদেৱৰ দ্বাৰা অনুদিত এই কিতাপখন ১৯২৯ চনত প্ৰথম প্ৰকাশিত হৈ ১৯৫৯চনত এইখন ষষ্ঠ সংস্কৰণ। ইয়াত মুঠ ২৩০ পৃষ্ঠা আছে। ভাষাবোৰ ইমান সহজ-সৰলভাৱে প্ৰয়োগিত হৈছে যে মূল কিতাপখন ইংৰাজী হৈয়ো ইয়াত অসমীয়া হৈ পৰিছে। মৃত্যুৰ সময়ত সন্ন্যাসী জেৰাৰ্ডে তেওঁৰ প্ৰিয়তমা পত্নীৰ এধাৰ চুলি বুকুত কঢ়িয়াই লৈ ফুৰা কথাটোৱে এই কথা প্ৰমাণ কৰে— মায়া মোহ তেজ মঙহৰ মানুহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে নিৰ্গত হৈ ৰ'ব। অন্যহাতে কিতাপখনৰ মহত্ত্ব তলৰ কথাখিনিয়ে ভালদৰে প্ৰস্ফুটিত কৰিছে। জেৰাৰ্ডে (ক্লিমেণ্ট) তেওঁৰ পত্নীৰ (মাৰ্গেৰেট) মৃত্যুৰ শোকৰ যন্ত্ৰণাত ভাঙি পৰাত এদিন কথাই কথাই ফাদাৰ জেৰোমে ক্লেমেণ্টক ক'লে— ব্ৰাডাৰ ক্লেমেণ্ট, তোমাৰ সমস্ত কথা মই শুনিছো আৰু শুনি সুখী হৈছো; কিন্তু এতিয়া সেইবোৰ ভাৱ ত্যাগ কৰা। তাকে কৰিব পাৰিলে মায়া মোহ জয় কৰিব পাৰিবা। মাৰ্গেৰেট জীয়াই আছিল যেতিয়া, তেতিয়া তুমি সংযম শিক্ষালাভ কৰিছিলা, মনক দমাই ৰাখিছিলা; কিন্তু এতিয়া তাৰ বাবে শুকাই-খীণাই জীৱনপাত কৰিব ধৰিছা। ইয়াকে নকৰি তুমি যদি বিষয় ভোগত মজিলাহেঁতেন আৰু তাৰ বাবে এতিয়া যথোপযুক্ত অনুতাপ কৰিলাহেঁতেন তেন্তে সি বহুগুণে শ্ৰেয় আছিল। (পৃষ্ঠা ২২৬) শুনা যায় অনুদিত এই কিতাপখন পাঠকৰ পৰা যথেষ্ট সমাদৃত হৈছে। আমাৰ বোধেৰে কিতাপখনৰ এই জনপ্ৰিয়তা অনুবাদকৰ দক্ষতাৰ পৰোক্ষ ফল।

'বৈৰাগী' উপন্যাসত ৰচকে দুৰ্ভাগ্যৰ ওচৰত কেনেকৈ মানৱজীৱন তিলে তিলে শেষ হৈ গৈছে তাক বৰ্ণনা কৰিছে। জৰা-মৃত্যুৰ বিভীষিকাই গোটেই জীৱন ঔপন্যাসিকক যিহেতু আচ্ছন্ন কৰি ৰাখিছিল, সেয়ে তাৰ প্ৰতিধ্বনি উপন্যাসখনত শুনা যায়। কিন্তু অন্ধকাৰক জীৱনৰ পোহৰেৰে আলোকিত কৰাৰ মানুহৰ যি সাধনা তাক উপন্যাসখনত কদাচিৎহে প্ৰতিফলিত হৈছে। গোটেই উপন্যাসখনত এটা কথাই আমাক হতাশ কৰে মানুহৰ প্ৰতি মানুহৰ ভালপোৱা আৰু বিশ্বাসক তেওঁ ঠুনুকা কৰি বাৰে বাৰে মানুহৰ মাজত দেখা পাইছে নিষ্ঠুৰতা, অসততা, স্বাৰ্থপৰতা। দুখুৰ গিৰিয়েকৰ মৃত্যুৰ নিশা হিয়া-মূৰ ভুকুৱাই কন্দাৰ পিছতো একে চোতালতে থকা খুৰাক শ্ৰীযুত বৰবৰুৱাই ভাবিছে— "বোধকৰো আজি তাইৰ গিৰীয়েক ঢুকাল। ভালেই হ'ল, এতিয়ানো তাই মোক খাতিৰ কৰে নে নকৰে চাওঁচোন।" (পৃষ্ঠা-৭) অন্যহাতে শ্ৰীযুত বৰবৰুৱাই দুখুৰ গিৰীয়েকৰ মুমূৰ্ষু অৱস্থাতো এষাৰ মাত নিদিয়া বা সৎকাৰ কৰা কথা নাভাবি নিচেই ৰাতিপুৱাতে হাল বাবলৈ যোৱা কথাখিনিয়ে



মানৱীয় ভুল হিচাপে নেদেখুৱাই মানুহক দানৱৰূপে দেখুওৱা হৈছে। অন্যহাতে বৰবৰুৱাই হাল সামৰি ঘৰলৈ নাহি বাহিৰে বাহিৰে ভতিজা পুতেক গুৰুচৰণৰ ঘৰত সোমাই মাকক কৈছে— "বৌ, আজি হেনো দুখুৰ গিৰিয়েক মৰিল শুনিছনে?" (পৃষ্ঠা-১০) "যাৰ গৰু পোঁতত পৰে, সেয়েহে নেগুৰত ধৰে"। এনে ব্যক্তিকেন্দ্ৰিকতা উপন্যাসখনত বাৰে বাৰে প্ৰতিধ্বনিত হৈছে। অন্যহাতে নাৰী পুৰুষৰ নিঃস্বাৰ্থ প্ৰেমৰ মহত্ত্বক তুলি ধৰা হৈছে যদিও লীলাৱতীৰ আত্মজাহে পুৰুষতান্ত্ৰিক সমাজক আঘাত নকৰি জীৱনৰ লীলা-খেলাৰ ওচৰত আত্মসমৰ্পণ কৰা যেন লাগে। ইফালে শনিৰ জীৱনৰ পৰা পলায়নে ৰুচিবান পাঠকক হতাশ নকৰি নোৱাৰে। দুঃখ-যন্ত্ৰণাৰ ওচৰত হাৰ নামানি নবেনৰ নিঃস্বাৰ্থ ভালপোৱা আৰু বিশ্বাসক আঁকোৱালি লৈ শনিয়ে কঠিন বাস্তৱৰ মুখামুখি হোৱা হ'লে উপন্যাসখন অধিক সাৰ্থক হ'লহেঁতেন।

এনে খুটি-নাটিৰ মাজতো ঔপন্যাসিকে বিভিন্ন জনজাতীয় মানুহে অসমীয়া জাতিৰ শ্ৰীবৃদ্ধিত ইন্ধন যোগোৱাৰ সপোন দেখাতো বাস্তৱবাদী হৈছে। তেওঁ লিখিছে— "কাজেই দেখা যায় যে ভোট আদি অসভ্য জাতিবোৰো এসময়ত অসমীয়া হৈ যাব আৰু অসমীয়াৰ বল-বীৰ্য শ্ৰীবৃদ্ধি কৰিব" (পৃষ্ঠা-৫১) বিপৰীতে কিন্তু তেওঁ পৰাধীন ভাৰতৰ দুখ-দুৰ্দশাৰ প্ৰতি নিৰ্বিকাৰ যেন লাগে। বৰং ইংৰাজসকলক অসমৰ ত্ৰাণকৰ্তা বুলি চিহ্নিত কৰিছে তেওঁ।

অসমীয়া সাহিত্যত এই উপন্যাসখনিয়ে কেনে বৰঙণি যোগাব পাৰিছে সেই কথা সুধীসমাজলৈ এৰি এটা কথা অৱশ্যে ক'বই লাগিব শ্ৰদ্ধেয় শান্তিৰাম দাসদেৱে এই কিতাপখনৰ নানা সীমাবদ্ধতাৰ মাজতো যৎসাধ্য অসমীয়া ভাষা-সাহিত্য চহকী কৰিবলৈ চেষ্টাৰ প্ৰয়াস চলাইছিল উপন্যাস সাহিত্যৰ চালুকীয়া অৱস্থাতে। সেয়ে তেওঁ ধন্যবাদৰ পাত্ৰ।

'অনাথিনী' গল্প উপন্যাসখনত লেখকে মানৱ মহত্ত্বক তুলি ধৰিবলৈ প্ৰয়াস কৰিছে। ইয়াত 'অনাথিনী', 'ফুল এপাহি', 'ৰূপে' আদি নাম দি ভালেকেইটা গল্প প্ৰকাশিত হৈছে। 'অনাথিনী' নামৰ গল্পটোত বিহুৱা এজন ডকাইত হৈয়ো কেনেদৰে মানৱ মহত্ত্বৰ উচ্চ শিখৰলৈ উঠি আৰ্তজনক নিজৰ জীৱন বিপন্ন কৰিও সহায় সাহায্য কৰি গৈছে তাক নানা খুটি-নাটিৰ মাজেৰে হ'লেও প্ৰকাশ কৰিছে। এই বিহুৱা চৰিত্ৰটোৱে বিখ্যাত নাট্যকাৰ হাবিব তনবীৰৰ 'চৰণ দাস চোৰ'ৰ চৰণ দাসৰ কথা মনত পেলাই দিয়ে। অন্যহাতে ৰামু আতৈৰ কামে বৈৰাগী নামৰ উপন্যাসখনৰ সকলো হতাশা, নিষ্ঠুৰতা, কপটতাক জয় কৰি মানুহক দেৱত্ব আৰোপ কৰা হৈছে। বিহুৱা ডকাইতে তেওঁৰ পৰা সোণৰ টেমাটো চুৰ কৰি নিয়াৰ পিছতো আতৈয়ে পুলিচক কৈছে— "তাক এৰি দিয়া, সি মোৰ একো চুৰ কৰা নাই। মই নিজে তাক সেই সোণৰ টেমাটো দিছোঁ।" (পৃষ্ঠা-৫)

'ফুল এপাহি' নামৰ গল্পটিত "অনাথিনী'ৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। নায়ক, নায়কৰ বন্ধু অৰুণৰ আত্মীয়তা, ডাক্তৰজনৰ সহৃদয়তা আৰু কৰ্তব্যপৰায়ণতা আজিৰ ব্যক্তিকেন্দ্ৰিক জীৱনৰ বাবে প্ৰেৰণাদায়ক হৈ থাকিব। মৃত্যুৰ যন্ত্ৰণাই লিখকক চুই গৈছে যদিও ইয়াত পলায়ন নাই। আছে তেজ-মঙহৰ মানুহৰ হা-হুমুনিয়াহ, করুণা।

'ৰূপে' নামৰ গল্পটোত পুনৰ সেই মানুহৰ কপটতা, হিংসা, ঘৃণা-অশান্তিৰ পৰা হাত সাৰিবলৈ জীৱনৰ পৰা পলায়ন আত্মজাহ। জীৱনক সংগ্ৰামৰ অস্ত্ৰৰূপে ব্যৱহাৰ নকৰি আত্মহননেৰে মুক্তি বিচাৰিছে ইয়াতো নায়িকাই। কিন্তু গল্পটো বিশ্বাসযোগ্য আৰু সুখপাঠ্য হৈছে।

মৃত্যু বিভীষিকাই লিখকক খেদি ফুৰিছিল গোটেই জীৱন। 'মৃত্যু দৰ্শন' নামৰ গল্পটোত মৃত্যুৰ যন্ত্ৰণাক সাৱলীল ভাষাত বৰ্ণাইছে লিখকে। ইয়াৰ অন্যথা একো নাই। অৱশ্যে গল্পটোৰ ভাব-ভাষা সুন্দৰ হৈছে। গল্পটো ৰুচিবান পাঠকক ৰস দিয়াৰ যোগ্য।

'পৰাচিত' গল্পটোত মনোহৰ বাবুক বেলিয়ে প্ৰতাৰণা কৰিছিল নে, মনোহৰ বাবুৰ কু-কাৰ্যত অতিষ্ঠ হৈ বেলিয়ে জীৱনৰ আনসংগী লালমোহনক ভুলকৈ বাছি লৈছিল সেয়া অস্পষ্ট। যদি প্ৰতাৰণা কৰা নাছিল তেন্তে পৰাচিতৰ প্ৰশ্ন নুঠে। গল্পকাৰৰ ইয়াত ত্ৰুটি ৰৈ যোৱা যেন লাগে। কাৰণ বেলি নিৰুদ্দেশ হোৱাৰ পিছত মনোহৰ বাবুৱে কোনো বিচাৰ-খোচাৰ নকৰি হেলিক বিয়া কৰোৱাত বেলিৰ সন্দেহেই সত্য যেন অনুমান হয়। তেন্তে সকলো দুখ-কষ্ট বেলিয়ে কিয় ভোগ কৰিবলগা হ'ল?

ভালপোৱা আৰু নিষ্ঠুৰতাৰ দলিল 'চেনেহী আই' নামৰ গল্পটো। ভায়েক হৰিনাথ আৰু মাকৰ চেনেহ ভালপোৱা বাস্তৱ যদিও ৰুচিনাথৰ নিষ্ঠুৰতা বিশ্বাসযোগ্য যেন নালাগিল। ফলত পাঠকৰ মনত গল্পটোৱে সাঁচ বহুৱাব পাৰিব নে নোৱাৰে সন্দেহ থাকি যায়। অৱশ্যে শেহত চহৰীয়া বিলাসিতাৰ পৰা মুক্তি বিচাৰি গাঁৱৰ সঁচা ভালপোৱা বিশালতাত মিলি যাবলৈ কৰা ৰুচিনাথৰ প্ৰয়াসত লেখকৰ চিন্তাত ইতিবাচক পোহৰ পৰিছে।

'অবিচাৰ' নামৰ গল্পটো পঢ়ি ভাৱ হয় ই 'ৰূপে' নামৰ গল্পটোৰ ছাঁ। ইয়াতো সেই একেই আত্মজাহেৰে নায়িকাই বিচাৰিছে চিৰমুক্তি; কিন্তু যমুনাৰ পিতৃ-মাতৃৰ চেনেহক অৱজ্ঞা কৰি তাই কিয় স্বেচ্ছাই মৃত্যুক সাৱটি ল'লে বুজা নাযায়। সমাজৰ প্ৰতি ভয়? গল্পটোত স্বামী বাপু আৰু শাহুৱেক ভৈৰৱীৰ যমুনাৰ ওপৰত কৰা অত্যাচাৰৰ কাৰণ অস্পষ্ট। মানুহৰ প্ৰতি মানুহৰ ঘৃণা, বিদ্বেষ, কপটতা সেই সমাজৰ বৈশিষ্ট্য আছিল যেন ভাৱ হয়। এতেকে সেই সমাজক যমুনাই অৱজ্ঞা কৰা হ'লে গল্পটোৱে বেছি পূৰ্ণতা পালেহেঁতেন।

সামৰণিত কওঁ, স্বাধীনতা আন্দোলনৰ ত্যাগ আৰু মহত্ত্ব অথবা ৰুছ মহাবিপ্লৱৰ ছাঁ পোহৰত উজ্জ্বলি উঠা ভাৰতবৰ্ষৰ সমাজ বিপ্লৱৰ পদধ্বনি দাস দেৱৰ লিখনিসমূহত বিচাৰি পাবলৈ নাই যদিও বহুমুখী প্ৰতিভাধৰ শান্তিৰাম দাসৰ সাহিত্যকৰ্মৰ মূল্য উজ্জ্বল হৈ ৰৈছে। ■

# কৃষ্ণকান্ত সন্দিকৈ

ইচা নাথ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

কৃষ্ণকান্ত সন্দিকৈৰ জন্ম ২০ জুলাই, ১৮৯৮ চনত অসমৰ যোৰহাট জিলাৰ সাতঘৰীয়া আহোম পৰিয়ালত হৈছিল। তেখেতৰ পিতৃ চাহ খেতিয়ক ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ আৰু মাতৃ নাৰায়ণী সন্দিকৈ। অসমৰ কেইবাটাও ৰাজহুৱা অনুষ্ঠানৰ উন্নতিকল্পে মুক্তহস্তে দান-বৰঙণি আগবঢ়োৱা হেতুকে জনসাধাৰণে কৃতজ্ঞতাৰ চিনস্বৰূপে ৰাধাকান্ত সন্ধিকৈ ডাঙৰীয়াক 'দানবীৰ' উপাধিৰে বিভূষিত কৰিছিল। দানবীৰ ৰাধাকান্ত সন্দিকৈৰ চাৰিজন পুতেকৰ ভিতৰত কৃষ্ণকান্ত সন্দিকৈ আছিল আটাইতকৈ ডাঙৰ। তেওঁৰ মাক-নাৰায়ণী আইদেউ অসমৰ আন এগৰাকী পণ্ডিত লোক পদ্মনাথ গোহাঁঞি বৰুৱা ভগ্নী আছিল।

কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰাথমিক শিক্ষা নিজা গৃহতে গ্ৰহণ কৰিছিল। তাৰ পিছত দেউতাকে যোৰহাটৰ চৰকাৰী হাইস্কুলত নাম লগায় দিয়ে। ইংৰাজী ১৯১৩ চনত পোন্ধৰ বছৰ বয়সত কৃষ্ণকান্তই যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সন্দিকৈয়ে কটন মহাবিদ্যালয়ৰ ১৯১৫ চনত আই এ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কলিকতা বিশ্ববিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে নাম ভৰ্তি কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯১৭ চনত তেওঁ সংস্কৃতত প্ৰথম শ্ৰেণীৰ অনাৰ্চসহ বি.এ. পাছ কৰে আৰু "প্ৰসন্ন কুমাৰ সৰ্বাধিকাৰী স্বৰ্ণপদক লাভ কৰে। তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ১৯ বছৰ। ১৯১৯ চনত সংস্কৃতৰ 'বেদ শাখা'ত তেৱেঁই সেইবৰ্ষৰ একমাত্ৰ শিক্ষাৰ্থী আছিল আৰু তেওঁৰ গুৰু আছিল, মহামহোপাধ্যায় সীতাৰাম শাস্ত্ৰী। তদুপৰি সন্দিকৈয়ে ১৯২০ চনত অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আধুনিক বুৰঞ্জীত স্নাতকোত্তৰ সন্মান লাভ কৰাৰ উপৰি পেৰিছ আৰু বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধীনত জাৰ্মান, ফৰাচী, ৰুছ, গ্ৰীক, লেটিন, ইটালিয়ান, স্পেনিছ আদি কেইবাটাও ভাষা শিকি আয়ত্ত কৰিবলৈ সমৰ্থ হৈছিল। ১৯২৩ চনৰ পৰা ১৯২৭ চনলৈকে তেখেতে ইউৰোপৰ নানা ভাষা সাহিত্য অধ্যয়ন কৰে। ■

# মামণি ৰয়ছম গোস্বামী

দিয়া কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

যুদ্ধোত্তৰ যুগত যিসকল লেখকৰ সৃষ্টিয়ে অসমীয়া সাহিত্যৰ সমৃদ্ধি আৰু বৈচিত্ৰ্য সাধন কৰিছিল, সেইসকলৰ ভিতৰত অন্যতম হ'ল মামণি ৰয়ছম গোস্বামী। অসমীয়া সাহিত্য জগতত সফল ঔপন্যাসিকাৰূপে উচ্চ স্থান আৰু বিৰল প্ৰসিদ্ধ অধিকাৰী গোস্বামীৰ গল্পৰ সংখ্যা বহু বেছি নহ'লেও সেইসমূহৰ গুণগত ঐশ্বৰ্যই অসমীয়া গল্পক্ষেত্ৰত তেখেতৰ বাবে এখন সুদৃঢ় আসন নিশ্চিত কৰিছে। 'সংস্কাৰ' মামণি ৰয়ছম গোস্বামীৰ এটা উল্লেখযোগ্য চুটিগল্প। পীতাম্বৰ মহাজনৰ সন্তান লাভৰ উগ্ৰ হেঁপাহ আৰু দময়ন্তীৰ পৰম্পৰাগত ধ্যান-ধাৰণা, বিশ্বাসৰ প্ৰতি গভীৰ অন্ধ আনুগত্য এই দুটা বিষয়ক কেন্দ্ৰ কৰিয়েই গল্পটোৰ মূল কাহিনীভাগ গঢ় লৈ উঠিছে। চৰিত্ৰৰ মানসিকতা, জীৱনৰ যন্ত্ৰণা, বেদনা আৰু সমাজৰ অধঃগতিত দৃশ্যৰ স্পষ্ট আৰু সুন্দৰ ৰূপায়ণে গল্পটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে।

পীতাম্বৰ, কৃষ্ণকান্ত আৰু দময়ন্তীক কেন্দ্ৰ কৰিয়েই গল্পটোৰ কাহিনী আৱৰ্তিত হ'লেও ইয়াত পীতাম্বৰৰ পত্নীৰ নীৰৱ উপস্থিতিও উপেক্ষা কৰিব পৰা নহয়। এই চাৰিওটা চৰিত্ৰৰ যোগেদি লেখিকাই ভিন্ন মানসিকতাৰ ছবি গল্পটোত দাঙি ধৰিছে।

গ্ৰাম্য পৰিৱেশৰ মানুহ হ'লেও পীতাম্বৰ উচ্চ-নীচ জাতিভেদৰ সংস্কাৰ সমাজৰ পৰা আঁতৰি যোৱাটো বিচাৰে। সেয়েহে কৈছে -

"একো বেয়া হোৱা নাই সেইবোৰ নিয়ম উঠি যাব লাগে। নিজৰ এই উদাৰ মনোভাব দময়ন্তীৰ মনত গঢ় লোৱাটো তেওঁ গভীৰভাৱে আশা কৰে। সেয়েহে তেওঁ কানৰ কাষত দময়ন্তীৰ গুণ্‌গুণাই কোৱা যেন শুনে-

উস্ সেইবোৰ শুদিৰ, বামুণ, গৰীয়া, মুছলমান সব খোলাগুটিৰ তাল। মানুহহে লাগে আমাক কাটিলে তেজ ওলোৱা মানুহ। ■



# ভ্ৰ
# ম
# ণ

"ভ্ৰমণ - অনুসন্ধিৎসু মনৰ এক অনাবিল তৃপ্তি।"

ইন্দ্ৰানী দেৱী
হযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

জখন চলি কিছুদুৰ যোৱাৰ পিছত পুণৰ
ত দেখা এটা সৰু দ্বীপলৈ চাবলৈ ক'লে
টকাৰ ন'টৰ (পুৰণি ৰঙা ২০ টকা)
শ্য এই দ্বীপৰ, আমিও আমাৰ লগত
াই দেখিলোঁ সচাই হুবহু একেই দৃশ্য,
দৃশ গছ আৰু দ্বীপটোৰ দৃশ্য ন'টখনত

কিছুসময় কটাই তাত থকা এচিয়াক
সৌন্দৰ্য্য উপভোগ কৰি আমি আবেলি
মান এটা দ্বিপ নেইল দ্বিপলৈ।
মাৰ জাহাজখন যথেষ্ট ডাঙৰ, প্ৰায় ২০০
ীয়া, তলৰ খলপত শুই যাব পৰা ব্যৱস্থা
কিছুদুৰ গাড়ীৰে গৈ আমাক এখন বিচৰ্টৰ
হ'ল, হোটেল মানে তাত সৰু পৰিয়াল
াছে আৰু লগতে থকা Restaurant ত
না বতৰ বেয়া আছিল গাজনী ঢেৰেকনীৰে
থাবলৈ আহি লক্ষ্য কৰিলোঁ ৰেষ্টোৰেণ্টৰ
ময়ত সাগৰৰ পানী আছিল সম্পূৰ্ণ নীলা
াগে নেইল দ্বীপ। বতৰ বেয়া বাবে অলপ
ৰি আহিলোঁ।
ঠ পুনৰ সাগৰৰ পাৰলৈ ঢাপলি মেলিলোঁ
লোঁ সেয়া সঁচাই আচৰিত। কালি পানীৰে
জি বহুদুৰলৈ অনায়েসে শিলৰ উপৰেৰে
লোকে তাত শামুক আৰু আন সাগৰীয়
নাঁ ইয়াৰ বিচ্ছত সাগৰৰ পানীত বহু প্ৰবাল
ৃদ্ৰিক মাছদেখা যায়। তলৰ গ্লাছ লগোৱা

কৃষ্ণকান্ত সন্দিকৈৰ জন্ম ২০ জু
যোৰহাট জিলাৰ সাতঘৰীয়া আহোম পৰি
পিতৃ চাহ খেতিয়ক ৰায় বাহাদুৰ ৰাধা
নাৰায়ণী সন্দিকৈ। অসমৰ কেইবা
উন্নতিকল্পে মুক্তহস্তে দান-বৰঙণি
জনসাধাৰণে কৃতজ্ঞতাৰ চিনস্বৰূপে ৰাধ
'দানবীৰ' উপাধিৰে বিভূষিত কৰিছিল। দ
চাৰিজন পুতেকৰ ভিতৰত কৃষ্ণকান্ত স
ডাঙৰ। তেওঁৰ মাক-নাৰায়ণী আইদে
পণ্ডিত লোক পদ্মনাথ গোহাঁঞি বৰুৱা
কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰাথমিক
কৰিছিল। তাৰ পিছত দেউতাকে যোৰ
নাম লগায় দিয়ে। ইংৰাজী ১৯১৩ চ
কৃষ্ণকান্তই যোৰহাট চৰকাৰী হাইস্কুলৰ

যুদ্ধোত্তৰ যুগত যিসকল
সাহিত্যৰ সমৃদ্ধি আৰু বৈচিত্ৰ্য সাধন কৰি
অন্যতম হ'ল মামণি ৰয়ছম গোস্বামী।
সফল ঔপন্যাসিকাৰূপে উচ্চ স্থান আ
গোস্বামীৰ গল্পৰ সংখ্যা বহু বেছি নহ'
ঐশ্বৰ্যই অসমীয়া গল্পক্ষেত্ৰত তেখেত
নিশ্চিত কৰিছে। 'সংস্কাৰ' মামণি
উল্লেখযোগ্য চুটিগল্প। পীতাম্বৰ মহাজন
আৰু দময়ন্তীৰ পৰম্পৰাগত ধ্যান-ধা
অন্ধ আনুগত্য এই দুটা বিষয়ক কে
কাহিনীভাগ গঢ় লৈ উঠিছে। চৰিত্ৰৰ
বেদনা আৰু সমাজৰ অধঃগতিত দৃশ্যৰ
গল্পটোক এক বিশেষ মৰ্যাদা প্ৰদান ক



# মোৰ আন্দামান যাত্ৰা

ইন্দ্ৰানী দেৱী
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

ভ্ৰমণ কৰাৰ হেঁপাহ সৰুৰে পৰাই আছিল। সেয়েহে চাকৰি আৰু ঘৰুৱা ব্যস্ততাৰ মাজত যেতিয়াই সময় সুবিধা পাইছিলো তেতিয়াই ফুৰিবলৈ যোৱাৰ বাবে পৰিকল্পনা কৰি সেইমতে প্ৰস্তুতি চলাই যাঁও।

আৰু তেনেদৰে এবাৰ পৰিকল্পনা কৰা হ'ল আন্দামানলৈ যোৱাৰ। যিখন ঠাই সৰুৰে পৰা কলিয়া পানী বুলি শুনি আছিলো।

আন্দামানলৈ যাব লাগিলে চেন্নাই বা ক'লকাতাৰ পৰা উৰা জাহাজ বা জাহাজেৰে যাব পাৰি। আমি উৰাজাহাজেৰে যোৱাৰ স্থিৰ কৰিলোঁ। আমি প্ৰথমতে গুৱাহাটীৰ পৰা ক'লকাতালৈ আগদিনাৰ দুপৰীয়াৰ প্লেনত যাত্ৰা কৰিলোঁ। যিহেতু আমাৰ আন্দামানলৈ যোৱা প্লেনৰ সময় ৰাতিপুৱা ৮-০০ বজাত আছিল। আৰু সেইমতে আমি ক'লকাতাৰ নেতাজী সুবাস বসু আৰ্ন্তজাতিক বিমান বন্দৰৰ পৰা আন্দামানলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। আৰু প্ৰায় ২ ঘণ্টা ২০ মিনিটৰ মুৰত আন্দামানৰ আৰ্ন্তজাতিক বিমান বন্দৰ পৰ্ট ব্লেয়াৰত (Veer Savarkar) অৱতৰণ কৰিলোঁ।

আমাৰ আন্দামান ভ্ৰমণৰ গোটেই পৰিকল্পনা আগতিয়াকৈ কৰি গাড়ী আৰু হোটেল ঠিক কৰি থোৱা হৈছিল, সেয়েহে এয়াৰপৰ্টৰ পৰা আমাক নিবলৈ অহা নিৰ্দ্দিষ্ট গাড়ীত উঠি আমি আমাৰ হোটেললৈ ৰাওনা হৈছিলোঁ। সেইদিনা আমি পৰ্টব্লেয়াৰৰ দুই এটা সাগৰীয় বিচ্চত গৈ পিছদিনাৰ ভ্ৰমণৰ বাবে সাজু হৈছিলোঁ।

দ্বিতীয়দিনা আমাৰ যাত্ৰা আছিল হেভলক্ দ্বীপলৈ। এই দ্বীপটো পৰ্টব্লেয়াৰৰ পৰা সাগৰেৰে গলে আধাঘণ্টা দুৰত্বৰ। আমাক তালৈ যাবলৈ বিলাসী ক্ৰচ (Luxury Cwise) এখন উঠিব দিয়া হ'ল। অতি সুন্দৰ এই ফেৰিখন দুমহলীয়া আৰু সুন্দৰ নাবিকৰ পোছাক পৰিধান কৰা নাবিক এজন এইখন চলাবলৈ উঠিল। আমাক নাবিকজনে তেওঁৰ কাষলৈ আহিবলৈ কৈ সাগৰৰ মনোমহা দৃশ্য উপভোগ কৰিব দিলে। জাহাজখন চলি কিছুদুৰ যোৱাৰ পিছত পুণৰ নাবিকজনে আমাক অলপ দুৰত দেখা এটা সৰু দ্বীপলৈ চাবলৈ ক'লে আৰু আমাক ক'লে যে ২০ টকাৰ ন'টৰ (পুৰণি ৰঙা ২০ টকা) পিছফালে থকা প্ৰাকৃতিক দৃশ্য এই দ্বীপৰ, আমিও আমাৰ লগত থকা ২০ টকাৰ ন'ট উলিয়াই দেখিলোঁ সচাই হুবহু একেই দৃশ্য, সেই সেউজীয়া নাৰিকল সদৃশ গছ আৰু দ্বীপটোৰ দৃশ্য ন'টখনত দেখিবলৈ পাই।

হেভেলক বিচ্চত্ কিছুসময় কটাই তাত থকা এচিয়াৰ সৰ্ববৃহৎ ৰাধানগৰ বিচ্চৰ সৌন্দৰ্য্য উপভোগ কৰি আমি আবেলি আমাৰ যাত্ৰা আৰম্ভ কৰো আন এটা দ্বিপ নেইল দ্বিপলৈ।

এইবাৰ যাত্ৰাত আমাৰ জাহাজখন যথেষ্ট ডাঙৰ, প্ৰায় ২০০ যাত্ৰী যাব পৰা আৰু দুমহলীয়া, তলৰ খলপত শুই যাব পৰা ব্যৱস্থা আছিল, জাহাজৰ পৰা নামি কিছুদূৰ গাড়ীৰে গৈ আমাক এখন বিচৰ্টৰ দৰে হোটেলত লৈ যোৱা হ'ল, হোটেল মানে তাত সৰু পৰিয়াল থাকিব পৰা কিছুমান ঘৰ আছে আৰু লগতে থকা Restaurant ত খোৱাৰ ব্যৱস্থা আছে, সেইদিনা বতৰ বেয়া আছিল গাজনী ঢেৰকনীৰে বৰষুণ দিছিল। গধূলি চাহ খাবলৈ আহি লক্ষ্য কৰিলোঁ ৰেষ্টোৰেণ্টৰ অলপ দূৰতে সাগৰ। সেইসময়ত সাগৰৰ পানী আছিল সম্পূৰ্ণ নীলা আৰু অপূৰ্ব, সেইকাৰণে ছাগে নেইল দ্বীপ। বতৰ বেয়া বাবে অলপ সময় থাকি আমি ৰুমলৈ ঘূৰি আহিলোঁ।

ৰাতিপুৱা শুই উঠি পুনৰ সাগৰৰ পাৰলৈ ঢাপলি মেলিলোঁ আৰু এইবাৰ গৈ দৃশ্য দেখিলোঁ সেয়া সঁচাই আচৰিত। কালি পানীৰে উপচি থকা সাগৰখন আজি বহুদূৰলৈ অনায়েসে শিলৰ উপৰেৰে খোজকাঢ়ি যাব পাৰি, বহুলোকে তাত শামুক আৰু আন সাগৰীয় বস্তু বিচাৰি থকা দেখা পালোঁ ইয়াৰ বিচ্চত সাগৰৰ পানীত বহু প্ৰবাল (Coral) আৰু ৰঙীন সামুদ্ৰিক মাছদেখা যায়। তলৰ গ্লাছ লগোৱা

নাৱত উঠি সাগৰৰ তলিৰ সামুদ্ৰিক মাছ প্ৰবাল আৰু আন মনোমোহা দৃশ্য উপভোগ কৰিব পাৰি, সেইদিনা ৰাতি নেইল দ্বীপত কটাই পিছদিনা পুনৰ পৰ্টব্ৰেয়াৰলৈ যাত্ৰা আৰম্ভ কৰিলোঁ জাহাজেৰে।

আমাৰ পৰবৰ্ত্তি গন্তব্য স্থান আছিল আন্দামানৰ আদিবাসীসকল যিসকলে আজিও আদিম মানৱৰ নিচিনাকৈ বাস কৰে সেইসকলে বাস কৰা অৰণ্যৰ মাজেৰে চুনশিলৰ গুহা আৰু আন্দামানৰ লুপ্ত আগ্নেয়গিৰি দৰ্শন কৰা।

এই যাত্ৰাৰ বাবে আমাৰ গাড়ীখন যেতিয়া আন গাড়ীৰ সৈতে এছকৰ্ট গাড়ী লৈ অৰণ্যৰ মাজেৰে পাৰ হৈ গৈছিল তেতিয়া ৰাস্তাৰ দুয়োকাষে ঠায়ে ঠায়ে আৰু কিছু দূৰৈত তাৰ আদিবাসীসকলক দেখিব পোৱা গৈছিল। ঘৰবোৰ পাতেৰে সজা আছিল। বেছিভাগ মানুহে গাৰ কাপোৰবোৰ পাতেৰে বনাই লৈছিল। দুই এজন মহিলাক কাপোৰ পিন্ধা দেখা পালোঁ। তেওঁলোক আধুনিক সভ্যতাৰ পৰা সম্পূৰ্ণ দূৰত থাকে। পাৰহৈ যোৱাৰ সময়ত আমাক গাড়ীৰ গ্লাছবোৰ বন্ধ কৰি যাব কৈছিল। সেইঅৰণ্যখন পাৰহৈ আমি প্ৰথম ফেৰী আৰু তাৰপিছত (Motor boat) ৰে গছৰ মাজে মাজে থকা যানেৰে গৈ চুণশিলৰ গুহাত উপস্থিত হৈ তাৰ দৃশ্য দেখি অভিভূত হৈ পৰিলোঁ। আৰু শেষত এটা টিলাৰ নিচিনা ওখ ঠাইত খোজকাঢ়ি গৈ তাৰ লুপ্ত আগ্নেয়গিৰি প্ৰত্যক্ষ কৰিলোঁ য'ৰ পৰা আজিও গৰম পানীৰ বুৰবুৰণি ওলাই আছিল আৰু গধূলি পুনৰ অৰণ্যৰ মাজেৰে আহি আমাৰ হোটেল পাইছিলোঁ।

পিছদিনা আমাৰ কাৰ্য্যসূচী আছিল আন্দামানৰ বিশেষ আকৰ্ষণ চেলুলাৰ জেল, এই কাৰাগাৰ ব্ৰিটিছশাসন কালত ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ বিপ্লৱীসকলক বন্দী কৰি শাস্তি দিয়াৰ বাবে নিৰ্মাণ কৰা হৈছিল।

এই কাৰাগাৰত ৭ টা ডাঙৰ ব্লক আছিল আৰু ৫০ টা কোঠা আছিল। এই কোঠাবোৰৰ মাজত যোগাযোগ নাছিল। মাথো তাত ৰখা কয়ডীবোৰে সন্মুখৰ ফালে থকা লোহাৰ দৰ্জাৰে বাহিৰলৈ চাব পাৰিছিল। বন্দীবোৰক কঠোৰ শাস্তি দিয়াৰ বৰ্ণনা আৰু স্বাক্ষ্যস প্ৰমাণ ইয়াত বিদ্যমান। তেওঁলোকক অতি গৰমৰ মাজত সৰিয়হৰ পৰা তেল উলিয়াবলৈ বাধ্য কৰোৱা হৈছিল। কিছুমানক আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা হৈছিল।

এই কাৰাগাৰ এতিয়া ৰাষ্ট্ৰীয় স্মাৰক হিচাবে (National Memorial) স্বীকৃতি লাভ কৰিছে। আৰু ইয়াত থকা সংগ্ৰাহালয়ে (Museum) স্বাধীনতা আন্দোলনৰ ইতিহাস বৰ্ণনা কৰে।

গধূলি হোৱা Ligh and Sound Show প্ৰদৰ্শনীৰ জৰিয়তে ইয়াত সংঘটিত ঘটনাসমূহ দৰ্শনকাৰিসকলক প্ৰদৰ্শন কৰা হয়।

ছেলুলাৰ জেলৰ লোমহৰ্ষক অভিজ্ঞতা বুকুত বান্ধি পিছদিনা আমাৰ যাত্ৰা আৰম্ভ হৈছিল আন এটা দ্বীপ 'জলি বে' লৈ, তালৈ যোৱাৰ বাবে ফেৰী আছিল। ফেৰীত উঠাৰ আগতে আমাৰ সকলো সামগ্ৰী পৰীক্ষা কৰা হৈছিল যাতে কোনো প্লাষ্টিকৰ সামগ্ৰী আমাৰ লগত নাযায়। ফেৰীৰ পৰা নামি অলপ দূৰলৈ নাওত যাব লাগে নাওৰ তলত থকা গ্লাছত চকু ফুৰাবলৈ সাগৰৰ তলৰ ৰঙীন মাছ, শামুক, কৰেলৰ অপূৰ্ব দৃশ্য দেখিবলৈ পোৱা যায়। এই দ্বীপৰ পৰা সাগৰৰ তলৰ অপূৰ্ব দৃশ্য উপভোগৰ বাবে Scuba diving ৰ ব্যৱস্থা আছে। আমাৰ লগত যোৱা কেইবাজনো সহযাত্ৰীয়ে এই Diving কৰি সাগৰৰ তলিৰ যি মনোমোহা দৃশ্য বৰ্ণনা কৰিছিল তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি।

এক দীঘলীয়া যাত্ৰাৰ অন্ত পেলায় আন্দামানৰ মধুৰ স্মৃতি বুকুত বান্ধি আমি ঘৰলৈ উভতিব লগা হ'ল আৰু পুনৰ নিত্য নৈমিত্তিক আমাৰ কামৰ ব্যস্ততাত সোমাই পৰিবলৈ, অসংখ্য দ্বীপেৰে আন্দামান গঠিত যদিও প্ৰতিতো দ্বীপেই এটাৰ পৰা আনটো প্ৰাকৃতিক ফালৰ পৰাই পৃথক। আৰু সেয়ে ভাবিছিলোঁ আকৌ আন্দামান যাব লাগিব কেতিয়াবা বাকি থকা দ্বীপবোৰ চাবলৈ। ■



# মানৱ জীৱনত ভ্ৰমণৰ প্ৰভাৱ

**ৰিম্পী দেৱী**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মানৱ জীৱন বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ কৰ্মৰ মাজেৰে নিৰৱধি এখন নদীৰ দৰেই বৈ আছে। জীৱন পৰ্যন্ত বিভিন্ন শিক্ষাৰে জ্ঞান অৰ্জন কৰা হয়। মানৱ জীৱনত জ্ঞানৰ প্ৰভাৱ অপৰিসীম। জ্ঞান অৰ্জন কৰিবলৈ মানুহে বিভিন্ন পদ্ধতিৰে শিক্ষা লাভ কৰে। মানুহে তিনি ধৰণৰ শিক্ষা লাভ কৰে। দেখি শিকে, ঠেকি আৰু পঢ়া-লিখা কৰি শিকে। ইয়াৰ ভিতৰত দেখি শিক্ষা বিষয়টো অলপ সুকীয়া। আমাৰ চৌপাশৰ বস্তুবোৰৰ বিষয়ে, ঠাইসমূহৰ বিষয়ে, পঢ়া-লিখা কৰি শিকাৰ বাহিৰেও দেখিও বহু নজনা কথা শিকিব পাৰি। দেখি শিকা বিষয়টোৰ ভিতৰত ভ্ৰমন অন্যতম।

মানুহে ভ্ৰমণ বিভিন্ন কাৰণত বিভিন্ন উদ্দেশ্যত কৰে। কিছুমানে স্বাস্থ্যৰ বাবে ভ্ৰমণ কৰে, কিছুমান মানুহে আনন্দ লাভৰ বাবে ভ্ৰমণ কৰে। ভ্ৰমণে মানুহৰ মন আৰু মগজু সুস্থিৰ, সতেজ কৰি ৰাখে। ভ্ৰমণ অবিহনে দেশ-বিদেশৰ বিষয়ে ভালদৰে একো জানিব নোৱাৰে। ভ্ৰমণে মানুহক নতুন ঠাই, নতুন বস্তু, নতুন মানুহৰ লগত চিনাকি কৰি দিয়াৰ লগতে বহু বিষয়ত জ্ঞান লাভ কৰাতো সহায় কৰে।

আজিকালি বিভিন্ন শিক্ষামূলক ভ্ৰমণৰ আঁচনি চৰকাৰে ৰাখিছে। বহুলোকে এই সুবিধা লাভ কৰি সফলো হৈছে। শৈক্ষিক ভ্ৰমণত বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকল বহু বেছি পৰিমাণে উপকৃত হোৱা দেখা যায়। ভ্ৰমণৰ ফলত এখন ঠাইৰ জনসাধাৰণৰ আন এখন ঠাইৰ ৰীতি-নীতি, পৰম্পৰা, লোক-সংস্কৃতিৰ লগত পৰিচিত হয়। বৰ্তমান বিশ্বয়ানৰ যুগত ভ্ৰমণে এখন দেশৰ ওপৰত আন এখন দেশৰ প্ৰভাৱ বাৰুকৈয়ে পেলাইছে। সহজে দেশৰ অৰ্থনৈতিক, সাংস্কৃতিক, সামাজিক, ভৌগোলিক পৰিস্থিতিৰ লগত পৰিচয় ঘটিছে। বিভিন্ন ঠাইৰ মানুহৰ লগত ভ্ৰমণে ঐক্য-সংহতি বৃদ্ধি কৰাত সহায় কৰে। ভ্ৰমণে মনলৈ আনন্দ কঢ়িয়াই আনে, জীৱনলৈ সজীৱতা কঢ়িয়াই আনে। ভূগোল, বুৰঞ্জী, ইতিহাসত পাঠ্যপুথিত লাভ কৰা জ্ঞান ভ্ৰমণৰ দ্বাৰা বাস্তৱ ৰূপ দিব পৰা যায় যিয়ে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰে আৰু স্বাস্থ্যও ভালে ৰাখে। গতিকে সুবিধা অনুযায়ী ভ্ৰমণ কৰিব লাগে। আগৰ দিনত ভ্ৰমণ কৰাত বহুত অসুবিধা আছিল। নাওৰে, গৰুগাড়ীৰে ভ্ৰমণ কৰিছিল। বৰ্তমান যাতায়ত ব্যৱস্থা সুবিধাজনক হ'ল, সহজে ইঠাইৰ পৰা সিঠাইলৈ যাব পৰা হ'ল। খুব কম সময়ৰ ভিতৰতে দূৰ-দূৰণিলৈ যাত্ৰা কৰিব পৰা হ'ল। চৰকাৰেও দেশে-দেশে ভ্ৰমণ (টুৰিষ্ট আহ্বান) ৰ ব্যৱস্থা কৰি দিছে।

আমাৰ অসমতো ধুনীয়া ধুনীয়া ইতিহাস প্ৰসিদ্ধ ঠাই আছে যিবোৰৰ বিষয়ে আমি নাজানো। ভ্ৰমণৰ দ্বাৰা এয়া সম্ভৱ হ'ব পাৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বিখ্যাত পৰ্যটন থলী। এই পৰ্যটন থলীলৈ দেশ-বিদেশৰ ভ্ৰমণকাৰী আগমন ঘটে কাজিৰঙাৰ এশিঙীয়া গঁড় চাবলৈ, কাজিৰঙা অভয়াৰণ্য চাবলৈ। ইয়াৰ ওপৰিও শিৱসাগৰ, তেজপুৰ, গুৱাহাটী এনে বহুতো ইতিহাস প্ৰসিদ্ধ ঠাই আছে যিবোৰ ভ্ৰমন কৰাটো আমাৰ বাবে গৌৰৱৰ কথা। দেশী-বিদেশী গৱেষক, প্ৰত্নতাত্বিক ইয়ালৈ আহে, বিভিন্ন গৱেষণা, পৰ্যালোচনা কৰে। আমাৰ লগতে আমাৰ নৱপ্ৰজন্মই জানিবলগীয়া, শিকিবলগীয়া, বুজিবলগীয়া বহু বুৰঞ্জীপ্ৰসিদ্ধ, ইতিহাসপ্ৰসিদ্ধ কাহিনীগৰকা ঠাই অসমত আছে। সকলোবোৰ গ্ৰন্থ আকাৰে হয়তো পঢ়িবলৈ পোৱা নাযায়। কিন্তু ভ্ৰমণৰ দ্বাৰা সহজে জানিব, দেখিব বা শিকিব পৰা যায়।

অসমীয়াত এষাৰ কথা আছে -
"নানা দেশ ফুৰে যি
নানা কথা শিকে সি"।

ভ্ৰমণ যি উদ্দেশ্যত নকৰক কিয় ভ্ৰমণৰ পৰা মানুহৰ যথেষ্ট উপকাৰ হয়, নানান জ্ঞান বাঢ়ে। মানুহে নজনাবোৰ জানিবলৈ, নেদেখাবোৰ চাবলৈ উৎসাহিত হৈ পৰে। মুঠতে সকলো মানুহে কম-বেছি পৰিমানে হ'লেও দেশ-বিদেশৰ ভ্ৰমণ কৰিব লাগে। ■

# ইউৰোপ মহাদেশত এভূমুকি আৰু কিছু ব্যৱহাৰিক শিক্ষা

ড° মনশ্ৰী দাস
সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ

যোৱা দুটা বছৰত মই ইউৰোপ মহাদেশৰ পাঁচখন দেশৰ লগতে ইউনাইটেড কিংডমৰ চাৰিখন ঠাই ভ্ৰমণ কৰিছো। এই ভ্ৰমণ বোৰৰ মুখ্য উদ্দেশ্য কেবল মোৰ লৰাৰ বিদেশ ভ্ৰমণৰ প্ৰবল ইচ্ছা।

২০২৩ চনৰ ১৯ অক্টোবৰ দিনা আমাৰ যাত্ৰা দিল্লীৰ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা ৰাতিপুৱা হেলচিংকি হৈ পেৰিচলৈ আৰম্ভ হৈছিল। সেই উদ্দেশ্যে আমাৰ যাত্ৰা ১৮ অক্টোবৰ ২০২৩ ৰপৰা দিল্লী অভিমুখে আছিল। প্ৰকৃততে দিল্লীৰ পৰা পেৰিচলৈ প্ৰত্যক্ষ ভাবে ৯ ঘণ্টাৰ বিমান যাত্ৰা। কিন্তু এনে সুবিধা যথা সময়ত মিলাব নোৱাৰি বাবে প্ৰায়েই আন দেশৰে হৈ যাব লাগে। ১৯ অক্টোবৰ ২০২৩ ৰ ৰাতিপুৱা ঠিক ৭.৪০ বজাত ফিনএয়াৰ বিমানেৰে হেলচিংকিলৈ উৰা মাৰো। মনত যে ইমান ফুৰ্ত্তি লাগিছিল, ভয়ৰ কোনো লেশ মাত্ৰাও নাছিল। দিল্লী এয়াৰপৰ্টৰ ব্যৱস্থাপনা ইমান সুন্দৰ যে, কেৱল আগবাঢ়ি গৈ থাকিলেই হল। মনত অপাৰ আনন্দ। ৰাতিপুৱাৰ বিমান যাত্ৰাৰ এটা সুবিধা হল খিৰিকিৰ ওচৰৰ চিট পালে তলৰ পৃথিৱীখন চাই যাব পাৰি, তদুপৰি সন্মুখত থকা মনিটৰৰ পৰ্দাত কি ঠাই পাৰ হলো তাক জানিব পৰা যায়। পশ্চিমৰ দেশ বোৰৰ লগত আমাৰ দেশৰ সময়ৰ ব্যৱধান প্ৰায় চাৰে তিনি ঘণ্টা আগবঢ়া। আমাৰ ইয়াত ৰাতিপুৱা ১০.৩০ বাজিলে তাত ৰাতিপুৱা ৬.০০ বাজিব। অসীম আগ্ৰহ আৰু উৎকণ্ঠাৰে পাৰ হৈ গৈ গৈ আবেলি তাৰ স্থানীয় সময় মতে প্ৰায় ২ বজাত ফিনলেণ্ডৰ ৰাজধানী চহৰ হেলচিংকি এয়াৰপৰ্টত গৈ উপস্থিত হওঁ। ইউৰোপৰ জলবায়ু প্ৰায় সকলো সময়তে নাতিশীতোষ্ণ, ভাল লগা। ফিনলেণ্ডৰ অৱস্থান বেছি উত্তৰৰ ফালে হোৱা বাবে ইয়াৰ জলবায়ু বেছি ঠাণ্ডা। বাহিৰত -২ ডিগ্ৰী, কিন্তু গোটেই এয়াৰপৰ্টটো এয়াৰ কণ্ডিচনৰ বাবে ঠাণ্ডা বৰ বেছি অনুভৱ নহয়।

আমাৰ সদ্যহতে লক্ষ্যস্থান ফ্ৰান্সৰ পেৰিছ। হেলচিংকিৰ পৰা পেৰিছলৈ বিমানেৰে প্ৰায় ২-৩ ঘণ্টাৰ আকাশী পথ। সুস্বাদু ব্লুবেৰি ৰসেৰে আপ্যায়ন কৰা ফিনএয়াৰৰ যাত্ৰাৰ আমেজেই সুকীয়া। এই যাত্ৰা আৰম্ভ হোৱাৰ অলপ পিছতে খিৰিকিৰে ভুমুকিয়াই তললৈ চালো। দেখি মই বাকৰুদ্ধ হৈ গলো। স্বৰ্গ বুলি যি ভাবি আছিলো-সেইয়া কিজানি এনেকুৱাই হব। ইমান সুন্দৰ দৃশ্য বৰ্ণনা কৰিবলৈ মোৰ ভাষা নাই। মেঘবোৰৰ ফাকে ফাকে শুভ্ৰ আচ্ছাদনৰে ডাঠ সেউজীয়া পৰ্বতবোৰৰ লানি নিচিঙা শাৰী। মাজে মাজে বগা বগা পৰ্বতবোৰৰ পৰা বাগৰি অহা জুৰি বোৰ, যেন এখন শুভ্ৰ শাৰী কোনোৱাই মাটিত পাৰি থৈছে শুকুৱাবলৈ। দেখিয়েই দেহ-মন জুৰ পৰি গল।

ফ্ৰান্সৰ পেৰিচ চহৰ, আইফেল টাৱাৰ, ডিচনিলেণ্ড, লুভ মিউজিয়াম, আৰ্ক ডে ট্ৰাইয়াম্ফ, ইটালিৰ কলোচিয়ম, ছেণ্ট পিটাৰ্ছ বাচিলিকা, লিনিং টাৱাৰ, ডগেচ পেলেচ, ভিটিকান চিটি, ৰোম, ভেনিচ, ছুইজাৰলেণ্ড, অষ্টিয়া আৰু জাৰ্মানী, ইউ কেৰ মানচেষ্টাৰ, স্কটলেণ্ডৰ এডিনবাৰ্গ, গ্লাচগো, এবাৰডিন, আৰু শেষত লণ্ডনত ছয়দিন।

প্ৰথম বাৰ যাত্ৰাৰ আৰম্ভণি পেৰিছ চহৰত হৈ, জাৰ্মানীত শেষ হৈছিল। পিছৰ বাৰ মানচেষ্টাৰৰ পৰা লণ্ডনত শেষ। বিমান বন্দৰত আমাৰ টুৰ-মেনেজাৰে আমাক নিৰ্দিষ্ট থকা ঠাই অৰ্থাৎ হোটেললৈ লৈ গৈছিল। পেকেজ-টোৰিষ্ট থকা হোটেল বোৰ সাধাৰণতে প্ৰধান চহৰৰ পৰা কিছু আতঁৰত লয়। আমাক লৈ যোৱা হোটেলখন আমাৰ ইয়াৰ ফৰ্থ ষ্টাৰৰ দৰে। ইমান নিবিবিলি ঠাইখন। ইমান পৰিষ্কাৰ চৌপাহ। নেদেখিলে বিশ্বাস কৰাই টান। আজিকালি ইণ্টাৰনেটত বিচাৰি পৃথিৱীৰ সকলো ঠাইৰ বিষয়ে জানিব পাৰি। মই চাক্ষুস অভিজ্ঞতাৰ ভিত্তিত লাভ কৰা অভিজ্ঞতাৰ কথাহে কিছু অনুকিয়াব খুজিছো।

তাত কোনেও কতো লেটেৰা বস্তু নেপেলাই, আনকি লগত ফুৰাবলৈ লৈ অহা কুকুৰটোৱে পথৰ দাঁতিত শৌচ কৰিলে গৰাকীয়ে হাঁত মুজাৰ দৰে কিবা এটা পিন্ধি লগে লগে উঠাই নিয়া মই নিজ চকুৰে দেখিছোঁ। সকলোৱে পৰিষ্কাৰ পৰিচ্ছতাৰ নীতি-নিয়ম সমূহ মানি চলে। ইয়াৰ কাৰণ ফঁহিয়াই চালে কেইটামান কাৰণ চকুত পৰে-

১। সকলো মানুহৰ জীৱন ধাৰণৰ মানদণ্ড প্ৰায় একে সমান, ভাল আৰ্থিক অৱস্থাৰ। মানুহ বোৰ উচ্চ আয় স্তৰৰ,

২। আয়ৰ ব্যৱধান কম,

৩। পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে শুদ্ধ ধাৰণা,

৪। পৰিষ্কাৰ কৰা একো সমস্যা নহয় যদিও কোনেও লেতেৰা নকৰে।

৫। পৰিষ্কাৰ-পৰিচ্ছন্নতা কৰা কৌশল সমূহ আয়ত্ত কৰিব লগীয়া।

৬। পৰিষ্কাৰ কৰোঁতাজনে সদায় হাতত ডিচপজেবল হাত মুজা পিন্ধি লয়।

৭। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে কেতবোৰ মেছিন ব্যহাৰ কৰে।

জাবৰ-জথৰ নিস্কাষন আমাৰ দেশৰ বাবে এক ডাঙৰ সমস্যা। ই কেৱল নিষ্কাষন কৰা কৰ্তৃপক্ষৰে হেমাহি নহয়, চাবলৈ গলে এই গোটেই সমস্যাটো এক জাতীয় সমস্যা। আমাৰ খাদ্য অভ্যাসৰ পৰা নিত্য-নৈমিত্তিক কাম-কাজ ও ইয়াৰ বাবে জগৰীয়া। প্ৰতিদিনে আমাৰ থকা ঘৰ সমূহৰ পৰা এক বৃহৎ পৰিমাণৰ জাবৰ ওলায়।

বিদেশত ডাষ্ট-বিনৰ জাবৰ-নিস্কাষণ ৰাস্তিৰ ভাগত হয়। প্ৰতিটো ঘৰৰ নিজা নিজা ডাষ্ট-বিন থাকে আৰু পৰিয়ালৰ এজনে গৈ ৰাস্তাৰ দাঁতিত বা জাবৰ-নিস্কাষণৰ গাড়ীত উঠাই থৈ আহে বা মানুহ নাথাকিলে নিস্কাষনৰ গাড়ীত অহা মানুহে ঘৰৰ একাষে ৰখা ডাষ্ট-বিনৰ পৰা জাবৰৰ ডিচপজেবল মোনাবোৰ সংগ্ৰহ কৰে। জাবৰ বোৰ জমাই থোৱা এই ডিচপজেবল মোনা বোৰ কিছু ডাঙৰ। সকলো জাবৰ সোমাই লোৱাৰ পিছতো তাক জপাই লৈ হাতেৰে ধৰি সুন্দৰ ভাবে লৈ যাব পাৰি। কৰবাত পৰি যোৱাৰ ভয় নাথাকে। আমাৰ ইয়াৰ দৰে বৃহদকাৰ ডাষ্ট-বিন নাথাকে। মই য'লৈ গৈছো তাতেই বিশেষকৈ এই ডাষ্ট-বিনৰ বিষয় টোৱে মন কৰিছো। কোনো ঠাইতে জাবৰ থবলৈ ৰাস্তাৰ দাঁতিত ইমান ডাঙৰ ডাষ্ট-বিন ৰখাৰ ব্যৱস্থা নাই। ফলত ৰাস্তাৰ দাঁতিত আধৰুৱা জাবৰ-নিস্কাষনৰ ডাষ্ট-বিন নাথাকে। যিবোৰ গেলি-পচি আমাৰ ইয়াত অদ্ভুত পৰিশ্চিতিৰ সৃষ্টি হয়।

ইয়াৰোপৰি, কিছুমান দোকানৰ আগত বিশেষকৈ খাদ্যৰ দোকানৰ আগত ডিছপজেবল ডাষ্ট-বিনৰ ব্যৱস্থা থাকে। ইয়াত কিছুমান লোৰ ফ্ৰেমত কিছু ডাঙৰ পলিথিন বেগ মাটিৰ পৰা কিছু উচ্চতাত ওলোমাই ৰাখে। বেগবোৰ ভৰ্তি হলে আন এটা ওলোমাই দিয়ে।

আমাৰ ইয়াত জাবৰ এঠাইৰ পৰা উঠাই নি আন এঠাই লেতেৰা কৰিবলৈ নিয়াৰ দৰে হয়। এনেদৰে সমস্যাৰ সমাধান হোৱা নাই।

কেইটামান ৰাস্তা সাৰিবলৈ ব্যৱহাৰ কৰা মেচিনৰ ফটো তুলিবলৈ চেষ্টা কৰিছিলো। সদায় থকা দুজন মানুহৰ এজনে মেচিনটো টানিলৈ গৈ থাকে আনজনে জাবৰ বোৰ ভৰাই গৈ থাকে। এনে মানুহবোৰ প্ৰায়ে দক্ষিণ এচিয়া মূলৰ, আফ্ৰিকা মূলৰ হোৱা মন কৰিছিলোঁ।■

# ঐতিহ্য

# বিশ্ব ঐতিহ্য ঃ চমু পৰিচয়

চুমি দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

**কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঃ** অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰে গৌৰৱ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গড়ৰ বাবে জগতবিখ্যাত। মহাবাহু ব্ৰহ্মপুত্ৰৰ দাঁতিত অৱস্থিত এইখন অসমৰ আটাইতকৈ পুৰণি অভয়াৰণ্য। অলেখ জলাহভূমি আৰু ওখ-ওখ ঘাঁহেৰে ভৰা অঞ্চলটোৰ মাজে-মাজে বহু সুঁতি আৰু জলাশয় আছে তথা এশিঙীয়া গঁড় বিচৰণ কৰিবৰ বাবে অতি উৎকৃষ্ট স্থান হিচাপে বিবেচিত হৈছে। বিশ্বৰ আটাইতকৈ বেছিসংখ্যক এশিঙীয়া গঁড় ইয়াতেই পোৱা যায়। পিছে কেৱল গঁড়েই নহয়, কাজিৰঙাৰ বাঘ, হাতী, ভালুক, ঘোং আদিকে ধৰি অলেখ বন্যপ্ৰাণীৰো বাসস্থান। তদুপৰি কাজিৰঙাত হাজাৰতো অধিক বিচিত্ৰ চৰাই-চিৰিকটি ইয়ালৈ বহু দূৰ-দূৰণিৰ পৰা হাজাৰ-বিজাৰ পৰিভ্ৰমী চৰাইৰো আগমণ ঘটে। ভাৰতৰ পোহৰ বিধৰো অধিক বিপন্ন প্ৰাণী হিচাপে স্বীকৃত স্তন্যপায়ী প্ৰাণী কাজিৰঙাত দেখিবলৈ পোৱা আনহাতে, কাজিৰঙাত ভালেসংখ্যক সৰীসৃপো দৃষ্টিগোচৰ হয়। এই বিপুলসংখ্যক বন্যপ্ৰাণীৰ খাদ্যৰ যোগান ধৰে জলাশয় আৰু সুঁতিত থকা মাছ আৰু হৰেক তৰহৰ জলচৰ জীৱই। বিপুল বৈচিত্ৰ্যৰে ভৰা এই ৰাষ্ট্ৰীয় উদ্যানখনক সেয়েহে ইউনেস্ক'ই ঐতিহ্যমণ্ডিত স্থানৰ স্বীকৃতি দিছে।

**কেওলাদেও ৰাষ্ট্ৰীয় উদ্যান ঃ** কেওলাদেও ৰাষ্ট্ৰীয় উদ্যানৰ পূৰ্বৰ নাম আছিল ভাৰতপুৰ পক্ষী অভয়াৰণ্য। ৰাজস্থানৰ ভাৰতপুৰ ১৯০৮ চনত ইয়াক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছিল। ১৯১৬ চনত ইয়াক বন্যপ্ৰায়ী সংৰক্ষণ কেন্দ্ৰ হিচাপে নিৰ্ধাৰণ কৰাৰ পাছত ১৯৫০ চনত ইয়াক বন্যপ্ৰাণীৰ অভয়াৰণ্য হিচাপে ঘোষণা কৰা হয়। ১৯৮২ চনত ইয়াক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা দিয়াৰ পাছত ১৯৮৫ চনত ই ঐতিহ্যমণ্ডিত স্থানৰ স্বীকৃতি পায়। বছৰি ইয়ালৈ দেশ-বিদেশৰপৰা হাজাৰ-হাজাৰ পৰিভ্ৰমী পক্ষীৰ আগমন ঘটে। দৰাচলতে, কেওলাদেওক পক্ষীৰ স্বৰ্গ বুলি ক'লেও ভুল নহয়। প্ৰায় ৪০০ স্থানীয় চৰাইৰ উপৰি ইয়ালৈ অহা প্ৰধান বিদেশী চৰাইবোৰৰ মাজত আছে প্ৰধানতঃ বিভিন্ন প্ৰজাতিৰ বৰ বগ, শেন পেলিকান (Pelikan), বিভিন্ন প্ৰজাতিৰ হাঁহ, ঈগল, লাৰকি (Larks) , পিপিট (Pipits), ৱাৰ্বলাৰ (Warblers), ষ্টিন্ত (Srinsts) আদি। ইয়াত সোণালী শিয়াল, বনবীয়া মেকুৰী, সম্বৰ (একজাতি হৰিণ), নীল গাই আৰু কৃষ্ণসাৰ মৃগকে ধৰি ভালেমান স্তন্যপায়ী বন্যপ্ৰাণীও দেখিবলৈ পোৱা যায়। স্থানীয় চৰাইৰ ভিতৰত গেডৱাল (Gadwall), শ্বভেলাৰ (Shovcker), টিল (Teals), ক' মৰেন্ট (Cormorant) আদিৰ লগতে ছাৰছ ক্ৰেন (Saras Crane) নামৰ বৰ বগৰ প্ৰজাতিটো বেছিকৈ দেখা যায়।

**কুতুবমিনাৰ ঃ** চুলতান কুতুবুদ্দিন আইবাকৰ দিনত, ১২০২ চনত নিৰ্মাণৰ কাম আৰম্ভ হোৱা কুতুবমিনাৰ নামৰ আটকধুনীয়া স্তম্ভটোৰ নিৰ্মাণৰ কাম শেষ হয় কুতুবুদ্দিনৰ উত্তৰসূৰী মহম্মদ বিন ছামৰ ৰাজত্বকালত। ৭২.২৫ মিটাৰ উচ্চতাৰ এই স্তম্ভটোৰ একেবাৰে মূধচলৈ উঠিবলৈ মুঠ ৩৭৯ টা চিৰি বগাই যাব লাগে। মোগল আৰু আফগানসকলৰ মিশ্ৰত স্থাপত্যকলাৰ অনন্য নিদৰ্শন এই গোলাকাৰ স্তম্ভটোৰ একেবাৰে তলৰ অংশৰ ব্যাস ২.৭৫ মিটাৰ। ইয়াত মুঠতে পাঁচটা মহলা আছে। স্তম্ভটোৰ বিভিন্ন অংশত থকা শিলৰ গাত মুছলমান ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ গ্ৰন্থ কোৰাণৰ বাণীসমূহ খোদিত কৰা আছে।

**অজন্তা গুহা ঃ** মহাৰাষ্ট্ৰৰ ঔৰংগাবাদৰ উত্তৰে অৱস্থিত অজন্তা গুহাসমূহৰ নামৰ উৎস হৈছে ওচৰতে থকা অজন্তা নামৰ গাঁওখন। ১৮১৯ চনত এগৰাকী ইংৰাজ সেনা-বিষয়াই চিকাৰ কৰিবলৈ যোৱাৰ সময়ত অকস্মাতে এই গুহাবোৰৰ সন্ধান পায়। ঘোঁৰাৰ খুৰাৰ আকৃতিৰ এক বিৰাটাকাৰ পাহাৰৰ বুকুত অৱস্থিত এই গুহাসমূহৰ মুঠ সংখ্যা ৩১ টা। আনুমানিক খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত নিৰ্মিত এই গুহাবোৰ অতীজতে বৌদ্ধ সন্যাসীসকলে বৰষুণৰ দিনবোৰত বাস কৰিবলৈ ব্যৱহাৰ কৰিছিল। বৌদ্ধধৰ্মৰে সম্পৰ্কিত বহু আপুৰুগীয়া দেৱাল-চিত্ৰ আৰু ভাস্কৰ্যৰে এই গুহাসমূহ ভৰি আছে। এই অনুপম ভাস্কৰ্য তথা দেৱাল-চিত্ৰ আদিবোৰ চাবলৈ বছৰি ইয়ালৈ দেশ বিদেশৰ অগণন পৰ্যটকৰ আগমন ঘটে। বুদ্ধদেৱৰ জীৱনৰ ভালেমান ঘটনা সম্বলিত ইয়াৰ চিত্ৰ-ভাস্কৰ্যসমূহে দৰ্শনাৰ্থীসকলক বিস্ময়বিমুগ্ধ কৰি ৰাখে। গুপ্তসকলৰ ৰাজত্বকালৰ সোণোৱালী সময়ছোৱা অজন্তাৰ এই গুহাসমূহে আজিও আমাক সোঁৱৰাই থাকে। ■



# প্ৰাসংগিক চিন্তা

# শিক্ষা আৰু গুৰু-শিষ্যৰ মাজৰ সম্পৰ্ক

**অনুস্মিতা দাস**
স্নাতক পঞ্চম ষাণ্মাসিক

Education is the second birth.

– Radhakrishnan

শিক্ষা মানৱ জীৱনক পোহৰ দান কৰা এক জীৱনজোৰা প্ৰক্ৰিয়া (Lifelong process)। শিক্ষাই মানুহক দ্বিজত্ব প্ৰদান কৰে। শিক্ষাই তেওঁক জ্ঞানৰ জ্যোতিৰে মানৱত্ব প্ৰদান কৰে। একেবাৰে সহজ কথাত, শিক্ষা সুন্দৰ জীৱন-যাপন আৰু ৰোজগাৰৰো আহিলা। শিক্ষাৰ তাত্ত্বিক সংজ্ঞালৈ নগৈ, একেবাৰে সৰলকৈ এজন অনাখৰী ককাই কোৱা মনত পৰে। তেওঁ কৈছিল— শিক্ষা মানে শিক আৰু খা। নিশিকিলে খাবলৈ নাপাবি। কথাষাৰ গুৰুত্বপূৰ্ণ।

আকৌ গুৰু অবিহনে সু-শিক্ষা সম্ভৱ নহয়। সেয়ে কোৱা হয়— গুৰু লগা বিদ্যা, পাখি লগা কাঁড়। গুৰুৰ পথ নিৰ্দেশনা আৰু প্ৰেৰণাৰে শিষ্যই জ্ঞানৰ বিশাল জগতত প্ৰৱেশ কৰে। সেইদৰে শিষ্যৰ বাবে গুৰু হয় দ্বিতীয়গৰাকী পিতৃস্বৰূপ। যাৰ আঙুলিত ধৰি জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে নিজকে জীৱনৰ বাবে উপযুক্ত কৰি তোলে। সেইবাবেই হয়তো প্ৰবাদ আছে— "শিষ্য পুত্ৰ আৰু বীৰ্য পুত্ৰ সমান। নিঃসন্দেহে ক'ব পাৰি গুৰু-শিষ্যৰ সম্পৰ্ক পিতা-পুত্ৰৰ সম্পৰ্কতকৈ কোনোগুণে কম নহয়।"

আকৌ গুৰু-শিষ্যৰ মাজৰ সম্পৰ্ক বন্ধুত্বৰ সম্পৰ্ক। চতুৰ আৰু মেধাৱী শিষ্যই বন্ধুসম গুৰুৰপৰা খুঁচৰি খুঁচৰি জ্ঞান লয়। গুৰু-শিষ্যৰ বাবে Friend, Philosopher আৰু Guide। গুৰুৰ পৰা খুঁচৰি জ্ঞান লয়। গুৰুৰ বাবে শিষ্যই জীৱনপাত কৰিবলৈও কুণ্ঠাবোধ নকৰাৰ উদাহৰণ আছে। ভাৰতীয় দৰ্শন আৰু সংস্কৃতিত গুৰু-শিষ্যৰ সম্পৰ্ক সৰ্বজনবিদিত। কিন্তু চিন্তনীয় কথাটো হৈছে, সম্প্ৰতি গুৰু-শিষ্যৰ এই চিৰন্তন সম্পৰ্কৰ অৱক্ষয় ঘটিছে। তাৰ বাবে জগৰ কাক দিম? সঁচা কথা ক'বলৈ গ'লে এই অৱক্ষয়ৰ বাবে শিষ্যসকলতকৈ অভিভাৱক, সমাজ আৰু প্ৰচাৰ মাধ্যম সমূহ বেছি জগৰীয়া। কিছুসংখ্যক শিক্ষকো দোষমুক্ত নহয়। শিষ্যৰ সন্মুখতে ঘৰতেই হওক বা বাহিৰতেই হওক, অভিভাৱক, সমাজ ব্যক্তিয়ে মুকলিকৈ বেয়াকৈ সমালোচনা কৰা কৰ্মই শিক্ষা জগতত বিৰূপ প্ৰভাৱ পেলায়। (গুৰুৰ দোষ দেখিলে তেওঁক ব্যক্তিগতভাৱে সকীয়াই দিয়াহে যুগুত বুলি ভাবোঁ।) বৰ্তমান শিষ্যৰ সন্মুখতে গুৰুক ৰাজহুৱাভাৱে অপদস্থ কৰা, তিলটোকে তালটো কৰি হেয় কৰা নিচেই সৰু কথা। বিভিন্ন ছপা বা বৈদ্যুতিন মাধ্যমতো ৰাজহুৱাকৈ গুৰুৰ দোষ খোঁচৰা (ঘৃণনীয় কাম কৰিলে বেলেগ কথা) প্ৰকৃততে উদ্বেগজনক। ৰাজনৈতিকভাৱেও গুৰুনিন্দাই চৰম পৰ্যায় পোৱা সৰু কথা নহয়। অসুবিধা দূৰ কৰাৰ উপায় কেতিয়াও হেয় কৰাটো গ্ৰহণযোগ্য নহয়। উপায় উলিয়াব পাৰি। Difficulties are not technical, but psychological. সেয়েহে, সম্প্ৰতি গুৰু-শিষ্যৰ চিৰন্তন সম্পৰ্ক অটুত ৰাখিবলৈ গুৰু-শিষ্যৰ দুয়ো কুলৰ লগতে সমাজখনো দায়বদ্ধ হোৱা উচিত। ■

# এগৰাকী নাৰীৰ বাবে সামূহিক বিজ্ঞানে কেনেধৰণৰ অৱদান প্ৰদান কৰে

**শিখামণি বৰা**
সামূহিক বিজ্ঞান বিভাগ

সামূহিক বিজ্ঞান যিয়ে এগৰাকী নাৰীক নিজৰ ভৰি ওপৰত থিয় হ'ব শিকায় যাৰ দ্বাৰা এগৰাকী নাৰী স্বাৱলম্বী হৈ পৰে ফলত সমাজৰ লগতে ঘৰখনৰ বুজা হৈ নপৰে। এই বিষয়টোৱে এগৰাকী নাৰীক সুস্থ-সৱল হৈ নিজৰ জীৱনত আগুৱাই যোৱাত বহু পৰিমানে অৰিহণা যোগায়। .

১৯৩২ চনত এই বিষয়টো প্ৰথমে স্থাপিত হৈছিল আমাৰ ভাৰতবৰ্ষৰ এখন আগশাৰী বিশ্ববিদ্যালয় সকলোৰে পৰিচিত দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত থকা এখন পৰিচিত মহাবিদ্যালয় 'Lady Iroin College of Home Science'ত তাৰ সমান্তৰালকৈ এই বিষয় আৰম্ভ হৈছিল অসমত প্ৰথমে ১৯৭৩ চনত 'অসম কৃষি বিশ্ববিদ্যালয়' যোৰহাটত। আমাৰ ভাৰতবৰ্ষ এখন এনে ৰাষ্ট্ৰ যিয়ে নাৰীক শিক্ষাৰ প্ৰতি আগৰ পৰায়ে গুৰুত্ব প্ৰদান কৰি আহিছে যিয়ে পুৰুষ আৰু নাৰীক সমানে মৰ্যদা প্ৰদান কৰে ফলত সমাজখনৰ নাৰীসকল সামাজিকভাৱে অৰ্থনৈতিক দিশসমূহত বহু পৰিমানে আগুৱাই যোৱাত অৰিহণা যোগাইছে, এই বিষয়টোৰ জড়িয়তে নাৰী লগতে ইচ্ছুক আৰু আগ্ৰহী পুৰুষসকলৰো অধ্যয়ণক্ষেত্ৰত কোনো ধৰণৰ বাধ্য-বাধকতা নাই। যদি পুৰুষজনে ইচ্ছাকৃতভাৱে অধ্যয়ন কৰিব বিচাৰে তেন্তে এজন পুৰুষেয়ো এই বিষয়টো অধ্যয়ন কৰিবপাৰে লগতে এই বিষয়ৰ জৰিয়তে নিজৰ জীৱিকাৰ পথ বাচি ল'ব পাৰে। সামূহিক বিজ্ঞান বিষয়টোক লৈ আমাৰ সমাজৰ কিছুলোকৰ দৃষ্টিভংগী ঋণাত্মক ধৰণৰ কিয়নো তেখেত সকলৰ দৃষ্টিকোণৰ পৰা মই ক'ব বিচাৰিছো যে - এই বিষয়টোক সেই সকল ব্যক্তিয়ে এনেধৰণে ভাৱে যে 'সামূহিক বিজ্ঞান' হৈছে ঘৰখনত অথবা সংসাৰিক জীৱনত কৰা কাৰ্য সমূহক পাঠ্যক্ৰমৰ আধাৰত পাঠ্যপুথিৰ দ্বাৰা সেই ঘৰুৱা কাৰ্য সমূহৰ বিষয়ে দিয়া জ্ঞানক গৃহ বিজ্ঞান বা সামূহিক বিজ্ঞান বুলি কৈছে। কিন্তু মই এগৰাকী সামূহিক বিজ্ঞানৰ ছাত্ৰী হিচাপে বৰ্তমান এগৰাকী অধ্যাপিকা হিচাপে মোৰ জ্ঞান, বিচাৰ লগতে বিভিন্ন পুষ্টিবিধ নতুৱা পুষ্টিবিজ্ঞানী সকলৰ সংজ্ঞামতে মই এইটোৱে ক'ব বিচাৰিম যে সামূহিক বিজ্ঞানে এগৰাকী নাৰীক সুস্থ সৱল হৈ নিজে আত্ম নিৰ্ভৰশীল হোৱাৰ লগতে আন দহজন কেনেদৰে সংস্থাপিত কৰিব পাৰি তাৰ ওপৰত বহু পৰিমানে গুৰুত্ব আৰোপ কৰা দেখিবালৈ পোৱা যায়।

সামূহিক বিজ্ঞানৰ জড়িয়তে এগৰাকী নাৰী স্বাৱলম্বী হোৱাৰ জড়িয়তে নাৰীগৰাকীয়ে নিজাকৈ পুষ্টি বিজ্ঞানী বা পুষ্টিবিধ হিচাপে নিজে নিজৰ ভৰিৰ ওপৰত থিয় দিব পাৰে, সম্প্ৰসাৰণ আৰু যোগাযোগ শিক্ষাৰ জৰিয়তে সম্প্ৰসাৰণ কৰ্মী হিচাপে সমাজত চিনাকী দিব পাৰে, সাজ-পোছাক পৰিচ্ছেদ বিভাগৰ জৰিয়তে এগৰাকী উদিয়মান ফেশ্বন ডিজাইনাৰ হিচাপে সমাজত চিনাকি দিব পাৰে, শিক্ষকতাৰ দৰে সন্মানীয় বৃত্তি জৰিয়তেয়ো নিজকে স্বাৱলম্বী কৰি তুলিব পাৰে। যেতিয়া এগৰাকী ছোৱালীয়ে ব্যৱহাৰিক শিক্ষাৰ জৰিয়তে এটা বিষয়তে বিভিন্ন ধৰণৰ বিষয়ৰ ওপৰত অধ্যয়ন কৰিব তাৰ ফলত নাৰীগৰাকী স্বাৱলম্বী হোৱাত সহজ হৈ পৰিব সামূহিক বিজ্ঞান হৈছে এনে এক বিষয়। এই বিষয়ে সদায় ব্যৱহাৰিক জ্ঞানৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে।

বৰ্তমান সামূহিক বিজ্ঞান বিষয়ক নতুন এক নামেৰে পৰিচিত কৰা হৈছে - যাক আমি "Community Science" "সামূহিক বিজ্ঞান" হিচাপে সমাজত পৰিচয় প্ৰদান কৰা হৈছে। ■



# Social media in present time.

**Aparna Kachari**
*B.A. 6th Sem.*

Introduction : Social media is considered to be a very important thing in today's generation. Social media is that medium through which we can connect the whole world. The name itself refers to socializing througout the world. It plays a major role in people's life.

Discussion : Through social media we are able to contact at any point or place of Earth. Social media has made the world a small place that can fit inside people's pocket. Some social media platforms that are often used by today's generation are "Whatsapp", "Facebook", "Instragram" and so on. These socializing mediums have made the process of talking a lot easier. One can talk to its loved ones without any difficulties no matter where on how apart they are.

However, it has bad side also. With the invention of social media people have become less communicative and more inactive. The excitement of waiting days for someone's letter is now gone. People can see the world setting in fire in their hands and yet are calmed. The humanity has vanished. People are more focused on themselves. The fun talks and the group discussion while sitting together are rare. Everyone is sitting in their own room not doing any activities, which leads to a generation of weak minded and sick people.

conclusion : Social media is proved to be a great medium to communicate with people; to be a part of their shared memories and be instantly when we are needed when it is used in a better way and with positive mindset. ■



# আজিৰ শৈশৱ আৰু আমাৰ শৈশৱ

উচমিতা কুমাৰী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বয়স কুৰি হ'ল। মায়ে কয়, "কুৰি মানে বুঢ়ী, তোৰ বয়সত আমি ৰন্ধা বঢ়াৰ পৰা আদি কৰি পঢ়া-শুনাৰ সহিতে ঘৰুৱা আটাইবোৰ কামেই সুচাৰুৰূপে চলাই নিছিলো"। হয় বাৰু তেতিয়াৰ আৰু এতিয়াৰ পৃথিৱীখনত মাজৰ বহু পৰিৱৰ্তন আহিল।

এদিন বা'য়কেমিষ্ট্ৰি ক্লাছত প্ৰদ্যুন্ন ছাৰে কৈছিল "পৰিৱৰ্তন অৱশ্যম্ভাৱী"। কথাষাৰ প্ৰেক্টিকেলী অনুভৱ কৰিছোঁ।

শৈশৱ পাৰ হোৱা বেছিদিন হোৱা নাই। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধু আদিৰ তৃপ্তিৰে ভৰা সাধুবোৰ নুশুনিলে ৰাতি নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লোৱাটো তেনেই কঠিন, যেনে জাৰৰ দিনত ব্ৰহ্মপুৰাতে শোৱাপাটী ত্যাগ কৰা। আহাৰৰ ক্ষেত্ৰটো তেনেই আবদাৰ, হয়, সাধু নহয় আন কিবা কিবি কৈ ফুচুলাই ভাত খুৱাব লাগিছিল। বিদ্যালয়ত নানান দুষ্টালি, লুকা-ভাকু, ল'ৰা-ধেমালি, নৃত্য পুৰা-গধূলি। সহপাঠী আৰু মোৰ সমনীয়া সংগীবৃন্দৰ লগত লুডুৰ পৰা আৰম্ভ কৰি খো-খো, ভলীবল, দবাখেল খেলিব পালেই যে ভোক পিয়াহো লোপ পায়। জীৱনটো তেনেই মুকলি আকাশৰ তলত আপোন মনে বিচৰণ কৰা পক্ষীৰ লেখীয়া আছিল। এনেকৈয়ে হাঁহি ধেমালিৰ মাজেৰে বিদ্যালয়ৰ শিক্ষা সাং কৰি আজি এখন প্ৰতিষ্ঠিত মহাবিদ্যালয়ত আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰ অধ্যয়ন কৰি আছোঁ।

মনটো আগৰ দৰেই দুষ্ট। পিছে এতিয়া মোৰ বিশেষ সংগীবোৰ সলনি হ'ল। ৰিয়েলমি পৰিয়ালৰ স্মাৰ্টফোন নামৰ চলন্ত দূৰভাষটো এতিয়া মোৰ প্ৰিয় সংগী। তাৰ লগত মোৰ মতভেদো নাই, হাঁহি তামছাও নাই। দিনটোত দুবাৰকৈ চাৰ্জ আৰু মাহত এবাৰকৈ ৰিচাৰ্জতেই তাৰ পেট ভৰে। পঢ়াত মন নবহিলে সি মোক আমনি লগাবলৈ সুযোগ নিদিয়ে। অসমীয়া হিন্দী যি বিচাৰো গান শুনাই, ছবি দেখাই, ঘৰলৈ মনত পৰিলে যোগাযোগৰ সুযোগকণো দিয়ে যিটো তাৰ গুৰু দায়িত্ব। মুঠতে সি ন'হলে মোৰ দিন নাযায়, ৰাতি নুপুৱাই। মায়ে কয় তাৰ উৎপাতৰ বাবেই বোলে চকুত চছমাযোৰ লাগিল, মই বোলো "যিয়েই নহওঁক সি পঢ়াৰ ক্ষেত্ৰতো মোক পাৰ্যমানে সহায় কৰি আহিছে, দেশ-বিদেশৰ প্ৰয়োজনীয় খবৰ সমূহো যোগান ধৰিছে। গতিকে তাক মিছাতে দোষাৰোপ নকৰিব।"

বোধকৰো মোৰ দৰেই আজিৰ একাংশৰে প্ৰিয় সংগী সেই চলন্ত দূৰভাষটো। আজিৰ অধিকাংশ কণমাণিয়েও এই চলন্ত দূৰভাষটোকেই নিজৰ প্ৰিয় পুতলা বন্ধুৰ স্থান দিছে। চলন্ত দূৰভাষৰ জনপ্ৰিয়তা আজি দূৰদৰ্শনতকৈও বহু বাঢ়িল। আজিৰ শিশুক সাধুকথা নুশুনালেও হয়, লুকা-ভাকু নেখেলিলেও হয়, চলন্ত দূৰভাষটোৱে আটাইবোৰ কৰণীয় সামৰি লৈছে যে।

পিছে তুলনামূলকভাৱে আজিৰ শৈশৱে আমাৰ সোণালী শৈশৱৰ লগত ফেৰ মাৰিব নোৱাৰে। হয়তো আমাৰ শৈশৱেও আগৰ প্ৰজন্মৰ শৈশৱৰ লগত নোৱাৰে। হয়তো এয়াই পৰিৱৰ্তন, এয়াই অৱশ্যম্ভাৱী। ■






"লিখকৰ নিৰ্জন মনৰ ঘাত-প্ৰতিঘাত, অনুভূতি আৰু অভিজ্ঞতাৰ বৰ্ণময় প্ৰকাশৰ মাদকতাই সুকীয়া। সেয়ে কবিতাৰ মাজেৰে কবিয়ে পাঠকক দেখুৱাব পাৰে জীৱন-জগতৰ চেতনা।"

ce

Dr. Ranjan Bhuyan
Vice Principal



tion with Divine
› deal with it
on without me
obscure and secret
ored once we depart.

ite ivory bones
rkish ashes
d of one more embodiment.
o travel alone
nent and eternal home
of the Almighty
wherd boys at twilight
n of relaxation.
forth gleefully.
sorry, when I am gone?

*tyur dhrubam janma mritosya*
*'rthe na tvam sacitum arhas //*
who has been born, death is
vho has died, birth is certain.
table situation, one should not

(Srimad Bhagawat Gita)

আ

বয়স কুৰি হ'ল। মায়ে কয়, "বু
আমি বস্তা বচাৰ পৰা আদি কৰি পঢ়া-শুনা
কামেই সুচাৰুৰূপে চলাই নিছিলো"। হয় ব
পৃথিৱীখনত মাজৰ বহু পৰিৱৰ্তন আহিল
এদিন বায়'কেমিষ্ট্ৰি ক্লাছত প্ৰদু
অৱশ্যম্ভাৱী"। কথাষাৰ প্ৰেক্টিকেলী অনু
শৈশৱ পাৰ হোৱা বেছিদিন হোৱা না
বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', ঈছপৰ
তৃপ্তিৰে ভৰা সাধুবোৰ নুশুনিলে ৰাতি নি
লোৱাটো তেনেই কঠিন, যেনে জাৱৰ দি
ত্যাগ কৰা। আহাৰৰ ক্ষেত্ৰটো তেনেই অ
কিবা কিবি কৈ ফুচুলাই ভাত খুৱাব লা
দুষ্টালি, লুকা-ভাকু, ল'ৰা-ধেমালি, নৃত্য
মোৰ সমনীয়া সংগীবৃন্দৰ লগত লুডুৰ
ভলীবল, দবাখেল খেলিব পালেই যে
জীৱনটো তেনেই মুকলি আকাশৰ তলত
পক্ষীৰ লেখীয়া আছিল। এনেকৈয়ে
বিদ্যালয়ৰ শিক্ষা সাং কৰি আজি এখন
আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰ অধ্যয়ন কৰি অ
মনটো আগৰ দৰেই দুষ্ট। বি



# Liberation from Existence

**Dr. Ranjan Bhuyan**
Vice Principal

Wrapped up in white coarse cloth
Sharply constrained in bamboo stretcher
Ears, nose and lips puffed up with cotton
Ceremonious purification with Ganga water
Sanctified articulates from the holy-scripture
Lying peacefully in graveyard, where silence reigns
Sweet scented incense mystifies the land
The undiscovered mystery of the world
Piles of splintered wood heaped on the pyre
Ardently waits to devour my slender body!
May find redemption to my grieved life

One final glance ere the soul turns in to spirit
To feel the world before ultimate abandon
The world where I was born
The world which would last after I quit
Let me perceive until the pyre blazes up
And envelops my defile body altogether
I cannot speak, but can behold all
Grief stricken my kith and kin
May miss me a little, but not for long
Friends and neighbours, visit with compulsion
Peep at me gently and pass away
Some wait here or elsewhere,
Murmuring in low tone, with robotic grief
Waiting impatiently to depart
Shattered with the burdens of life
Worldly affairs tempt everyone ceaselessly
Queering with curiosity, how long is it?
Got to move on and get ready
For another significant preoccupation\

Why are we trembled of death?
Why death shivers our soul?
Why do mortal shed tears at demise?
Death is nothing but to cease breathing.



A moment of unification with Divine
We are not the first to deal with it
Everything would go on without me
Beyond, the world is obscure and secret
All things are unexplored once we depart.

With fragment of white ivory bones
Glisten amidst the darkish ashes
The world is liberated of one more embodiment.
It is the time for me to travel alone
Heading to my permanent and eternal home
To rest on the bosom of the Almighty
Like the retreating cowherd boys at twilight
Depart all, with a sign of relaxation.
I behold them going forth gleefully.
How many would be sorry, when I am gone?

*Jatasya hi dhruvo mrityur dhrubam janma mritosya ca/tasmad apariharye'rthe na tvam sacitum arhas //*
**Meaning:** "For one who has been born, death is certain, and for one who has died, birth is certain. Therefore, in an inevitable situation, one should not lament"

(Srimad Bhagawat Gita)

# Failure

**Priya Sharma**
B.A. 4th Sem

Hey! How are you
I a essential part of the life of every 'you'
When I come my presence is a burden for you
But trust me my intention is only to dig out the best in you.

Oh! My wish is never to see you fail.
I never wanna make your life a jail,
My role is take you through the dark tunnel
Only to experience the light that comes after a long hardle. ■

# নিস্তব্ধ আকাশ

ৰিতাশ্ৰী কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

সপোনেৰে পৰিপূৰ্ণ মনৰ পৃথিৱী
নাজানো,
কিয় আজি সীমাবদ্ধ
কেতিয়াবা ডাৱৰে আৱৰা
নহ'লে
অন্ধকাৰ নিশা,
নিঃশেষ হৈ নোযোৱা
অসাধাৰণ কল্পনা।
কিন্তু
আজি নিস্তব্ধ সেই আকাশ
লগত লৈ নিসংগতা
ধূসৰ, ধূলিময়, অস্পষ্ট
তথাপিও,
কিয়বা খ্যাতিমন্ত
নীলিম আকাশৰ
অকলশৰীয়া নিস্তব্ধতা। ■



# পাখি মেলি যা উৰি

ড° নিবেদিতা দেৱী
সহযোগী অধ্যাপিকা তথা
বিভাগীয় প্ৰধান, অৰ্থনীতি বিভাগ

এজন যাদুকৰৰ মহাপ্ৰয়াণ হ'ল

তেওঁ সুৰৰ যাদুকৰ
তেওঁ সংগীতৰ যাদুকৰ
তেওঁ শব্দৰ যাদুকৰ।

মায়া তেওঁৰ আশে-পাশে
মায়া তেওঁৰ ৰন্ধ্ৰে-ৰন্ধ্ৰে,
মায়াতেই বন্দী হয় অজস্ৰ জনতা
উন্মাদৰ দৰে!

কেৱল মাত্ৰ প্ৰেৰণা নহয়, তেওঁৰ
কণ্ঠই মৃত-সঞ্জীৱনী হৈ
শিৰাই শিৰাই
প্ৰবাহিত হয় সমস্ত জাতিৰ,
হৃদয়ত স্পন্দিত হয়
মায়াবিনী শব্দৰ জোৱাৰ।

তেওঁ নোহোৱা হোৱাৰ কল্পনাও নকৰোঁ আমি,
প্ৰজন্মৰ পৰা প্ৰজন্মলৈ
জীয়াই থাকক তেওঁৰ মানৱতা
জীয়াই থাকক তেওঁৰ সংগীতৰ মূৰ্চ্ছনা,
চিৰদিন চিৰকাল অনিৰ্বাণ হৈ
আমাৰ জুবিন গাৰ্গ হৈ। ■



# নাৰী তুমি

সংগীতা ঠাকুৰীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

নাৰী তুমি মহান।
নাৰী মানেই নহয় দুৰ্বলতা,
নাৰী যেনেকৈ ধৰ্ম পালনত সতী,
নাৰী তেনেকৈ অধৰ্ম নাশক কালী।

নাৰী মানে আই মাতৃ।
নাৰী বিনে নাই গতি,
নাৰী হৈছে জগত জননী।
সৃষ্টিৰ মূলতে নাৰী,
মহামায়া ৰূপ নাৰী
মমতাময়ী। ■



# সময়

নিলাক্ষী ঠাকুৰীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সময় অতিবাহিত হৈয়ে আছে
কিন্তু মই;
মই ৰৈয়ে আছোঁ।
নাজানো কিয়;
জীৱনৰ গতিপথত যেন
মই হেৰাই পৰিলোঁ।
সময়ে আজি মোক
ক'ত আনিলে গমকে নাপালোঁ।
সংঘাত, প্ৰতিঘাতৰ সতে,
যুঁজিবলৈ মোক শিকাই দিলে।
সময় কেতিয়াও কাৰো বাবে ৰৈ নাথাকে।
হেৰাই যোৱা গতিপথ
মোক দেখুৱাই দিলে।
শিকাই দিলে মোক,
সময়ৰ সৈতে খোজ কাঢ়িবলৈ। ■



# মহাবিদ্যালয়

ৰীমা দাস
স্নাতক প্ৰথম ষাণ্মাসিক

আশোকময় সৃষ্টি আলোকময় দৃষ্টি
হেজাৰজনী ছোৱালীৰ
আশাৰ নদী
হেজাৰজনী ছোৱালীৰ
ভৱিষ্যত লগৰী
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় তুমি।
তুমি বিদ্যাৰ বন্তিৰে
কতজনীক সাহস দিলা,
কত জনীক জীৱন দিলা
কত জনীক শিখৰত উঠালা।
তোমাৰ নিস্বাৰ্থ ত্যাগে আমাক
জগতত নতুন চিনাকি দিলে,
সমাজত আগ স্থান দিলে
জীৱনত সফলতা আগবঢ়ালে।
হে জ্ঞানৰ জোনাকী,
হে জ্ঞানৰ পূজাৰী,
তোমালৈ আমাৰ শত শত নমণ
তোমালৈ মোৰ শত শত নমণ। ■

# মহাবিদ্যালয়

দিপালী কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আৰম্ভ হৈছিল
মোৰ মহাবিদ্যালয় জীৱনৰ প্ৰথম খোজ,
মনত বহুত ভয়-শংকা ৰাখি
প্ৰথম খোজ পেলাইছিলোঁ মহাবিদ্যালয়ৰ দুৱাৰ-দলিত।
এৰি অহা ছাৰ-বাইদেউ সকলোৰ মৰমবোৰ
আকৌ জানো বিচাৰি পাম
তেওঁলোকৰ তুলনা কৰিব পৰা ছাৰ-বাইদেউ
বাৰেৰহণীয়া প্ৰশ্নৰে মোৰ মন
তোলপাৰ লাগিছিল।
প্ৰশ্নৰ উত্তৰ বিচাৰি
অপেক্ষা কৰিলোঁ মাথো প্ৰথম দিনটোলৈ।
নিজকে মিলাব পৰা নাছিলোঁ মই
অচিনাকি পৰিৱেশৰ লগত।
কিন্তু .....
এতিয়া বাৰে বাৰে প্ৰেমত পৰিলোঁ মহাবিদ্যালয়খনৰ।
আকৌ ঘুৰাই পালোঁ
মহাবিদ্যালয়খনে উপহাৰ দিয়া
মৰমীয়াল ছাৰ-বাইদেউ সকলক।
নিজকে গৌৰব কৰে আজি
মোৰ আপোন মহাবিদ্যালয়খনক লৈ
কিয়নো হৈছে স্ত্ৰী-শিক্ষাৰ
এখন অন্যতম মাধ্যম। ■

# অনুভৱ

মনালিছা দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

অনুভৱ? কি বিষাদৰ এই শব্দ
বুকুত অসম্পূৰ্ণ প্ৰেমৰ যুদ্ধ
তেজত যে আমাৰ কি
স্বপ্নৰ মায়া
মনলৈ আহে মোৰ
তোমাৰ ছায়া
নদীৰ পাৰৰ সেউজীয়া পাত
পাতেৰেই পাৰ হ'লো জীৱনৰ বাট
তোমাৰ উপস্থিতি মই সদায়
অনুভৱ কৰোঁ
মৌচুমীতো আৰু সদায় নাথাকে বৈ
যাবগৈ এদিন হৃদয় শূণ্য কৰি থৈ
শেষ? কোনে দিয়ে জীৱনৰ শেষ বায়
শেষ হয় পৃষ্ঠা শেষ নহয় কিমান জীৱন কথা। ■





# আঘোণৰ দোকমোকালি

অঞ্জলী হাজৰিকা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সেউজীয়া প্ৰকৃতিক
কুঁৱলীয়ে আৱৰিছে
চৌপাশে নিঃশব্দতা
কেৱল নিয়ৰৰ টোপালৰ
সুখ-মধুৰ শব্দ।
পুৱতি, ৰঙা বেলিটোৱে
ৰঙ সানিছে সেউজীয়া প্ৰকৃতিক
গছৰ ডালত গান গাইছে
ধুনীয়া চৰাইবোৰে,
তাকে আকৌ গানৰ তালে তালে
জীৱ-জন্তুবোৰেও নাচিছে।
কি যে মনোমোহা দৃশ্য
অনুভৱ নকৰিলে কল্পনা কৰাই টান।
উঠিবাচোন এদিন দোকমোকালিতে
চিৰশান্তি দিব।
প্ৰকৃতিৰ সুৱাসে। ■



# তুমি গ'লা গৈ

ৰশ্মিতা ৰাভা
স্নাতক পঞ্চম ষাণ্মাসিক

আহিবা চোন এবাৰ কলেজখনলৈ
তুমি যোৱা বহু বছৰে হ'ল
আহিবাচোন আকৌ এবাৰ
সপোন সপোন লগা
ছোৱালীবোৰ চাবলৈ।
তোমাৰ সপোনৰ প্ৰথম মঞ্চখনলৈ
তোমালৈ অপেক্ষা কৰিছে মধুস্মৃতিয়ে
তোমাক আকৌ এবাৰ মাতিছে
নৱাগত আদৰণী সভাখনে
তোমাৰ মনত পৰেনে
সপোন সপোন লগা মঞ্চখন
আহিবাচোন এবাৰ -
তোমাৰ বক্তৃতাৰে মঞ্চ সজাবলৈ
ছোৱালীবোৰক তোমাৰ দৰে
সাহসী কৰিবলৈ
দুচকুত সপোনৰ মায়াৰ জাল আঁকিবলৈ। ■

# জীৱন

গীতাঞ্জলী বৰুৱা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

"জীৱন এক যাত্ৰা"
প্ৰতিটো মুহূৰ্তত এক নতুন পৰিৱৰ্তন,
প্ৰত্যেকটো খোঁজতে কিবা নতুন,
প্ৰত্যেক সময়তে এক নতুন উৎসাহ
সুখ আৰু দুখৰ এক অসাধাৰণ মিল,
জীৱন, প্ৰত্যেক মুহূৰ্ততে এক নতুন খেল। ■



# নাৰী

ভনীতা কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক

যিয়ে জীৱন দান দি জটিল পৃথিৱীখনত
জীয়াই থাকিবলৈ শিকাই।
তেওঁ জানো এই জটিল পৃথিৱীখনত
নিজেই সুৰক্ষিত?
যিয়ে নিচুকনি গীত গাই
আনক শান্তিত শুৱাই।
তেওঁক জানো কোনোৱাই সুধিছে
তেওঁ শান্তিত চকু মুদিছেনে?
যিয়ে আনৰ সুৰক্ষাৰ হকে
দিনে ৰাতি পোহৰা দি আছে।
তেওঁৰ সুৰক্ষাৰ হকে জানো
কোনোৱাই চিন্তা কৰিছে?
নাই কোনেও তেওঁৰ কথা
এবাৰো ভৱা নাই।
কিন্তু তেওঁ নিঃস্বাৰ্থভাৱে সকলোকে
সুৰক্ষা, মৰম, নিঃস্বাৰ্থ ভালপোৱা দিছে।
এয়াই হৈছে নাৰী, যাৰ অন্য নাম
জীৱন দান ......। ■



# স্পৰ্শ

তৰালী কুমাৰী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

পাহাৰৰ বুকুত নিজৰাৰ ৰেখা
শিলে-শিলে বাগৰে চকুপানীৰ ভাষা।
পাৰ হৈ যোৱা সেই
হমুনিয়াহ তুমি ইমান,
কাষত অথচ ইমান দূৰত।।
এই যে অনুভৱ নে অভিনয়
অনুভৱ জানো হ'ব পাৰে অভিনয়।।
মোক স্পৰ্শ নকৰিবা
বিদীৰ্ণ হৃদয় মোৰ ৰক্তাক্ত
তোমাৰ ভিতৰলৈও বৈ যাব
পাৰে সেই তেজৰ ধাৰ।
জীৱনৰ পিছল বাটত তুষাৰ পাত
আন্ধাৰযে বন্দী হয় আশাত।।
সেয়া ফোট নে তেজৰ টোপাল
চকুপানীৰেই জীৱন জীপাল।। ■



# নৱবৰ্ষলৈ স্বাগতম

ধনমণি ৰাভা
স্নাতক পঞ্চম যাণ্মাসিক

হে, নৱবৰ্য, জনাও তোমাক স্বাগতম
তুমি আহিবা সুখ শান্তিৰ
জীৱনৰ সঁফুৰা লৈ,
এই বিশাল প্ৰকৃতিৰ বুকুলৈ।
অসমী আইক দিয়া তুমি যেন
সুখ উপচাই,
প্ৰকৃতিয়ে যেন লয় নতুন ৰূপ
বসন্ত ঘূৰি আহিবা,
হে নৱবৰ্ষ, তুমি আহিবা আৰু
এনে নতুন ৰূপলৈ
সেয়েহে পুনৰ জনাও তোমাক
স্বাগতম নৱবৰ্ষ। ■

# Until We Meet Again

**Jupitora Das**
B.A. 4th Semester

*Those special memories of you*
*will always being a smile*
*if only I could have you back*
*for just a little while*
*Then we could sit and talk again*
*just like we used to do*
*you always meant so very much*
*and always will do too*
*The fact that you're no longer here*
*but you're forever in my heart*
*until we meet again.* ■



# জীৱন

চালমা চবনম
স্নাতক চতুৰ্থ ষাণ্মাসিক

জীৱন ...
সৰল সৰল যেন লগা
এটি জটিল অংক
যাৰ সমাধান কৰি কৰি জীৱনটো
পাৰ কৰিলেও
উত্তৰৰ ঘৰত থাকেগৈ
মাঁথো এটা শূণ্য।
কি আছে জীৱনত ......?
দুখেৰেই চোন ভৰি আছে
জীৱন নামৰ কলহটোৰ অধিকাংশ
সুখ মাঁথো এটি 'ঝলক'
বিজুলী যেন হৈ চমকোৱা এটি
বিজুলীৰ চমক
অৰ্থ কি জীৱনৰ ..........?
জীৱন নহয় কেৱল
কলিজাৰ স্পন্দন
জীৱনটো হ'ব পাৰে এপাঁহি
সুগন্ধি ফুল
যিয়ে বিলাব পাৰে উশাহে-উশাহে
সুবাস আৰু সৌন্দৰ্য। ■



# Dandelion

**Rumi Nath**
*B.A. 3rd Semester*

*A golden sphere, a puff of white,*
*A sunny face that greets the light.*
*You grow in field's beside the road,*
*A simple flower, ofter overlooked.*

*A golden crown, a wispy sphere*
*A cheerful face, without a fear.*
*A tiny sun, a burst of gold,*
*A simple flower, brave and bold.* ■

# Stay Wild

**Suman Kalita**
B.A. 2nd Semester

*You were not born a statue*
*nor rooted like a tree.*
*You were born a wild one;*
*A spirit pure and free.*

*No cage should hold you captive.*
*No title should define*
*you're flexible and fluid.*
*So can change at any time.*

*With nothing set in stone*
*And so much to explore*
*Wander down a million paths*
*And rattle every door.*

*Never stop adventuring.*
*Embrace your inner child,*
*Stay fearless and stay curious.*
*Stay positive. Stay wild.* ■

# প্ৰতিটো ক্ষণত

ৰুক্মিণী নাথ
স্নাতক পঞ্চম যাণ্মাসিক

জীৱনৰ প্ৰতিটো মুহূৰ্ত বৈ থাকো
সেই ক্ষণত
য'ত বৈ বৈ মই মোৰ অনুৰাগ
আবিৰ্ভাৱবোৰ হেৰুৱালো
সেই পথত, হেৰুৱা ক্ষণত
মনটো ব্যাকুল আবিৰ্ভাববোৰে উভতি পৰে।
নিদ্ৰাত থকা ক্ষণত অনুভৱ কৰিলেও
মনটো বেজাৰ হৈ পৰে,
মই মোৰ অনুৰাগ অনুভৱ
আৰু আবিৰ্ভাৱবোৰ হেৰুৱাই
পেলালো সেই ক্ষণত। ■



# মানুহ

জুপিতৰা কলিতা
স্নাতক পঞ্চম যাণ্মাসিক

তই বেলেগ মই বেলেগ
কিমান যে সহজ ক'বলৈ ই,
ভাবিছেনে কেতিয়াবা, আমি যে সকলো একে,
কাৰণ প্ৰথমতে আমি সকলো মানুহ।
ধৰ্ম বেলেগ ৰং বেলেগ
বেলেগ বেলেগ আমাৰ ঘৰ,
মাটিত টনা আছে ৰেখা,
কিন্তু সকলোৰে কৰ্তব্যস্থান
পথ বেলেগ সংগী বেলেগ
সকলোৰে গন্তব্যস্থান যে মৃত্যু।
তোৰ দ্বাৰা নহয়, মোৰ দ্বাৰা নহয়,
আমাৰ সকলোৰে লগতে এই পৃথিৱীখন,
বহুত বেলেগ, কিন্তু সকলো একে আমি,
কাৰণ প্ৰথমতে আমি সকলো মানুহ। ■

# সপোন

দীপশিখা দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মোৰো এটা সপোন আছিল,
চৰাই হৈ নীলা আকাশত
উৰি ফুৰিবলে।

মোৰো এটা সপোন আছে
যাক মই দিঠকত
উপনিত কৰিবলৈ অশেষ
চেষ্টা কৰিম।

মই নিয়ৰৰ মাজেৰে, জোনাকৰ কিৰণত
আৰু যে ক'তোনো ক'ত
ঘুৰি ফুৰিছোঁ মাথোঁ মোৰ সপোনক লৈ
মোৰো এটা সপোন আছিল। ■



# শৰৎ ৰাণী

পাপৰি ৰাভা
স্নাতকোত্তৰ চতুৰ্থ যাণ্মাসিক

সন্ধিয়াৰ নিৰিবিলি আবেলি
মোৰ পদুলিত আহি সুহুৰিয়াই কোনে
মিচিক্-মাচাক হাঁহি মাৰি
জোন গলা ৰাতিয়ে ক'লে
তেওঁৰ খোজত নিয়ৰৰ মুকুতা সৰে
দেহৰ ভাঁজত শীতলতা
আৰু
শেৱালিৰ সুবাস তেওঁ আহিলেই আহে,
পুৱৰ ব'দালি কুঁৱলি ফালি
ভৰদুপৰত পুৱ আকাশত ভাঁহে।
কুমলীয়া ধানৰ কোমল গোন্ধ
উশাহত লওঁ বুকুলৈকে টানি
কঁহুৱাও ফুলিব, মলয়া বলিব
আহিলে শৰৎ ৰাণী
সন্ধিয়াৰ আকাশত বগলী উৰিব
লুইতত নাচিব পানী
এয়া যে শৰৎ ৰাণী। ■



## চিঞৰ

ৰিতুমণি পাঠক
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

পৃথিৱীখন আছিল
মানুহৰ অফুৰন্ত সুখৰ জোলোঙা,
তাঁহি আহিছিল সহস্ৰ
জনতাৰ মুখৰিত হৰ্ষোল্লাস
কিন্তু, আজি মৌন পৃথিৱী
স্তব্ধ জন-জীৱন
যিমান দূৰ দৃষ্টি নিক্ষেপ কৰিছোঁ
মাথোন মৌনতাহে দেখিছোঁ।
শুনিবলৈ পালোঁ...
পৃথিৱীয়ে অতি কৰুণ মাতেৰে
চিঞৰিছে 'মোক বচোৱা',
বিশ্বজুৰি বলা ক'ৰোণাৰ সন্ত্ৰাসৰপৰা
মোৰ অস্তিত্বক বচোৱা।
প্ৰাণঘাতক ক'ৰোণাৰ চক্ৰবেহুত
ধ্বংস যেন সকলো,
নিষ্ঠুৰ ক'ৰোণাৰ কৱলত অসহায় নিয়তিৰ
কৰুণ কাকুতি, মোক বচোৱা!
প্ৰকৃতিৰ সুন্দৰ উপহাৰ
স্বৰূপ 'মানুহক' বচোৱা! ■

## What am I

Nibedita Das
Assistant professor (Contractual)
Mass communication & journalism

What am I
Once I was a Tree, nourished by every drop of rain,
Now standing dry, with withered roots in pain.

I was a Sea, serene, peaceful and deep,
Now waves of turmoil, in a restless sleep
Of a endless night,
I was a Dream full of light
And a Star, once shining bright
Now a distant sparkle in a forgotten sky.
You know, What else am I?
I am a Breeze, once whispering through your hair,
Now a Wind, silenced without a care.
I am a Soul, then full of hope and fire
Now a flicker, struggling to aspire.

But still A light lingers at the end of day.
And I shine through dim and gray... ■

## নাৰী তুমি অনন্যা

অনুপমা দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

খোজে প্ৰতি উজুটি খোৱা
তথাপিও আগুৱাই যোৱা কাৰণ তুমি নাৰী
জয়ৰ পিছত দৌৰী পৰাজয়হে পোৱা
তথাপিও আগুৱাই যোৱা কাৰণ তুমি নাৰী
ক'ত হেঁৰাল নাৰীৰ সেই যে জয়ৰ ধ্বনি
সমাজৰ দেউকা পাৰ কৰি দৌৰিছোঁ
জয় জয় বুলি কাৰণ তুমি নাৰী
কি ভুল কি পাপ ক'ত হেঁৰাল
জয় জয় ব্যৰ্থ মই, ব্যৰ্থ মই মোৰ কি ভুল?
সংসাৰৰ মায়া নাৰীয়ে আৱৰা
নাৰী তুমি সাত সাৰী অলকানন্দা
নাৰী তুমি সঁচাই অনন্যা ....। ■



## খবৰ ভাল

কিৰণ দাস
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

খবৰ ভাল
নৈ পাৰত
মাজনিশালৈকে বহিছোঁ
কণ কণ পুঠি মাছৰ স'তে
কথা পাতিছোঁ
জোন গলি গলি শেষ হৈছে।
একেলগে কান্দিছোঁ
ভালে আছোঁ

খবৰ ভল
দীপৰ বিলৰ পাৰত বৈ
নগৰখনলৈ চাইছোঁ
অট্টালিকাবোৰৰ উচুপনি শুনিছোঁ
উৰণীয়া হাঁহবোৰে
অতীতৰ কথা পাতিছে
মেটেকা ফুলৰ স'তে
খেলি থকা চাইছোঁ

ভালে আছোঁ
অৰণ্যৰ পৰা ল'ৰাবোৰ
ওলাই অহা দেখিছোঁ
বেলিলৈ চাই ধান পুলিবোৰ
মৰহা দেখিছোঁ
ভৰিৰ তলুৱাত কিহবাই কুটিছে
মগুহ গেলিছে
তেজ মৰিছেযে
খবৰ ভাল
দৈনন্দিন অস্থিৰতা আৰু
নিসংহতাৰ শেত
তোমাক লগ পাইছোঁ
এপলক কথা পাতি
আকৌ ঘৰলৈ ঘুৰি আহিছোঁ।
বজাৰত দাম কমা যেন শুনিছোঁ।
বাৰীৰ দুটি নেমু চিঙিছোঁ
এন্ধাৰতে সুখৰ বসুধা এৰি
ক'ববালৈ গৈ আছোঁ

খবৰ ভাল খবৰ ভাল
নিদ্ৰাৰত ৰাতি এডাল সাপে
মোক মেৰিয়াই ধৰিছে
কোঠাত নেপুৰ বাজিছে।
কোনোবাই চিঞৰিছে,
বান আহিছে ঢল নামিছে।
প্ৰেম প্ৰেম বুলি
পদুম পাতৰ চকুপানীত ডুবিছোঁ

ভালে আছোঁ সখী
মৰা গৰুবোৰ
সোঁতৰ পৰা ধৰি আনিছোঁ
ঘৃণে ধৰা খোলটোত
গধূলি আঙুলি বুলাইছোঁ।

ক'ত শোক তৰ্জমা কৰি আছোঁ
ভটীয়াই গৈ গৈ টোপনিতে
তোমাক কাষত পাইছোঁ
চুই চাই দেখিছোঁ,
তুমি নাই তুমি নাই

খবৰ ভাল
অনুচ্চাৰিত বহু শব্দৰ সংযোগৰ শেৰত
নাও এখন সাজিছোঁ
বলিয়া ঢৌত উটাই দি
সোমাই গৈছো পকনীয়াতয
পকাই পকাই জীৱনৰ চাকনৈয়াই
নি আছে নি আছে নি আছে!

খবৰ ভাল সখী
ভালে আছোঁ ...। ■

(অনুবাদ গল্প)

# পুৰুষ সিংহ

## মূল বাংলা ঃ ৰণজিৎ কুমাৰ সমাদ্দাৰ


অনুবাদ ঃ ড° ৰমেন ঠাকুৰীয়া

অসমীয়া বিভাগ


(১)

তোমালোকে সেই গানটো শুনিছানে? 'শিং নাই তথাপি নাম তাৰ সিংহ'....। আজি আমি তেনে এক পুৰুষসিংহৰ কথাই ক'ব খুজিছো। আচলতে সেয়া এক বীৰ ৰজাৰহে কাহিনী। যি আছিল পৰম বিক্ৰমশালী আৰু সাহসী। যাৰ তেজস্বীতা সেইসময়ৰ ওচৰ চুবুৰীয়া ৰাজ্যৰ ৰজাসমূহৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ কাৰণ হৈ উঠিছিল। তেতিয়া মল্লৰজাসকলৰ সময়। বিষ্ণুপুৰ আছিল মল্লৰজাসকলৰ ৰাজ্য। এখনি স্বাধীন ৰাজ্য। দিল্লীৰ দৰবাৰত তেতিয়া ছাহজাহান। মোগল বাহিনীয়ে মল্লৰজাসকলক সদায়ে মিত্ৰ ৰজা হিচাপে গন্য কৰি আহিছিল। তাৰ কাৰণো আছিল। সেইসময়ত বিষ্ণুপুৰৰ শক্তিশালী ৰজা আছিল বীৰ হাম্বিৰ। এসময়ত তেওঁ মোগল আৰু পাঠানসকলৰ মাজত হোৱা ভয়ানক যুদ্ধত মোগল বাদশাহক বিভিন্ন প্ৰকাৰে সাহাৰ্য কৰিছিল। তাৰ কাৰণেই মোগল বাদশাহে বীৰ হাম্বিৰৰ লগত মিত্ৰতা ঘোষণা কৰি সকলো কৰৰ পৰা মুক্ত কৰি দিছিল। যি সময়ত বিষ্ণুপুৰৰ ওচৰ পাজৰৰ ৰাজ্যসকলে মোগল বাদশাহৰ দাসত্ব স্বীকাৰ কৰি ল'বলগীয়া হৈছিল সেইসময়ত বিষ্ণুপুৰ আছিল স্বাধীন।

সেইগৰাকী ৰজা বীৰ হাম্বিৰৰেই উত্তৰপুৰুষ আছিল ৰঘুনাথ মল্লদেৱ। যি উত্তৰাধিকাৰীসূত্ৰে বিষ্ণুপুৰৰ ৰাজসিংহাসনত অধিষ্ঠিত হৈ পূৰ্বপুৰুষৰ মৰ্যাদা অক্ষুন্ন ৰাখি নিজৰ বীৰত্বৰ পৰিচয় দিছিল।

(২)

মহাৰাজ বীৰহাম্বিৰৰ ছজন পুত্ৰ আছিল। জ্যেষ্ঠপুত্ৰৰ নাম আছিল ধাড়িহাম্বিৰ ..... আৰু কনিষ্ঠ পুত্ৰৰেই নাম আছিল ৰঘুনাথ মল্লদেৱ। মহাৰাজ বীৰ হাম্বিৰৰ মৃত্যুৰ পিছত বিষ্ণুপুৰৰ ৰজা হৈছিল ধাড়িহাম্বিৰ। কিন্তু তেওঁৰ ৰাজত্বকাল আছিল তেনেই চমু। মাত্ৰ ছবছৰকাল ৰাজত্ব কৰি মহাৰাজ ধাড়িহাম্বিৰ মানসিক ৰোগত আক্ৰান্ত হৈ সিংহাসন ত্যাগ কৰিছিল। ধাড়িহাম্বিৰৰ পিছত অৱধাৰিতভাৱে তেওঁৰ পুত্ৰ কালাৰাম মল্ল সিংহাসনত উঠিছিল। কিন্তু তেওঁ আছিল বোবা, কাণেৰেও কমকৈ শুনিছিল। গতিকে তেওঁক ৰজা হিচাপে গ্ৰহণ কৰি ৰাজ্য চলাবলৈ বিষয়াসকলৰ যথেষ্ট অসুবিধা হৈছিল। স্বাভাৱিকতেই কালাৰাম মল্ল সিংহাসনৰ পৰা অপসাৰিত হ'বলগীয়া হ'ল। কিন্তু তাৰ পিছতেই সংঘটিত হৈছিল নানান অপ্ৰীতিকৰ ঘটনা। কোন বিষ্ণুপুৰৰ ৰাজসিংহাসনত অধিষ্ঠিত হ'ব তাকে লৈ চলিল নানান অৰিয়া-অৰি আৰু ষড়যন্ত্ৰ। তেতিয়া কথা বিষম দেখি বীৰ হাম্বিৰৰ পত্নীয়ে কনিষ্ঠ পুত্ৰ ৰঘুনাথক মাতি আনি ক'লে - 'পুত্ৰ, দেশত নানান অথন্তৰ হৈছে। উপযুক্ত পাত্ৰৰ অভাৱত খালী হৈ পৰিছে বিষ্ণুপুৰৰ ৰাজ সিংহাসন। গতিকে অতি শীঘ্ৰে তুমি দেশৰ বাঘজৰী হাতত লৈ পিতৃপুৰুষৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰা।'

মাতৃৰ আদেশ পালন কৰি ৰঘুনাথ মল্লদেৱ ৰজা হোৱাৰ পিনে আগবাঢ়ি গ'ল। কিন্তু মাতৃৰ আদেশে বীৰ হাম্বিৰৰ অন্য পুত্ৰসকলক বিদ্ৰোহী কৰি তুলিলে। কাৰণ নিয়মানুসাৰে ধাড়িহাম্বিৰ মল্লৰ পিছত ৰজা হ'ব লাগে দ্বিতীয় পুত্ৰ বীৰ মল্ল। কিন্তু মাতৃৰ ইচ্ছামতে ৰঘুনাথ মল্লদেৱহে ৰজা হৈ পৰিল ১৬২৬ খৃষ্টাব্দত। ৰজা হৈয়ে ৰঘুনাথ মল্লদেৱে দেশৰ উন্নয়নৰ কাৰণে দেহে কেহে খাটিবলৈ ধৰিলে। তেওঁৰ স্বপ্ন আছিল তেওঁৰ ৰাজত্বকালতেই বিষ্ণুপুৰক এখনি সমৃদ্ধশালী নগৰত পৰিণত কৰি তুলিব। যাৰ ঐশ্বৰ্যই আজীৱন তেওঁক মনত ৰাখিব। সেইমতেই তেওঁ নানান কাৰ্যসূচী হাতত লৈছিল। সেইবোৰেই সময়তগৈ বিষ্ণুপুৰক এখনি গৌৰৱময় নগৰীত পৰিণত কৰিছিল। চৌদিশে ৰূপকথাৰ দৰেই বিষ্ণুপুৰৰ গৌৰৱগাথাঁ বিয়পি পৰিছিল। বিভিন্ন ৰাজ্যৰ নাগৰিকসকল এই পৱিত্ৰ মন্দিৰ নগৰ, বিষ্ণুপুৰৰ গুপ্তবৃন্দাৱন ভ্ৰমণ কৰিবলৈ আহি পৰম সুখ লাভ কৰিছিল। ৰজা ৰঘুনাথ মল্লদেৱে তেওঁৰ ৰাজ্যলৈ অহা ভ্ৰমণাৰ্থীসকলক অতিথি জ্ঞান কৰি সেৱা-সুশ্ৰূষা আগবঢ়াইছিল। ৰাজকোষৰ ধন উদাৰ চিত্তে খৰচ কৰিছিল।

(৩)

'গুপ্তবৃন্দাৱন'ৰ কথা ওলাইছেই যেতিয়া আৰু এটা কাহিনী কোৱাটো উচিত হ'ব। অৱশ্যে এয়া কোনো কল্প কাহিনী নহয়। সত্য ঘটনা। কিন্তু গল্পৰ দৰেই সুস্বাদু। এই ঘটনা ৰঘুনাথ মল্লদেৱৰ পিতৃ বীৰ হাম্বিৰৰ সময়ৰ ঘটনা। এদিনাখন ৰাজজ্যোতিষীয়ে ৰজাক ক'লে - 'মহাৰাজ, আমি জ্যোতিষ গণনাৰ দ্বাৰা জানিবলৈ পাইছো যে আপোনাৰ ৰাজ্যৰ গোপালপুৰ গ্ৰামৰ ফালে মহামূল্যবান ৰত্ন-মাণিক বোজাই কৰা এখনি গো-যান আহি আছে। গতিকে সেই মহামূল্যবান ৰত্ন-মাণিকখিনি লাভ কৰিব পাৰিলে ৰাজকোষ টনকীয়াল হৈ পৰিব।' ৰাজজ্যোতষীৰ কথা শুনি ৰজা আনন্দিত হৈ পৰিল। এয়াতো অতি উত্তম কথা। লগে লগে ৰজাই বিষয়াসকলক নিৰ্দেশ দিলে - গোপালপুৰলৈ আহি বলগীয়া ৰত্ন-মাণিকখিনি উদ্ধাৰ কৰি ৰাজকোষলৈ লৈ অহা হওঁক।

ৰজাৰ কথামতেই বিষয়াসকলে চিপাহী-চন্তৰী লৈ গৈ তিনিদিন ধৰি নিশ্ছিদ্ৰ পহৰা দি থাকিল। এনেতে এদিন গভীৰ ৰাতি দেখা গ'ল যে তিনিখন গৰুৰ গাড়ীত ৰত্নপেটিকা বোজাই কৰি আহি আছে। দীৰ্ঘ প্ৰতিক্ষাৰ অন্ত পৰিল। চিপাহী-চন্তৰীয়ে গাৰোৱানৰ হাতৰ পৰা পেটিকাবোৰ উদ্ধাৰ কৰি ৰাজভড়ালৈ লৈ আহিল। কিন্তু পেটিকাবোৰ খোলাৰ পিছতহে ৰজা হতাশ হৈ পৰিল। নিৰাশাৰ ডাৱৰে তেওঁৰ মুখমণ্ডল ছানি ধৰিলে। কাৰণ পেটিকাবোৰৰ ভিতৰত নাছিল ৰত্ন-মাণিক, আছিল কিছুমান বৈষ্ণৱ পুথি। ৰজাৰ মনত দুখো লাগিল। ডকাইতিৰ দৰে কাৰ্য এটাত তেওঁ ৰত্ন-মাণিকৰ লোভত জড়িত হৈ পৰিবলগীয়া হ'ল। অনুশোচনাত তেওঁৰ অন্তৰ থকা-সৰকা হ'ল যদিও পিছ মুহূৰ্ততে তেওঁৰ মনত বোধ জন্মিল। ৰত্ন-মাণিক নহ'লেও অথবা তেওঁৰ কোনো কামত নাহিলেও এইবোৰতো সঁচাকৈয়ে মূল্যবান সম্পদ। যাৰ প্ৰভাৱ আৰু উজ্বলতা কাহানিও ম্লান নহয়। পুথিবোৰৰ গুৰুত্ব উপলব্ধি কৰি ৰজাই সেইবোৰ সযতনে সুৰক্ষিত ৰখাৰ বাবে লগে লগে নিৰ্দেশ দিলে।

এই বৈষ্ণৱ পুথিসমূহ আছিল শ্ৰীনিৱাসন আচাৰ্য আৰু তেওঁৰ সঙ্গী এচাম পণ্ডিতৰ। পুথিসমূহ হেৰুৱাই তেওঁলোক পাগলৰ দৰে হৈ পৰিছিল। চকুপানীৰে বাট নেদেখা হৈ পৰিল। কান্দি কান্দি তেওঁলোকে মানুহৰ ঘৰে ঘৰে গৈ পুথিসমূহৰ সন্ধান কৰাত লাগিল। বহুদিন ধৰি এনেদৰে সন্ধান কৰাৰ পিছত শ্ৰীনিৱাসন আচাৰ্য এদিন বিষ্ণুপুৰত উপস্থিত হ'ল। ৰাজদৰবাৰত উপস্থিত হৈয়ে তেওঁ শুনিবলৈ পালে ভাগৱতৰ চিনাকি পাঠ। কিন্তু ৰাজপণ্ডিতে ভুলকৈ সেই ভাগৱতৰ বাখ্যা দি আছিল। শ্ৰীনিৱাসন আচাৰ্যই গৈ ৰজাৰ ওচৰত মাৰ্জনা বিচাৰি, নিজৰ চিনাকি দি ভাগৱতৰ যে ভুল বাখ্যা দি থকা হৈছে তাক উল্লেখ কৰিলে। শ্ৰীনিৱাসনৰ আত্মবিশ্বাসত ৰজা সন্তুষ্ট হ'ল আৰু তেওঁকেই ভাগৱত বাখ্যা কৰিবলৈ অনুৰোধ জনালে। শ্ৰীনিৱাসনৰ সুললিত কণ্ঠ আৰু মধুৰ ছন্দ তথা ভাগৱতৰ সৰল আৰু শুদ্ধ বাখ্যাই ৰজাক মোহিত কৰি পেলালে। তাৰ পিছত ৰজাৰ আগত সকলো কথা ওলোৱাত ৰজাই নিজৰ অপৰাধ স্বীকাৰ কৰি ক্ষমা ভিক্ষা বিচাৰিলে। আচাৰ্যৰ চৰণত ধৰি ক'লে - 'এই কলঙ্কৰ পৰা আমাক মুক্ত কৰক প্ৰভু।'

আচাৰ্যদেৱে তেওঁক আশীৰ্বাদ কৰিলে। তেওঁ ৰজাৰ প্ৰতি ক্ষুন্ন নহ'ল এইকাৰণেই যে ডকাইতি কৰিলেও ৰজাই পুথিসমূহৰ মোল বুজি পাইছিল আৰু তাক যথাযোগ্য সন্মান দি সুৰক্ষিত ৰাখিছিল। তেওঁ ক'লে - 'মহাৰাজ আপোনাৰ এই কলঙ্কৰ পৰা মুক্তিৰ এটাই পথ আছে। আপোনাৰ কৃষ্ণপদে মতি হওঁক।'

কথামতেই কাম। বীৰ হাম্বিৰ আচাৰ্যদেৱৰ ওচৰত দীক্ষা লৈ অন্য এক মানুহ হৈ পৰিল। ৰণবীৰ ৰজা হৈ পৰিল ধৰ্মবীৰ। দিন-ৰাতি তেওঁ কেৱল গুণগুণাবলৈ ধৰিলে -

'প্ৰভু মোৰ শ্ৰীনিৱাস        পুৰালে মনৰ আশ
তোমাৰ বিনে গতি নাহি আৰ।'

গুণী ৰজাৰ প্ৰভাৱ চৌদিশে বিয়পি পৰিল। বীৰ হাম্বিৰৰ সমস্ত ৰাজ্যত আৰম্ভ হ'ল কৃষ্ণভজন। কৃষ্ণসেৱা। স্থাপিত হ'ল ইটোৰ পিছত সিটো অপূৰ্ব মন্দিৰ। ৰজা আৰু প্ৰজা আটাইৰে মুখত কৃষ্ণ মহিমা দেখি আৰু সংগীত সাধনাৰ অপূৰ্ব পৰিবেশ উপলব্ধি কৰি তেওঁ বিষ্ণুপুৰক 'গুপ্ত বৃন্দাৱন' আখ্যা দিলে। .... আৰু নিজেও এই গুপ্ত বৃন্দাৱনতেই স্থায়ীকৈ থকাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

(৪)

আকৌ আহিছো ৰঘুনাথ মল্লদেৱৰ কথালৈ.....। ছাহজাহানে বীৰ হাম্বিৰৰ স'তে যি সম্পৰ্ক ৰক্ষা কৰি চলিছিল কিন্তু তেওঁৰ পুত্ৰসকলে সেই সম্পৰ্ক বাহাল ৰাখিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। ছাহজাহানৰ অন্যতম পুত্ৰ শাহজাদা সুজাই বাংলাৰ চুবেদাৰ হৈয়েই ৰঘুনাথ মল্লদেৱক সকিয়নি দিলে - 'পূৰ্বৰ যি ব্যৱস্থা আছিল সেয়া নতুনকৈ তেওঁ বাহাল ৰাখিব নিবিচাৰে। গতিকে আপুনি নতুন নীতি অনুসৰি আমাক কৰ-কাটল দিবলৈ বাধ্য।'

তেতিয়া মল্লদেৱেও ফেপেৰি পাতি ধৰিলে - 'মল্লৰজাসকল অতীজৰে পৰা স্বাধীন আছিল, আজিও স্বাধীন। গতিকে তেওঁলোকে কাকো কৰ-কাটল দিবলৈ বাধ্য নহয়।'

কটকীৰ মুখে এই সংবাদ শুনি চুবেদাৰ সুজা হিংস্ৰ হৈ উঠিল। তেওঁ পূৰ্বৰ সকলো মিত্ৰতা পাহৰি মল্লৰজাৰ বিৰুদ্ধে বিৰাট সৈন্য বাহিনী পঠাই দিলে। ৰজা ৰঘুনাথে এই কথা আগতেই অনুমান কৰি লৈ তাৰ ব্যৱস্থা গ্ৰহণ কৰিলে। ৰাজ্যৰ অভ্যন্তৰত আগতেই কিছুমান দ খাৱৈ খন্দা আছিল। ৰঘুনাথ মল্লদেৱে সেই খাৱৈসমূহৰ পুনৰ সংস্কাৰ কৰিলে। ফলত আটাইবোৰ খাৱৈ পানীৰে পৰিপূৰ্ণ হৈ উঠিল। ৰজাৰ দূৰ্গ আৰু ৰাজপ্ৰাসাদ আগুৰি আছিল সাতটাকৈ খাৱৈ। লগতে আছিল সৰু বৰ টিলা আৰু মাটিৰ ঢাপ কিছুমান। শত শত কামান সেই টিলা আৰু ঢাপৰ চূড়াত লুকুৱাই ৰখা হ'ল। গতিকে চুবেদাৰ সুজাৰ সৈন্যবাহিনী মল্লৰজাৰ প্ৰতাপত কোনোপধ্যেই তিষ্ঠিব

নোৱাৰিলে। চুবেদাৰ সুজাৰ সৈন্য বাহিনীৰ দ খাৰৈত পৰি মৃত্যু ঘটিল।

যিয়েই নহওঁক চুবেদাৰ সুজা আৰু ৰঘুনাথ মল্লদেৱ কিন্তু পৰস্পৰ যুদ্ধ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰি কেনেকৈ ইজনে আনজনক ফান্দত পেলাব পাৰি তাৰহে ব্যৱস্থা চিন্তা কৰাত লাগিল।........ অৱশেষত সেই সুযোগ আহিল। ....কেনেকৈ, কি সুযোগ আহিল এতিয়া তাকেই কোৱা যাওঁক।

(৫)

শ্ৰীনিবাসন আচাৰ্য পৰলোকগামী হ'বৰ অনেক দিন হৈছিল। ৰঘুনাথ মল্লদেৱে মনত ভাবি থৈছিল যে তেৰোঁ পিতৃৰ পদাঙ্কানুসৰণ কৰি শ্ৰীনিবাসন আচাৰ্যৰ চৰণত দীক্ষা ল'ব। কিন্তু সেয়া সম্ভৱপৰ হৈ নুঠিল। তাৰ কাৰণেই ৰঘুনাথ মল্লদেৱে মনত কিবা এটা অশান্তি অনুভৱ কৰি আছিল। শেষত গৈ তেওঁ সিদ্ধান্ত কৰিলে যে তেওঁ আৰু সময় অপচয় নকৰে। সেই উদ্দেশ্যৰেই তেওঁ যাজিগ্ৰামলৈ যাত্ৰা কৰিলে। যাজিগ্ৰামতেই নিগাজীকৈ থাকি শ্ৰীনিবাসন আচাৰ্যৰ পুত্ৰ বৃন্দাৱন চন্দ্ৰই কৃষ্ণসাধনাত ৰত হৈ আছিল। শ্ৰীনিবাসন আচাৰ্য নাথাকিলেও তেওঁৰ পুত্ৰ বৃন্দাৱন চন্দ্ৰৰ ওচৰতেই ৰজাই দীক্ষা ল'ব। সেয়া তেওঁ সিদ্ধান্ত গ্ৰহণ কৰিলে।

কিন্তু সমস্যা হ'ল ৰজাইতো নিৰৱে, নিভৃতে যাত্ৰা কৰিব নোৱাৰে। ৰজাৰ অনুগামী হ'ল অনেক। গতিকে ৰজাৰ শোভাযাত্ৰা হৈ উঠিল যশেষ্ট বিশাল আৰু শক্তিশালী। এই খবৰ কেনেবাকৈ কাণত পৰিল বৰ্দ্ধমানৰ শাসকৰ। তেওঁ আছিল চুবেদাৰ সুজাৰ মিত্ৰ লোক। সুজাৰ বিশ্বাসভাজন হ'বলৈ তেওঁ অহৰহ যত্ন কৰি আছিল। গতিকে এই সুযোগ তেওঁ কোনোপধ্যেই এৰি নিদিলে। ৰঘুনাথ মল্লদেৱৰ শোভাযাত্ৰাক আক্ৰমণ কৰি নিৰস্ত্ৰ ৰজা ৰঘুনাথ মল্লদেৱক আটক কৰি সুজাৰ কাৰাগাৰলৈ পঠিয়াই দিলে। ৰজা বন্দী হ'ল। কিন্তু তেওঁ নিৰাশ আৰু হতাশ নহ'ল। ঈশ্বৰ সাধনাই হৈ পৰিল তেওঁৰ অৱসৰী বন্দী দিনবোৰৰ একমাত্ৰ সহচৰ।

এদিনাখন এটা ঘটনা সংঘটিত হ'ল। দেখিবলৈ পালে প্ৰায় সোতৰ-ওঠৰজন লোকে এটা ঘোঁৰাক বশ কৰিবলৈ অপাৰ চেষ্টা কৰিছে কিন্তু পৰা নাই। তাকে দেখি ৰঘুনাথ মল্লদেৱৰ হাঁহি উঠি গ'ল। তেওঁ আটাইকে তিৰস্কাৰ কৰিলে, তেওঁলোকৰ অসমৰ্থতাৰ কাৰণে ঠাট্টা-মস্কৰা কৰিলে।

ৰঘুনাথ মল্লদেৱৰ কথাত খং কৰি চুবেদাৰ সুজাৰ ওচৰলৈ গৈ মানুহকেইজনে অভিযোগ দিলে যে এগৰাকী বন্দী ৰজাই তেওঁলোকক ঠাট্টা-মস্কৰা কৰিছে। চুবেদাৰৰ প্ৰতিও অপমানসূচক মন্তব্য প্ৰদান কৰিছে। এইকথা শুনি সুজা ক্ৰুদ্ধ হৈ পৰিল। তেওঁ ৰঘুনাথ মল্লদেৱৰ ওচৰলৈ আহি অগ্নিশৰ্মা হৈ এটা প্ৰস্তাৱ দিলে - 'আপুনি যে মোৰ সৈন্য-বাহিনীক অযোগ্য, নিষ্কৰ্মা বুলি কৈছে আপুনি এই ঘোঁৰাটোক বশ কৰিব পাৰিব নেকি? যদিহে 'আপুনি এই ঘোঁৰাটোক বশ কৰি তাৰ পিঠিত উঠিব পাৰে তেনেহ'লে আপোনাক এই বন্দিত্বৰ পৰা মুক্ত কৰি দিয়া হ'ব। আপোনাৰ ৰাজ্য কৰমুক্ত ঘোষণা কৰা হ'ব, লগতে নবাবী উপহাৰো প্ৰদান কৰা হ'ব। কওঁক পাৰিব.....?'

ৰজা শৃঙ্খল মুক্ত হৈ পৰিল। উশৃংখল ঘোঁৰাটোক একেটা পাকতে নাকিত ধৰি তাৰ পিঠিত বহি লৈ ঘোঁৰা ছুটাই দিলে। উপস্থিত সকলো লোক অবাক হৈ পৰিল। বহুদেৰিৰ পিছত ৰজা ৰঘুনাথ মল্লদেৱ ঘোঁৰা চেকুৰাই পুনৰ ঘূৰি আহিল। ইতিমধ্যেই উশৃংখল ঘোঁৰাটো শান্ত হৈ পৰিছে। ৰজা ৰঘুনাথ মল্লদেৱৰ ওচৰত বশ হৈ পৰিছে।

ৰঘুনাথ মল্লদেৱৰ কৌশল আৰু প্ৰতাপ দেখি চুবেদাৰ সুজা প্ৰসন্ন হৈ পৰিল। তেওঁ লগে লগেই ঘোষণা কৰিলে - 'ৰজা ৰঘুনাথ মল্লদেৱ আজিৰ পৰা কৰমুক্ত স্বাধীন ৰজা, মোৰ মিত্ৰ। আপুনি এই ৰত্নখচিত সুজাৰ উপহাৰটি সদায় লগত ৰাখিব। এইটো মোগল স্মাৰক। আমাৰ একান্ত উপহাৰ।...... লগতে আপোনাৰ বীৰত্ব আৰু মহাতেজৰ বাবে আপোনাক 'সিংহ' উপাধি প্ৰদান কৰিলোঁ। আজিৰ পৰা মল্লৰজাসকলৰ নামৰ পিছত সিংহ উপাধি সংযোগ হওঁক।'

...... এনেকৈয়ে মল্লৰজাসকলৰ লগত সিংহ উপাধি সংযোগ হৈ পৰিল। ৰজাৰ শিৰত শিং অৱশ্যেই নাছিল কিন্তু তেওঁৰ সাহস, বীৰত্ব আৰু প্ৰবল আত্মবিশ্বাসৰ কাৰণে ৰঘুনাথ মল্ল হৈ উঠিছিল পুৰুষ সিংহ। ৰঘুনাথ সিংহ। ■






"সাম্প্ৰতিক সমাজ আৰু সংস্কৃতিৰ সন্মুখত যিবোৰ সমস্যাৰ উদ্ভৱ হৈছে, সেইবোৰৰ বিৰুদ্ধে অসমীয়া চুটিগল্পত প্ৰতিবাদী ধ্বনি অতি উচ্চস্তৰত ঘোষিত হৈছে। অৱশ্যে মানৱ জীৱনৰ স্পৰ্শকাতৰ অনুভূতিৰে সিক্ত আবেদনশীল গল্প আজিও ৰচনা হৈ আছে।"

জুপিতৰা মালী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

।
হৈ পৰিছিলা আৰু পুহমাহতো ঘামি
াই হাঁহিবলৈ ধৰিলে। চিত্ৰয়ে নিৰৱে
্কি উপভোগ কৰিছে। হঠাৎ চিত্ৰই
ই হাতখনত ধৰি জোকাৰি আছে। সি
ৰা জগতখনৰ পৰা আঁতৰি আহিবলৈ
সি কল্পনাৰ জগতত বুৰ গৈ আছিল।
চ বছৰে হ'ল।
? বহুত ৰাতি হ'ল। আইতায়ে ভাত
। চিত্ৰই নিজকে সংযত কৰি ল'লে
ভাত খায় উঠি চিত্ৰই জীয়েকক
গোৱা এটি গান গায়। তাই শুইছে।
কীখনৰ কাষত বৈ নিশাৰ আকাশলৈ
এটি মাৰি খিৰিকীখন ভালকৈ মেলি



নোৱাৰিলে। চুবেদাৰ সুজাৰ সৈন্য বাহিনীৰ
যিয়েই নহওঁক চুবেদাৰ সুজা
পৰস্পৰ যুদ্ধ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰি
ফান্দত পেলাব পাৰি তাৰহে ব্যৱস্থা চি
অৱশেষত সেই সুযোগ আহিল। ....কে
এতিয়া তাকেই কোৱা যাওঁক।

(৫)

শ্ৰীনিবাসন আচাৰ্য পৰলোকগামী
ৰঘুনাথ মল্লদেৱে মনত ভাবি থৈছিল যে
কৰি শ্ৰীনিবাসন আচাৰ্যৰ চৰণত দীক্ষা
হৈ নুঠিল। তাৰ কাৰণেই ৰঘুনাথ মল্লদে
অনুভৱ কৰি আছিল। শেষত গৈ তেওঁ
আৰু সময় অপচয় নকৰে। সেই উদ্দে
যাত্ৰা কৰিলে। যাজিগ্ৰামতেই নিগাজীকৈ
পুত্ৰ বৃন্দাৱন চন্দ্ৰই কৃষ্ণসাধনাত ৰত হৈ
নাথাকিলেও তেওঁৰ পুত্ৰ বৃন্দাৱন চন্দ্ৰৰ ও
সেয়া তেওঁ সিদ্ধান্ত গ্ৰহণ কৰিলে।

কিন্তু সমস্যা হ'ল ৰজাইতো নি
নোৱাৰে। ৰজাৰ অনুগামী হ'ল অনেক।
হৈ উঠিল যথেষ্ট বিশাল আৰু শক্তিশা
কাণত পৰিল বৰ্দ্ধমানৰ শাসকৰ। তেওঁ
লোক। সুজাৰ বিশ্বাসভাজন হ'বলৈ তেও
গতিকে এই সুযোগ তেওঁ কোনোপধে
মল্লদেৱৰ শোভাযাত্ৰাক আক্ৰমণ কৰি নি
আটক কৰি সুজাৰ কাৰাগাৰলৈ পঠিয়া
কিন্তু তেওঁ নিৰাশ আৰু হতাশ নহ'ল
তেওঁৰ অৱসৰী বন্দী দিনবোৰৰ একমাত্ৰ

এদিনাখন এটা ঘটনা সংঘটিত
সোতৰ-ওঠৰজন লোকে এটা ঘোঁৰাক
কৰিছে কিন্তু পৰা নাই। তাকে দেখি ৰ



# স্মৃতিৰ সুৰ এটি

জুপিতৰা মালী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

নিশাৰ আকাশৰ তলত সংঘামিত্ৰা আৰু চিত্ৰ বহি আছে। চিত্ৰই নিশাৰ আকাশলৈ চাই সংঘামিত্ৰাক কৈছে, 'চোৱা কিমান মনোৰম এই সময়। শীতল বতাহ জোনাক নিশা, তৰাৰে ভৰা আকাশ লগতে তোমাৰ সুমধুৰ গানৰ সুবাস নহয়নে সংঘামিত্ৰা।' তাই হাঁহি এটি মাৰি ক'লে, 'হয় ববা, পিছে মোৰ অনুমান তুমি এখন ছবি আঁকিলা।' চিত্ৰয়ে লাহেকৈ বেঁকা হাঁহি এটি মাৰি সংঘামিত্ৰালৈ চাই ক'লে, 'উম আঁকিলোঁ। চোৱা আহি মোৰ দুচকুত।'

ঃ ববা শুনিছা?

ঃ উম শুনিছোঁ কোৱা? (তাই চিত্ৰক ববা বুলিয়ে মাতে)

ঃ তোমাৰ মনত আছেনে? যেতিয়া প্ৰথম মোক মাতিছিলা, মোৰ নামটো তুমি চাৰিটা খণ্ডত বিভক্ত কৰি পেলাইছিলা। আখৰবোৰ শিলত খুন্দা খায় অহা দৰে হৈছিল ন ববা!

ঃ হ'ব সংঘামিত্ৰা, তোমাৰ অলপো যে দয়া নহ'ল মোৰ প্ৰতি। তেতিয়া প্ৰথম প্ৰথমবাৰ কোনোবা মনে ভালপোৱা ছোৱালীক মাতিছোঁ হ'বই দিয়াচোন। তোমাৰ নামটোও ইমান কঠিন ক'বলৈ। কিন্তু দেখিছা এতিয়া কিমান ধুনীয়াকৈ মাতোঁ।

ঃ হয় দিয়া, মাতোঁতে কিছু ৰঙা হৈ পৰিছিলা আৰু পুহমাহতো ঘামি গৈছিলা। এনেদৰে কৈ সংঘামিত্ৰাই হাঁহিবলৈ ধৰিলে। চিত্ৰয়ে নিৰৱে পলে পলে হাঁহিৰ শীতল স্পৰ্শক উপভোগ কৰিছে। হঠাৎ চিত্ৰই অনুভৱ কৰিলে তাক কোনোবাই হাতখনত ধৰি জোকাৰি আছে। সি সংঘামিত্ৰাৰ লগত অতিবাহিত কৰা জগতখনৰ পৰা আঁতৰি আহিবলৈ কিছুপৰ লাগিল। ইমান সময়ে সি কল্পনাৰ জগতত বুৰ গৈ আছিল। সংঘামিত্ৰা মৃত্যু হোৱা প্ৰায় সাত বছৰে হ'ল।

ঃ দেউতা কি চিন্তা কৰি আছা? বহুত ৰাতি হ'ল। আইতায়ে ভাত বাঢ়িছে ব'লা দেউতা খাবাগৈ। চিত্ৰই নিজকে সংযত কৰি ল'লে আৰু ক'লে 'ব'লা মাজনী।' ভাত খায় উঠি চিত্ৰই জীয়েকক শোৱাবলৈ ধৰিছে সংঘামিত্ৰাই গোৱা এটি গান গায়। তাই শুইছে। চিত্ৰই বিছনাৰ পৰা উঠি গৈ খিৰিকীখনৰ কাষত বৈ নিশাৰ আকাশলৈ চাই দুখৰ মাজত প্ৰশান্তিৰ হাঁহি এটি মাৰি খিৰিকীখন ভালকৈ মেলি দিছে। ■



# ভয়

দীক্ষিতা দেৱী
স্নাতক চতুৰ্থ ষাণ্মাসিক

হঠাৎ ৰেৱতীয়ে দৌৰ মাৰি আহিল। মই দৌৰ মাৰি তাইৰ ওচৰ পালোহি। তাইৰ মুখখনি চাব নোৱাৰাকৈ ৰঙা পৰিলত, চুলিৰ মাজে মাজে ঘামৰ বৰষুণ যেন, মই সুধিলোঁ কি হ'ল? তাই যেন একোকে ক'ব পৰা নাই। তাইৰ সেই ৰূপ দেখি মই বৰ ভয় খালোঁ। তাইক বিছনাখনত বহিব দি মই পানী এগিলাছ খাব দিয়াত তাই অলপ শান্ত হ'ল। তাৰ পিছত মই আকৌ সুধিলোঁ— ৰেৱতী তুমি ইমান ভয় কিয় খাইছা? তাই ভয়তে ভঙা ভঙা মাতেৰে ক'ব ধৰিলে— মই পাকঘৰত ভাত বনাই থাকোঁতে হঠাৎ কে এডাল সাপ ক'ৰপৰা যে ওলালহি, মই দেখি খুবেই ভয় খালোঁ। তাইৰ এই কথাটো শুনি মোৰো মনত ভয় উপজিল! এক নভবা-নিচিন্তা ভাবে মোক বৰ চিন্তাত পেলালে। মই এতিয়াই কি কৰোঁ বুলি কৈ ৰহিমে কোঠালিৰ পৰা ওলাই গ'ল। তাৰ পিছত তেওঁও পাকঘৰটোত প্ৰৱেশ কৰি চাৰিওফালে জুমি-জুমি চাব ধৰিলে কিজানিবা আকৌ ওলাই সাপডাল। তাৰ আকৌ এই ভয়টো পত্নী জনীতকৈও বেছি। সি পাকঘৰৰ পৰা ওলাই আহি পত্নীজনীক ক'লে— ৰেৱতী তুমি ভয় কৰিব নালাগে তাত একো নাই, ব'লা ভাত খাওঁ। তেনেকে কোৱাত তাই ভাত বাঢ়িব আহিল। দুয়োজনে ভাত খাই টোপনি মাৰিব লোৱাত বহিৰত যেন বৰ চিএঞৰ-বাখৰ। বৰ এক ভয়ানক চিএঞৰ! ৰহিমে ভয়তে টোপনি মাৰিবপৰা নাই। ৰেৱতীয়ে দিনটো দুখে-ভাগৰে কাম কৰা বাবে তাই ততাতৈয়াকৈ টোপনি গ'ল। চকু দুটা মুদিব মই লৈছিলোঁহে মাতৰ এক ভয়ানক চিএঞৰ-হুলস্থূল মই যে টোপনি মাৰিব পৰা নাই। মই কি কৰোঁ ৰেৱতীক মাতিম নে? তাইনো কি কৰিব মইওতো পুৰুষজন হৈ একো কৰিব পৰা নাই। বাহিৰলৈ গৈ এবাৰ চাওঁ নেকি। নাই, নাই, নোৱাৰি দে যাব। ক'ত বা কি ঘটি আছে, কোন মানুহে বা কি কৰিব লৈছে বৰ ভয় লাগে। মই এনেদৰেতো বিছনাত বহি বহি ভাবি থাকিলে নহ'ব। মই কিবা কৰিব লাগিব। মোৰ এই মনৰ ভয় আঁতৰ কৰিব লাগিব। এনেদৰে ভাবি মই মনটো বুকু ডাঠ কৰি লৈ বিছনাৰ পৰা নামি ল'লোঁ। ঠিক যাব ওলাই দুৱাৰখনৰ খিলিটো খুলিব লোৱাতে ৰেৱতীয়ে বিছনাৰ পৰা মাত লগালে— ক'ত যায় আপুনি, এই ৰাতিখন? ■

# বৰশীৰ খেল

মৃদুস্মিতা দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আজি ৰিয়াৰ মনটো বহুত ভাল লাগি আছে কাৰণ তাই আজি দেউতাকৰ লগত বৰশীৰ খেল চাব যাব তাতে আৰু আজি গৰু বিহু। তাই দেউতাকৰ মুখত শুনিছিল যে ঢেঁকী জালৰ নিচিনাকৈ বাঁহ কেইটা বান্ধিলোৱা হয়। যিটো ফালে জালখন সংযোগ কৰা হয় সেই ফালে হেনো এটা বৰশীত ৰচী লগাই ওলোমাই দিয়া হয়। এই বৰশীটোত মানুহ এজনক বগৰাই লয় আৰু পিঠিত বৰশীটো ফুটাই ঘূৰাব ধৰে। তাতকৈ ৰোমাঞ্চকৰ কথা হৈছে ৰাতি ১২ মান বজাত এজন পূজাৰীয়ে কবৰস্থানত গৈ এটা কবৰস্থানৰ পৰা খান্দি মানুহ এজনৰ মূৰটো উলিয়াই নদীত ধুই পূজা কৰে। এনেতে ৰিয়াই ভাবি থাকোতে দেউতাকৰ ফোন আহিল। তাইক অতি সোনকালে দেউতাকে সাজু হ'বলৈ ক'লে। আধা ঘণ্টা পিছত ৰিয়া আৰু দেউতাক সেই স্থানৰ সন্মুখ পালেহি। অনুষ্ঠান আৰম্ভ হ'বলৈ আৰু প্ৰায় এঘণ্টা সময় বাকী আছিল। সেয়ে দেউতাকে ৰিয়াক সেই স্থানৰ ওচৰতে থকা বন্ধু জনৰ ঘৰলৈ লৈ গ'ল। তাতে সিহঁতক মকুৰাৰ লাডুৰ সৈতে দৈ খাবলৈ দিলে। ৰিয়া মকুৰাৰ লাডু খাই পোৱা নাছিল বাবে লাডুটো দেখি আচৰিত হৈছিল। এনেতে মাইকৰ শব্দ শুনিবলৈ ধৰিলে ৰিয়া আৰু দেউতাক তৎক্ষণাত সেই স্থানত উপস্থিত হ'ল গৈ। দেউতাকে কোৱাৰ নিচিনাকৈ ৰিয়াই দেখিবলৈ পালে ২১-২২ বছৰ বয়সৰ ল'ৰাটোক পাটি এখনৰ ওপৰত বগৰাই লৈ পিঠিখনত পিহি পিহি পূজাৰীজনে বৰশীটো হঠাৎ সমুৱাই দিলে তাই এই দৃশ্য দেখি আচৰিত হ'ল কাৰণ ল'ৰাটোৰ মুখত কোনো ভয় নাছিল আৰু তাতকৈ ডাঙৰ কথা বৰশী ফুটোৱা ঠাই ডোখৰত তেজৰ খুদকণ নাছিল। তাৰ ২ মিনিট পাছত ঢেঁকীৰ নিচিনাকৈ বাঁহটো দাঙি ধৰিলে। এটা মেৰে ঘূৰিব পাইছিল হে হঠাৎ মৰ্ মৰ্ কৰি বাঁহটোৰ পৰা শব্দ ওলাব ধৰিলে তৎক্ষণাত ল'ৰাটোৰ ফালে দুজন মানুহ দৌৰি গ'ল। আমি দেখিলো যে বাঁহটো প্ৰায় ভাগি গৈছে অকণমানৰ কাৰণে বাজি আছে। তাৰ পিছত মাইকত এলাউন্স কৰিব ধৰিলে যে "গয়াবহ বাইজ দুৰ্ভাগ্য বশত আজি আমি এই অনুষ্ঠান ইয়াতে সামৰণি মাৰিব লগা হ'ল যিহেতু আপোনালোকে দেখিলেই" এই বুলি কৈ খেল খন সমাপ্ত কৰিলে ইপিনে ৰিয়া আৰু দেউতাক ঘৰলৈ বুলি ৰাওনা হ'ল। ■





# অনুভৱ আৰু চিন্তা

"একোটি নিৰ্দিষ্ট মানৱীয় অনুভূতিৰ জগতত ঘটা ক্ৰিয়া-প্ৰক্ৰিয়াৰ আনন্দ-বিষাদৰ, ভয় আৰু বিস্ময়ৰ, কল্পনা আৰু আকাংক্ষাৰ শব্দময় আনুভূতিক প্ৰকাশতে সাহিত্য শিল্পৰ জন্ম।"

# লা...!!

জোনমণি দাস
অংশকালীন অধ্যাপিকা, দৰ্শন বিভাগ

ত? মানৱীয়তা অবিহনে মানুহেই বা
অবিহনে জীৱনৰ অৰ্থই বা ক'ত? এটি
পৰিস্থিতিৰ সন্মুখীন হয়; সুখ-দুখ, প্ৰাপ্তি-
ফলতা-বিফলতা লগতে বিভিন্ন সমস্যা।
দুৱাৰও, জীৱনে সুখ-দুখ সকলো দিব।
সকলোবোৰ থাকিবই। ইয়াত মন
এই সকলোবোৰৰ মাজতো যদি আপুনি
হোৱা নাই, জীৱনৰ মধুৰ ক্ষণ তথা
স্থিতিতো যদি জীৱন বাটত আপোনাৰ
ৰং আপোনাৰ খোজ আগলৈ আগবঢ়াই
আপোনাক কোনেও হৰুৱাব আৰু হতাশ
জীৱনৰ প্ৰতিটো পৰিস্থিতিৰ সৈতে আপুনি
পাৰিছে, তেন্তে আপুনি জীৱনৰ প্ৰকৃত
ছে।
নক সফল জীৱন হিচাপে গঢ়ি তুলিবলৈ
ক পথত আগবঢ়াব লাগিব। এই পথত
সন্মুখীন হ'বলগীয়া হয়। গোলাপ ফুল
এবাৰ চুই চাব মন যায়। গছজোপাত
টো স্পৰ্শ কৰাৰ পূৰ্বেই তাৰ চাৰিওফালে
গে। কিয়নো এই গোলাপ ফুলটি কাঁইটৰ
ঠিক সেইদৰে জীৱনৰ সফলতাৰ পথতো
। এই সফলতাও যে বিফলতাৰ কাঁইটৰ
একমাত্ৰ প্ৰচেষ্টাই হৈছে সফলতা প্ৰাপ্তিৰ

তত আন এটা বিষয়বস্তু হৈছে দায়িত্ব!
টো খুবেই প্ৰয়োজনীয়। এই দায়িত্ববোধে
য়ে, এই দায়িত্ববোধে আমাক সকলো
ন হ'বলৈ সাহস দিয়ে, এই দায়িত্ববোধে
যাবলৈ বাধা প্ৰদান কৰে, এই দায়িত্ববোধে
কৰে, একাগ্ৰতা, সততা, নিষ্ঠা, দৃঢ়তা



# অনুভৱৰ দলিচাত... জীৱনৰ এখিলা...!!

জোনমণি দাস
অংশকালীন অধ্যাপিকা, দৰ্শন বিভাগ

জীৱন! আমাৰ জন্মৰ লগে লগেই এটি জীৱনৰ আৰম্ভণি হয় আৰু আমাৰ মৃত্যুৰ লগে লগেই এটি জীৱনৰ অন্ত পৰে। জীৱন হৈছে আমাৰ জন্মৰ পৰা মৃত্যুলৈ গতি কৰা এক যাত্ৰা। এই জীৱন যাত্ৰাৰ পথত আমি প্ৰত্যেকেই বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়। ব্যক্তি বিশেষে জীৱনৰ সংজ্ঞাও ভিন্ন। কিয়নো জন্মৰ পৰা মৃত্যুলৈ এই জীৱন-যাত্ৰা যে প্ৰত্যেকৰে বাবে সমপৰ্য্যায়ৰ নহয়। কোনোৱে যদি অট্টালিকাত জন্মগ্ৰহণ কৰিছে আন কোনোৱে আকৌ জন্মগ্ৰহণ কৰিছে এটি পঁজাত। সেয়েহে প্ৰত্যেকৰে জীৱন-ধাৰণৰ প্ৰণালীও ভিন্ন। তথাপিতো আমি প্ৰত্যেকেই মানুহ হিচাপে জীৱনৰ অৰ্থৰ দিশৰ পৰা চাবলৈ গ'লে কোনোবাখিনিত আমি প্ৰত্যেকেই বিচিত্ৰতাৰ মাজতো ঐক্যবদ্ধ। আমিবোৰ পৰস্পৰে পৰস্পৰৰ লগত সম্পৰ্কিত। এটা জীৱন আন এটা জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত। আমি প্ৰত্যেকেই এখন সমাজৰ বশৱৰ্তী। প্ৰত্যেকেই নিজস্ব কৰ্মৰে নিজৰ নিজৰ জীৱন-যাত্ৰাত গতি কৰি আছে। জীৱন-যাত্ৰাৰ অভিজ্ঞতাও প্ৰত্যেকৰে ভিন্ন হয়। যদিওৱা আমাৰ কৰ্মবোৰ ভিন্ন, আমাৰ জীৱন যাত্ৰা ভিন্ন তথাপিতো আমি ঐক্যবদ্ধ। এই সমাজত বিভিন্ন বৃত্তিধাৰীসম্পন্ন ব্যক্তি আছে। যেনে— খেতিয়ক, গাড়ী চালক, ডাক্তৰ ইঞ্জিনিয়াৰ, শিক্ষক, ব্যৱসায়ী ইত্যাদি। খেতিয়ক আছে বাবেই আমি শস্য পাইছোঁ, গাড়ী চালক আছে বাবেই আমি এঠাইৰ পৰা আন ঠাইলৈ সহজে যাব পাৰিছোঁ, ডাক্তৰ আছে বাবেই আমি শৰীৰৰ অসুস্থতা দূৰ কৰিব পাৰিছোঁ, শিক্ষক আছে বাবেই আমি শিক্ষা অৰ্জন কৰিব পাৰিছোঁ। এইদৰে প্ৰতিটো বৃত্তিসম্পন্ন ব্যক্তিয়েই প্ৰত্যেকৰে লগত ওতঃপ্ৰোতভাৱে জড়িত। বৃত্তি যিয়েই নহওক, কোনো বৃত্তিয়েই সৰু বা ডাঙৰ নহয়। প্ৰতিটো কৰ্মৰেই নিজস্ব মূল্য আছে। আমাৰ কৰ্মবোৰেই আমাক বিচিত্ৰতাৰ মাজতো ঐক্যবদ্ধ কৰি ৰাখে।

অপ্ৰাপ্তিৰ অবিহনে প্ৰাপ্তিৰ আমেজেই বা ক'ত? দুখ অনুভৱ অবিহনে সুখৰ অনুভৱেই বা ক'ত? বিষাদৰ চকুলো অবিহনে হাঁহিৰ তৃপ্তিয়েই বা ক'ত? এন্ধাৰ অবিহনে পোহৰৰ অস্তিত্বই বা ক'ত? কল্পনা অবিহনে বাস্তৱতাৰ সন্ধানেই বা ক'ত? মৰম অবিহনে প্ৰেমৰ অনুভূতিয়েই বা ক'ত? মানৱীয়তা অবিহনে মানুহেই বা ক'ত? এই সকলোবোৰ অবিহনে জীৱনৰ অৰ্থই বা ক'ত? এটি জীৱনত প্ৰত্যেকেই বহুতো পৰিস্থিতিৰ সন্মুখীন হয়; সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি, আশা-নিৰাশা, সফলতা-বিফলতা লগতে বিভিন্ন সমস্যা। জীৱনে হঁহাব, জীৱনে কন্দুৱাবও, জীৱনে সুখ-দুখ সকলো দিব। জীৱন থাকে মানে এই সকলোবোৰ থাকিবই। ইয়াত মন কৰিবলগীয়া কথাটো হ'ল এই সকলোবোৰৰ মাজতো যদি আপুনি ভাঙি পৰা নাই, হতাশ হোৱা নাই, জীৱনৰ মধুৰ ক্ষণ তথা কঠোৰতকৈও কঠোৰ পৰিস্থিতিতো যদি জীৱন বাটত আপোনাৰ খোজ পিছলৈ দিয়া নাই। বৰং আপোনাৰ খোজ আগলৈ আগবঢ়াই গৈছে, তেন্তে জানিব যে আপোনাক কোনেও হৰুৱাব আৰু হতাশ কৰিব নোৱাৰে। যদিহে জীৱনৰ প্ৰতিটো পৰিস্থিতিৰ সৈতে আপুনি খোজ মিলাই আগবাঢ়িব পাৰিছে, তেন্তে আপুনি জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰিছে।

সফলতা! এটি জীৱনক সফল জীৱন হিচাপে গঢ়ি তুলিবলৈ জীৱনটো শুদ্ধ আৰু সঠিক পথত আগবঢ়াব লাগিব। এই পথত বিভিন্ন ঘাত-প্ৰতিঘাতৰো সন্মুখীন হ'বলগীয়া হয়। গোলাপ ফুল সকলোৰে প্ৰিয়। দেখিলে এবাৰ চুই চাব মন যায়। গছজোপাত ফুলি থকা গোলাপ ফুলটো স্পৰ্শ কৰাৰ পূৰ্বেই তাৰ চাৰিওফালে থকা কাঁইটৰ বিন্ধ খাব লাগে। কিয়নো এই গোলাপ ফুলটি কাঁইটৰ মাজতেই বাসস্থান কৰে। ঠিক সেইদৰে জীৱনৰ সফলতাৰ পথতো বিফলতাই বিন্ধে। কিয়নো এই সফলতাও যে বিফলতাৰ কাঁইটৰ মাজতেই বাসস্থান কৰে। একমাত্ৰ প্ৰচেষ্টাই হৈছে সফলতা প্ৰাপ্তিৰ মূল অস্ত্ৰ।

জীৱনৰ লগত জড়িত আন এটা বিষয়বস্তু হৈছে দায়িত্ব! জীৱনত দায়িত্ববোধ থকাটো খুবেই প্ৰয়োজনীয়। এই দায়িত্ববোধে আমাক হতাশ হ'ব নিদিয়ে, এই দায়িত্ববোধে আমাক সকলো পৰিস্থিতিৰ সৈতে সন্মুখীন হ'বলৈ সাহস দিয়ে, এই দায়িত্ববোধে আমাক বহুতো ভুল পথত যাবলৈ বাধা প্ৰদান কৰে, এই দায়িত্ববোধে আপোনাৰ চিন্তাশক্তি গাঢ় কৰে, একাগ্ৰতা, সততা, নিষ্ঠা, দৃঢ়তা

জন্মায়। সেয়ে জীৱনত দায়িত্ববোধৰ আৱশ্যক আৰু ইয়েই জীৱনত বহু ধৰণৰ সদৰ্থক প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।

কেৱল মাথোঁ এয়াই নহয়। সময়ে সময়ে জীৱন যাত্ৰাৰ পথত আমি বহুতো সমস্যাৰো সন্মুখীন হ'বলগীয়া হয়। জীৱনত যদি সকলোবোৰ ঠিকেই থাকিলেহেঁতেন, সকলোবোৰ যদি ভালেই হ'লহেঁতেন তেন্তে জীৱনত সমস্যা বুলিবলৈও একোকে নাথাকিলেহেঁতেন আৰু যদি সমস্যাই নাথাকিলেহেঁতেন আমি কৰিবলগীয়াও একোকে নাথাকিলেহেঁতেন। তেতিয়া মনত আশা, প্ৰশ্ন আৰু চিন্তাৰ সৃষ্টি নহ'লেহেঁতেন আৰু তেতিয়া নতুনত্বৰ আৱিৰ্ভাৱো নহ'লেহেঁতেন। পৌৰাণিকতা আৰু ইতিহাসৰো কোনো অস্তিত্বই নাথাকিলেহেঁতেন। জীৱনৰ সংজ্ঞাই অন্য এক কিবা হ'লহেঁতেন। বৈ গ'লহেঁতেন সকলোবোৰ স্তব্ধ হৈ। যেনেদৰে বহু সময়ৰ পৰা গতিহীন পুৰণি যন্ত্ৰ এটাৰ প্ৰতিটো অংশত মামৰে ধৰাৰ ফলস্বৰূপে ইয়াৰ গতিশীল শক্তি লুপ্ত হয়, ঠিক তেনেদৰেই যদি আমাৰ জীৱনতো কৰিবলৈ একোকে নাথাকে তেন্তে জীৱন যাত্ৰাৰ গতিপথ স্তব্ধ হৈ পৰিব। আমি প্ৰত্যেকেই নিজৰ নিজৰ জীৱনত কৰ্ম কৰিবই লাগিব আৰু এয়াই প্ৰকৃতিৰ নিয়ম।

জীৱনত আমি কেতিয়াবা কিবা হেৰুৱাও আৰু কেতিয়াবা কিবা পাওঁ, আমি পোৱাটোতকৈ হেৰুওৱাটোৰ হিচাপ বেছিকৈয়ে ৰাখোঁ। সেয়ে হয়তো আমাৰ অজ্ঞাতে পোৱাখিনিৰ সুখৰ পৰা আমি বঞ্চিত হৈ থাকোঁ। জীৱনৰ প্ৰতিটো মুহূৰ্তই কিবা নহয় কিবা এটা শিকাই যায়, কিবা এটা লৈ যায় যদিও কিবা এটা দিও যায়। জীৱনে আমাক কি দিলে সেইটো আমি ঠিকেই ভাবোঁ; কিন্তু জীৱনক আমি কি দিছোঁ সেইটো ভাবিছোঁ নে? জীৱনে আমাক যি দিছে সেয়া আমি জীয়াই থকালৈহে থাকিব। কিন্তু জীৱনক আমি যি দিছোঁ বা দিম সেয়া আমাৰ মৃত্যুৰ পিছতো সদায় থাকি যাব, জীৱন নামৰ সেই কিতাপখনৰ স্মৃতিৰ হালধীয়া পৃষ্ঠা হৈ...। ■

# মহাবিদ্যালয়ৰ প্ৰতি মোৰ অনুভৱ

মিছ আছমা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

বিদ্যালয়ত যোৱাৰ পৰা মনত এটা সপোন আছিল যে মই 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন'ত পঢ়িম। মনত এই সপোনটো ৰচিয়েই পঢ়ি আছিলোঁ বিদ্যালয়ত। এটা এটাকৈ শ্ৰেণী আগুৱাই গৈ অৱশেষত প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলোঁ। প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পিছত মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ। প্ৰথম দিনা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন দেখা পাইছোঁ আৰু ভিতৰত প্ৰৱেশ কৰিছোঁ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰোঁতে। 'মহাবিদ্যালয়খনত সোমাই অহাৰ লগে লগে বুকুখন কঁপি উঠিছে। মহাবিদ্যালয়খনত প্ৰৱেশ কৰাৰ লগে লগে মনৰ আনন্দ আৰু কিছুমান সৰু সৰু ভয়ৰ কাৰণে মনৰ পৰা এটা দীঘল হুমুনিয়াহ ওলাই আহিছে। মহাবিদ্যালয়খনত সোমাই অহাৰ আগত গেটখনত থকা বাক্যকেইটা পঢ়ি চালোঁ। গেটখনত লিখা আছে ইংৰাজী ১৯৮৮ চনত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। মহাবিদ্যালয়খনৰ এটা সেউজীয়া পৰিৱেশৰ চানেকি দেখিবলৈ পালোঁ। শ্ৰেণীকোঠাৰ আগত থকা বাগিছাখনত নানা ৰঙৰ ফুল ফুলি আছে। ইমান যে ধুনীয়া। মহাবিদ্যালয়খন দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত। পলাশবাৰী থানাখনৰ কাষতে মহাবিদ্যালয়খন অৱস্থিত। মহাবিদ্যালয়খনৰ উত্তৰফালে ছাত্ৰহঁতৰ ডিপাৰ্টমেণ্ট অৱস্থিত। দক্ষিণফালে শ্ৰেণীকোঠা, কেণ্টিন আদি অৱস্থিত। পশ্চিমফালে হোষ্টেলখন, খোৱাপানী, প্ৰস্ৰাৱগাৰ আদি অৱস্থিত। ডাঙৰ খেলপথাৰখনৰ কাষত বহুতো গছ-গছনি আছে। প্ৰথমদিনা শ্ৰেণীকোঠাত সোমাওঁতে প্ৰথমতে ছাৰ এজনে পাঠদান আৰম্ভ কৰিলে। বিদ্যালয়ত থাকোঁতে বহুতৰ মুখৰপৰা শুনিছিলোঁ যে কলেজত হেনো ক্লাছ নকৰিলেও একো নহয়। নিজৰ মতে চলিব পাৰি। ক্লাছবোৰ খৰধৰকৈ কৰে লিখিব সময় নিদিয়ে। ছাৰে ক্লাছত সোমোৱাৰ পিছত ভয় লাগিছিল প্ৰথমতে কেনেকৈ বা ক্লাছ কৰে, গালিয়ে পাৰিব নেকি, তাৰ পিছত ক্লাছটো কৰি ভাবিলোঁ যে সকলো কথা শুনিলেই সঁচা নহয়। মহাবিদ্যালয়খনৰ ছাৰ-বাইদেউসকল বহুত ভাল। মৰমেৰে বুজাই দিয়ে। কিবা নাজানিলে বহুত ধুনীয়াকৈ শিকাই দিয়ে। মহাবিদ্যালয়খনত সকলো কাম সময়ত কৰে। সেইকাৰণে বেছি ভাল লাগে মোৰ। সময়ৰ অপব্যৱহাৰ নকৰে। খেল-ধেমালি, নৱাগত আদৰণী সভা আদি সকলোবোৰ বস্তু নিয়ম-নীতি মানি কৰে। মহাবিদ্যালয়খনৰ শিকণ পদ্ধতি বহুত বেছি ভাল লাগে। সময়মতে ক্লাছবোৰ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনত প্ৰায় তিনি হাজাৰমান ছোৱালী আছে। ■



# ধ্বংস নে উন্নতি

ভনীতা দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তন্ময় এজন Medical Student আৰু সি চহৰত বাস কৰে। এইবাৰ নিজৰ Medical Course শেষ কৰি তাৰ সৰু কালৰ বন্ধু চিন্ময়ৰ ঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। চিন্ময় গাঁওত থাকে আৰু তন্ময়ে চিন্ময়ৰ ঘৰলৈ ছয় বছৰ আগতে গৈছিল। সি চিন্ময়ৰ ঘৰলৈ যোৱাৰ বাবে আগ্ৰহী হৈ আছিল। আৰু দেওবাৰৰ দিনা সি চিন্ময়ৰ ঘৰলৈ যোৱাৰ যাত্ৰা আৰম্ভ কৰে। চিন্ময়ৰ ঘৰ বেছি দূৰ নহয় প্ৰায় চাৰি ঘণ্টাৰ ৰাস্তা। তন্ময়ে গাড়ীত বহি যায় থাকোতে মনত পৰিছিল সেই ছয় বছৰ আগৰ কথা যেতিয়া তন্ময় চিন্ময়ৰ গাঁৱলৈ গৈছিল। তাৰ মনত আছিল যে চিন্ময়হঁতৰ গাঁওখন অতি মনোমহা তথা ধুনীয়া। গাঁওখন প্ৰাকৃতিক পৰিৱেশেৰে ভৰপুৰ। গছ-লতা, চৰাই, ফল-ফুল আদি অতি সুন্দৰ আৰু তাত থকা মানুহবোৰ বহুত ভাল ইজনে-সিজনৰ লগত অতি মিলা-প্ৰীতিৰে থাকে। এনেদৰে সেই গাঁওখনৰ কথা ভাবি-ভাবি তন্ময় চিন্ময়হঁতৰ গাঁওখন পালেহি। তন্ময় গাড়ীৰ পৰা নমাৰ লগে-লগে চিন্ময়ক দেখিলে। আৰু চিন্ময়ে তন্ময়ক আদৰিবলৈ তাত থিয় হৈ আছিল। আৰু চিন্ময়ে তন্ময়ক সাৱতি ধৰি ক'লে "Welcome to our village বন্ধু"।

তন্ময়ে চিন্ময়ক দেখি যিমান সুখী অনুভৱ কৰিছিল সিমানে গাঁওখনক দেখি আচৰিত হৈছিল। কিয়নো গাঁওখন সি ছঁয় বছৰ আগতে দেখাৰ দৰে নাই। সম্পূৰ্ণ পৰিৱৰ্তন হৈছে। এতিয়া গাঁওখন গাঁও হৈ থকা নাই গাঁওখন এখন চহৰ হৈছে। সি গাঁওখনৰ ভিতৰলৈ প্ৰৱেশ কৰি দেখিলে যে গাঁওখনৰ সেই ঘৰবোৰ প্ৰায় নাই। ঘৰবোৰৰ সলনি ডাঙৰ-ডাঙৰ অট্টালিকা হৈছে। আৰু ৰাস্তাবোৰ পকী হৈছে কিন্তু গাড়ী-মটৰৰ তীব্ৰবেগে যেন বতাহকও ফালি-চিৰি অহা-যোৱা কৰি আছে।

এনেতে চিন্ময়ে মাত লগালে যে - "বন্ধু ইয়াতে থাকিবানে আমাৰ ঘৰলৈকেও যাবা"। চিন্ময়ক উত্তৰ দি তন্ময়ে ক'লে - "ও যাম যাম বন্ধু কিন্তু এটা কথা কোৱা চোন"! যোঁৱাবাৰ আহোতে যে মই ইয়াত এডাল ডাঙৰ আহত গছ দেখিছিলো ক'ত আছে বাৰু গছজোপা। চিন্ময়ে কলে যে "ও গছজোপা"! গছজোপা এতিয়া নাই নহয় কাটি পেলাইছে। সৌ দূৰত যে দেখিছা কোম্পানিটো তাত আছিল গছজোপা। তন্ময়ে একো নোকোৱাকৈ তাৰ পৰা গুচি আহিল। আৰু চিন্ময়ৰ ঘৰত আহি হাত-ভৰি ধুই চাহ-পানী খাই দুয়ো বন্ধুৱে বহুত কথা পাতি পাতি শুই গ'ল।

পিছদিনা চিন্ময়ে তন্ময়ক সিহঁতৰ গাঁওখন দেখালে আৰু তাত থকা মঠ-মন্দিৰ সমূহৰ দৰ্শন কৰালে। কিন্তু গাঁওখনত এতিয়া মন্দিৰত কৈ "চপিং মʼল" হে বেছি। আৰু গাঁওখনত গছৰ সংখ্যা প্ৰায় নাই বুলি ক'ব পাৰি। গছৰ সলনি ডাঙৰ-ডাঙৰ উদ্যোগ স্থাপন হৈছে। যাৰ ফলত সেই উদ্যোগৰ পৰা ওলোৱা ধোঁৱাই বায়ু প্ৰদূষিত কৰিছে। প্ৰদূষিত বায়ুৰ বাবে তাত থকা মানুহবোৰে ৰাস্তাৰে অহা-যোৱা কৰোতে কন-কন শিশু সকলক মাস্ক পৰিধান কৰাইছে। আৰু মানুহবোৰ প্ৰদূষিত বায়ুৰ বাবে বিভিন্ন ছালৰ ৰোগ হৈছে। আৰু মানুহে ৰাস্তাৰ কাষত জাবৰ-জোঁথৰ, পেলোৱাৰ ফলত নলা-নৰ্দমা ভৰি পৰিছে আৰু সৰু সুৰাকৈ কৃত্ৰিম বানৰ সৃষ্টি হৈছে। আৰু তাত থকা পুখুৰীটো য'ত পদুম ফুলি থাকিছিল তাত এতিয়া উদ্যোগ সমূহৰ লেতেৰা জাবৰেৰে ভৰি পৰিছে। আৰু গাঁওৰ সেই আলিবাটটো য'ত এডাল ডাঙৰ গছ আছিল তাৰ তলত গাঁওৰ ডেকা-বুঢ়া সকলোৱে গছৰ তলত বহি ছাঁ লৈ কথাৰ মহলা মাৰিছিল। কিন্তু এতিয়া সেই গছবোৰ নাই। সকলো গছ কাটি শেষ। মানুহ আছে বাৰু কিন্তু আগৰ দৰে সেই কথাৰ মহলা নাই। সকলোৱে কেৱল নিজৰ ম'বাইলত ব্যস্ত, কোনো কাৰো খবৰ ল'বলৈকে সময় নাই। আৰু তাত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি আৰু গছ-গছনি নথকাৰ ফলত চৰাইবোৰ নাইকিয়া হৈছে এতিয়া সৰু লৰা-ছোৱালীয়ে চৰাই চাবলৈ হ'লে Google ত হে দেখা পাব। আৰু প্ৰদূষণৰ বাবে বিভিন্ন ৰোগ ও দেখা দিছে গাঁওখনত। গছ নোহোৱাৰ ফলত বৰষুণ নোহোৱা হৈছে। যাৰ ফলত চাৰিওফালে শুকান হৈ পৰিছে। যেন ফাগুনৰ পছোৱা হে। মুকলি বতাহৰ অভাৱ ঘটিছে। এতিয়া গাঁও গাঁও নহয় চহৰ হৈছে। গৰমত উত্তাপ বৃদ্ধিৰ ফলত AC এ ও কাম নকৰা হৈছে।

তন্ময়ে তাত কেইদিনমান থাকি আকৌ ঘৰলৈ উভতি আহিল। আৰু সি গম পালে যে উন্নতি হ'লে নহ'ব আমি পৰিৱেশক ভাল দৰে সংৰক্ষণ কৰি ৰাখিব লাগিব। উন্নতি কৰাৰ ফলত আমি পৰিৱেশক ধ্বংস কৰি আছো নেকি? আহি থকা ন-প্ৰজন্মক আমি প্ৰকৃতি কেনেদৰে সংৰক্ষণ কৰিব লাগে তাক জনোৱা উচিত। চিন্ময়হঁতৰ গাঁওখনৰ উন্নতি হৈছে বাৰু মানুহবোৰ শিক্ষিত হৈছে নে যে প্ৰকৃতিক আমি ভাল দৰে ৰাখিব লাগে। চহৰ হৈ সা-সুবিধা হৈছে ভাল কথা কিন্তু উন্নতি হ'লে নহ'ব প্ৰকৃতিক সংৰক্ষণো কৰিব জানিব লাগিব।

আমি সকলোৱে এডাল গছ কটাৰ সলনি পাঁচ ডাল গছ ৰুব লাগিব। ধৰিত্ৰী অৰ্থাৎ প্ৰকৃতি আমাৰ আই আমি আমাৰ আইক ভাল দৰে ৰখা আমাৰ দায়িত্ব তথা কৰ্তব্য। ■

# ভাৰ্চুৱেল জগতখন

**পল্লৱী দাস**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আজিকালি মানুহবোৰ বৰ ব্যস্ত। দৈনন্দিন জীৱনৰ ব্যস্ততাৰ মাজত আমি যেন একো একোটা যন্ত্ৰহে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে কাৰো হাতত সময় নাই। কোনোবা যদি নিজক গঢ় দিয়াত ব্যস্ত আন কোনোবা আকৌ নিজৰ সন্তানক। কোনোবা যদি পৰিয়ালৰ বাবে উপাৰ্জনত ব্যস্ত কোনোবা আকৌ বিশেষ সেৱাত নিমজ্জিত। যান্ত্ৰিক পৃথিৱীখনত এতিয়া বেছিভাগ কথাই আনুষ্ঠানিক। কিন্তু এই ব্যস্ততাৰ মাজতো মানুহে মানুহৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ থাকে। মানুহৰ মনবোৰে যেন বিচৰা কামবোৰৰ বাবে পৰিসৰ বিচাৰে। চিন্তা আৰু অনুভৱৰ মিল থকা মানুহবোৰৰ সন্ধান কৰে। এই চাহিদা পুৰণৰ বাবে আগতে মানুহে চিঠি লিখিছিল। বন্ধুবৰ্গৰ সৈতে আড্ডা মাৰিছিল। এতিয়া মানুহৰ  এই চাহিদা পুৰণৰ বাবে সামাজিক মাধ্যমৰ কাল্পনিক জগতখনত মনে বিচৰা ধৰণে সকলো পোৱা যায়। সেই বাবেই অকণমান আহৰি পালেই আজিৰ মানুহে ঢাপলি মেলে ভাৰ্চুৱেল জগতখনৰ দিশে। ৰাতি ৰাতি টোপনি ক্ষতি কৰি বিচৰণ কৰে ভাল লগা শিতানবোৰত। এইদৰেই চিন্তা আৰু অনুভৱৰ মিল থকা মানুহবোৰ লাহে লাহে একাত্ম হৈ গৈ থাকে। ভিৰৰ মাজত কিছুমান মানুহ বিশেষ হৈ গৈ থাকে। ব্যক্তিগত পৰ্যায়ত অনুসৰণ কৰা হয়। আমাৰ ভাব-চিন্তা, কথা-বতৰা, আচৰণ আনকি উদাহৰণতো ভাৰ্চুৱেল জগতখনৰ প্ৰিয় মানুহবোৰ ক'ব নোৱাৰাকৈয়ে শিপাই পৰে। আমি নিজকে মায়াত আৱদ্ধ কৰোঁ।

আনৰ ওচৰত নিজক সুন্দৰকৈ উপস্থাপন কৰিবলৈ আৰু প্ৰভাৱ বিস্তাৰ কৰিবলৈ মানুহে নিজৰ প্ৰফাইল আটক ধুনীয়াকৈ সজাই ৰাখে। নিজক সজোৱাৰ পৰিৱৰ্তে প্ৰফাইল সজোৱাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰে। মিঠা মিঠা বহুতো ভাল লগা অনুভৱেৰে মনৰ জগতখন এইদৰেই কিছুমান সম্পৰ্কৰ পাতনি মেলে। বাস্তৱৰ দুখ হতাশা, অপ্ৰাপ্তিৰ অনুভৱৰ পৰা লাহে লাহে আঁতৰি গৈ এচাম মানুহে এইদৰে সুখী হ'বলৈ চেষ্টা কৰে আৰু এইদৰেই লাহে লাহে নিজৰ পৰিয়ালৰ আৰু আপোন মানুহবোৰৰ পৰা আঁতৰি গৈ থাকে। ■

# 'বন্ধু' কোন?

**আৰ্জিনা বেগম**
স্নাতক চতুৰ্থ যাণ্মাসিক

হাতত ধৰি লৈ যোৱাজন নহয়, নিজে নিজে খোজ কাঢ়িবলৈ সক্ষম কৰি তোলাজনহে বন্ধু। ভুল দেখি এৰি যোৱাজন বা ভুল দেখি মানি লোৱাজন নহয়, ভুল দেখি শুধৰাই দিয়াজনহে বন্ধু। বন্ধুৱে আপোনাক ভালনে বুলি নোসোধে, বৰঞ্চ বেলেগকহে আপোনাৰ ভাল বেয়াৰ খবৰ দিয়ে। বন্ধুত্ব এটি সম্পৰ্ক নহয় এটি বুকু জুৰ পেলোৱা অনুভূতি। এই অনুভূতি যিটো সম্পৰ্কতেই থাকে, সেইটো সম্পৰ্কই মধুৰ হৈ পৰে। সেয়া লাগিলে স্বামী-স্ত্ৰীয়েই হওক, পিতৃ-পুত্ৰয়েই হওক বা আন সম্পৰ্কয়েই হওক। মানৱ জাতিলৈ ঈশ্বৰে দিয়া এটি সুন্দৰ আশীৰ্বাদ 'বন্ধুত্ব' যিটো আমি সাধাৰণতে হেৰাই যোৱাৰ পাছতহে উপলব্ধি কৰোঁ। প্ৰেমে সপোন দেখুৱাই, কিন্তু বন্ধুৱেই সপোন পূৰণৰ বাট দেখুৱায়। প্ৰেমে প্ৰতিশ্ৰুতি দিয়ে, কিন্তু বন্ধু নিজেই প্ৰতিশ্ৰুতি। প্ৰেমে মানুহৰ বাবে ছাঁ হ'ব পাৰে, কিন্তু বন্ধুত্ব ছাঁ নহয়। বৰঞ্চ ই ছাঁ দিয়া গছহে। প্ৰেম সলনি হয় কিন্তু বন্ধুত্ব সলনি নহয়। বন্ধুত্বৰ ভৰসা নাইবা বিশ্বাস নাথাকে কাৰণ, বন্ধুত্বৰ অৰ্থৱেই জীৱন, ভৰসা আৰু বিশ্বাস। একো নালাগে জীৱনটোত, মাত্ৰ যিকোনো সময়তে একো নভৱাকৈ যদি ' ঔ শুনা না' বুলি ক'ব পৰাকৈ এজন বন্ধু আছে তেন্তে আপুনি পৃথিৱীৰ আটাইতকৈ চহকী ব্যক্তি। তেওঁক নেহেৰুৱাব চিৰদিন। ■



# মামণি ৰয়ছম গোস্বামী ছাত্ৰীনিবাস আমাৰ দ্বিতীয় ঘৰ

**মিনাক্ষী শৰ্মা**
স্নাতক পঞ্চম যাণ্মাষিক

ছাত্ৰ-ছাত্ৰী জীৱনত ছাত্ৰীবাস এক গুৰুত্বপূৰ্ণ অধ্যায়। পঢ়া-শুনাৰ লগতে ই শৃংখলা, নিজকে গঢ়ি তোলা আৰু নিজৰপৰা পৃথক হৈ অন্য ছাত্ৰীসকলৰ সৈতে একত্ৰ হৈ জীৱন-যাপন কৰাৰ বিশেষ সুযোগৰ প্ৰদান কৰে। মোৰ অধ্যয়ন জীৱনৰ অন্যতম স্থান হৈছে 'মামণি ৰয়ছম গোস্বামী ছাত্ৰীনিবাস'। এই ছাত্ৰীনিবাসখন মোৰ বাবে কেৱল থাকিবলৈ এখন ঘৰ নহয়, বৰং এক শিক্ষাৰ ক্ষেত্ৰ আৰু অভিজ্ঞতাৰ ভঁৰাল।

নমস্কাৰ মোৰ নাম মিনাক্ষী শৰ্মা। মই গোৱালপাৰা জিলাৰ সাধাৰণ পৰিয়ালৰ এজনী ছোৱালী। আন আন ছোৱালীবোৰৰ নিচিনাকৈ মোৰো ছাত্ৰীনিবাসৰ অভিজ্ঞতা ল'বলৈ সৰুৰে পৰা খুব মন আছিল, অৱশেষত মোৰ এই বাস্তৱ ৰূপ ল'লে যেতিয়া কামৰূপ জিলাত অৱস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত স্নাতকৰ বাবে নামভৰ্তি কৰিলোঁ আৰু মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসতে থাকিবলৈ নিশ্চিত কৰিলোঁ। আমা ছাত্ৰীনিবাসখন ২০১৩ চনৰ ২২ মে' তাৰিখৰ দিনটোত উদঘাটন কৰা হৈছিল। আমাৰ মৰমৰ ছাত্ৰীনিবাসখনৰ নাম হৈছে 'মামণি ৰয়ছম গোস্বামী ছাত্ৰীনিবাস' আৰু বৰ্তমান আমাৰ ছাত্ৰীনিবাসখনৰ পৰিচালক জন হৈছে ড° বিপুণ দলে ছাৰ। তেওঁ আমাক মৰম আৰু অনুশাসনৰ মাজেৰে পৰিচালনা কৰাৰ ফলস্বৰূপে ছাত্ৰীনিবাসখন আমাৰ সকলোৰে অতিকৈ মৰমৰ আৰু দ্বিতীয় ঘৰস্বৰূপ হৈ পৰিছে।

আমাৰ ছাত্ৰীনিবাসখনৰ পৰিৱেশ শান্ত আৰু অনুকুল। ইয়াত সকলো ছাত্ৰীয়ে এজনীৰ সৈতে আনজনী সমভাগীত্ব আৰু সম্প্ৰীতিৰে বাস কৰে। ছাত্ৰীনিবাসৰ ছাত্ৰীসকলে একেলগে পঢ়া, খেলা-ধূলা কৰা, সাংস্কৃতিক অনুষ্ঠান কৰা আদিৰ মাধ্যমেৰে নিজৰ প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰে। ছাত্ৰী নিবাসত ভগ্নীৰ দৰে মিলি থকা পৰিৱেশে ছাত্ৰীসকলক আত্মনিৰ্ভৰশীল আৰু দায়িত্ববান কৰি তোলে। মেছত খাবলৈ একেলগে বহি খাদ্য খোৱাৰ পৰা আৰম্ভ কৰি ৰাতি অধ্যয়ন কৰা, নজনা কাৰ্যবোৰত পৰস্পৰে পৰস্পৰক সহায় কৰা, পৰীক্ষাৰ সময়ত জনে আনজনক সহায় কৰা সকলোতে মামণি ৰয়ছম গোস্বামী ছাত্ৰীনিবাসখনে আমাক 'আপোন গৃহ'ৰ অনুভৱ দিয়ে। তদুপৰি ছাত্ৰীনিবাসখনে আমাক শৃংখলা আৰু নিয়ম-নীতি কঠোৰভাৱে মানি চলিবলৈ শিকায়। এই নীতি-নিয়মবোৰে আমাৰ জীৱনক সুসংগঠিত কৰে আৰু ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰে। ইয়াৰ উপৰি আমি ছাত্ৰীনিবাসখনত ক্ৰীড়া, সাহিত্যিক অনুষ্ঠান আৰু বিভিন্ন উৎসৱ উদযাপন কৰোঁ যিয়ে আমাক আনন্দ আৰু মিলনৰ অনুভৱ যোগায়।

মামণি ৰয়ছম গোস্বামী ছাত্ৰীনিবাস কেৱল মাত্ৰ এখন ছাত্ৰীনিবাস নহয়, ই মোৰ জীৱনৰ এক স্মৃতিৰ ভঁৰাল, অজস্ৰ জ্ঞানৰ ভঁৰাল, যিটো জ্ঞানবোধ কৰোঁ মই ঘৰত থকা হ'লে কেতিয়াও লাভ কৰিবলৈ সক্ষম নহ'লোহেঁতেন। ইয়াত থকা প্ৰতিটো দিন আমাক শিক্ষা, সম্প্ৰীতি আৰু জীৱনৰ সঁচা অৰ্থ বুজাই দিয়ে। সেইবাবে মই গৰ্বিত  মই এই ছাত্ৰীনিবাসৰ এটা অংশ হ'বলৈ সক্ষম হৈছোঁ। মোৰ অভিজ্ঞতাৰ কথানো কিমান ক'ম, ক'বলগা আৰু শিকিবলগা বহু আছে। আশা কৰোঁ আৰু যিমান দিন মই মোৰ প্ৰিয় ছাত্ৰিনিবাস মোৰ দ্বিতীয় ঘৰখনত আছোঁ এই ঘৰখন এৰি যোৱাৰ আগমুহূৰ্তলৈ ঘৰখনে মোক বহুতো জ্ঞান, অভিজ্ঞতা প্ৰদান কৰিব। অৱশেষত মই আশা কৰোঁ মোৰ লিখনিৰ দ্বাৰা আপোনালোকে মোৰ মনৰ ভাব বুজিবলৈ সক্ষম হৈছে আৰু বিদ্যাৰ্থীৰ জীৱনত ছাত্ৰীনিবাসৰ যি প্ৰয়োজনীয়তা সেয়াও অনুভৱ কৰিব পাৰিছে। ধন্যবাদ। ■

# National Service Scheme Unit
# Dakshin Kamrup Girls' College Mirza

**Dr. Mitali Kathkatia**
Associate Prof. Dept. of Education & NSS Programme Officer

The NSS Unit of Dakshin Kamrup Girls' College was established in the year 1995. Late Dr. Bhaswati Das, HoD Dept. of Home Science was the first Programme Officer of the unit. After her untimely demise in the year 2009, the responsibility of the NSS programme officer was entrusted with Dr. Mitali Kathkatia, Associate Prof. Dept of Education, Dakshin Kamrup Girls College Mirza, The NSS Unit has been inspiring thousands of students to serve the community for its development since its inception.

The campus – community connect has moved beyond organiging blood donation camps, cleaning drives to painting of the walls of community schools, provide academic support to the needy etc. The unit has taken part in various out-campus and in-campus activities, drives and workshops with zeal to establish a profound bond between the institution and community people. Health Campus, Swacch Bharat Summer Internship Programmes. Digital literacy dirves, Road safty drives, Plantation drives, anti Alcoholism drives, Environmental awareness programme, Fit India movement. Yoga and meditation for sound mental health, Entrepreneurship development programmes, Life skill workshop, Nutrition and women health and Hygiene, Gender sensitisation, and on Law against sexual harassment of women are some of the programmes organised by the NSS Unit of the college. The active and enthusiastic participation of the NSS volunteers in all these activities was very encouraging in increasing knowledge, improving attitudes & motivating people for prostitute behavioural change. The initiatives taken by the NSS volunteers to great awareness on various National Flagship Programmes i.e Pradhan Mantri Ujjwala Yojana, Pradhan Mantri Jan Dhan Yojana, Pradhan Mantri Jivan Bima Yojana etc has created a huge awareness among people on these issues. The volunteers of the unit have been a part of many national level, state level and district level NSS camps and festivals. It is also a huge honour for the institution that the programme officer Dr. Mitali Kathkatia was selected as a contingent leader representing North-eastern Region of India for the republic Day Parade Camp, New Delhi 2020. Miss Gitanjali Das, NSS volunteer of the college was also selected for the same.

The NSS Unit of the college continues to push boundaries and achieve excellence in the field of community service, In the year 2018-19 the NSS Unit of the college earned silver medal for leadership in Tabacco control in the state of Assam. Dr. Mitali Kathkatia, Programme officer of the NSS Unit is the recipient of prestigious University level NSS award in the year 2018-19 and State level NSS Award in the same year. The NSS of the college bought laurels to the institution and the state Assam for its untiring and inspirational service to the community for which programme officer Dr. Mitali Kathkatia was honoured with the awarded NSS Award 2021-22. The award was conferred by the Honourable President of India in the year 2023 in the category of best NSS Programme Officer.

Dakshin Kamrup Girls' College Mirza truly values its association with the wonderful organization and strives to commit towards serving the community and the nation at large with the NSS motto in mind and heart "NOT ME BUT YOU."■






## ২০২৪ বৰ্ষৰ
## বঁটা’

মিছ নাজমা বেগম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বঢ়োৱা হৈছে - ‘অসম প্ৰকাশন পৰিষদ
টাত আছে নগদ ৩ লাখ টকা, মানপত্ৰ,

প্ৰকাশন পৰিষদে ‘অসম প্ৰকাশন পৰিষদ
১ বৰ্ষত ড° নন্দিতা দেৱী আৰু ২০২২
কা আৰু ২০২৩ বৰ্ষত ড° ধ্ৰুৱজ্যোতি
হিদেৰে উক্ত দুটা বৰ্ষত প্ৰকাশকৰ বঁটা লাভ
টা হৈছে ক্ৰমে - ‘জ্যোতি প্ৰকাশন’, ‘বান্ধৱ’
ম্পানী’।
চূড়ান্ত পৰ্যায়ত নিৰ্বাচন কৰা গ্ৰন্থৰ অন্যান্য
কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাস ‘বুঢ়াদিয়াৰ
ৰ বৰকাকতিৰ উপন্যাস ‘ঐশ্বৰ্য্য,। সমীৰ
ৰে বাটৰ কথা জানে।’ আৰু দেৱব্ৰত দাসৰ
ধু’। ■

## Na
## Daksh

The NSS Unit of D
College was established in t
Bhaswati Das, HoD Dept. of H
Programme Officer of the u
demise in the year 2009, the r
programme officer was ent
Kathkâtia, Associate Prof. Dep
Kamrup Girls College Mirza,
inspiring thousands of student
for its development since its i

The campus – comm
beyond organiging blood do
drives to painting of the wall
provide academic support to t
taken part in various out-c
activities, drives and worksho
profound bond between the in
people. Health Campus, S
Internship Programmes. Digi
safty drives, Plantation drives
Environmental awareness
movement. Yoga and meditatic
Entrepreneurship developme
workshop, Nutrition and wo
Gender sensitisation, and
harassment of women are s
organised by the NSS Unit c
and enthusiastic participation
all these activities was very c
knowledge, improving attitude
prostitute behavioural change
the NSS volunteers to grea
National Flagship Program





# যশস্বী সাহিত্যিক যেছে দৰজে ঠংচিলৈ ২০২৪ বৰ্ষৰ 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা'

মিছ নাজমা বেগম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকক প্ৰদান কৰি অহা সন্মানীয় 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা' আৰু 'অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা' ঘোষণা কৰা হয়। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'ব লগীয়া অসম গ্ৰন্থমেলা, গুৱাহাটীৰ বাকৰিত এক সংবাদমেলৰ আয়োজন কৰি পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা ঘোষণা কৰে। ২০২৪ বৰ্ষৰ 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা'ৰে সন্মানিত হৈছে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচি। 'ধাৰ আৰু অন্যান্য গল্প' শীৰ্ষক গ্ৰন্থখনৰ বাবে ঠংচিলৈ এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি-পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। উল্লেখ্য, 'অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা লাভ কৰা বিশিষ্ট্য সাহিত্যিক য়েছে দৰজে ঠংচিৰ 'ধাৰ আৰু অন্যান্য গল্প' গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে গুৱাহাটীৰ 'বনলতা'ই। সেয়ে 'বনলতা' লৈ আগবঢ়োৱা হৈছে - 'অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা'। প্ৰকাশক বঁটাত আছে নগদ ৩ লাখ টকা, মানপত্ৰ, আৰু কিতাপৰ টোপোলা।

উল্লেখ্য, অসম প্ৰকাশন পৰিষদে 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা বিগত ২০২১ বৰ্ষত ড° নন্দিতা দেৱী আৰু ২০২২ বৰ্ষত ড° প্ৰণৱজ্যোতি ডেকা আৰু ২০২৩ বৰ্ষত ড° ধ্ৰুৱজ্যোতি বৰাক প্ৰদান কৰিছিল। সেইদৰে উক্ত দুটা বৰ্ষত প্ৰকাশকৰ বঁটা লাভ কৰা প্ৰকাশন প্ৰতিষ্ঠান তিনিটা হৈছে ক্ৰমে - 'জ্যোতি প্ৰকাশন', 'বান্ধৱ' আৰু 'আসাম পাব্লিচিং কোম্পানী'।

বিচাৰকমণ্ডলীয়ে চূড়ান্ত পৰ্য্যায়ত নিৰ্বাচন কৰা গ্ৰন্থৰ অন্যান্য কেইখন গ্ৰন্থ হ'ল ভূপেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাস 'বুঢ়াদিয়াৰ পাৰে পাৰে', দীপক কুমাৰ বৰকাকতিৰ উপন্যাস 'ঐশ্বৰ্য্য,। সমীৰ তাঁতীৰ কাব্য গ্ৰন্থ 'ফৰিংবোৰে বাটৰ কথা জানে।' আৰু দেৱব্ৰত দাসৰ উপন্যাস 'কড়ি খেলাৰ সাধু'। ■



# মোৰ মানসপটত বিষ্ণু ৰাভা

মল্লিকা ৰাভা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আৰম্ভণি ঃ- ১৯০৯ চনৰ ৩১ জানুৱাৰীত, ব্ৰিটিছ ভাৰতৰ অন্তৰ্গত ঢাকা চহৰত বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হৈছিল। বিষ্ণু প্ৰসাদ ৰাভাৰ পিতাৰ নাম আছিল গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম আছিল গেঁঠী ৰাভা।

স্কুলীয়া শিক্ষা ঃ- বিষ্ণু প্ৰসাদ ৰাভাক ৫ বছৰ বয়সতে পঢ়াশালিত নামভৰ্তি কৰি দিছিল। বিষ্ণু প্ৰসাদ ৰাভাই স্কুলীয়া শিক্ষা ঢাকাত আহৰণ কৰিছিল।

বিষ্ণু প্ৰসাদ ৰাভা এজন কবি, সংগীতকাৰ, নৃত্যকাৰ, চিত্ৰকাৰ, বাদ্যকাৰ, সুৰকাৰ ইত্যাদি আছিল। বিষ্ণুৰাভা দেৱে ১৯৩৯ চনত কাশীৰ হিন্দু বিশ্ববিদ্যালয়ত ১০৮ বিধ নৃত্য কৰিছিল আৰু তাণ্ডৱ নৃত্যত বিমুগ্ধ হৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডক্টৰ সৰ্বপাল্লী ৰাধা কৃষ্ণন দেৱে সোণৰ পদক প্ৰদান কৰিছিল লগতে 'কলাগুৰু' উপাধিৰে সন্মানিত কৰিছিল। ১৯২৬ চনত বিষ্ণুপ্ৰসাদ ৰাভাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চলচিত্ৰ অংকণ কৰিছিল। বিষ্ণু প্ৰসাদ ৰাভা এজন বিশ্ব বিখ্যাত কবি আছিল।

বিষ্ণুপ্ৰসাদ ৰাভা দেৱে বহুতো গীত লিখিছিল তাৰে ভিতৰত

১। লগন উকলি গ'ল ....

২। মোৰ কবিতাৰ ছন্দ লাগি ...

৩। বিশ্বৰ ছন্দে ছন্দে ...

৪। পৰজনমৰ ...

ইং ১৯৬৯ চনৰ ২০ জুন তাৰিখে বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু হয়। এই দিনটোকে বিষ্ণু ৰাভা দিৱস হিচাপে পালন কৰোঁ। ■

# বিষ্ণু ৰাভা

নিশা দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আৰম্ভণি ঃ- আমাৰ সকলোৰে পৰিচিত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দেৱৰ জন্ম হৈছিল ১৯০৯ চনত বাংলাদেশৰ ঢাকাত। তেখেতক আমি বিষ্ণুৰাভা বুলি জানোঁ। তেখেতে বহুতো উপন্যাস, চলচ্চিত্ৰ, কাব্য, গীত আদি ৰচনা কৰিছিল। তেখেতে বিভিন্ন ধৰণৰ গীত গাইছিল। তেখেতৰ গীত শুনি মানুহে মনমুগ্ধ হৈছিল আৰু প্ৰত্যেক অসমীয়াৰ মনে-প্ৰাণে প্ৰিয় আছিল। তেখেতে স্বাধীনতা সংগ্ৰামো কৰিছিল। তেখেতে নাটক কৰিছিল, প্ৰবন্ধ লিখিছিল। তেখেত সকলোবোৰ ক্ষেত্ৰতে আগশাৰীৰ ব্যক্তি আছিল। তেখেতৰ পিতৃয়েও গীত শুনি বহুত ভাল পাইছিল। ৰাভা বুলি ক'লে অৰ্থাৎ তেওঁৰ উপাধিৰে সকলোৱে তেওঁক চিনি পাইছিল। তেওঁৰ মৃত্যুৰ দিনটোক আমি ২০ জুন তাৰিখে আমি 'ৰাভা দিৱস' হিচাপে পালন কৰোঁ।

সামৰণি ঃ তেখেতৰ মৃত্যু হৈছিল ১৯৬৯ চনৰ ২০ জুন তাৰিখে। তেওঁৰ কথা ক'লেই মনত আহে যে তেওঁ কিমান মহান ব্যক্তি আছিল। তেখেতৰ স্থান যে আৰু কোনেও ল'ব নোৱাৰে। তেখেতৰ কেইটামান বিৰচিত গীত ..

১। মোৰ কবিতাৰ ছন্দ লাগি

২। কুৰুৱা বতাহে ইত্যাদি।

তেখেত আজি আমাৰ মাজত নাই যদিও এনে লাগে যে তেওঁ সদায় আমাৰ কাষতে আছে। কাৰণ ৰাভা কামৰ বাবে মৰিও অমৰ। ■



# ২০২৪ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাত স্থান প্ৰাপ্ত লেখা

## থিতাতে লিখা বাতৰি

### প্ৰথম স্থানপ্ৰাপ্ত

## দক্ষিণ কামৰূপৰ গড়লত ৩ দিনীয়া কাৰ্যসূচীৰে মনসা পূজাৰ আয়োজন

ডিউলী কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

পলাশবাৰী গড়ল ঃ ৭ ফেব্ৰুৱাৰী ঃ দক্ষিণ কামৰূপৰ গড়লস্থিত ধৰ্মীয় স্থলী মনসা মন্দিৰত ৩ দিনীয়া কাৰ্যসূচীৰে মনসা পূজাৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচী যোৱা ৫ ফেব্ৰুৱাৰী তাৰিখৰ পৰা অনুষ্ঠিত হৈ আছে, লগতে আজি এই পূজাভাগৰ দ্বিতীয় দিন উপলক্ষে গড়ল অঞ্চল অগণন ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটিছে। এই মনসা পূজাভাগীৰ শুভাৰম্ভ কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মনসা মন্দিৰটোৰ গঠন কাৰ্য আৰু উন্নত কৰাৰ হেতুকে মন্দিৰটোলৈ ১ কোটি টকাৰ বৰঙণি আগবঢ়ায়। অসমৰ ভিন্ন প্ৰান্তৰ লোক এই অনুষ্ঠানত অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ পৰিৱেশ গুৱনি কৰি তোলে। পূজা-পাতাল, নাম প্ৰসংগৰে গড়ল অঞ্চলৰ আয়তী সকলে পৰিৱেশ বিশুদ্ধ কৰে আৰু প্ৰায় প্ৰথম দিনাখনেই এই কাৰ্যসূচীত ৫ হাজাৰৰো অধিক লোকৰ সমাগম ঘটে। এই কাৰ্যসূচীৰ এক মুখ্য আকৰ্ষণ হৈছে ইয়াৰ সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানটোৰ অন্তিম অৰ্থাৎ ৭ ফেব্ৰুৱাৰী তাৰিখে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গে। সেয়ে মন্দিৰটোৰ পৰিচালনা সমিতিৰ পৰা সমূহ ভক্তিপ্ৰাণ ৰাইজৰ মনসা পূজাৰ এই কাৰ্যসূচীত উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰা হ'ল।

বাতৰি সংগ্ৰাহক

নাম ঃ..............................

ঠিকনা ঃ ..............................

### দ্বিতীয় স্থানপ্ৰাপ্ত

## বৰটাৰী গাঁৱৰ দুৰ্গা পূজা

জুৰি দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

*১৫ অক্টোবৰ, ২০২৩ ঃ*

"বৰটাৰী গাঁওৰ দুৰ্গা পূজা'।

যোৱা ১৫/১০/২০২৩ ইং তাৰিখে অনুষ্ঠিত হৈ যোৱা দুৰ্গা পূজাখনে বিশেষ আকৰ্ষণীয় পৰিৱেশৰ সৃষ্টি কৰিছিল।

১৫ তাৰিখৰ দিনা আৰম্ভ হৈছিল মহা ষষ্ঠী পূজা। সেইদিনা ৰাতিপুৱাতে কুমাৰী ছোৱালী কেইটামানৰ হতুৱাই পানী তোলাৰ পৰা আৰম্ভ কৰি ব্ৰাহ্মণজনাই মাঁ দুৰ্গাৰ ষষ্ঠী পূজা ভাগ সু-কলমে চলাই নিয়ে।

ইয়াৰ পিছ দিনা ১৬ তাৰিখৰ দিনা হয় মাঁ দুৰ্গাৰ মহা সপ্তমী পূজা।

ইয়াৰ পিছ দিনা ১৭ তাৰিখে হয় মহা অষ্টমী পূজা। আৰু এই অষ্টমী পূজাখনৰ দিনা গাঁৱৰ সকলোবোৰ মানুহে প্ৰসাদ দিবলৈ

আহিছিল। যিটো এক উলহ-মালহ আৰু হুলস্থুল পৰিবেশ আছিল। আৰু সকলোবোৰ মানুহৰ কাৰণে 'খিচাবী-ভোগ' এটি আয়োজন কৰা হৈছিল।

ইয়াৰ পিছত বাতি বিশেষ আকৰ্ষণীয় অনুষ্ঠান পতা হৈছিল। য'ত সকলোৰে প্ৰিয় গায়ক 'নীল আকাশ' ক নিমন্ত্ৰণ জনোৱা হৈছিল। আৰু অষ্টমীৰ দিনায়ে 'তিৰোতাৰ নাম' ও নিমন্ত্ৰণ কৰা হৈছিল। এনেকৈ গাঁওখনত এক বহুত ভাল লগা পৰিৱেশৰ সৃষ্টি হৈছিল।

ইয়াৰ পিছত নৱমী, তাৰ পিছত দশমীৰ দিনা মাঁ দুৰ্গাদেৱীক বিসৰ্জন দিয়া হৈছিল।

বাতৰি সংগ্ৰাহক
নাম ঃ..........................
ঠিকনা ঃ ..........................

## তৃতীয় স্থানপ্ৰাপ্ত

## বিজয়নগৰৰ দখলা গাঁৱত উদ্‌যাপন কৰা মুকলি বিহু

ভনীতা কলিতা
স্নাতক চতুৰ্থ ষান্মাসিক

আজিৰ বিশেষ বাতৰি ঃ তাৰিখ ২-১-২৪

আজিৰ পৰা বিজয়নগৰৰ দখলা গাঁওত এখনি মুকলি বিহু উদ্‌যাপন কৰা হৈছে। সেই বিহু তিনি দিন ধৰি চলিব। সেই তিনিও দিনে বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ লগতে আমাৰ চিনাকি বিখ্যাত কণ্ঠশিল্পী আমন্ত্ৰণ কৰাৰ লগতে বিখ্যাত নাট্যকাৰ সকলক নিমন্ত্ৰণ কৰা হৈছে।

এই মুকলি বিহুখন উদ্‌যাপন কৰাৰ মূল উদ্দেশ্য হৈছে ডেকা-গাভৰু সকলৰ ভিতৰত লুকাই থকা বিভিন্ন প্ৰতিভা সমূহ প্ৰদৰ্শন কৰা। এই মুকলি বিহুত বিভিন্ন জিলা, বিভিন্ন গাঁৱৰ হুঁচৰি দলৰ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰা। সেই অনুষ্ঠানৰ জৰিয়তে সকলো মানুহে নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি দেখুৱাৰ উপৰি বহু কথা শিকিলে। লগতে বিখ্যাত ব্যক্তিসকলেও তাত গৈ বিভিন্ন অনুষ্ঠান উপভোগ কৰিলে।

## তৃতীয় স্থানপ্ৰাপ্ত

## লক্ষীমপুৰৰ শ'লাল গাঁৱত হৈ যোৱা ৰাসলীলা

ৰিমঝিম কৌশিক
স্নাতক চতুৰ্থ ষাণ্মাসিক

কাতি ঃ ১-৭-২৩

পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি এইবাৰো লক্ষীমপুৰ জিলাৰ শ'লাল গাঁৱত দুদিনীয়া কাৰ্যসূচীৰে ৰাসলীলা আয়োজন কৰা হয়। অভিনেত্ৰী আইমী বৰুৱাই ৰাসলীলা নাটখনিত দৈৱকীৰ চৰিত্ৰ ৰূপায়ন কৰে। বাকী চৰিত্ৰ সমূহ স্থানীয় শিল্পীসকলৰ দ্বাৰা ৰূপায়ন কৰা হৈছে বুলি আয়োজক সকলে জানিবলৈ দিছে। ৰাসলীলা খনিত প্ৰথম দিনা অৰ্থাৎ ২৮-৭-২০২৩ তাৰিখে মন্ত্ৰী পিযুষ হাজৰিকাই বন্তি প্ৰজ্জ্বলন কৰে আৰু প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা শ'লাল গাঁৱৰ বাতৰি বোতনা পাৰিজাত সংঘটিৰ মেৰামতিৰ নামত পাঁচ লাখ টকা অনুদান হিচাপে আগবঢ়োৱাৰ কথা ঘোষণা কৰে। সকলো গাঁওবাসী আৰু স্থানীয় ৰাইজৰ সহযোগত ৰাসলীলাখনি সূচাৰুৰূপে অনুষ্ঠিত হয়।

লক্ষীপুৰৰ পৰা
.....................ৰিপৰ্ট



# থিতাতে লিখা ৰচনা

## প্ৰথম স্থানপ্ৰাপ্ত

## সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ ভূমিকা

ডিউলী কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

আৰম্ভণি ঃ বৰ্তমান সময়ত সামাজিক মাধ্যমে এক অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। সামাজিক মাধ্যমৰ ফলত মানৱ জীৱন অতি সহজলভ্য হৈ পৰিছে। বিজ্ঞানৰ এই উপহাৰে মানুহৰ কঠিন কাম অতি কম সময়তে কৰিব পৰা কৰি তুলিছে। এই সামাজিক মাধ্যমৰ ফলতে বৰ্তমানৰ পৃথিবী এখন সৰু গাৱঁলৈ পৰিণত হৈছে।

<u>বৰ্তমান সময়ত সামাজিক মাধ্যমৰ গুৰুত্ব অথবা সুবিধাসমূহ</u> ঃ-

সামাজিক মাধ্যম বৰ্তমান সকলোৰে এক পৰিচিত বিষয়। সৰু ল'ৰা-ছোৱালীৰ পৰা প্ৰাপ্ত বয়স্ক সকলো ইয়াৰ লগত জড়িত। সামাজিক মাধ্যমৰ কেইটামান উদাহৰণ হ'ল - Google, Whatsapp, Facebook, Instagram, Twitter, Youtube ইত্যাদি। সামাজিক মাধ্যমে যিহেতু পৃথিৱীখনক এক সৰু গাঁৱলৈ পৰিৱৰ্তিত কৰিছে, তাৰ ফলস্বৰূপে আমি সামাজিক মাধ্যমবোৰ Google, Twitter আদিৰ জৰিয়তে বিশ্বৰ সকলো ঠাইৰ খবৰ ঘৰত বহিয়ে আহৰণ কৰিব পাৰোঁ। Youtube হ'ল এক জনপ্ৰিয় সামাজিক মাধ্যম, আৰু বৰ্তমান যুগত ইয়াৰ প্ৰচলন বহু বেছি। ক'ৰোণা মহামাৰীৰ সময়ত Youtube ৰ প্ৰচলন ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বৃদ্ধি পাইছিল। যিহেতু মহামাৰীৰ সময়ত দেশত লক-ডাউন ঘোষণা কৰা হৈছিল, সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে ঘৰতে বহি দেশৰ বিখ্যাত বিশ্ববিদ্যালয়ত কৰ্মস্থিত শিক্ষাগুৰু অথবা যিকোনো প্ৰখ্যাত শিক্ষাগুৰুৰ পৰা ঘৰত বহিয়ে শিক্ষা আহৰণ কৰিব পাৰিছিল। আন এক মহামাৰীৰ কালত প্ৰচুৰভাৱে ব্যৱহৃত সামাজিক মাধ্যম হ'ল Google Meet অথবা Zoom, এই দুটা মাধ্যমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে লক-ডাউনৰ সময়ত নিজ নিজ বিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষাগুৰুৰ পৰা অনলাইন মাধ্যমত শিক্ষা লাভ কৰিব পাৰিছিল। Youtube ৰ জৰিয়তে বৰ্তমান বহু লোক "Youtube Vlogging" কৰি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱা পৰিলক্ষিত হৈছে। আন এক প্ৰখ্যাত সামাজিক মাধ্যম হ'ল "Google' যাৰ আৱিস্কাৰ ১৯৯৮ চনত কৰা হৈছিল। "Google" ত সকলো প্ৰশ্নৰ উত্তৰ আৰু লগতে আমি নজনা যিকোনো তথ্য ইয়াৰ জৰিয়তে জানিব পাৰোঁ। আন কেইটামান সামাজিক মাধ্যম যেনে - "Facebook" আৰু Whatsapp ৰ জৰিয়তে আমি পৃথিৱীৰ যিকোনো প্ৰান্তৰ লোকৰ লগত যোগাযোগ স্থাপন কৰিব পাৰোঁ। বৰ্তমান শিক্ষাৰ লগত জড়িত কেইবিধমান সামাজিক মাধ্যম হ'ল - Byjus, Physics, Wallah, Un-academy, Extramarks আৰু বহুতো। এই কেইবিধ মাধ্যমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ঘৰতে বহি অনলাইন শিক্ষা আহৰণ কৰি JEE, NEET, UPSC, GATE, CAT আদি পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে। বৰ্তমান প্ৰচলিত এক প্ৰখ্যাত আৰু সকলোৰে মাজতে পৰিচিত সামাজিক মাধ্যম হ'ল - Chat gpt, যাৰ সহায়তে আমি যিকোনো প্ৰশ্নৰ উত্তৰ বহলভাৱে লাভ কৰিব পাৰো।

<u>সামাজিক মাধ্যমৰ অসুবিধাসমূহ</u> ঃ-

সামাজিক মাধ্যমে বৰ্তমান সমাজক বিমানখিনি সহজলক্ষ্য কৰিছে লগতে ইয়াৰ কু-প্ৰভাৱও সকলোৰে মাজত পৰিছে। সামাজিক মাধ্যমৰ ফলত ভুৱা বাতৰি আহি সহজে সকলোফালে বিয়পি পৰে। সামাজিক মাধ্যমৰ ফলত বেছিভাগ ল'ৰা-ছোৱালী বেছিভাগ সময় পঢ়াৰ পৰা আঁতৰি থাকি ইয়াৰ লগত জড়িত হোৱা পৰিলক্ষিত হয়। বৰ্তমান সামাজিক মাধ্যমৰ সহায়ত এচাম ভুৱা লোকে আন লোকসকলৰ পৰা বেংকৰ সংক্ষিপ্ত, ধন আদিৰ অভিযোগ কৰা দেখা যায়। যিহেতু বৰ্তমান সামাজিক মাধ্যমৰে E-books ইত্যাদি পোৱা যায়। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলে পুথিভঁৰালৰ ব্যৱহাৰ কমাই দিয়া পৰিলক্ষিত হৈছে। Chatgpt ৰ দৰে থকা ব্যৱস্থাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে গৃহকৰ্ম ইত্যাদি ইয়াৰ সহায়তে নিজে প্ৰচেষ্টা নকৰি সম্পন্ন কৰা দেখ যায়।

<u>সামৰণি</u> ঃ

সামাজিক মাধ্যম যিহেতু বিজ্ঞানৰ এক উপহাৰ সেয়ে আমি ইয়াক উপহাৰ হিচাপে গ্ৰহণ কৰি ভাল কাৰ্যত ব্যৱহাৰ কৰা উচিত। সামাজিক মাধ্যমক ভালদৰে ব্যৱহাৰ কৰাৰ দায়িত্ব আছে কেৱল আমাৰ হাতত। বিশেষকৈ অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে সামাজিক মাধ্যমক কেনেদৰে ব্যৱহাৰ কৰিছে তাৰ ওপৰত চকু দিয়া উচিত আৰু সিঁহতক ইয়াৰ পৰা হ'ব লগিয়া বিপদ সমূহৰ বিষয়ে অৱগত কৰোৱা উচিত।

দ্বিতীয় স্থানপ্ৰাপ্ত

## সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ ভূমিকা

ভনীতা কলিতা
স্নাতক চতুৰ্থ যান্মাসিক

আৰম্ভণি : সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ ভূমিকা অন্যতম। আজিৰ সমাজত সামাজিক মাধ্যম জীৱনৰ এক অন্যতম অংগ হৈ পৰিছে। আজিৰ সমাজত যিকোনো সামাজিকে হওক বা নিজস্ব কিবা কাম হওক সামাজিক মাধ্যমৰ অবিহনে কৰিবলৈ সম্ভৱ নহয়।

সামাজিক মাধ্যমৰ জৰিয়তে আজিকালি মানুহে সকলো ঠাইৰ কথা ভালকৈ জানিব পাৰিছে। যাৰ ফলত কোনো এখন অচিনাকি ঠাইলৈ গ'লে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লগা নহয়। সামাজিক মাধ্যমৰ জৰিয়তে শিক্ষিত ল'ৰা-ছোৱালীবোৰ বিভিন্ন ধৰণৰ কৰ্ম-সংস্থাপনৰ দিশ দেখা পাইছে। যাৰ ফলত সেই সমূহ ল'ৰা-ছোৱালীয়ে এনেই থাকিব লগীয়া হোৱা নাই। সামাজিক মাধ্যমৰ জৰিয়তে মানুহৰ মাজত লুকাই থকা জ্ঞান আৰু চিন্তা সমূহ মানুহৰ মাজলৈ বিলাই দিব পাৰিছে। কোনো এজন ভাল ডাক্তৰৰ কথাও সামাজিক মাধ্যমৰ জৰিয়তে মানুহৰ মাজত প্ৰচাৰ কৰিব পাৰি। যাৰ ফলত মানুহ এজনে সেই ডাক্তৰ জনৰ সহায়ত এজন মানুহৰ জীৱন সুস্থ হৈ পৰিব। সামাজিক মাধ্যম বিভিন্ন প্ৰকাৰ আছে। যেনে - ফেচবুক, হোৱাটচএপ, টুইটাৰ, দূৰদৰ্শন, ৰেডিঅ'। সেই সমূহৰ দ্বাৰাই মানুহৰ প্ৰতিভা আনৰ আগত প্ৰদৰ্শন কৰিব পাৰি। আজি-কালি বিভিন্ন ধৰণৰ উদ্যোগ স্থাপন হৈ উঠিছে। সেই উদ্যোগ সমূহ বা সেই উদ্যোগত কি উৎপন্ন কৰা বা সেই উদ্যোগটো কিহৰ বিষয়কলৈ স্থাপন কৰিছে সেই কথাতো মানুহৰ মাজত বা সমাজত প্ৰচাৰ কৰিবলৈ সামাজিক মাধ্যম ব্যৱহাৰ কৰে। আজিৰ সমাজত জীৱন নিৰ্বাহ কৰিবলৈ সামাজিক মাধ্যমৰ অতি প্ৰয়োজন। সামাজিক মাধ্যমৰ ফলত মানুহে বিভিন্ন ধৰণৰ কথাই শিকি ল'ব পাৰে। যদি এজন মানুহে কোনো এখন ঠাই বা কোনো বস্তুৰ কথা নাজানে তেতিয়াই সেই সমস্যা সমূহ সামাজিক মাধ্যমে দূৰ কৰে।

সাম্প্ৰতিক সময়ত সামাজিক মাধ্যম বুলি ক'লেই আজিৰ সমাজত বিশেষভাৱে মানুহৰ অতি প্ৰয়োজন ম'বাইল ফোন। সেই ম'বাইল ফোনটোৰ ভিতৰতে ভাল-বেয়া সকলো কথাই থাকে। ব্যৱহাৰ কৰিবলৈ জানিলে সেই ফোনটোৱেই বহু কথা শিকায়।

সামাজিক মাধ্যমৰ ভাল আৰু বেয়া দিশ এই দুয়োটা দিশেই থাকে। সামাজিক মাধ্যমে মানুহৰ উপকাৰ আৰু অপকাৰ দুয়োটাই কৰে।

<u>সামাজিক মাধ্যমৰ উপকাৰ</u> :-

সামাজিক মাধ্যমৰ জৰিয়তে সকলো মানুহে নিজৰ ভিতৰত লুকাই থকা প্ৰতিভা সমূহ সকলো ঠাইৰ মানুহৰ মাজত বিয়পাই দিব পাৰে। যাৰ ফলত মানুহৰ প্ৰতিভা সমূহ সকলো মানুহে ল'ব পাৰে। সেই মাধ্যম সমূহ যেনে - ফেচবুক, হোৱাটচএপ।

<u>সামাজিক মাধ্যমৰ অপকাৰ</u> :-

সামাজিক মাধ্যমত জৰিত বুলিয়েই ভালৰ বিপৰীতো থাকে। কিছুমান মানুহে সামাজিক মাধ্যমৰ জৰিয়তে মানুহক ঠগায় লগতে সেই মানুহ জনক মানসিক অশান্তিৰ সৃষ্টি কৰি পেলাই আৰু কিছুমান মানুহ সামাজিক মাধ্যমটো কেৱল নিজৰ স্বাৰ্থৰ বাবে চলাই অন্য মানুহক অশান্তি দিয়ে।

<u>সামৰণি</u> :-

আজিৰ সমাজত সামাজিক মাধ্যম অতি প্ৰয়োজন। কিন্তু সামাজিক মাধ্যম প্ৰয়োজন বুলিয়েই ভাল খিনিহে মানুহে আয়ত্ত কৰাটো অতি প্ৰয়োজন। কিন্তু সামাজিক মাধ্যমটোৱেই হ'ল এক মাধ্যম য'ত মানুহৰ বিকাশ কৰিব পাৰি। লগতে সকলো কথাৰ জ্ঞান অৰ্জন কৰিব পাৰি। ■



**থিতাতে লিখা গল্প**

তৃতীয় স্থানপ্ৰাপ্ত

## নেটৱৰ্ক নাই

ডিউলী কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

প্ৰথম অধ্যায় : সংযোগ বিচ্ছিন্ন

ৰাতি ঠিক আঠ বজাত যেতিয়া ৰিয়াৰ ৰিলছৰ তিনি হাজাৰ ভিউ আহি পাইছিল, যেতিয়া দিপাঙ্কৰে অনলাইন গেমত লেভেল সাতত উপনীত হৈছিল, যেতিয়া নিশান্তই তাৰ বাকি থকা প্ৰজেক্টখিনি সম্পূৰ্ণ কৰোঁ বুলি মোবাইলটো হাতত লৈছিল— ঠিক সেই মুহূৰ্ততে সকলো শেষ হৈ গ'ল।

হঠাৎ সকলোৰে ফোনৰ নেটৱৰ্ক বন্ধ হৈ পৰিল। অলপ সময়ৰ বাবে ভাবিলোঁ হয়তো কেনেবাকে কিবা বিজুতিৰ বাবে নেটৱৰ্কটো নোহোৱা হৈ পৰিল। ডাটাটো অন-অফ কৰিলোঁ, ফোনটোও এবাৰ ৰিষ্টাৰ্ট কৰি দিলোঁ, খিৰিকীৰ ওচৰলৈ গৈ হাতখনত ফোনটো লৈ দাঙি ধৰিলোঁ, যেনে কেনেবাকে আকৌ নেটৱৰ্কটো ঘূৰি আহে। কিন্তু নাই মানেই নাই।

"কি হ'ল?" ৰিয়াই ফোনটো জোকাৰি জোকাৰি ক'লে, যেনে তেনে কৰিলেই তাই নেটৱৰ্ক ঘূৰাই পাব।

চাৰিওফালে আৱাজ উঠিল—

"ভাই, তোমাৰ মোবাইলৰ নেটৱৰ্কে কাম কৰি আছে নে?"

"হে ভগৱান! মই অনলাইন এচাইনমেণ্ট জমা দিব লাগিছিল।"

সকলোৰে মনত হতাশা। অৱশেষত আমি সকলোৱে নিজৰ নিজৰ কোঠালৈ ওভতি গ'লোঁ। মই বিচনাখনত পৰি হাতত ফোনটো লৈ অফলাইন গেম এখনকে খুলিলো, কিন্তু পাঁচ মিনিটত বিৰক্ত হৈ গ'লোঁ। গেলাৰীত পুৰণি ফটো চালোঁ, কিন্তু তাত কমেণ্ট নাই, লাইক নাই, শ্বেয়াৰ নাই— যে কিবা এটা আধৰুৱা।

দ্বিতীয় অধ্যায় : কৰিডৰত সমাগম

আমি এজন এজনকৈ সকলো কৰিডৰৰ ফালে ওলাই আহিলোঁ।

"এতিয়া কি কৰিম?" দীপাংকৰে সুধিলে।

"ৱাৰ্ডেনৰ ওচৰলৈ যাম নেকি?" মই সুধিলোঁ।

"যাব যদি যা। তেওঁ আকৌ ক'ব, পঢ়া-শুনা কৰ, ফোনটোক লৈ কিয় ইমান হাবাথুৰি খাইছ"। পংকজে উত্তৰ দিলে।

আমি কৰিডৰতে থিয় হৈ ৰ'লোঁ, সকলোৰে মনত নিৰাশা। তেনেতে প্ৰিয়মে মাত লগালে, চাহ খাবি নেকি তহঁতে?

সকলোৱে চাই ৰ'ল। চাহ? এনেয়ে? কাৰণ নোহোৱাকৈ?

"হয়, চাহ।" প্ৰিয়মে পুনৰ ক'লে। "মই বনাম, কমন ৰুমলৈ আহ।"

তৃতীয় অধ্যায় : চাহৰ সুগন্ধ আৰু হেৰোৱা কথাবোৰ

হোষ্টেৰ কমন ৰুমটো সাধাৰণতে মৰিশালীৰ দৰে, নেটৱৰ্ক তাত কম পাই বাবে সাধাৰণতে তালৈ কোনো নাহে। কিন্তু সেইদিনা আমি সকলো তালৈ গ'লোঁ।

প্ৰিয়মে পানী উতলাবলৈ ধৰিলে। তাৰ পিছত চাহপাত, এলাচি, আদা, চেনি সকলো নিখুতভাৱে দিলে। চাহৰ সেই আমোলমোল গোন্ধটো যেতিয়া কোঠাটোত বিয়পি পৰিল, তেতিয়া আমাৰ সকলোৰে মনবোৰ অলপ শান্ত হ'ল।

"কিমান দিনৰ পিছত এনেকুৱা চাহ খাইছোঁ।" ৰিয়াই ক'লে।

"তই দেখোন সদায় কেণ্টিনৰ চাহৰ সোৱাদ ল'ব যাব।" দীপাংকৰে ক'লে।

"সেইটো চাহ নহয়, পানী। এইটোহে আচল চাহ।" ৰিয়াই ধেমেলীয়া হাঁহি মাৰি ক'লে।

নিশান্তই বিস্কুটৰ পেকেট এই এটা উলিয়াই আনিলে, আমি সকলো মজিয়াত বহি পৰিলোঁ গোলাকাৰ হৈ, যেনেকৈ স্কুলৰ দিনত পিকনিকত বহিছিলোঁ।

"তোৰ গাঁৱৰ নাম কি?" ৰিয়াই পংকজক সুধিলে।

"গহপুৰ। কিয় সুধিছ?"

"এনয়ে। তাত বানপানী বেছি হয় নেকি?"

পংকজৰ চকুত স্মৃতি ভাঁহি আহিল। "হয়। দুবাৰ আমাৰ ঘৰখন উটি গৈছিল। দেউতাই কয়— পানী আহে পানী যায়, কিন্তু আমি ইয়াতেই থাকি যাওঁ।"

"তোৰ গাঁও?" পংকজে ৰিয়াক সুধিলে।

"নামদাং। মোৰ গাঁৱৰ এখন শিলৰ দলং আছে। ৰিয়াই ক'লে। বহু পুৰণি। মোৰ দেউতাহঁতৰ আজোককাকেও সেই দলঙেৰে পাৰ হৈছিল। "আৰে, তাত দেখোন ৰিলছ বনাব পাৰিব!" নিশান্তই

মাত লগালে, তাৰ পিছতে মনত পৰিল।

"অ', নেটৱৰ্ক নাই যে।"

আমি হাঁহিলোঁ, সেই হাঁহিটো বেলেগ আছিল। ইম'জি নাই, জি আই এফ নাই, কেৱল মুখৰ হাঁহি, য'ত কোনো যান্ত্ৰিকতা নাই।

চাহৰ জুতি লোৱাৰ পিছত প্ৰায় দহমান বজাত আমি ছাদলৈ উঠি গ'লোঁ। আকাশখন সিদিনা বৰ পৰিস্কাৰ হৈ আছিল, নক্ষত্ৰবোৰে যেন তিৰবিৰাই আমাৰ লগত কথা পাতি আছিল।

"সেইটো চা— সপ্তৰ্ষিমণ্ডল" পংকজে আঙুলিয়ালে।

"ক'ত? মই ভেনাচ বুলিহে ভাবিছিলোঁ" ৰিয়াই ক'লে।

"তই আকৌ জানিবি নে? গুগলত সুধি চা!" দীপাংকৰে ক'লে । তাৰ পিছত মনত পৰিল— "অ' নেটৱৰ্ক নাই"। আমি মনেৰে হাঁহিলোঁ। তাৰ পিছত নিশান্তই ক'লে, "তইঁতে জাননে মোৰ আইতাই কৈছিল তৰাবোৰ আচলতে আমাৰ পূৰ্বপুৰুষ, তেওঁলোকে আমাক চাই থাকে।"

"সঁচা নেকি?" প্ৰিয়মে সুধিলে।

"নাজানো। কিন্তু বিশ্বাস কৰিলে ভাল লাগে।"

আমি একেথৰে ৰাতিৰ আকাশখনলৈ চাই থাকিলোঁ। সকলোৰে নিজৰ ওচৰত থকা মোবাইল ফোনটোৰ কথা পাহৰি গ'ল, পাহৰি গ'ল যে কিছুপৰ আগলৈ সেই মোবাইল ফোনটোৰে সকলোৰে মনত অশান্তিৰ সৃষ্টি কৰিছিল। আমি সকলোৰে কেৱল আকাশখনৰ ফালে চাই থাকিলোঁ। যেন আগতে কেতিয়াও চোৱা নাছিলোঁ। ■



# শ্লোগান

## প্ৰথম স্থানপ্ৰাপ্ত

ডিউলী কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

১। দেশখনক উন্নতিৰ দিশলৈ আগবঢ়াই নিবলৈ
স্বচ্ছ ভাৰত অভিযানক সমৰ্থন জনাওঁক।।

২। আমি ভৱিষ্যত প্ৰজন্মক উপহাৰ দিব পৰা আটাইতকৈ ভাল উপহাৰ হৈছে এখন বিশুদ্ধ আৰু স্বচ্ছ ভাৰত।।

৩। স্বচ্ছতাই হৈছে ৰোগ নিৰাময়ৰ মূল মাপকাঠি।।

৪। দেশৰ প্ৰতিজন নাগৰিকৰ এটা সৰু খোজেই
ভাৰতবৰ্ষক স্বচ্ছতাৰ দিশলৈ লৈ যোৱাত সহায় কৰিব।।

৫। দেশখনৰ স্বচ্ছতাৰ আগত আহি পৰে দেশৰ নাগৰিকৰ স্বচ্ছতা, সেয়ে খোৱাৰ আগত নিজৰ হাত-মুখ ভালদৰে পৰিষ্কাৰ কৰি ল'ব।

৬। প্লাষ্টিকৰ জাবৰ-জোঁথৰ য'তে-ত'তে নেপেলাব, ই ভৱিষ্যতে আপোনাৰ বাবে সংকটৰ সৃষ্টি কৰিব।।

৭। ৰোগ নিবাময়ৰ বাবে বিশুদ্ধ পানী খোৱাৰ বাবে ব্যৱহাৰ কৰা অতিকৈ জৰুৰী।।

## দ্বিতীয় স্থানপ্ৰাপ্ত

জুৰলী তালুকদাৰ
স্নাতক দ্বিতীয় ষাম্মাসিক

১। 'পৰিৱেশ স্বচ্ছ ৰখা, জীৱন বচোৱা।"

২। "স্বচ্ছ ভাৰত, উন্নত ভাৰত"।

৩। "মানুহৰ মনবোৰ স্বচ্ছ কৰক, পৃথিৱীখনো স্বচ্ছ হ'ব"।

৪। 'দেশখন স্বচ্ছ ৰখা, বেমাৰৰ পৰা ৰক্ষা পৰিবা"।

৫। 'প্ৰদূষণ মুক্ত দেশ, স্বচ্ছ দেশ"।

জুৰী দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

<u>স্বচ্ছ ভাৰত</u>

১। স্বচ্ছতাই আমাৰ সু-স্বাস্থ্যৰ মূল মন্ত্ৰ।

২। স্বচ্ছ ভাৰত গঢ়ি দি আমাৰ দেশখনক আগুৱাই লৈ যাওঁ।

৩। স্বচ্ছ পৰিৱেশে আমাৰ সমাজত ব্যক্তিত্ব বিকাশ সাধন কৰে।

৪। আমাৰ ভাৰত স্বচ্ছ ; আমাৰ দেশ উন্নত।

৫। আহা ; আমি মিলি-জুলি এখন স্বচ্ছ ভাৰত গঢ়ি তোলো।

৬। প্লাষ্টিক বৰ্জন কৰক আৰু স্বচ্ছ ভাৰত গঢ়ি তোলক।

৭। স্বচ্ছ ভাৰত গঢ়ি তোলাই আমাৰ দৃঢ় সংকল্প।

## তৃতীয় স্থানপ্ৰাপ্ত

প্ৰিয়ংকা তালুকদাৰ
স্নাতক চতুৰ্থ ষাণ্মাসিক

<u>স্বচ্ছ ভাৰত</u>

১। গঢ়িম আমাৰ ভৱিষ্যত
পৰিষ্কাৰ আৰু স্বচ্ছ কৰিম
আমাৰ ভাৰত।

২। *Brightness Come from
to clean India.
Do Bright India.*

# থিতাতে অঁকা চিত্ৰাংকণ প্ৰতিযোগিতা

প্ৰথম স্থানপ্ৰাপ্ত

চেহনাজ পাৰবিন
স্নাতক তৃতীয় ষাণ্মাসিক





# বিভাগীয় প্ৰতিবেদন

## সভানেত্ৰীৰ প্ৰতিবেদন



নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ দক্ষিণ কামৰূপ অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ আঁৰৰ প্ৰতিগৰাকী মহানুভৱী, ত্যাগী, অক্লান্ত পৰিশ্ৰমী বৰেণ্য ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাই সভানেত্ৰীৰ একলম আগবঢ়াবলৈ লৈছোঁ।

ছাত্ৰী সকলৰ হেঁপাহৰ মহাবিদ্যালয়খনত ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈছিলোঁ। আকৌ দ্বিতীয় বাৰৰ বাবে ২০২৩-২৪ ইং বৰ্ষৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী সকলৰ অত্যন্ত মৰম আৰু সহযোগ লগতে শিক্ষাগুৰু সকলৰ আশীৰ্বাদত মই সভানেত্ৰী হিচাপে নিৰ্বাচিত হ'বলৈ সক্ষম হৈছিলোঁ। মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীলৈ আৰু শিক্ষাগুৰু লগতে সকলো কৰ্মচাৰীলৈ মোৰ হিয়াভৰা মৰম, শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

১৯-১০-২৩ ইং তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত হোৱা ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকাক লৈ ৩০-১০-২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি মহাবিদ্যালয়ৰ বিভাগীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত শপত গ্ৰহণ কাৰ্য সম্পন্ন কৰা হয়।

**NAAC PEER TEAM :-** মোৰ কাৰ্যাকালতে আমাৰ মহাবিদ্যালয়লৈ মূল্যায়ণ কৰিবলৈ NAAC PEER TEAM ২৯-৩০ ডিচেম্বৰ তাৰিখে আহিছিল। প্ৰথম দিনা ২৯ তাৰিখে প্ৰথম কাৰ্যসূচী হিচাপে প্ৰতিটো বিভাগৰ মূৰব্বী অধ্যাপক, অধ্যাপিকাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ লগত বিভাগীয় কিছুমান কথা আলোচনা কৰিছিল। তাৰ পিছত অভিভাৱকসকলৰ লগত কিছু প্ৰয়োজনীতাৰ কথাও আলোচনা কৰিছিল। ৩০ ডিচেম্বৰ তাৰিখে সন্ধিয়া এটা সৰুকৈ Cultural Programme NAAC PEER TEAM ক আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশন কৰা হৈছিল। আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলে Programme টো সুকলমে পাৰ কৰাত সহায় কৰিছিলোঁ। অতিকৈ ভাল লগা খবৰ যে আমাৰ মহাবিদ্যালয়খনে $B^+$ পাবলৈ সক্ষম হৈছিল।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ

বিগত বছৰবোৰৰ দৰে ১-২-২৪ ইং তাৰিখৰ পৰা ৮-২-২৪ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। ছাত্ৰী একতা সভাৰ বিভাগীয় সদস্যা সকলে নিজৰ নিজৰ অনুষ্ঠানসমূহ পাতিছিল। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ চলিছিল। মহাবিদ্যালয় সপ্তাহৰ কণ্ঠশিল্পী আছিল দিগন্ত দিক্ষীত।

সৰস্বতী পূজা উদ্যাপন ঃ-

১৪-২-২০২৫ ইং তাৰিখে অইন বেলিৰ দৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ পূজাভাগ উলহ-মালহেৰে পালন কৰা হৈছিল। প্ৰত্যেক বছৰৰ দৰে শিক্ষাগুৰুসকলৰ লেখাৰে পৰিপূৰ্ণ প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' খন প্ৰস্তুত কৰিছিল। অধ্যক্ষ-উপাধ্যক্ষ ধৰি শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত প্ৰতিটো কাম নিয়াৰিকৈ পালন কৰা হৈছিল। ৰং-বিৰঙী কামৰূপাৰে মহাবিদ্যালয়খনে চালে চকুৰোৱা হৈ পৰিছিল। এনেদৰেই মাৰ আশিষ লৈ ভোগ-প্ৰসাদ গ্ৰহণ কৰি সকলোৱে দিনটো সুকলমে পাৰ কৰে।

**নৱাগত আদৰণী সভা ঃ -**

প্ৰতিগৰাকী ছাত্ৰীৰে হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণী সভা। হাজাৰ আশা আৰু বুকুত বহুত সপোন লৈ মহাবিদ্যালয়ত ভৰি থোৱা ছাত্ৰী সকলৰ বাবে এক আয়োজন। প্ৰতি বৰ্ষৰ দৰেই কোনো ব্যতিক্ৰম নোহোৱাকৈ এইবেলি ৩-৯-২৪ ইং তাৰিখে নৱাগত আদৰণী সভাখন অনুষ্ঠিত হৈছিল। ছাত্ৰীসকলে খুব আগ্ৰহৰে প্ৰতিটো অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। নৱাগতসকলৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ আগ্ৰহ আৰু উৎসাহে অনুষ্ঠানটো আৰু অধিক শুৱনি কৰি তুলিছিল। নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ নিমন্ত্ৰিত অতিথি শিল্পীৰূপে উপস্থিত আছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপশিখা বৰা।

**সামৰণি ঃ-** সদৌ শেষত মোক দিহা-পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ তথা তত্বাৱধায়ক ড° নৱকান্ত অধিকাৰী ছাৰলৈ শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছোঁ, লগতে উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰলৈ মোৰ সেৱা আগবঢ়াইছোঁ।

মোৰ কাৰ্যকালত অজানিতে কৰা ভুলবোৰৰ বাবে মই ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ আৰু অধিক উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয় আই অসম'

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—

**লিজা তালুকদাৰ**



# বিভাগীয় প্ৰতিবেদন



## উপ-সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ভৱিষ্যতৰ চিন্তা কৰি বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলৰ লগতে অন্য অঞ্চলৰ নাৰীয়ে যাতে আনুষ্ঠানিক শিক্ষাৰপৰা বঞ্চিত নহয় আৰু দেশৰ সৰ্বাংগীন উন্নতিত যোগদান কৰিব পাৰে তাৰ প্ৰতি এক দূৰদৰ্শী চিন্তাৰে প্ৰতিষ্ঠা কৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম কৰিছোঁ। দক্ষিণ কামৰূপ ছোৱালী মহাবিদালয়ৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰী ছাৰ, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ, লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ জ্যেষ্ঠসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০২৩-২০২৪ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক উপ-সভানেত্ৰী পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু বিকাশত সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰা প্ৰতিগৰাকী ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

১৯-১০-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচন যোৱাৰ পিছত ৩০-১০-২০২৩ ইং তাৰিখে নৱ নিৰ্বাচিত ছাত্ৰী একতা সভাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ উপস্থিতিত শপত গ্ৰহণ কৰি কাৰ্য সম্পন্ন হয়। শপত গ্ৰহণৰ লগে লগে আৰম্ভ হৈছিল মোৰ কাৰ্যকালৰ যাত্ৰা।

**মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ** মহাবিদ্যালয়ৰ দায়িত্ব বহন কৰাৰ পিছতেই প্ৰথম কাৰ্যসূচী আছিল ৩৬ তম প্ৰতিষ্ঠা দিৱস। অইনবেলিৰ দৰে ২০ নৱেম্বৰত বিভিন্ন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়।

**NAAC PEER TEAM ঃ** মই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ উপ-সভানেত্ৰী পদত থাকি কাৰ্যকাল চলি থাকোঁতেই, আমাৰ মহাবিদ্যালয়লৈ NAAC PEER TEAM ২৯-৩০ ডিচেম্বৰত মহাবিদ্যালয়ত উপস্থিত হৈছিল। তেওঁলোকক আমি সকলোৱে সন্মানেৰে মহাবিদ্যালয়ৰ চৌহদৰ পৰা আদৰি আনিছিলোঁ। তেওঁলোক মুঠ তিনিগৰাকী ব্যক্তি আহিছিল। এগৰাকী বাইদেউ আৰু দুগৰাকী ছাৰ আহিছিল।

তেওঁলোক অহাৰ প্ৰথম দিনা অৰ্থাৎ ২৯ ডিচেম্বৰ তাৰিখে প্ৰথম কাৰ্যসূচী আছিলে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগ তেওঁলোকে মূল্যায়ন কৰাৰ লগতে বিভাগীয় মুৰব্বী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ লগত বিভিন্ন দিশৰ বাৰ্তালাপ কৰা। লগতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ লগত প্ৰয়োজনীয়তা আৰু অসুবিধাসমূহৰ বুজ লৈছিল। এনেদৰে তেওঁলোকে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিটো দিশ পৰ্যবেক্ষণ কৰে।

কাৰ্যসূচীৰে দ্বিতীয় দিন অৰ্থাৎ ৩০ ডিচেম্বৰ তাৰিখে দ্বিতীয় কাৰ্যসূচী আৰম্ভ হয়। সেইদিনাখন আছিলে সন্ধিয়া এটি সুন্দৰ সাংস্কৃতিক অনুষ্ঠান। তাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে নিজৰ প্ৰতিভাৰে আমাৰ অসমীয়া সমাজৰ সংস্কৃতি ফুটাই তোলে। লগতে সকলোৱে সেই অনুষ্ঠানত উপস্থিত থাকি আনন্দ লাভ কৰে।

এনেদৰে আমাৰ মহবিদ্যালয়ত NAAC PEER TEAMৰ অনুষ্ঠানৰ সামৰণি পৰে। সুখৰ খবৰ এইটোৱে যে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে B+ গ্ৰেড পাবলৈ সক্ষম হৈছিল।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** অইনবেলিৰ দৰে এইবেলিও ০১-০২-২০২৪ ইং তাৰিখৰ পৰা ০৮-০২-২০২৪ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহত বিভিন্ন বিভাগীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। সকলো ছাত্ৰীয়ে তাত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনাখন অৰ্থাৎ ০৮-০২-২০২৪ ইং তাৰিখে নিমন্ত্ৰিত কণ্ঠশিল্পী দিগন্ত দীক্ষিতৰ গীতৰ শৰাইৰে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ সামৰণি ঘটে।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** বিগত বছৰৰ দৰে এইবেলিও ১৪ -০২ -২০২ ইং তাৰিখে বিদ্যাৰ দেৱী মা সৰস্বতীৰ পূজাভাগ উলহ-মালহেৰে পালন কৰা হৈছিল। পূজাৰ দিনাখনেই তত্ত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰৰ দিহা-পৰামৰ্শত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ সহযোগত শিক্ষাগুৰুসকলৰ মধুৰ লেখাৰে প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'খন প্ৰস্তুত কৰিছিল। লগতে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যাসকলেও সহায়ৰ হাত আগবঢ়াই পূজাখন সুকলমে পাৰ কৰে।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল নৱাগত আদৰণী সভাখন। ০৩-০৯-২০২৪ ইং তাৰিখে নৱাগত আদৰণী সভাখন আয়োজন কৰা হয়। এই সভাখনত নতুন ছাত্ৰীক আদৰণি জনোৱাৰ লগতে নিমন্ত্ৰণ কৰি অনা গুণী-জ্ঞানী ব্যক্তিসকলৰ ভাষণৰ জৰিয়তে ছাত্ৰীসকলক ভাল কথা আৰু জীৱনৰ উন্নতিৰ দিশত কেনেকৈ আগবাঢ়িব তাক কোৱা হয়। তাৰ লগতে এই নৱাগত আদৰণি সভাৰ নিমন্ত্ৰিত জনপ্ৰিয় কণ্ঠশিল্পী দীপশিখা বৰাৰ সুমধুৰ গানেৰে এই বিশেষ অনুষ্ঠানটিৰ সামৰণি হয়।

**সামৰণি ঃ** সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয় আই অসম"
"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"
"জয়তু ছাত্ৰী একতা সভা"

ধন্যবাদেৰে—
**ভনীতা কলিতা**

# বিভাগীয় প্ৰতিবেদন



## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সমূহ শিক্ষাগুৰুৰ লগতে কৰ্মচাৰীবৃন্দ আৰু যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অশেষ পৰিশ্ৰম, মহানুভৱতা, লোকহিতৈষী চিন্তাধাৰা আৰু অবিৰত প্ৰচেষ্টা আগবঢ়াইছিল সেইসকল ব্যক্তিকো মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ (২০২৩-২০২৪) ঃ**

**মহাবিদ্যালয়ৰ নিৰ্বাচন আৰু শপত গ্ৰহণ ঃ** ১৯-১০-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয় আৰু ৩০-১০-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ কাম-কাজৰ বাবে সাধাৰণ সম্পাদিকা পদৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ।

**মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ** সাধাৰণ সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল ৩৬ তম প্ৰতিষ্ঠা দিৱস। বিগত বছৰ কেইবেলিৰ দৰে ২০ নৱেম্বৰ ২০২৩ ইং তাৰিখে বিভিন্ন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই প্ৰতিষ্ঠা দিৱস শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীদেৱে।

**NAAC PEER TEAM ঃ** মোৰ কাৰ্যকালতে আমাৰ মহাবিদ্যালয়লৈ মূল্যায়ণ NAAC PEER TEAM ২৯ আৰু ৩০ ডিচেম্বৰ ২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত উপস্থিত হৈছিল। তেওঁলোকক আনন্দেৰে আনন্দিত হৈ মহাবিদ্যালয়ৰ চৌহদত আদৰণি জনালোঁ। তিনিজন ছাৰ-বাইদেউ আহিছিল, অৰ্থাৎ এজনী বাইদেউ আৰু দুজন ছাৰ।

প্ৰথমদিনা অৰ্থাৎ ২৯ ডিচেম্বৰ তাৰিখে আমাৰ কাৰ্যসূচী হিচাপে প্ৰতিটো বিভাগৰ মুৰব্বী অধ্যাপক, অধ্যাপিকাৰ লগতে আন শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত বিভাগীয় কিছুমান কথা আলোচনা কৰিছিল। লগতে ছাত্ৰীসকলৰ লগত মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তা আৰু মহাবিদ্যালয়ৰ লগত জড়িত ছাত্ৰীসকলৰ সুবিধাজনক বস্তুৰ কথা পাতিছিল।

৩০ ডিচেম্বৰ তাৰিখে সন্ধিয়া এটা সৰুকৈ সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হৈছিল। সাংস্কৃতিক অনুষ্ঠানৰ কাৰণে আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগত মিলি মঞ্চখন অলপ সজাইছিলোঁ। লগতে বহুতো আনন্দ কৰিছিলোঁ। অতিকৈ ভাল খবৰটো হৈছে যে আমাৰ মহাবিদ্যালয়খনে B⁺ গ্ৰেড পাবলৈ সক্ষম হৈছে।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰৰ দৰেই এইবেলিও ০১-০২-২০২৪ ইং তাৰিখৰ পৰা ০৮-০২-২০২৪ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেলসমূহ, যেনে— দৌৰ, ৰচীটনা, ৰন্ধন, জেতুকা, কইনা প্ৰতিযোগিতা, ৰংগোলী, চিলাই আদি বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। সেয়েহে সকলো ছাত্ৰী একতা সভাৰ সদস্যাসকলক সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

**গণতন্ত্ৰ দিৱস ঃ** প্ৰতিবছৰৰ দৰে এইবেলিও ২৬-০১-২০২৪ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত সন্মানীয় ছাৰ-বাইদেউসকলৰ লগতে ছাত্ৰী একতা সভাৰ সদস্যা তথা ছাত্ৰীসকলৰ সহযোগিতাত গণতন্ত্ৰ দিৱস পালন কৰা হয়।

**সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবেলিও ১৪-০২-২০২৪ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে আমি সকলোৱে মিলি সৰস্বতী পূজাখন উদ্‌যাপন কৰিছিলোঁ। আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলে এই পূজাখন চলাই নিবৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। ছাৰসকলৰ লগতে সকলো কামত সহায় কৰি মিলিজুলি আনন্দেৰে পূজাখন পাতিছিলোঁ।

পূজা উপলক্ষে মহাবিদ্যালয়ৰ চৌহদ চাফ-চিকুণ কৰাত সমাজসেৱা সম্পাদিকাক সহায়ৰ হাত আগবঢ়াই পূজাখন সুকলমে পাৰ কৰিলোঁ।

**স্বাধীনতা দিৱস ঃ** প্ৰতিবছৰৰ দৰে এইবেলিও ১৫ আগষ্টত মহাবিদ্যালয়ত সকলো ছাৰ-বাইদেউৰ লগতে ছাত্ৰীসকলৰ সহযোগত পালন কৰা হয়।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল নৱাগত আদৰণী সভা। ০৩-০৯-২০২৪ ইং তাৰিখে অতি উলহ-মালহেৰে আমি সকলোৱে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰোঁ। নৱাগত আদৰণি সভাখনৰ মূল উদ্দেশ্য হৈছে— নতুন ছাত্ৰীসকলক আদৰণি জনোৱা। সেই উপলক্ষে ৰাতিপুৱা ৯-০০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° নৰকান্ত অধিকাৰীদেৱে পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

এই মুকলি সভাখনৰ সভাপতি আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মুখ্য অতিথি হিচাপে আছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস। বিশেষ সম্বৰ্দ্ধনাৰ বাবে আমন্ত্ৰণ কৰা হয় দক্ষিণ কামৰূপ বৰিহাটৰ পৰা জনপ্ৰিয় কণ্ঠশিল্পী শ্ৰীঅঞ্জলী মালী বাইদেউক। সভাৰ শেষত ছাত্ৰীসকলৰ মনৰ উখল-মাখল আঁতৰাবলৈ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী হিচাপে নিমন্ত্ৰণ কৰি আনিছিলোঁ 'দীপশিখা বৰা' বাইদেউক।

**দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ অধিৱেশন ঃ** ৩০ আৰু ৩১ আগষ্ট ২০২৪ ইং তাৰিখে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ তিংশত্তম বাৰ্ষিক মিৰ্জা অধিৱেশন আৰু বিশেষ অভিনন্দন অনুষ্ঠানখন আমাৰ মহাবিদ্যালয়তে অনুষ্ঠিত কৰে। সেই দুদিনীয়া কাৰ্যসূচীত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰিছিল। আছুৰ লগত জড়িত বহুত বিখ্যাত বিখ্যাত মানুহৰ আদৰণি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যাসকলে জনাইছিল সেই অনুষ্ঠানত কাৰ্যকৰী সভাপতি হিচাপে মোক দায়িত্বভাৰ দিয়ে।

**মহাবিদ্যালয়ৰ পোছাক সলনি ঃ** মই সাধাৰণ সম্পাদিকা হৈ থকাৰ সময়তে মহাবিদ্যালয়ৰ পুৰণি পোছাকযোৰ সলনি কৰি নতুন ৰঙৰ পোছাক দিয়াৰ ব্যৱস্থা কৰা হৈছে।

জয় আই আসম

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—

**ৰুনুমা বড়ো**

# বিভাগীয় প্ৰতিবেদন



## সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদন আৰম্ভণি কৰাৰ আগতে মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা তথা সন্মান সহকাৰে সুঁৱৰিছোঁ - যি সকল ব্যক্তিৰ অশেষ পৰিশ্ৰম, মহানুভৱতা, কষ্টৰ ফলত আজি আমাৰ এই অঞ্চলত নাৰী শিক্ষাৰ সুবিধাৰ্থে আমাৰ অতিকৈ আপোন মহাবিদ্যালয়খনে প্ৰতিষ্ঠা হৈছিল।

যোৱা ২০২৩-২৪ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদিকা হিচাপে মোক নিৰ্বাচন কৰা মহাবিদ্যালয়ৰ বাইদেউ, ভণ্টি, বান্ধৱী সকলক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক নিৰ্বাচনত সহায়-সহযোগিতাৰ হাত আগবঢ়াই মোক মহাবিদ্যালয়খনত প্ৰত্যক্ষ সেৱা-সুযোগ দিয়াৰ বাবে অশেষ ধন্যবাদ জনাইছোঁ।

২০২৩-২৪ ইং বৰ্ষৰ নৱ নিৰ্বাচিত ছাত্ৰী একতা সভাই সকলো সময়তে মহাবিদ্যালয়ৰ সংবিধানৰ পৱিত্ৰতা মৰ্যাদা ৰক্ষা কৰি নিজৰ নিজৰ দায়িত্ব সুকলমে পালন কৰিম বুলি শপত লৈছিলোঁ - কিন্তু কিমান সফল হ'ব পাৰিছোঁ, সেয়া আপোনালোকৰ বিচাৰ্য্য।

**মোৰ কাৰ্যকালৰ কিছু বিৱৰণ ২০২৩-২৪ ঃ**

**মহাবিদ্যালয়ৰ নিৰ্বাচন আৰু শপত ঃ** ১৯-১০-২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচন হয় আৰু ৩০-১০-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ কাম-কাজৰ বাবে সহঃ সাধাৰণ সম্পাদিকা পদৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ।

**মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ** সহঃ সাধাৰণ সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যকালত প্ৰথম কাৰ্যসূচী আছিল ৩৬ তম্ প্ৰতিষ্ঠা দিৱস। বিগত বছৰ কেইবেলিৰ দৰে ২০ নৱেম্বৰ ২০২৩ তাৰিখে বিভিন্ন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীদেৱে।

**NAAC PEER TEAM ঃ**মোৰ কাৰ্যকালতে আমাৰ মহাবিদ্যালয়লৈ মূল্যায়ণ NAAC PEER TEAM ২৯ আৰু ৩০ ডিচেম্বৰ, ২০২৩ তাৰিখে আমাৰ মহাবিদ্যালয়ত উপস্থিত হৈছিল। তেওঁলোকক আনন্দেৰে আনন্দিত হৈ মহাবিদ্যালয়ৰ চৌহদৰ পৰা আঁদৰণি জনালোঁ। তিনিজন ছাৰ- বাইদেউ আহিছিল, এজনী বাইদেউ, আৰু দুজন ছাৰ।

প্ৰথমদিনা অৰ্থাৎ ২৯ ডিচেম্বৰ তাৰিখে আমাৰ কাৰ্যসূচী হিচাপে প্ৰতিটো বিভাগৰ মুৰব্বী অধ্যাপক, অধ্যাপিকাৰ লগতে আন শিক্ষক-শিক্ষয়িত্ৰীৰ লগত বিভাগীয় কিছুমান কথা আলোচনা কৰিছিল। তাৰ পিছত অভিভাৱক সকলোৰ লগত কিছু কথা-বতৰা পাতিছিল। লগতে ছাত্ৰীসকলৰ লগত মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ আৰু মহাবিদ্যালয়ৰ লগত জড়িত ছাত্ৰীসকলৰ সুবিধাজনক বস্তুৰ কথা পাতিছিল। ৩০ ডিচেম্বৰ তাৰিখে সন্ধিয়া এটা সৰুকৈ Cultural Programme ও হৈছিল। Cultural Programme ৰ কাৰণে আমি ছাত্ৰী একতা সভাৰ সদস্যা সকলৰ লগত মিলি মঞ্চখন অলপ সজাইছিলোঁ। লগতে বহুতো স্ফূৰ্তি কৰিছিলোঁ। অতিকৈ ভাল খবৰটো হৈছে যে আমাৰ মহাবিদ্যালয়খনে B+ পাবলৈ সক্ষম হৈছে।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰৰ দৰেই এই বেলিও ১-২-২০২৪ ইং তাৰিখৰপৰা ৮-২-২০২৪ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন খেল সমূহ যেনে দৌৰ, ৰছী টনা, ৰন্ধন, জেতুকা, কইনা প্ৰতিযোগিতা, ৰংগোলী, চিলাই আদি বিভিন্ন প্ৰতিযোগিতাসমূহ

অনুষ্ঠিত কৰা হৈছিল। সেয়েহে সকলো ছাত্ৰী-একতা সভাৰ সদস্যা সকলক সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

**গণতন্ত্ৰ দিৱস ঃ-** প্ৰতি বছৰৰ দৰে এইবেলিও ২৬-১-২০২৪ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত সন্মানীয় ছাৰ-বাইদেউ সকলৰ লগতে ছাত্ৰী একতা সভাৰ সদস্যা তথা ছাত্ৰী সকলৰ সহযোগিতাত গণতন্ত্ৰ দিৱস পালন কৰা হয়।

**সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এই বেলিও ১৪-২-২০২৪ ইং তাৰিখে মহ্যাবিদ্যালয়ত উলাহ-মালহেৰে আমি সকলোৱে সৰস্বতী পূজাখন উদ্‌যাপন কৰিছিলোঁ। আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলে এই পূজাখন চলাই নিবৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। ছাৰ সকলৰ লগতো সকলো কামত সহায় কৰি মিলিজুলি আনন্দৰে পূজাখন উদ্‌যাপন কৰিছিলোঁ।

পূজা উপলক্ষে মহাবিদ্যালয়ৰ চৌহদ চাফ-চিকুণ কৰাত সমাজ সেৱা সাম্পাদিকাক সহায়ৰ হাত আগবঢ়াই পূজাখন সুকলমে পাৰ কৰিলোঁ।

**স্বাধীনতা দিৱস ঃ** প্ৰতিবছৰৰ দৰে এইবেলিও ১৫ আগষ্টত মহাবিদ্যালয়ত সকলো ছাৰ-বাইদেউৰ লগতে ছাত্ৰীসকলৰ সহযোগত পালন কৰা হয়।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল নৱাগত আদৰণী সভা। ৩-৯-২০২৪ ইং তাৰিখে অতি উলহ-মালহেৰে আমি সকলোৱে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰোঁ। নৱাগত আদৰণী সভাখনৰ মূল উদ্দেশ্য হৈছে - নতুন ছাত্ৰীসকলক আদৰণী জনোৱা। সেই উপলক্ষে ৰাতিপুৱা ৯-০০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° নৰকান্ত অধিকাৰীদেৱে পতাকা উত্তোলন কৰি দিনযোৰা কাৰ্যসূচী আৰম্ভ কৰে।

এই মুকলি সভাখনৰ সভাপতি আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মুখ্য অতিথি হিচাপে আছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস। বিশেষ সম্বৰ্দ্ধনাৰ বাবে আমন্ত্ৰণ কৰা হয় দক্ষিণ কামৰূপস্থিত বৰিহাটৰ বিশিষ্ট কণ্ঠশিল্পী শ্ৰীঅঞ্জলি মালী। সভাৰ শেষত ছাত্ৰীসকলৰ মনৰ বাবে উখল-মাখল কৰিবলৈ জনপ্ৰিয় কণ্ঠশিল্পী হিচাপে উপস্থিত আছিল দ্বীপশিখা বৰা।

অন্যান্য ঃ উল্লিখিত অনুষ্ঠানবোৰৰ উপৰিও মহাবিদ্যালয়ত আৰু বহুতো অনুষ্ঠান অনুষ্ঠিত হৈছিল, যিবোৰ অংশ হৈ প্ৰতিটো পৰিস্থিতিৰে অভিজ্ঞ হ'বলৈ পাই নিজকে খুব সুখী অনুভৱ কৰোঁ।

এক বিশেষ বাৰ্তা দিবলৈ পাই আনন্দিত হ'ম যে, মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুবিধাৰ্থে, অধ্যক্ষ ছাৰৰ লগতে মহাবিদ্যালয়ৰ সকলো ছাৰ-বাইদেউৰ লগত কথা পাতি মহাবিদ্যালয়ৰ পোছাক যোৰ সলনি কৰিবলৈ সক্ষম হৈছিলোঁ।

সামৰণি ঃ- প্ৰতিবেদনৰ শেষত মোক সকলো সময়ত সহায়-সহযোগিতা আগবঢ়োৱা, বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি পৰিচালনা কৰা অধ্যক্ষ ছাৰৰ লগতে তত্বাৱধায়ক ড° ৰঞ্জন ভূএগ ছাৰলৈ আন্তৰিক শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকা, মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, ছাৰ-বাইদেউ, কৰ্মচাৰী বৃন্দ তথা ছাত্ৰী-বান্ধৱীসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত সময়ত অজানিতে হোৱা ভুলবোৰৰ বাবে সকলোৱে ওচৰত ক্ষমা বিচাৰি আমাৰ সকলোৰে মৰমৰ মহাবিদ্যালয়খনৰ উন্নতিৰ জখলাডাল আগবাঢ়ি তথা উজ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয় আই আসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**চেহনাজ চুলতানা**

বিভাগীয় প্ৰতিবেদন



# তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকাৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদন আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তি নিজৰ স্বাৰ্থ বলিদান দি অত্যাধিক পৰিশ্ৰম, ত্যাগ আৰু মহানুভৱতাৰ ফলত দক্ষিণ কামৰূপৰ একমাত্ৰ নাৰী শিক্ষাৰ কেন্দ্ৰস্থৰ 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যাল'খনি গঢ়ি উঠিবলৈ সক্ষম হৈছিল। ইয়াৰ লগতে মই আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, লগতে উপাধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ আৰু ছাত্ৰী বান্ধৱী সকললৈ অশেষ শ্ৰদ্ধা-মৰম যাচিছোঁ।

বহুতো আশা বুকুত বান্ধি, বহুতো সপোন বাস্তৱ কৰাৰ আশাৰে মই এই মহাবিদ্যালয়ত ভৰি দিছিলোঁ। ২০২১ ইংৰাজী চনত। মহাবিদ্যালয়খনৰ প্ৰতি কিবা এটা নতুন কাম কৰাৰ উদ্দেশ্যে মই ২০২৩-২৪ ইং বৰ্ষ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু আলোচনাচক্ৰ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত হৈছিলোঁ।

মোৰ এই নিৰ্বাচনখনিত নিঃস্বাৰ্থভাৱে সহায়-সহযোগিতা আৰু মৰম দিয়া মোৰ ছাত্ৰী, বান্ধৱী, মোৰ মৰমৰ ভন্টিসকলৰ লগতে বাসকল আৰু শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলোলৈ ধন্যবাদ যাচিছোঁ। মহাবিদ্যালয়খনৰ হকে কাম কৰিবলৈ সুযোগ দিয়া বাবে আৰু এই গধুৰ দায়িত্বৰ বাবে মোক যোগ্য বুলি ভৰা সেইসকল ব্যক্তিৰ ওচৰত মই সদায় চিৰকৃতজ্ঞ হৈ থাকিম।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

নিৰ্বাচনৰ কিছুদিন পিছত ৩০-১০-২০২৪ ইংৰাজী তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ মহোদয় আৰু তত্বাৱধায়ক ছাৰ-বাইদেউসকলৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগতে আৰু ছাত্ৰীসকলৰ লগত শপত গ্ৰহণ কৰা হৈছিল। সেইদিনাখন মই নিজেও শপত লৈছিলোঁ যে— মহাবিদ্যালয়ৰ সন্মান বজাই ৰাখিবলৈ চেষ্টা কৰিম। মোৰ এই বছৰৰ কাৰ্যকালত মোৰ লগত সহায়-সহযোগিতা উৎসাহ সাহস দিয়া, মোৰ তত্বাৱধায়ক ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° হৰেণ চন্দ্ৰ কলিতা ছাৰক মোৰ ফালৰপৰা বহুত বেছি ধন্যবাদ ও শ্ৰদ্ধা যাচিছোঁ।

NAAC PEER TEAM ঃ মোৰ কাৰ্যকালত আৰম্ভণিতে ইংৰাজী মাহৰ ২০২৪ চনৰ ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ত পাঁচ বছৰৰ মূৰত অহা NAAC PEER TEAM য়ে আমাৰ মহাবিদ্যালয়খন মূল্যায়ন কৰিছিল আৰু মোৰ বাবে সেই দুটি দিন বিশেষ আছিল, যিহেতু প্ৰথমবাৰৰ বাবে পাইছিলোঁ। বহুতো নতুন অভিজ্ঞতা লাভ কৰিছিলোঁ। আৰু মৰমৰ মহাবিদ্যালয়খনে B+ পাবলৈ সক্ষম হৈছিল।

**গণতন্ত্ৰ দিৱস ঃ**

প্ৰতিবছৰৰ দৰে এইবেলিও ২৬-০১-২০২৪ ইংৰাজী তাৰিখে আমাৰ মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰীসকল আৰু ছাত্ৰী একতা সভাৰ সদস্যাসকল, মহাবিদ্যালয়ৰ অন্য কৰ্মচাৰীবৃন্দৰ সহযোগত ৰাতিপুৱা ৮-০০ বজাত ৭৫ সংখ্যক গণতন্ত্ৰ দিৱস পালন কৰা হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ**

ছাত্ৰী একতা সভাৰ তৰ্ক আৰু আলোচনাচক্ৰৰ সম্পাদিকাৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত তৃতীয় কাৰ্যসূচী হিচাপে আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ (২০২৩-২৪) বৰ্ষ।

বিগত বৰ্ষবোৰৰ দৰেই এইবেলিও মহাবিদ্যালয় সপ্তাহ পতাৰ উদ্দেশ্যৰে এখন বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ পৰা তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কুইজ প্ৰতিযোগিতা, অসমীয়া কবিতা আবৃত্তি, ইংৰাজী কবিতা আবৃত্তি, অসমীয়া বাতৰি

পৰিৱেশন, ইংৰাজী বাতৰি পৰিৱেশন অনুষ্ঠিত কৰা হৈছিল ইত্যাদি। ছাত্ৰীসকলে যথেষ্ট উৎসাহেৰে ভাগ লৈছিল প্ৰতিযোগিতাসমূহত। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা সকলো ছাত্ৰী-বান্ধৱী তথা বা সকললৈ মোৰ ফালৰ বহুত বেছি মৰম ধন্যবাদ যাচিছোঁ। মোৰ তত্বাৱধায়ক ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° হৰেণ চন্দ্ৰ কলিতা ছাৰকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক প্ৰতি ক্ষেত্ৰতে উৎসাৱ, সাহস; সহায়-সহযোগিতা কৰাৰ বাবে লগতে কিবা ভুল কৰি শুধৰাই দিয়াৰ বাবে আৰু প্ৰতিযোগিতা সমূহৰ প্ৰত্যেকজন বিচাৰকমণ্ডলীক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰতিযোগিতাসমূহ পৰিপাটিকৈ চলাই নিয়াৰ বাবে ছাত্ৰী একতা সভাৰ সদস্যাসকলকো বহুত বেছি ধন্যবাদ  যাচিছোঁ। মোৰ লগত থাকি সহায়-সহযোগিতা, দিহা-পৰামৰ্শ দিয়াৰ বাবে।

০৫-০২-২০২৪ তাৰিখে আছিল সাংস্কৃতিক শোভাযাত্ৰা। খুব সুন্দৰকৈ দিনটো পাৰ হৈ গৈছিল আৰু মহাবিদ্যালয় সপ্তাহৰ শেষৰটো দিন আছিল বঁটা বিতৰণী সভা, খুব পৰিপাটিকৈ মহাবিদ্যালয় সপ্তাহ পাৰ হৈ গৈছিল আৰু ছাত্ৰী সকলৰ মনোৰঞ্জনৰ বাবে এজন গায়ক দিগন্ত দীক্ষিত দাদাৰ কণ্ঠৰে দিনটোৰ অলপ সময় মনোৰঞ্জন কৰিছিলোঁ আমি।

**সৰস্বতী পূজা ঃ**

বিগতৰ বছৰৰ দৰে এইবেলিও আমি ১৪-০২-২০২৪ ইং তাৰিখে মহাবিদ্যালয়ত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী মাৰ পূজাভাগ অনুষ্ঠিত কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ, ছাত্ৰী একতা সভা আৰু ছাত্ৰীসকলৰ সহযোগিত কামবোৰ খুব নিয়াৰিকৈ পালন কৰা হৈছিল। সৰস্বতী মাৰ পূজাভাগৰ লগত সংগতি ৰাখি সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰৰ দিহা-পৰামৰ্শত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা অনুস্মিতা দাসৰ সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আটকধুনীয়াকৈ প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'খন সাজি উলিয়াইছিল। ভিন্নৰঙী কামৰূপাৰে মহাবিদ্যালয়খন আৰু অধিক শুৱনি হৈ পৰিছিল। এনেদৰেই মাৰ আশীস লৈ দিনটো সুকলমে পাৰ হৈছিল।

**সংগ্ৰাহালয় প্ৰতিষ্ঠা দিৱস (Museum Fonudation Day) ঃ**

১৯-০২-২০২৪ ইং তাৰিখে মহাবিদ্যালয়ত সংগ্ৰাহালয় প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হৈছিল।

**আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস (Internation Women's Day) ঃ**

মহাবিদ্যালয়ত ০৮-০৩-২০২৪ ইং তাৰিখে আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস পালন কৰা হয়।

**বিশ্ব পৰিৱেশ দিৱস (World Environment Day) ঃ**

৫ জুন, ২০২৪ ইং তাৰিখে মহাবিদ্যালয়ত NSS (ৰাষ্ট্ৰীয় সেৱা আঁচনি) আৰু শুৱনি ধৰণীৰ উদ্যোগত আমাৰ মহাবিদ্যালয়ত ৰচনা প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আৰু দিনটো সুকলমে পাৰ হৈ গৈছিল।

**ৰাভা দিৱস ঃ**

২০ জুন, ২০২৪ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত 'ৰাভা দিৱস'ৰ উদ্দেশ্যে কলাগুৰু বিষ্ণুৰাভা দেৱক শ্ৰদ্ধাৰে স্মৰণ কৰে মহাবিদ্যালয়ৰ পৰিয়ালে।

**৭৮ সংখ্যক স্বাধীনতা দিৱস ঃ**

মহাবিদ্যালয়ত শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল আৰু অন্য কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ ছাত্ৰীসকল, ছাত্ৰী একতা সভাৰ সদস্যা সকল সমবেত হৈ ৭-৩০ বজাত ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন কৰা হয়। আমাৰ দেশৰ বাবে প্ৰাণ আহুতি দিয়া সকলো ব্যক্তিকে সেই বিশেষ দিনটোত শ্ৰদ্ধাৰে সোঁৱৰা হয়।

**অধিৱেশন ঃ**

৩০ আৰু ৩১ আগষ্ট, ২০২৪ ইং তাৰিখে আমাৰ দক্ষিণ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আমাৰ মহাবিদ্যালয়ত 'অধিৱেশন' অনুষ্ঠিত কৰা হৈছিল।





**নৱাগত আদৰণী সভা ঃ**

০৩-০৯-২০২৪ ইং তাৰিখে নৱাগত আদৰণী সভাখন 'ছাত্ৰী একতা সভা'ৰ উদ্যোগত আয়োজন কৰা হৈছিল।

০২-০৯-০২০২৪ ইং তাৰিখে নৱাগত আদৰণী সভাৰ উদ্দেশ্যে মহাবিদ্যালয় চাফ-চিকুণ কৰা হৈছিল। নৱাগত আদৰণী সভাত গীত গাবলৈ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী 'দীপশিখা বৰা' গীতৰ শৰাই আছিল। খুব সুন্দৰকৈ দিনটো পাৰ হৈ গৈছিল। প্ৰতিগৰাকী ছাত্ৰীৰ হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণী সভা। হাজাৰ আশা বুকুত বান্ধি সপোনক বাস্তৱ কৰাৰ আশাৰে আমাৰ মহাবিদ্যালয়ত ভৰি থোৱা কলিবোৰক আদৰাৰ এক আয়োজন। ছাত্ৰীসকলে খুব আগ্ৰহেৰে অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰিছিল।

নৱাগত ছাত্ৰীসকলৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ আগ্ৰহ আৰু উৎসাহে অনুষ্ঠানটো অধিক শুৱনি কৰি তুলিছিল।

এইবেলি নৱাগত আদৰণী সভাৰ বিশেষ অতিথি হিচাপে আমাৰ মিৰ্জা তথা দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস মহোদয় উপস্থিত থাকে। আৰু দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ শ্ৰীযুত বেদব্ৰত দাস, সম্পাদক শ্ৰীযুত চন্দ্ৰন কলিতা উপস্থিত থাকে আৰু আন বহুজন শ্ৰদ্ধেয় ব্যক্তি উপস্থিত থাকে। বিশেষভাৱে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, ছাত্ৰী একতা সভা, ছাত্ৰী সকল, ছাৰ-বাইদেউসকল আৰু কৰ্মচাৰীবৃন্দৰ লগতে আটাইৰে সহযোগত দিনটো সুন্দৰকৈ পাৰ হৈ গৈছিল।

**অন্যান্য ঃ**

উল্লেখিত অনুষ্ঠানবোৰৰ উপৰিও মহাবিদ্যালয়ত আৰু বহুতো অনুষ্ঠান অনুষ্ঠিত হৈছিল। যিবোৰত অংশ লৈ প্ৰতিটো পৰিস্থিতিৰে অভিজ্ঞ হ'বলৈ পাই নিজকে খুব সুখী অনুভৱ কৰিছোঁ।

**সামৰণি ঃ**

এইখিনিতে মোক দিহা-পৰামৰ্শ, সহায়-সহযোগিতা, উৎসাহ দিয়া শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° নৱকান্ত অধিকাৰী ছাৰ, শ্ৰদ্ধাৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰলৈও মোৰ সেৱা আগবঢ়াইছোঁ আৰু আকৌ এবাৰ মোৰ তত্বাৱধায়ক ড° হৰেণ চন্দ্ৰ কলিতা ছাৰকো ধন্যবাদ জ্ঞাপন কৰিছোঁ প্ৰতিটো সময়তে মৰমেৰে দিহা-পৰামৰ্শ আৰু সাহস, উৎসাহ দি আগুৱাই লৈ যোৱা বাবে।

বিভাগীয় শিক্ষাগুৰুসকললৈও মোৰ শ্ৰদ্ধা জনাইছোঁ। লগতে মহাবিদ্যালয় NSS গোটলৈ মোৰ শ্ৰদ্ধা-মৰম যাচিছোঁ, মৰমৰ প্ৰতিগৰাকী ছাত্ৰী-বান্ধৱীৰ লগতে ছাত্ৰী একতা সভাৰ সমূহ সদস্যাবৃন্দালৈ মোৰ শ্ৰদ্ধা-মৰম যাচিছোঁ।

মোৰ কাৰ্যকালত অজানিতে কৰা ভুলবোৰৰ বাবে মই ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ আৰু অধিক উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয় আই অসম

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—

মামনী কলিতা

বি ভা গী য় প্ৰ তি বে দ ন

## সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সমূহ শিক্ষাগুৰুৰ লগতে কৰ্মচাৰীবৃন্দ আৰু লগতে যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অশেষ পৰিশ্ৰম, মহানুভৱতা, লোকহিতৈষী চিন্তাধাৰা, অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত মহাবিদ্যালয়খন জন্ম দিছিল সেইসকল ব্যক্তিকো মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যোৱা ২০২৩-২০২৪ ইং বৰ্ষৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকাৰ পদত মোক বিজয়ী কৰি মহাবিদ্যালয়ৰ কাৰণে কিছু সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মোৰ মৰমৰ সমূহ ছাত্ৰী-বান্ধৱী আৰু ভণ্টিসকললৈ মই ধন্যবাদ যাচিলোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ** সাংস্কৃতিক সম্পাদিকা হৈ শপত গ্ৰহণ আমাৰ  ৩০-১০-২০২৩ ইং তাৰিখে নিৰ্ধাৰণ কৰা হয়। সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মই মোৰ প্ৰথম কাম হিচাপে NAAC PEER TEAM মোৰ কাৰ্যকালতে আমাৰ মহাবিদ্যলয়লৈ মূল্যায়ন কৰিবলৈ NAAC PEER TEAM ২৯-৩০ ডিচেম্বৰ তাৰিখে আহিছিল। প্ৰথম দিনা ২৯ ডিচেম্বৰ প্ৰথম কাৰ্যসূচী হিচাপে প্ৰতিটো বিভাগৰ মুৰব্বী অধ্যাপক-অধ্যাপিকাৰ লগত বিভাগীয় কিছুমান কথা আলোচনা কৰিছিল। তাৰ পিছত অভিভাৱকসকলৰ কিছু কথা-বতৰা পাতিছিল। লগতে ছাত্ৰীসকলৰ প্ৰয়োজনীয়তাৰ কথাও আলোচনা কৰিছিল। ৩০ ডিচেম্বৰ তাৰিখে সন্ধিয়া এটা সৰুকৈ Cultural Programme ও হৈছিল। Cultural Programmeৰ কাৰণে আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগত মিলি মঞ্চখন অলপ সজাইছিলোঁ। লগতে বহুতো ফূৰ্তি কৰিছিলোঁ। সেই প্ৰগ্ৰেমসমূহ হ'ল ঃ মহাবিদ্যালয় সংগীত, বৰগীত, ৰাভা নৃত্য, সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য আৰু ভূপেন্দ্ৰ সংগীত পৰিৱেশনৰ লগতে সদৌশেষত আমাৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সেই দিনাৰ অনুষ্ঠানৰ সামৰণি কৰা হৈছিল। অতিকৈ ভাল লগা খবৰ যে আমাৰ মহাবিদ্যালয়খনে B⁺ পাবলৈ সক্ষম হ'ল।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰৰ দৰেই এইবেলিও ০১-০২-২০২৪ ইং তাৰিখৰপৰা ০৮-০২-২০২৪ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। সাংস্কৃতিক বিভাগৰ প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ ফালৰপৰা এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হৈছিল। তাৰ পিছত বিভিন্ন ধৰণৰ সংগীত আৰু নৃত্যানুষ্ঠানৰ সমাহেৰে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

**সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবেলিও ১৪ ফেব্ৰুৱাৰী ২০২৪ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে আমি সৰস্বতী পূজা উদযাপন কৰিছিলোঁ। আমি ছাত্ৰী একতা সভাই পূজাখন চলাই নিয়াৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। ছাৰসকলৰ লগতো সকলো কামত সহায় কৰি মিলিজুলি আনন্দেৰে পূজাখন পাতিছিলোঁ।

**স্বাধীনতা দিৱস ঃ** প্ৰতিবছৰৰ দৰে এইবেলিও ১৫ আগষ্টত মহাবিদ্যালয়ৰ সকলো ছাৰ-বাইদেউৰ লগতে ছাত্ৰীসকলৰ সহযোগত উদ্‌যাপন কৰা হয়।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল নৱাগত আদৰণী সভা। ০৩-০৯-২০২৪ ইং তাৰিখে উলহ-মালহেৰে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰোঁ। নৱাগতক আদৰণি জনোৱা হয়। সেই উপলক্ষে ৰাতিপুৱা ৯-০০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° নৱকান্ত অধিকাৰীদেৱে পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। এই মুকলি সভাখনৰ সভাপতি আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মুখ্য অতিথি আছিল দক্ষিণ কামৰূপ মহাবিদ্যালয় অধ্যক্ষ ড° নৱজ্যোতি দাস। বিশেষ সম্বৰ্দ্ধনাৰ বাবে আমন্ত্ৰণ কৰা হয় দক্ষিণ কামৰূপস্থিত বৰিহাটৰ নিবাসী অঞ্জলী মালী। সভাৰ শেষত কণ্ঠশিল্পী হিচাপে উপস্থিত আছিল জনপ্ৰিয় কণ্ঠশিল্পী দিপশিখা বৰা বাৰ গীতৰে আমাৰ নৱাগত





আদৰণী সভাখন অন্ত পৰে।

**সামৰণি ঃ** মোৰ কাৰ্যকালৰ সময়ত সকলো বিষয়তে শুদ্ধ বিচাৰ বিবেচনা আৰু উপদেশ দি সহায় কৰাৰ বাবে অসমীয়া বিভাগৰ আৰু ইংৰাজী বিভাগৰ অধ্যাপক আৰু অধ্যাপিকা মীনাক্ষি বৈৰাগী বাইদেউ আৰু জগন্নাথ বৰ্মন ছাৰলৈ মোৰ ফালৰপৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোক সকলো সময়তেই সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ দি পৰিচালনা আৰু চলায় নিয়াৰ সহায় কৰা ছাত্ৰী বান্ধৱীসকলক মোৰ ফালৰপৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

"জয় আই অসম"
"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"
"জয়তু ছাত্ৰী একতা সভা"

ধন্যবাদেৰে—
**অনুস্মিতা কলিতা**

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত যিসকল নমস্য ব্যক্তিৰ ত্যাগ সাধনা, মহানুভৱতা লোকহিতৈষী অক্লান্ত পৰিশ্ৰম অবিৰত প্ৰচেষ্টাৰ ফল-শ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আজি বিদ্যাৰ মন্দিৰ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে, সেই সকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

